# বাজেট অধিৱেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ৬/৩/২০২৫ বৃহস্পতিবাৰ

**(পূৰ্ব নিৰ্ধাৰিত সময়সূচীমতে সদনৰ কৰ্য্যসূচী ৬ মাৰ্চ ২০২৫ তাৰিখে পুৱা ০৯ঃ৩০ বজাৰ পৰা আৰম্ভ হয়)**

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ১০১। শ্ৰী ৰূপজ্যোতি কুৰ্মী।

মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, বন ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰটো পাইছো আৰু তাৰ বাবে ধন্যবাদ জনাইছো। শেহতীয়াকৈ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই Assam Forest Protection Force ৰ Pass Out Parade ত ৯৪৪ জনক নতুনকৈ নিযুক্তি দিছিল। তাত মুখ্যমন্ত্ৰী ডাঙৰীয়াই বক্তব্যত প্ৰকাশ কৰিছিল যে অসমৰ বনৰ মাটিকালি ২৬,৮৩২ বৰ্গ কিঃমিঃ covering 34.21% of the State geographical area. এই দিশটোলৈ যদি চোৱা যায় বৰ্তমানলৈকে আমাৰ অসমত দুটা Assam Forest Protection Force আছে। ভৌগোলিকভাৱে চালে প্ৰথমটো মধ্য অসমত গুৱাহাটীৰ বশিষ্ঠত আছে। দ্বিতীয়টো অকণমান আগলৈ গৈ ছিকনিত আছে। লখিমপুৰৰ ফালে তৃতীয়টোৰ প্ৰস্তাৱ আহিব বুলি আমি শুনা পাইছো। অৰুণাচল সীমান্তৰ সুৰক্ষাৰ বাবে এইটো ভাল পদক্ষেপ। উজনি অসমত যিহেতু বিভিন্ন Wild-life Sanctuary, Reserve Forest আছে, যদিও চৰকাৰৰ পৰা উত্তৰ পাইছো যে বৰ্তমান কোনো পৰিকল্পনা নাই তথাপি চতুৰ্থটো অসম নাগালেণ্ডৰ সীমামূৰীয়া মৰিয়নী সমষ্ঠিত প্ৰদান কৰাৰ বাবে চৰকাৰখনে চিন্তা কৰিব নেকি?

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, বন ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে Hollongapar Gibbon Wildlife Sanctuary খনৰ প্ৰতিসদায় যথেষ্টখিনি গুৰুত্ব আৰোপ কৰি থাকে। বিভিন্ন সময়ত বিভিন্ন সমস্যাক লৈ মই তেওঁৰ লগত ফোন যোগে কথা পাতিও থাকো। কুৰ্মী ডাঙৰীয়াই কৈছে যে তাত তিনিখন Reserve Forest আছে- Dessoi Val-ley Reserve Forest, Dessoi Reserve Forest and Tiru Hills Reserve Forest. এই গোটেইকেইখন নাগালেণ্ড borderৰ adjacent তাতে আমাৰ Hollongapar Gibbon Wildlife Sanctuary খন লাগি আছে। মাননীয় সদস্যগৰাকীয়ে কোৱা মতে আমাৰ তিনিটা Forest Battalion আছে। সেইকেইটা ক'ত ক'ত আছে তেখেতে কৈছেই। চতুৰ্থ বেটেলিয়নটো আমাৰ এতিয়ালৈকেহোৱা নাই। আমি আলোচনা কৰি আছো। যদি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰে আমাক চতুৰ্থ বেটেলিয়নটো দিয়ে, তেতিয়া আপোনাৰ

কথাটো নিশ্চয় বিবেচনা কৰা হ'ব বুলি মই আপোনাক আশ্বস্ত কৰিলো। তাৰোপৰি Hollongapar Gibbon Wildlife Sanctuary ৰ লগতে বাকী যি তিনিখন Reserve Forest আছে, তাত ইতিমধ্যে যোৰহাট division ৰ অধীনত আমি ১২ জন Assam Forest Battalion দি থৈ দিছো, যেতিয়াই প্ৰয়োজন হয় তেওঁলোকে যাতে কাম কৰিব পাৰে। In addition to that, গেলেকীত অসম পুলিচৰ যিটো 4th Commando Battalion আছে, তাৰ পৰা ৩৮ জন Commando Battalion যোৰহাট division ৰ অধীনত দিয়া হৈছে। যেতিয়াই প্ৰয়োজন হয় তেওঁলোকে তাত কাম কৰিব পাৰিব। তেওঁলোকক Action Group বুলি কোৱা হয়। গতিকে এই Action Group টো আৰু Forest Battalion আছে। ইয়াৰোপৰি আৰু যদি কিবা সমস্যা অনুভৱ কৰে আপুনি আমাক জনাব, আমি সেই হিচাপে ব্যৱস্থা ল'ম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মৰিয়নীত 4th Assam Forest Protection Force Battalion Camp হ'লে ডিব্ৰুগড়, তিনিচুকীয়া শিৱসাগৰ, চৰাইদেউ, গোলাঘাট, নামবৰৰ পৰা আদি কৰি উজনি অসমত যিমান সংৰক্ষিত বনাঞ্চল আছে, সকলোৰে বাবে ভাল হ'ব। সেয়েহে এই কথাটো আকৌ পুনৰবাৰ বিবেচনা কৰাৰ বাবে আশা ৰাখিলো। মন্ত্ৰী মহোদয়ে যিদৰে মিচিকিয়া হাঁহি মাৰি কৈছে, কামটো হ'ব যেন লাগিছে। শেষত, মোৰ আৰু এটা supplementary আছে। মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ১০-০১-২০২৫ তাৰিখে এটা কেবিনেট মেম'ৰেণ্ডাম ওলাইছিল। শচীন্দ্ৰ নাথ দাস, যুটীয়া সচিব ডাঙৰীয়াই Principal Secretary and Chief Conservator of Forest & HoFF, Assam লৈ regarding proposal for implementation of Assured Career Progressive Scheme of AFPF Personnel পঠাইছিল। কিন্তু বিভাগে এতিয়ালৈ কাৰ্য্যকৰী কৰা নাই। হাতীৰ duty ত মইও ৰাতি ২-৩ বজালৈ থাকো। যেতিয়া মই Forest Battalion ৰ লোকসকলক মই সোধো তেওঁলোকে কিবা অসুবিধা পাইছে নেকি? কিবা ক'ব লগা আছে নেকি? তেতিয়া তেওঁলোক আনন্দিত হৈ কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পৰা চাকৰি লাভ কৰি আমি খুব শান্তিৰে কাম কৰি আছো। অন্ততঃ অসমৰ বাহিৰত যাবলগীয়া হোৱা নাই। পৰিয়ালৰ ওচৰতে চাকৰি কৰাৰ সুবিধা খিনি দিয়াৰ বাবে তেওঁলোকে চৰকাৰক ধন্যবাদ জনায়। মই আপোনাৰ যোগেৰে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে Assured Career Progressive Scheme of AFPF Personnel কেতিয়া হ'ব?

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, বন ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে যিটো কথা কৈছে তাক লৈ আমি concern । কেৱল তাৰেই নহয়, বিভিন্ন ঠাইৰ wildlife ত যিসকলে কাম কৰি আছে, তেওঁলোকৰ প্ৰতিও concern । মই বুলিয়েই নহয়, মাননীয় মুখ্যমন্ত্ৰীও concern। আমাৰ কেবিনেটৰ সতীৰ্থসকলে জানিব মাননীয় মুখ্যমন্ত্ৰীয়ে নিজেই এদিন কেবিনেটত কৈছিল যে এই প্ৰস্তাৱটো আনিব লাগে। আমি খুব কম সময়ৰ ভিতৰত কেবিনেটত আনিম। মাননীয় মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত সঁহাৰি জনাব আৰু কেবিনেটত approval হ'লে কেৱল তেওঁলোকেই নহয় গোটেই অসমৰ wildlife ৰ লগত জড়িত মানুহখিনিৰ বাবে হ'ব।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। ধন্যবাদ। প্ৰশ্ন নং ১০২। জাকিৰ হুছেইন সিকদাৰ। মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, মাননীয় শিক্ষা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা

হৈছে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** অধ্যক্ষ ডাঙৰীয়া, মই প্ৰতিনিধিত্ব কৰা সমষ্টিৰ কেইখনমান বেচৰকাৰী মহাবিদ্যালয় কিয় চৰকাৰী কৰা হোৱা নাই, তাৰ বাবে মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিছিলো। তেখেতে তাৰ উত্তৰখিনি একেবাৰে চমু কৰি দি কৈছে যে অৰ্হতা সমূহ নথকাৰ বাবে উক্ত মহাবিদ্যালয় কেইখন প্ৰাদেশিকীকৰণ কৰিব পৰা নাই। আমি দেখিছো, সময়ে সময়ে বেচৰকাৰী শিক্ষানুষ্ঠান সমূহ চৰকাৰীকৰণ কৰে, কেতিয়াবা নিয়মৰ অকণমান সাল-সলনি কৰিবলৈ amendment আনে। ইয়াৰ আগতেও কৰিছে। কিছুদিন আগতে ৰাজ্য চৰকাৰে কেবিনেট উপ-সমিতি কৰি আৰু যিবোৰ বেচৰকাৰী বিদ্যালয়, মহাবিদ্যালয় আছে সেইসমূহ চৰকাৰীকৰণ কৰিব পৰা যায় নেকি তাৰো পৰীক্ষা-নিৰীক্ষা ইতিমধ্যে কৰিছে। মই উত্থাপন কৰা মহাবিদ্যালয়কেইখন হ'ল- মাজগাঁৱৰ হাজি জামাল উদ্দিন মহাবিদ্যালয়, কয়াকুছি মহাবিদ্যালয় আৰু কালজাৰ ইটাৰভিটা মহাবিদ্যালয়। ইয়াৰে কয়াকুছি মহাবিদ্যালয়খনৰ বিষয়ে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক কেইটামান তথ্য দিব বিচাৰো যে কয়াকুছি মহাবিদ্যালয়খন ০১-০৭-১৯৮৮ চনত  সেই অঞ্চলৰ ৰাইজৰ প্ৰচেষ্টাত স্থাপন কৰা হৈছিল কিন্তু  বিভিন্ন কাৰণত হয়তো NOC পোৱা নাই। কিন্তু অসম চৰকাৰৰ পৰা ১০-১১-২০০৫ তাৰিখে তেওঁলোকে NOC পাইছিল আৰু তাৰ গোটেইখিনি তথ্য ইয়াত আছে। কয়াকুছি মহাবিদ্যালয়ৰ বৰ্তমান মাটিৰ পৰিমাণ ১৭ বিঘা ৩ কঠা ৬১ লেছা আছে। এই মহাবিদ্যালয়খন ২০০৬ চনৰ আগত স্থাপন কৰিবলৈ সেই অঞ্চলৰ ৰাইজে ১৯৮১ চনত The Assam Co-Operative Apex Bank ত এখন passbook খুলিছিল। তেতিয়াৰ পৰাই ইয়াক এখন established college কৰিলে। পৰৱৰ্তী সময়ত ২০০১ চনৰ পৰা ২০০৭ চনলৈ এই কলেজৰ ছাত্ৰ-ছাত্ৰীৰ admission register ৰ  গোটেই তথ্য ইয়াত আছে- Students of Koyakuchi College had appeared in final examination at the centre of B.H.B. College, Sarupeta. ..... interruptions.....

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো কৰক।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** মই তথ্যখিনি দাঙি ধৰিছো। একেবাৰতে মই কৈ যাম। B.H.B. College ৰ কেন্দ্ৰত গৈ এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে ২০০৩-০৪ ৰ পৰা ২০০৬-০৭ ত পৰীক্ষা দিছিল ..... interruptions.....

**মাননীয় অধ্যক্ষঃ** বুজি পাইছো। মন্ত্ৰী ডাঙৰীয়াই যিটো উত্তৰ দিছে ...... interruptions.....

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** মই supplementary নকৰো, এবাৰতে কৈছো। মই মন্ত্ৰী ডাঙৰীয়াৰ জ্ঞাতাৰ্থে জনাওঁ যে TDC 1st Year (Arts) ৰ বাবে ২০০১-০২ ৰ Session ৰ বাবে গৌহাটী বিশ্ববিদ্যালয়ৰ পৰা অনুমতি দিয়া হৈছিল। পৰৱৰ্তী সময়ত কলা বিভাগৰ TDC Part-I ৰ temporary affiliation দি second permission ২০০২-০৩ ত দিছিল। TDC Part-II ৰ general course ৰ বাবে temporary affiliation ২০০৩-০৪ ত দিয়া হৈছিল। আমাৰ কয়াকুছি কলেজৰ যিটো Section University affiliation respected of TDC part-II concurence of the Kayakuchi College 2003-04 ত এইখিনি দিয়া হৈছিল আৰু গোটেই letter Director higher education department Kahilipara ৰ পৰাই letter খিনি দিয়া হৈছে আৰু letter খিনি ২০১৪ ফেব্ৰুৱাৰী ২০১৩ চনতে ইয়াৰ accomodation ৰ কামখিনি কৰা হৈছে। গতিকে

আকৌ TDC part-II ৰ Arts ৰ general course ৰ session-II ৰ affiliation দিয়া হৈছে।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো কৰক, এতিয়া সন্মানীয় মন্ত্ৰীক প্ৰশ্নটো কৰক।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** গতিকে এনেকৈয়ে অধ্যক্ষ ডাঙৰীয়া আমি যদি চাওঁ Govt. concurrence ত কয়াকুছিত কলেজে ৰিচিভ কৰিছে অসম চৰকাৰৰ পৰা ১৯ ডিচেম্বৰ ২০০৮ চনত। গতিকে বহু দিন আগৰ enrollment যদি চাওঁ গোটেইখিনি ২০২০-২১ চনৰ পৰা ২০২৪-২৫ চনলৈ গোটেইখিনি ছাত্ৰ-ছাত্ৰী।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো কৰক, আপুনি to the point প্ৰশ্নটো কৰক।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰঃ (সৰুক্ষেত্ৰী)** গতিকে, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাম এটা অঞ্চলৰ ৰাইজে ১৯৮১ চনৰ পৰা কলেজ স্থাপন কৰাৰ বাবে যিটো ভূমিকা লৈছিল, ১৯৮৮ চনত কলেজত পাঠদান আৰম্ভ কৰিছিল, বিভিন্ন কাৰণত হয়তো যিখিনি নথি-পত্ৰ চৰকাৰে বিচাৰিছিল, চৰকাৰে পোৱা নাই। কিন্তু তাৰ পিছতো গোটেইখিনি নথি-পত্ৰ আছে, আপোনাৰ জৰিয়তে ফাইল মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক দিম। গতিকে দীৰ্ঘদিন ধৰি সেই অঞ্চলত বা বেলেগ বেলেগ অঞ্চলৰ পৰা প্ৰবক্তাসকলে কাম কৰি আছে

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো কৰক, ইয়াৰ উত্তৰ মন্ত্ৰীয়ে দিব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** অসম চৰকাৰে এখন মহাবিদ্যালয় চৰকাৰীকৰণ কৰাৰ কাৰণে যিমান নথি-পত্ৰ লাগে, কয়াকুছি মহাবিদ্যালয়ৰ গোটেইখিনি নথি-পত্ৰ আছে।

**মাননীয় অধ্যক্ষঃ** তাৰ পিছতো হোৱা নাই। Hon'ble Minister.

**শ্ৰী জাকিৰ হুছেইন সিকদাৰঃ** অধ্যক্ষ মহোদয়, তাৰ পিছতো হোৱা নাই। গতিকে মন্ত্ৰী ডাঙৰীয়া অলপ শিথিলতা হৈ যি আইন সংশোধন কৰিছে তাক শিথিল কৰি এই মহাবিদ্যালয়খন প্ৰাদেশীকৰণ কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। Hon'ble Minister.

**ডাঃ ৰণোজ পেগু, শিক্ষামন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, ২০১৭ চনৰ প্ৰাদেশিকীকৰণ আইনৰ যিটো কেন্দ্ৰীয় বিন্দু বা কেন্দ্ৰীয় চৰ্ত, সেইটোৱে হ'ল বিদ্যালয় বা মহাবিদ্যালয়খন ০১-০১-২০০৬ এই তাৰিখৰ আগত প্ৰতিষ্ঠিত হ'ব লাগিব। অধ্যক্ষ মহোদয় প্ৰতিষ্ঠিত যে হৈছিল তাৰ প্ৰমাণো এই আইন খনত চৰকাৰে বিচাৰিছে। মহাবিদ্যালয়ৰ ক্ষেত্ৰত আইনখনত স্পষ্টভাৱে কোৱা আছে যে মহাবিদ্যালয়খনৰ concurrence টো ০১-০১-২০০৬ ৰ আগত হ'ব লাগিব। এতিয়া concurrence মানে মহাবিদ্যালয় খনৰ যি বিশ্ববিদ্যালয়ে affiliation দিয়ে, সেই affiliation ৰ ওপৰত concurrence কয়াকুছি মহাবিদ্যালয়খনৰ concurrence ০১-০১-২০০৬ চনৰ আগত নহয়। ২০০৮ চনত কয়াকুছি মহাবিদ্যালয়খনে concurrence লাভ কৰিছিল। সেইকাৰণে কয়াকুছি মহাবিদ্যালয়খন provincialization ৰ আওঁতাত অহা নাই। তেখেতে অন্য বহুত নথি-পত্ৰৰ কথা কৈছে, এইবিলাক আমাৰ প্ৰয়োজন নাই। মূল কেন্দ্ৰীয় বিন্দুটো হ'ল যে ০১-০১-২০০৬ চনৰ আগৰ নে পিছৰ। এতিয়া তেওঁলোকে কৈছে যে concurrence ৰ বিকল্প ল'ব লাগে। তেওঁলোকে কিন্তু ২০০৫ চনত NOC লাভ কৰিছিলে আৰু কৈছে যে concurrence ৰ বিকল্প NOC খন হ'ব পাৰে নেকি বা বিশ্ববিদ্যালয় affiliation হ'ব পাৰে নেকি, মোক বহুতে আবেদন কৰিছে যে আমি ০১-০১-২০০৬ চনত আগতে প্ৰতিষ্ঠিত কিন্তু আমাৰ concurrence নাই, আমি NOC অসম চৰকাৰৰ পৰা লাভ কৰিছো। ইয়াক বিকল্প

প্ৰমাণিত তথ্য হিচাপে গ্ৰহণ কৰিব নেকি? অধ্যক্ষ মহোদয় ইতিমধ্যে এখন কেবিনেট Sub-Committee গঠন হৈছে। কেবিনেট Sub-Committee ত বিবেচনাৰ কাৰণে এই বিষয়টো দাখিল কৰা হৈছে । গতিকে কেবিনেট Sub-Committee ৰ সিদ্ধান্ত সাপেক্ষে concurence ৰ বিকল্প মহাবিদ্যালয়ৰ ক্ষেত্ৰত লোৱা হ'ব নে নহয় এই সম্পৰ্কে সিদ্ধান্ত হ'লে কয়াকুছি মহাবিদ্যালয় খন বিবেচনালৈ আহিব। আজিৰ তাৰিখত কয়াকুছি মহাবিদ্যালয় খন প্ৰতিষ্ঠিত আইনৰ অধীনত বিবেচনালৈ অহা নাই। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে হ'ব এতিয়া মন্ত্ৰীয়ে কেবিনেট Sub-Committee বনোৱা বুলি কৈছে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** অধ্যক্ষ মহোদয়, কয়াকুছি মহাবিদ্যালয়খনৰ গোটেইখিনি কথা যদি দেখা যায় কয়াকুছি মহাবিদ্যালয়খন কেতিয়া প্ৰতিষ্ঠা হৈছিল আৰু কেতিয়াৰ পৰা পাঠদান চলি আছে আমাৰ গোটেই তথ্য ,অনুমতি আমাৰ লগত আছে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, criteria টো লিখি দিলে হ'ল যিখিনি fullfill কৰিছে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে যিহেতু তাত দীৰ্ঘদিন ধৰি পাঠদান চলি আছে, সেইকাৰণে চৰকাৰীকৰণ কৰাৰ আওতাত এই মহাবিদ্যালয়খন আনিব লাগে।

**মাননীয় অধ্যক্ষঃ** সন্মানীয় মন্ত্ৰী গৰাকীয়ে ইয়াত কি কৰিব ইতিমধ্যে কেবিনেট Sub-Committee বনাই দিছে আৰু বিবেচনা হৈ আছে। এতিয়া সন্মানীয় সদস্য শ্ৰী ৰফিকুল ইছলাম।

**ড° ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা reply তেখেতে দিছে যে কেবিনেট Sub-Committee য়ে চিন্তা কৰি আছে যে বিকল্প নথি হিচাপে permission আৰু Affiliation টো ল'ব পাৰি নেকি? Act টো যদি সামান্য Amendment কৰে কেনেকৈ ২০০৬ চন আছিল concurrence টো, এইটো যদি ২০১০ চনলৈ লৈ যোৱা যায় তেতিয়া বাকী থকা খিনি আহি যাব। এইটো এটা বিকল্প আছে বা কেবিনেটে যিটো চিন্তা কৰি আছে সেইটো ভাল বিকল্প। সেই নথি খিনি ও যদি লৈ লয় permission বা Affiliation ৰ তেতিয়াহ'লেও বাকীখিনি আহি যাব।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো কৰক। ইতিমধ্যে সন্মানীায় মন্ত্ৰীয়ে এই বিষয়ে ক'লেই।

**ড° ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০০৬ চনৰ আগত concurrence থকা যিখিনি মহাবিদ্যালয় ল'লে, সেই মহাবিদ্যালয়ত বহুত শিক্ষক আছে, এতিয়াও তেওঁলোকৰ পোষ্টবিলাক হোৱা নাই, কিয় হোৱা নাই? কিছুমানৰ হ'ল কিছুমানৰ ৰৈ গ'ল। ইয়াত চৰ্ত দিলে যে ০১-০১-২০০৬ চনৰ আগত, ২০১৩ চনত যেতিয়া কলেজ ওলালে, তেতিয়া কলেজৰ concurrence হ'লেই যথেষ্ট। ২০২১ চনত যেতিয়া ল'লে তেতিয়া ক'লে যে বিভাগৰো concurrence, individually লাগিব। এই কাৰণে বহুত শিক্ষক বঞ্চিত হ'ল। মই অনুৰোধ কৰিম মন্ত্ৰী মহোদয়ক, ২০১৩ চনত লোৱাতে যেতিয়া চৰ্ত আছিল only college concurrence is enough. গতিকে পিছৰ পৰ্য্যায়ত যিখিনি বাদ পৰিল, সেই শিক্ষক বিলাকে ১৮-২০ বছৰ কাম কৰিছে। এটা এটা বিভাগত ৪ জনকৈ শিক্ষকে বিনা বেতনে কাম কৰি আছে। কলেজ বিলাকে ভূগি আছে। NET Phase কৰিব পৰা নাই। ১০-১৫ জন মান শিক্ষকে কাম কৰি আছে, এনেকুৱা ধৰণে হৈ আছে। গতিকে সেই চৰ্তটো Act তটো নাই কিজানি। গতিকে বিভাগৰ concurence টো নধৰি সেই মহাবিদ্যালয়ৰ সমূহ শিক্ষকক লৈ লওঁক আৰু কেবিনেটত যিহেতু এইটো আলোচনা

কৰিব মন্ত্ৰী মহোদয়ৰ পৰা এটা positive reply বিচাৰিছো।

**माननीय অধ্যক্ষঃ** সন্মানীয় মন্ত্ৰী ডাঙৰীয়া ।

**ডাঃ ৰণোজ পেগু, শিক্ষামন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, concurence শব্দটোৰ অৰ্থ হ'ল যে কোনো বিভাগে বা বেলেগ কৰ্তৃপক্ষই এটা অনুমতি প্ৰদান কৰিছে। মই তাত সহমত পোষণ কৰিছো, এতিয়া University affiliation, University য়ে দিয়ে, চৰকাৰে concurence দিয়ে । কলেজ খনৰ কাৰণে যেতিয়া concurence হয়, গোটেই সামগ্ৰিকভাৱে কলেজ খনৰ নহয়, যি কেইটা বিষয়ত University য়ে affiliation দিছে, University য়ে অনুমোদন দিছে, এই বিভাগকেইটা আপোনালোকে চলাব পাৰে, সেই department কেইটাৰ ওপৰতহে concurence হয়। গতিকে এইটো department wiseয়ে হ'ব। এখন এখন মহাবিদ্যালয় সাম্ভাব্য থাকিব পৰা department ৰ সংখ্যা ৫০টা, গতিকে কলেজৰ অনুমতি পাইছো বুলি আপুনি ৫০ টা department খুলিব নোৱাৰে। University ৰ পৰা অনুমতি লাগিব। University ৰ পৰা যিকেইটা বিষয়ত অনুমোদন পাইছে, সেই বিষয় কেইটাহে বিবেচনালৈ আহিব আৰু বাকী বিষয় সমূহ বিবেচনালৈ নাহে। দ্বিতীয় কথটো হ'ল আৰম্ভণিতো কৈছো এই আইনখনৰ কেন্দ্ৰীয় চৰ্ত বা কেন্দ্ৰীয় বিন্দু হ'ল ০১-০১-২০০৬ আৰু ০১-০১-২০০৬ এই সময় সীমাটোৰ সাল-সলনি নহয়। এইকাৰণে যে legally আমি ২০০৬ চনত Assam Non-Government Educational Institution আইন বিধান সভাত পাছ হৈছে, গতিকে ২০০৬ চনৰ যিটো benchmark আছে তাৰ সলনি নহয়। ২০০৬ চনক benchmark হিচাপে ধৰি তাৰ আগৰ বিদ্যালয় বা মহাবিদ্যালয় খন প্ৰতিষ্ঠিত হোৱাৰ প্ৰমাণিত হোৱাৰ তথ্য যি আছে, সেই তথ্যৰ ওপৰতহে আমি বিকল্প নথি-পত্ৰৰ কথাটো সামান্য পৰিমাণে বৰ্তমান বিবেচনালৈ আহিছে কেবিনেট Sub-Committeeৰ অধীনত। মই ভাৱো এইটোৱে কিছু জটিল সমস্যাৰ সমাধানো কৰিব পাৰে।

**माननीय অধ্যক্ষঃ** ধন্যবাদ। এতিয়া শ্ৰী দিগন্ত বৰ্মণ।

**শ্ৰী দিগন্ত বৰ্মনঃ (বৰক্ষেত্ৰী )** মাননীয় অধ্যক্ষ মহোদয়, মই কেইবাবাৰো মন্ত্ৰী মহোদয়ক কৈছিলো, আমাৰ সিদ্ধান্ত, ডাঙৰীয়া ওচৰতে মোৰ সমষ্টিটো, আৰু এইখন শ্বহীদ সোঁৰৰণী কলেজ, establish হৈছিল ২০১১ চনত । মন্ত্ৰী মহোদয়ে যিখিনি কথা কৈছে, concurrence টো, মোৰ এইখন কলেজ অৱশ্যে ২০০৭ চনত concurrence হৈছিল, enrolment ১২০০ আৰু staff ৪৮, আৰু যিটো সময়সীমাৰ কথা তেওঁ ক'লে, ০১-০১-২০০৬, কথাটো হ'ল অধ্যক্ষ মহোদয় যে আইনখন সংশোধন কৰি হ'লেও, বহুত কলেজ আছে, তাত বহুত শিক্ষিত PHD holder লৰা -ছোৱালী আছে। গতিকে মই মন্ত্ৰী মহোদয়ক এই সদনত অনুৰোধ জনাইছো যে তেখেতে এই আইনখন সংশোধন কৰি হ'লেও এই জাতিৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত এইকেইখন কলেজ provincialise কৰিব লাগে।

**माननीय অধ্যক্ষ মহোদয়ঃ** ঠিক আছে। Already cabinet sub -Committee বনাইছে।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে জনাইছো যে Cabinet sub Committee গঠন কৰা হৈছে। কমিটিয়ে বিষয়টো বিবেচনা কৰাৰ কাৰণে, পৰীক্ষা কৰাৰ কাৰণে মই উত্থাপন কৰিলো।

**माननीय অধ্যক্ষ মহোদয়ঃ** ধন্যবাদ। এতিয়া question No. 103. মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনত মজিয়াত দিয়া হৈছে।

**মাননীয় অধ্যক্ষ মহোদয়ঃ** শ্ৰী বলিন চেতিয়া, তেখেত absent. এতিয়া question No. 104, মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী বিমল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**মাননীয় অধ্যক্ষ মহোদয়ঃ** শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, ( উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰখিনি মই পালো। AI মানে Artificial Intelligence নহয়। AI মানে হৈছে now a days Assam Intelligence. আমি Advantage Assam ২.০ত কথাখিনি শুনিছো। কথাটো হৈছে অধ্যক্ষ মহোদয়, খ নং উত্তৰত আমি পালো যে আমাৰ কালাইন চিমেণ্ট ফেক্টৰীৰ যিটো কাম চলি আছে, তাত ভাল infrastructure হৈ আছে, এটা পৰিবেশ সৃষ্টি হৈছে আৰু তাৰবাবে আমি ধন্যবাদ জ্ঞাপন কৰিছো।তাত প্ৰত্যক্ষভাৱে ৩০০ আৰু পৰোক্ষভাৱে ৩৫০ জনৰ কৰ্মসংস্থাপনৰ ব্যৱস্থা হ'ব। এই যে কৰ্মসংস্থাপনৰ ব্যৱস্থা হ'ব, এইখিনি যাতে আমাৰ স্থানীয় লৰা ছোৱালীবিলাকে পায়। তাৰকাৰণে মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই এনেকুৱা এটা পৰিবেশ সৃষ্টি কৰিছে আৰু আমি দেখা পাইছো। Advantage 2.0 ত আমাৰ ৪,৯১,৫০০ কোটি টকা Invest and Investment Proposal MoU হৈছে। সোণালী দিনৰ সুচনা হৈছে।আমি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়ালৈ তাৰবাবে ধন্যবাদ জ্ঞাপন কৰিছো। দ্বিতীয়তে হৈছে, আমি দেখা পালো যে বৰাপানীৰ পৰা পাঁচগ্ৰাম লৈ express highway হ'ব, আমাৰ বৰাক নদীৰ ওপৰত তিনিখন bridge হ'ব, আমাৰ east-west corridor হ'ব, পাঁচগ্ৰাম by-pass হ'ব, বদৰপুৰ by-pass হ'ব, আদি কৰি এনে এটা পৰিৱেশ সৃষ্টি হৈছে যে বৰাকৰ লগত দিশপুৰৰ যি যোগাযোগ, তাৰবাবে আগতে ৮ ঘণ্টা লাগিছিল, কিন্তু এতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কোৱা মতে চাৰি ঘণ্টাত আমি এইটো সম্পূৰ্ণ কৰিব পাৰিম।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ গ নং যিটো প্ৰশ্ন আছে, পাঁচগ্ৰামত যিটো পেপাৰমিল আছে, সেইটো মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে B to M Industry কৰা হ'ব যাৰ কাৰণে বহুখিনি প্ৰচেষ্টা লোৱা হৈছে। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে future industry ৰ কাৰণে আমাৰ যাতে mobile electronic manufacturing unit টো যাতে হয় তাতে প্ৰায় ৩০০০/৩১০০ বিঘা জমা আছে। আমাৰ communication টো ভাল হ'ব, express Highway হ'ব, ৪/৫ ঘণ্টাত আমি অহা -যোৱা কৰিব পাৰিম, তাৰ কাৰণে এই mobile টো থাকে আমি future industry ৰ কাৰণে পাঁচগ্ৰামত দিব পাৰি, তাৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। ইয়াৰ ওপৰিও South Asia ৰ লগত ত্ৰিপুৰা, মিজোৰাম, মেঘালয়, নাগালেণ্ড, ম্যানমাৰ এই বৃহত্তৰ অঞ্চল যাতে cover কৰিব পাৰি, আমি মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো যাতে এই industry টো তাত স্থাপন কৰা হয়।

**মাননীয় অধ্যক্ষ মহোদয়ঃ** হ'ব। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী বিমল বড়া, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য কমলাক্ষ দে পুৰকায়স্থই দুটা বিষয় লৈ আজি প্ৰশ্ন উত্থাপন কৰিছে। কালাইনত এটা চিমেণ্ট উদ্যোগ আৰু যিটো পাঁচগ্ৰাম পেপাৰ মিল, তাত এটা Bamboo to Methanol প্ৰকল্প গঠনৰ বিষয় উল্লেখ কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, আপুনি এটা কথা জানি ভাল পাব যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাৰ চৰকাৰৰ যিসমূহ পৰমম্পৰাগত পলিচি আছে, এই Policy পৰা অলপ আঁতৰি অকণমান unique দৃষ্টিভংগীৰে তেখেতে এটা নতুন ধাৰণা উদ্যোগীসকলৰ মাজত সৃষ্টি কৰিলে, সেইটো

হৈছে customised policy. তাৰ অৰ্থ এইটোৱে, যিকোনো বিনিয়োগকাৰীয়ে অসমত ১০০ কোটি কৈ অধিক আৰু ২০০ শ কৰ্মসংস্থাপন সৃষ্টি কৰাৰ বাবে যদি কোনোবাই বিনিয়োগ কৰে, তেখেতসকলক এই Customised Policy ৰ আধাৰত সেই উদ্যোগ গঢ়ি তুলিবৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা সা-সুবিধা প্ৰদান কৰা হয় আৰু তাৰ বাবে এখন Scrutiny Committee আছে, এখন Empower Committee আছে। প্ৰথমে Scrutiny Committee য়ে চোৱা-চিতা কৰি Empower Committee লৈ প্ৰেৰণ কৰে আৰু Empower Committee খনে সমগ্ৰ দিশ পুংখানুপংখভাৱে বিশ্লেষণ কৰাৰ অন্তত সিদ্ধান্ত গ্ৰহণ কৰে। এই Empower Committee ত অধ্যক্ষতা উদ্যোগ মন্ত্ৰীয়ে কৰে আৰু তাতে আমাৰ যি সমূহ বিভাগ জড়িত হ'ব লাগে, সকলো senior secretar y উপস্থিত থাকে, আৰু বিনিয়োগ কাৰী উপস্থিত থাকে আৰু সকলোৰে সহযোগত বুজা-বুজিৰ মাজেদি সেই উদ্যোগ উত্থাপনৰ কাৰণে আমি সন্মতি প্ৰকাশ কৰো। পৰৱৰ্তী সময়ত কেবিনেটত পাচ কৰা পিছত এইটো MoU স্বাক্ষৰ হয়। আপুনি জানি ভাল পাব যে এই customised policy ৰ আধাৰত অসমত এতিয়ালৈকে প্ৰায় ৫০ হাজাৰ কোটি টকা অধিক বিনিয়োগ সম্ভৱ হৈছে, আৰু তাৰে অন্তৰ্গত এই কালাইনৰ চিমেণ্ট ফেক্টৰীৰ আৰু পাচঁগ্ৰাম পেপাৰ মিলত থকা bamboo টো মিথানল, এই যে bamboo টো মিথানল যিটো উদ্যোগ এইটো এটা অত্যাধুনিক প্ৰযুক্তিৰে বাহৰ পৰা মিথানল প্ৰস্তুত কৰাৰ এটা প্ৰকল্প তাতে নিৰ্মাণ কৰিব কাৰণে এজন উদ্যোগী আগবাঢ়ি আহিছে, আৰু য'ত প্ৰায় ১৯ হাজাৰ ১৯ শ জন লোক তাতে কৰ্ম সংস্থাপন হ'ব আৰু প্ৰায় ২ হাজাৰ কোটি টকা বিনিয়োগ হ'ব, আৰু অন্য হাতে ৰাজ্যখনৰ যি অৰ্থনীতি সেই অৰ্থনীতিত যথেষ্ট পৰিমাণৰ GST আমি পাবৰ কাৰণে সক্ষম হম, আৰু আমাৰ যি পাঁচগ্ৰাম পেপাৰ মিল আছে তাত প্ৰায় ২.৯১৬ বিঘা তাতে আমাৰ মাটি আছে, আৰু প্ৰায় ২০৯ বিঘা আমি মাটি ইতিমধ্যে allotment দিছোঁ, আৰু এই পাঁচগ্ৰাম পেপাৰ মিলৰ অন্যান্য যিসমূহ মাটি এই মাটিসমূহ প্ৰায় আমি ১৩৬ বিঘা NRL ক দিছো, ONGC ক প্ৰায় ১২ বিঘা মাটি দিছো,আৰু MSME চেক্টৰ পৰা প্ৰায় ৬০ বিঘা মাটি আৱণ্টনৰ দিহা কৰা হৈছে, আৰু নিশ্চিত ভাৱে এই কাছাৰ মিলৰ মৃতপ্ৰায় যি অৱস্থা পিছত আজি উজ্জীৱিত পৰিৱেশ আগুৱাই গৈছে, নিশ্চিত ভাৱে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া সঠিক আৰু বলিষ্ঠ সিদ্ধান্ত কাৰণে সম্ভৱ হৈ আছে। গতিকে মই বৰাক অঞ্চলৰ ৰাইজৰ কাৰণে আগন্তুক দিনত পাঁচগ্ৰামে যে এটা আশাৰ বাতৰি যে কঢ়িয়াই আনিব এই কথা নিশ্চিত।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, ( উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্ন আছে।

**মাননীয় অধ্যক্ষ মহোদয়ঃ** ঠিক আছে, প্ৰশ্নটো কৰক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, ( উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, তাত এটা ৰেলৰে ফেক্টৰী আছে বি. আৰ. আৰ ৰেলৰে ষ্টেচনৰ কাষতে, এইটো কলকাতাৰ কোম্পানী, তাত যিখিনি লেবাৰ আছে সেইখিনি এটা এনকুৱাৰী কৰি স্থানীয় লোকক কাম দিব লাগে।

**অধ্যক্ষ মহোদয়ঃ** ঠিক আছে, মাননীয় মন্ত্ৰী। তেখেতে কোৱাটো কৰিবনে নকৰিব এইটো আপুনি উত্তৰটো দিয়ক।

**শ্ৰী বিমল বৰা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, এই বিষয়টো আমি পৰীক্ষা কৰিম কি বিষয় আছে, আপুনি কোৱা মতে আমি চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ মহোদয়ঃ** ঠিক আছে, প্ৰশ্নটো কৰক।

**শ্ৰীখলিল উদ্দিন মজুমদার, (কাটিগড়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি মন্ত্ৰী মহোদযকে অনুরোধ করতে চাই যে আমাদের কালাইন অঞ্চল একটা গ্ৰামীণ অঞ্চল। এই অঞ্চলের [illegible] Industry স্থাপণ করা হচ্ছে, সেটা খুব ভালো কথা। আমাদের আগে পাচঁগ্ৰামে Industry ছিল। আমাদের কালাইন অঞ্চলের heavy Industry অর্থাৎ সিমেন্টের factory করা হবে। আমরা জানি Industryর ভিতরে অনেক ল্যাণ্ড ছিল সেখানকার মানুষ অনেক কষ্ট করে ল্যাণ্ডগুলো দিয়েছে, কারণ যাতে স্থানীয় যুবক-যুবতীদের চাকরি দেওয়া হয়। আমার সরকারের কাছে অনুরোধ হল যে আমাদের স্থানীয় যুবক-যূবতীদের যাতে কোম্পানীতে চাকরি দেওয়ার ব্যৱস্থা করা হয়। আমরা দেখেছি যে মেঘালয়ে বিভিন্ন factory আছে, সেই factory গুলো Industry হওয়ার আগে স্থানীয় মানুষের সাথে একটা চুক্তি করা হয়, সেখানে সব স্থানীয় মানুষদেরকে সব রকম সুবিধা দেওয়ার জন্য।

**মাননীয় অধ্যক্ষ মহোদয়ঃ** মন্ত্ৰী ডাঙৰীয়া

**শ্ৰী বিমল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যি ইতিমধ্যে উল্লেখ কৰিছো যে customer policy আধাৰত যিকোনো উদ্যোগ নিৰ্মাণ কৰিবলৈ হ'লে প্ৰথম স্বাৰ্থটোৱে হৈছে ১ কোটি ওপৰত আৰু মিনিমাম 2 hundred direct employment. আৰু এই direct employment.পোনপতীয়াকৈ এই অঞ্চলত থকা উপযুক্ত যিসকল কৰ্ম সংস্থাপনৰ পাবৰ যোগ্য লোক আছে তেওঁলোকক দিয়া হ'ব। গতিকে except technical, যিসকল Technologist sound আছে definitely তেওঁলোকে পাব। কিন্তু অতি প্ৰয়োজনীয় যদি এই ইষ্টানত নাথাকে definitely এই উদ্যোগটো ৰাণ কৰিব কাৰণে বেলেগৰ পৰা অনাটো বেলেগ কথা, কিন্তু নৰমেল তাতে যিখিনি প্ৰয়োজনীয় Skill থকা আমাৰ কৰ্মী থাকিব definitely তেখেতসকলে পাব, আৰু আমাৰ customer policy ৰ অন্যতম স্বাৰ্থৰ লোকেল employment.

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, Thank you. এতিয়া question number 105.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ১০৫ । মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী আহমেদ।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ,বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে ২০১৮ চনৰ ২৩ এপ্ৰিলত আমাৰ কলেজ প্ৰফেচাৰ সকলৰ M.phil and Ph.D degree ৰ শুদ্ধতা নিৰ্ণয় কৰিবলৈ এটা high level Screening Committee গঠন কৰি দিছিল। এই কমিটিখনে ২০১৯ চনত ৰিপোৰ্ট দাখিল কৰিলে। সেই ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰি চৰকাৰে ইতিমধ্যে প্ৰায় ২০০ তকৈ অধিক শিক্ষকৰ চাকৰি নিয়মীয়া কৰিছে অৰ্থাৎ তেওঁলোকৰ ওপৰত imposed কৰা condition withdrawn কৰিছে। এতিয়া মই এটা perticular specific case ড° ইব্ৰাহিম আলী ভূএগ্ৰা, হাবৰাঘাট কলেজ, Screening Committee ৰ ৰিপোৰ্টত তেখেতৰ বিষয়ে লিখা আছে যে তেখেতৰ সকলো M.phil and Ph.D degrees are found in order. এইটো ঠিকেই আছে। ২০১৯ চনত ৰিপোৰ্ট চাবমিট কৰাৰ পিছত ২০২২ চনত DHE য়ে চৰকাৰৰ ওচৰত প্ৰপোজেল দিলে যে ড° ইব্ৰাহিম আলী ভূএগ্ৰাৰ যিহেতু Screening Committee ৰ ৰিপোৰ্টমতে M.phil and Ph.D degree ঠিকে আছে গতিকে regularized কৰিব লাগে। চৰকাৰে ২৪ আগষ্টত প্ৰশ্ন কৰিলে যে Screening Committee য়ে যিখন লিষ্ট দিছে, এই লিষ্টখন শুদ্ধ নেকি ? অথচ Screening Committee has sumitted the report to

the Government. So, this question was unnecessary for delaying purpose. ৩০ চেপ্তেম্বৰত Director of Higher Education য়ে কনফাৰ্ম কৰি দিলে যেহয়, ড° ইব্ৰাহিম আলী ভূএগ্রৰ M.phil and Ph.D degree টো শুদ্ধ হয় আৰু Screening Committee য়ে শুদ্ধ হিচাপে পাইছে। মাননীয় অধ্যক্ষ মহোদয়, তাৰপিছত ২০২৩ চনৰ ৯ জুনত শ্ৰী নাৰায়ণ কোঁৱৰ ডাঙৰীয়া, Secretey Higher Education Department ৰ অধ্যক্ষতাত গোটেই কেইজন অফিচাৰ শ্ৰীমতী কবিতা ডেকা, অতিৰিক্ত সচিব, শ্ৰী ধৰ্মকান্ত মিলি, ডাইৰেক্টৰ, সুমিত্ৰা দেৱ, Deputy Director, আব্দুল মতিন, চিনিয়ৰ এচিটেন্ট তেওঁলোকক লৈ মিটিং কৰি resolution ললে। ইয়াত ক'লে যে- In the matter of condition withdrawn of Dr. Ibrahim Ali Bhuyan, Assistant Professor, Habraghat College Krishnai, DHE has confirm that Dr. Ibrahim Ali Bhuyan had obtainted Ph.D degree from Singhania University through regular mode on 09/01/2016 and also the Screening Committee has found his Ph.D degree in order. এতিয়া মাননীয় অধ্যক্ষ মহোদয়, এটাৰ পিছত এটা pretext ৰ অধীনত এই বিষয়টো আজি ৬ বছৰে delay কৰা হৈছে। ২০২৩ চনত কমিটিয়ে শুদ্ধ বুলি ক'লে আকৌ ২০২৪ চনত লিখিছে - You are requested to clarify as to whether the list sumitted with the proposal is actual list or not. মই মাননীয় মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিব বিচাৰিছো যে যিখিনি কথা মই কলো without further dealy এই মানুহজনক ন্যায় দিব নেকি? এইটোৱে মোৰ প্ৰশ্ন।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, Screening Committee বা Scrutiny Committee ৰ observation টো বা তেওঁলোকে চূড়ান্ত সিদ্ধান্ত দিব নোৱাৰে। তেওঁলোকে গোটেই বিষয়বস্তুখিনি পৰীক্ষা কৰে আৰু তাৰপিছত চৰকাৰক জনায়। তাত যদি সন্দেহজনক বা যিটো গ্ৰহণযোগ্য নোহোৱা কোনো কথা থাকে এইটো further enquiry কৰাৰ সম্পূৰ্ণ অধিকাৰ চৰকাৰৰ থাকে। সেই ব্যৱস্থা অনুসৰিয়েই কিছু অনসন্ধান কৰা হৈছে। প্ৰাথমিক কিছুমান কথা আছে যিবিলাক কথা একাডেমিক। কিন্তু আমি বিশ্ববিদ্যালয়ৰ পৰা জানিব বিচাৰো যে কেমেষ্ট্ৰীৰ প্ৰফেচাৰ এজন ফিজিক্সৰ গৱেষণাৰ গাইড হ'ব পাৰে নে নোৱাৰে। যেতিয়া গোটেই ডকুমেন্ট বিলাক পৰীক্ষা কৰি চোৱা হৈছে তেতিয়া যদি এনেকুৱা কথা আহে তেতিয়াহ'লেটো আমি অনুসন্ধান কৰিবই লাগিব। অসমীয়া বিভাগৰ প্ৰবক্তা এজনে আৰবী ভাষাৰ ওপৰত গৱেষণাত Ph.D ৰ গাইড হ'ব পাৰে নে নোৱাৰে এইটো আমাক বিশ্ববিদ্যালয় কতৃপক্ষই UGC য়ে আমাক জনাব লাগিব। UGC য়ে যদি কৈ দিয়ে যে অসমীয়াৰ প্ৰবক্তাই আৰবী ভাষাৰ কাৰণেও গৱেষণাৰ গাইড হ'ব পাৰে আমাৰ কোনো আপত্তি নাই। আমি অথ'ৰিটি নহয়, UGC য়ে আমাক ক'ব লাগিব। গতিকে এনেকুৱা কিছু বিষয় আছে কাৰণে further enquiry কৰা হৈছে আৰু অনুসন্ধানৰ আওঁতা মতে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিব। ধন্যবাদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জনামতে ইতিমধ্যে বিশ্ববিদ্যালয়ে confirmation দিছে যে It is a multidisciplinary Department. দ্বিতীয়তে, যদি অনুসন্ধান কৰিব লাগিছিল তেতিয়াহ'লে সকলোৰে ক্ষেত্ৰত কৰিব লাগিছিল। সেইটো কৰা হৈছে নেকি? নে অনুসন্ধান নকৰাকৈ ইতিমধ্যে ২০০ জনৰ condition with-

drawn কৰিলে নেকি? মই উদাহৰণ দিব বিচাৰিছো যে - Sl no.121, 122, 125.

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰশ্নটো কৰক। পঢ়ি দিব নালাগে। সময় ক'ম।

**শ্ৰী শ্বেৰমান আলী আহমেদ,বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই নাম নকওঁ, তেওঁলোকৰ চাকৰি খোৱাৰ মোৰ ইচ্ছা নাই। ইয়াত Screening Committee ৰ ৰিপোৰ্ট দিছে as per UGC regulation dated 11/07/2009,M.phil degree obtained in distance mode is not allowed. M.phil degree is not believed. তাৰপিছত তেখেতৰ কনডিশ্যন withdrawn হ'ল, চাকৰি regulerized হ'ল, কিয় তদন্ত নহ'ল আৰু এজনৰ ক্ষেত্ৰত কৈছে যে - M.phil degree is in order plagiarism detected both M.phil dissertation and Ph.D thesis as similarity. তাৰপিছত তেওঁৰ চাকৰি regulerized হৈ গ'ল। Why the enquiry was not done, why it is only for Dr.Ibrahim Ali Bhuyan. দিপনী নেওঁগ, sorry মোৰ নামতো ওলাই গ'ল। M.phil degree is honour the order plagiarism detected both M.phil dissertation and Ph.D thesis as similarity.

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰশ্নটো কৰক।

**শ্ৰী শ্বেৰমান আলী আহমেদ,বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, discrimination বন্ধ হ'ব নে নাই? কাৰ নেতৃত্বত এইটো কৰা হৈছে তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব লাগে যদি ঠিকেই নাই তেতিয়াহ'লে নাৰায়ণ কোঁৱৰকে আদি কৰি কবিতা ডেকা এই গোটেই কেইজনকে নিলম্বন কৰিব লাগে। Screening Committee ৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই ব্যৱস্থা কিয় লোৱা হোৱা নাই? If the report of the Screening Committee is not in order.

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, Screening Committee ৰ ৰিপোৰ্ট, directorate ৰ speaking order এইবোৰ বহু পৃষ্ঠাজোৰা এটা দীঘলীয়া প্ৰতিবেদন। তাৰ মাজৰ পৰা এটা বা দুটা লাইন পঢ়ি দিলেই তাৰ conclusion লৈ যাব নোৱাৰি। বিষয়বোৰ একাডেমিক আৰু প্ৰশাসনিক। গতিকে বিষয় সমূহ নিষ্পত্তি কৰাৰ বাবে চৰকাৰৰ নিৰ্দিষ্ট নিয়ম বা বিধি আছে। গতিকে এই নিয়ম আৰু বিধি মতে কাম হৈ আছে। কোনোবাই এই বিধিৰ ওপৰত প্ৰশ্ন কৰি আদালতলৈও গৈছে। গতিকে বিষয়টো যিহেতু সন্দেহজনক সেইবাবে অনুসন্ধান হৈছে আৰু এই অনুসন্ধানৰ পৰা আহিবলগীয়া outcome ৰ ওপৰত ভিত্তি কৰি সিদ্ধান্ত ল'ব। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক কৈছোৱেই যে অসমীয়া ভাষাৰ প্ৰবক্তা এজনে যেতিয়া আৰবী ভাষাৰ গৱেষণাৰ কাৰণে গাইড হয় তেতিয়া নিশ্চিতভাৱে এটা সন্দেহ হ'ব যে তেওঁ পাৰে নে নোৱাৰে। সেইটোৰ ওপৰতে আমি অনুসন্ধান কৰিছো। তাত তেওঁলোকৰ যি অথ'ৰিটি আছে UGC ক আমি প্ৰতিবেদন বিচাৰিছো। UGC য়ে যদি কালি কৈ দিয়ে যে পাৰে তেন্তে পাৰে আৰু যদি নোৱাৰে বুলি কয় তেন্তে নোৱাৰে। ইয়াত এইটো তৰ্ক-বিতৰ্ক কৰি লাভ নাই। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ১০৬।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি, নাজিৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি নকল ডিগ্ৰী বা ভুৱা ডিগ্ৰী ইয়াৰ ওপৰত ব্যৱস্থা ল'ব লাগে। এইবিলাক চোৰ কৰা বুলি কৈছে। Plagiarism মানে বহুত ডাঙৰ কথা চাৰ। বেলেগৰ বস্তু আনি নিজৰ বুলি কৈ তেখেত উত্তীৰ্ণ হৈছে।

তেখেত অনুত্তীর্ণ। তেখেতে কেনেকৈ পঢ়াব। সেইকাৰণে আৰু অলপ মান স্পষ্ট হ'ব লাগে। কাৰণ plagiarism হ'লে বেলেগৰ লিখাখিনি আনি নিজৰ নামত লৈ পৰীক্ষাত পাচ কৰাই। M.phil, Ph.D যদি তেনেকৈ হয় কেনেকৈ শিক্ষা দিব। এইটো বহুত ডাঙৰ কথা।

**শ্ৰী শ্বেৰমান আলী আহমেদ,বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেওঁলোকৰবোৰ কেনেকৈ regularized কৰিলে ?

**মাননীয় অধ্যক্ষ ঃ** এইটো প্ৰশ্নকালীন ঘন্টাৰ সময়। এইটো বিচাৰি আপুনি এটা petition দি দিয়ক।

**শ্ৰী শ্বেৰমান আলী আহমেদ,বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, তদন্ত কৰিব নে নাই ?

**মাননীয় অধ্যক্ষ ঃ** তেখেতে কৈছে যে তদন্তৰ ৰিপোৰ্টৰ দুই-এটা page ৰ পইন্ট আপুনি উনুকিয়াই দিলে। মন্ত্ৰীয়ে চাব। এইটো প্ৰশ্নকালীন ঘন্টা। গতিকে ইয়াত ডিবেট নকৰিব। এতিয়া প্ৰশ্ন নং ১০৬।

..................................( সদনত হুলস্থূল ) .......................

**মাননীয় অধ্যক্ষ ঃ** সকলো কথা বিচাৰ কৰি মন্ত্ৰীয়ে reply দিছে । এইটো debate নহয়, এইটো Question Hour. আপোনালোকে বেলেগকৈ notice দি দিয়ক। সেই বিষয়ৰ ওপৰত আলোচনা কৰা হ'ব।

................. ( সদনত হুলস্থূল ) ......................

আপুনি court, Petition Committee সকলোতেই দিব পাৰে। Report টো কিমান page ৰ আছিল, within second মানুহে reply দিব পাৰে নেকি ? বাকী page ত কি লিখা আছে আপুনি মন্ত্ৰীক দি দিয়ক। যিহেতু এইটো Question Hour, so please don't argue with me আৰু এই ক্ষেত্ৰত মন্ত্ৰীয়ে already reply দিছে। এতিয়া সন্মানীয় সদস্য শ্ৰী পোনাকণ বৰুৱা।

**শ্ৰী পোনাকণ বৰুৱা, (চাবুৱা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তি অনুসৰি ডিব্ৰুগড়ৰ লেপেটকটাত গেছক্ৰেকাৰ প্ৰকল্প স্থাপন হৈছিল। সেই সময়ত আমাক সপোন দেখুওৱা হৈছিল যে ইয়াৰপৰা এশতকৈও অধিক downstream industry প্ৰতিষ্ঠা হ'ব আৰু তাৰ পৰা প্ৰায় এক লাখতকৈও অধিক নিবনুৱাই পোনপটীয়াকৈ তাত কৰ্মসংস্থাপন পাব। তাৰ ৰাইজ উপকৃত হ'ব। কিন্তু গেছক্ৰেকাৰ প্ৰকল্পটো স্থাপন হোৱাৰ পিছত গেলাপুখুৰী চাহ বাগিচাৰ মাটি অধিগ্ৰহণ কৰি তাত প্লাষ্টিক পাৰ্ক নিৰ্মান কৰা হ'ল। মাটি অধিগ্ৰহণ কৰি বৃহৎ boundary wall বনোৱা হ'ল কিন্তু downstream industry তাত গঢ় লৈ নুঠিল। মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে তাত ইতিমধ্যে তিনিটা downstream industry য়ে উৎপাদন আৰম্ভ কৰিছে। অন্য ৩১ টা উদ্যোগিক প্ৰতিষ্ঠানে অন্যান্য উদ্যোগ গঢ়িবলৈ চেষ্টা কৰিছে আৰু তাৰ পৰা চাৰিটা প্ৰতিষ্ঠানে উৎপাদন আৰম্ভ কৰিছে। অধ্যক্ষ মহোদয়, আমাৰ লক্ষ্য আছিল এক লাখ নিবনুৱা যুৱক- যুৱতীক সংস্থাপন দিয়াটো। তিনিচুকীয়া জিলাখন বিভিন্ন সমস্যাৰে জৰ্জৰিত এটা অঞ্চল আৰু তাত যথেষ্ট সংখ্যক নিবনুৱা আছে আৰু সেয়ে ইয়াত চৰকাৰে ভালদৰে গুৰুত্ব দি নতুন উদ্যোগ গঢ়িব লাগে। Advantage Assam ৰ পিছত বহু সংখ্যক লোকে ইয়াত বিনিয়োগ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে। গতিকে মই আশা কৰিছো তাত সোনকালে downstream industry নহ'লেও যিসকলে উদ্যোগ গঢ়িবলৈ ইচ্ছা প্ৰকাশ কৰিছে যিহেতু তাত industry গঢ়াৰ ব্যৱস্থা আছে সেইসকলক industry গঢ়িবলৈ দিব লাগে বুলি মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ

জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী মহোদয়।

**শ্ৰী বিমল বড়া, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমত পৰ্য্যাপ্ত পৰিমানে গেছ থকাৰ পৰিপ্ৰেক্ষিতত অসম আন্দোলনৰ চুক্তি অনুসৰি ডিব্ৰুগড়ৰ লেপেটকটাত ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ পলিমাৰ লিমিটেড নিৰ্মান কৰা হৈছিল, যাৰ জৰিয়তে পলিমাৰ উৎপাদনৰ দ্বাৰা বিভিন্ন ধৰণৰ প্লাষ্টিক জাতীয় সামগ্ৰী উৎপাদন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ল। তাৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় উদ্যোগী তথা কৰ্মসংস্থাপন সৃষ্টি কৰাৰ উদ্দেশ্যে চৰকাৰে তিনিচুকীয়াৰ গেলাপুখুৰীত প্ৰায় ৫২৩ বিঘা মাটিৰে এখন প্লাষ্টিক পাৰ্ক নিৰ্মানৰ সিদ্ধান্ত গ্ৰহণ কৰিলে আৰু প্ৰায় ৩৫০ বিঘা মাটি প্লাষ্টিক পাৰ্কক আৱন্টন কৰাৰ দিহা কৰা হ'ল। যি ৩৫০ বিঘা মাটি আৱন্টনৰ বাবে দিহা কৰা হৈছিল তাৰে ১৪২ বিঘা মাটি ইতিমধ্যে বিভিন্ন ধৰণৰ উদ্যোগ স্থাপন কৰিবৰ বাবে আৱন্টন দিয়া হৈছে আৰু ২০৮ বিঘা মাটি এতিয়াও আৱন্টন দিবৰ বাবে বাকী আছে। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য পোনাকণ বৰুৱাৰ দৰে আমিও সেই অঞ্চলৰে হয় গতিকে BCPL অহাৰ লগে লগে যথেষ্ট ভটিয়নী উদ্যোগ তাত স্থাপন হ'ব আৰু যথেষ্ট কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হ'ব। তেনেকুৱা ধৰণৰ আমাৰ এটা আশা আছিল। কিন্তু পৰৱৰ্ত্তী সময়ত দেখা পোৱা গ'ল যে সেই প্লাষ্টিক পাৰ্কত প্ৰায় ১১ টা ভটিয়নী উদ্যোগক মাটি দিয়া হৈছিল। কিন্তু এতিয়া কেৱল মাত্ৰ ৩টা প্ৰতিষ্ঠানেহে তাত প্লাষ্টিকৰ পৰা বিভিন্ন সা-সামগ্ৰী উৎপাদন কৰি আছে। সেই প্লাষ্টিক পাৰ্কখন তাত যদিও আছিল বিভিন্ন কাৰণত উদ্যোগী সকলে তাত উদ্যোগ স্থাপন ন কৰাৰ পৰিপ্ৰেক্ষিতত আজি বহু বছৰ ধৰি তাত আমাৰ মাটি সমূহ অ-ব্যৱহৃত হৈ আছে। পোনপ্ৰথমে যেতিয়া প্লাষ্টিক পাৰ্ক নিৰ্মান কৰা হৈছিল তাত এটা mandate আছিল যে কেৱল প্লাষ্টিকৰ সা- সামগ্ৰীসমূহ তাত উৎপাদন কৰিব পৰাকৈ তাত উদ্যোগ স্থাপন কৰিব। কিন্তু যেতিয়া দেখা পোৱা গ'ল সেই পাৰ্কত আশাব্যঞ্জক ভাৱে উদ্যোগীসকলৰ পৰা সঁহাৰি পোৱা নাই, সেই কাৰণে ২০২১ চনৰ ৬ জুন তাৰিখৰ দিনা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দেশ মৰ্মে সেই প্লাষ্টিক পাৰ্কখনত সকলো ধৰণৰ উদ্যোগ স্থাপনৰ বাবে মুকলি কৰি দিয়া হ'ল। তাৰ ফলত প্লাষ্টিক পাৰ্কত ভটিয়নী উদ্যোগৰ বাহিৰেও প্ৰায় ৩১ টা উদ্যোগ তাত স্থাপন হৈছে। Food processing, Steel febrication, furniture, GI wire fencing, painting, aluminium , utencils, juice, spice, electronic items ইত্যাদিৰ বাবে মাটি আৱন্টন কৰা হৈছে। ইতিমধ্যে চাৰিটা প্ৰতিষ্ঠানে উৎপাদন আৰম্ভ কৰিছে। Advantage Assam 2.0 হৈ গৈছে য'ত বহু সংখ্যক MoU স্বাক্ষৰ হৈছে । নিশ্চিত ভাৱে সেই অঞ্চলত যদি কোনোবা উদ্যোগীয়ে উদ্যোগ স্থাপন কৰিবৰ বাবে আগ্ৰহ প্ৰকাশ কৰে, definitely আমি first priority হিচাপে তিনিচুকীয়াৰ প্লাষ্টিক পাৰ্কৰ মাটি সমূহ দিবৰ বাবে প্ৰয়াস কৰিম। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে এটা কথা জনাব বিচাৰিছো যে অসম চৰকাৰে খুব সুন্দৰ আয়োজনৰ জৰিয়তে সমগ্ৰ বিশ্ববাসীক আকৰ্ষিত কৰি অসম যে এখন premier investment destination সেই কথাটো প্ৰতিষ্ঠা কৰিলে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তাৰ কাৰণে দেশে-বিদেশে বিভিন্ন ধৰণৰ উদ্যোগীসকলৰ লগতে বিভিন্ন মিশ্যনৰ হেড সকলৰ লগত আলাপ-আলোচনা, Bilateral agency সকলৰ লগত Trilateral agency সকলৰ লগত আলাপ-আলোচনা, আমাৰ ঘৰুৱা দেশৰ ভিতৰত থকা global investor সকলৰ লগত কৰা আলাপ-আলোচনাৰ অন্তত আমি দেখিবলৈ পালো যে বিভিন্ন ধৰণে প্ৰায় ৫লাখ ১৮ কোটি টকাৰ MoU স্বাক্ষৰ হৈছে। এতিয়া প্ৰশ্ন হৈছে এই MoU সমূহ যে হ'ল তাৰ অন্তত যেতিয়া বিনিয়োগকাৰী

সকল যেতিয়া আগবাঢ়ি আহিব তেতিয়া এটা ভাল বাতাবৰণ আমাৰ অসমৰ ৰাইজে গঢ়ি তুলিব লাগিব। চৰকাৰে investment in Aassam আয়োজন কৰি সকলোকে নিমন্ত্ৰণ জনাব পাৰে। তেতিয়া MoU স্বাক্ষৰ হ'ব। মাজে মাজে প্ৰশ্ন উঠে Advantage Assam 1 ৰ কি হ'ল? Advantage Assam 1 আমি সফলতাৰে landing কৰিলো। তাৰ পিছত এতিয়ালৈকে যি পৰিৱেশ সৃষ্টি কৰিলে তাৰ ফলত যিসকল লোক আগবাঢ়ি আহিবলৈ ইচ্ছা প্ৰকাশ কৰিছিল তেওঁলোক কিন্তু থমকি ৰ'ল। কাৰণ আমি জানো যে যোৱা Advantage Assam ৰ পিছতে মিছা কথাৰে বিভ্ৰান্ত কৰি অসমৰ জনসাধাৰণক ৰাজপথলৈ উলিয়াই আনিলে। জাপানৰ প্ৰধান মন্ত্ৰী...........

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** ছাৰ, out of context গৈ আছে ..................

...............(সদনত হুলস্থূল)..............

**শ্ৰী বিমল বড়া, মন্ত্ৰী ঃ** নিশ্চিত ভাৱে আমাৰ Advantage Assam ২.০ ত যিসকল উদ্যোগীয়ে MoU কৰিছে তেওঁলোকে যদি first priority হিচাপে উজনি অসমত কৰিব বিচাৰে তেতিয়া তিনিচুকীয়া জিলাৰ প্লাষ্টিক পাৰ্কত নিশ্চয় আমি মাটি আগবঢ়াম। লগতে এইটোও ক'ব বিচাৰিছো যে যি সকল লোকে মিছা কথাৰে জনসাধাৰণক বিভ্ৰান্ত কৰে তেওঁলোকে বাহিৰত যাতে Advantage Assam ২.০ ৰ কাৰণে অশান্তিৰ সৃষ্টি নকৰে তাৰ বাবে আহ্বান জনালো। ধন্যাবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী পোনাকণ বৰুৱা, (চাবুৱা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰতিশ্ৰুতি বা ইচ্ছা আছিল আমাৰ এক লাখ নিবনুৱাক সংস্থাপন দিয়াটো। তাৰ বিপৰীতে তাত নিবনুৱাই সংস্থাপন পাইছে ৮০ গৰাকীয়ে। আটাইতকৈ ডাঙৰ কথাটো হ'ল যে তাত এটা industry চলি আছিল। য'ত চাহ বাগিচা আছিল আৰু চাহ শ্ৰমিক সকল নিয়োজিত হৈ আছিল। ৫০০ বিঘাতকৈ অধিক মাটি চৰকাৰে অধিগ্ৰহণ কৰাৰ পাছত তাত যিসকল শ্ৰমিক, কৰ্মচাৰী নিয়োজিত হৈ আছিল তেওঁলোকে কৰ্মসংস্থাপন হেৰুৱালে। কিন্তু কৰ্মসংস্থাপন হেৰুৱা শ্ৰমিক সকল আমি কি দৰে সংস্থাপিত কৰিছো, সেইটো ডাঙৰ প্ৰশ্ন। এই প্ৰশ্নৰ উত্তৰ মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা আশা কৰিছো। লগতে প্লাষ্টিক পাৰ্কত industry গঢ়িবৰ কাৰণে আমাৰ চৰকাৰৰ নীতি কি আছিল? মই যদি তাত মাটি বিচাৰো কি নীতিৰ আধাৰত আমাক মাটি আৱন্টন দিয়া হ'ব। লগতে কিমান পুঁজি বিনিয়োগ কৰিলে তাত এটা industry গঢ়িব পাৰে এই কথাখিনি মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Minister.

**শ্ৰী বিমল বড়া, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় যিখন বাগিচা অধিগ্ৰহণ কৰি চৰকাৰে প্লাষ্টিক পাৰ্ক নিৰ্মান কৰিলে তাত কোনোৱে কৰ্মসংস্থাপন হেৰুওৱা নাই। তাৰ বিপৰীতে তেওঁলোকক বিভিন্ন ধৰণে ক্ষতিপূৰণ হে দিয়া হৈছে। গতিকে এইক্ষেত্ৰত মাননীয় বিধায়ক ডাঙৰীয়াক মই ক্লীয়াৰ কৰি দিছো আৰু তাত উদ্যোগ স্থাপন কৰিবৰ কাৰণে তেনেকুৱা ধৰণৰ কোনো লিমিট নাই। যদি আপুনি ৫ লাখ টকাৰেও উদ্যোগ স্থাপন কৰিব বিচাৰে আৰু যদি পৰিচালনা কৰা AIDC ক আপুনি আবেদন কৰে আৰু আপোনাৰ প্ৰয়োজন অনুসৰি যিমান মাটিৰ প্ৰয়োজন সিমান মাটি আপুনি ল'ব পাৰিব। কাৰণ এইবাৰ Advantage Assam ত কেৱল মাত্ৰ দেশী -বিদেশী বিনিয়োগকাৰী সকলকহে ইয়াতে MoU স্বাক্ষৰ কৰিছে এনে নহয়। সমগ্ৰ অসমতে প্ৰত্যেক জিলাতে আমাৰ ক্ষুদ্ৰ উদ্যোগী সকলে যাতে উদ্যোগ স্থাপন কৰিবৰ কাৰণে entrepreneur হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবৰ কাৰণে আগবাঢ়ি আহে তাৰ কাৰণে আমি জিলা ভিত্তিটো দুটা দিন MoU স্বাক্ষৰ কৰিছিলো। প্ৰায় ৯ হাজাৰ কোটি টকাৰ MoU আমাৰ জিলা ভিত্তিত হৈছে। গতিকে জিলা ভিত্তিত

৫ লাখৰ পৰা ৫০ কোটি টকা লৈকে আমাৰ থলুৱা উদ্যোগী সকল আগবাঢ়ি আহিছে । গতিকে মই থলুৱা উদ্যোগী সকলকো বিশেষ ভাবে ডিব্ৰুগড়, তিনিচুকীয়াৰ উদ্যোগী সকলক আহ্বান জনাওঁ, যদি আপোনালোকে আপোনালোকৰ প্ৰস্তাৱিত উদ্যোগ স্থাপন কৰিবৰ কাৰণে প্লাষ্টিক পাৰ্কত মাটি লাগে নিশ্চিত ভাবে উদ্যোগ বিভাগৰ পৰা সেই মাটি দিবৰ কাৰণে আমি খুব কম সময়ৰ ভিতৰতে disburse কৰি দিব পাৰিম।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, পৰিপূৰক বিষয় এটা ক'ব পাৰিম নেকি ? প্লাষ্টিকৰ ওপৰত অলপ গুৰুত্বপুৰ্ণ কথা আছিল। আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো যে প্লাষ্টিক পাৰ্কখন প্ৰকৃততে কৰা হৈছিল যিটো অসম চুক্তি অনুসৰি গেছক্ৰেকাৰ প্ৰজেক্ট কৰা হৈছিল। কাৰণ গেছক্ৰেকাৰৰ যিবিলাক প্ৰডাক্ট আহিব, আমি যাতে সেইখিনি অসমতে বিনিয়োগ কৰি উৎপাদন কৰিব পৰা যায় প্লাষ্টিক সামগ্ৰী। এতিয়া আমাৰ যি প্ৰডাক্ট হৈ আছে, তাৰ কিমানখিনি এই প্লাষ্টিক পাৰ্কৰ যোগেদি অসমতেই বিনিয়োগ হৈছে, অসমৰ উদ্যোগিক যুৱক-যুৱতী সকলক নিয়োগ আৰু উদ্দ্যমী কৰিবলৈ নে বাহিৰলৈ গৈ আছে, এই ব্ৰহ্মপুত্ৰ গেছক্ৰেকাৰ প্ৰজেক্ট ৰ সামগ্ৰীখিনি। প্লাষ্টিকৰ ব্যৱহাৰটো বহু প্ৰয়োজনীয় সেই কাৰণে ভাৰতবৰ্ষত গড় ১৫ কেজি আৰু বিদেশত ইয়াতকৈ বেছি হয়। সেই কাৰণে অসমত তেনেকৈ প্লাষ্টিকৰ ব্যৱহাৰ বঢ়াব আৰু লগতে waste প্লাষ্টিকৰ ফলত হ'ব পৰা যিটো বিপদ, সেইখিনিৰ কাৰণে কেনেকুৱা ব্যৱস্থা লৈছে অকনমান ক'লে ভাল পাম।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী বিমল বড়া,(মন্ত্ৰী, সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ বানিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গেছক্ৰেকাৰৰ পৰা যি সমূহ পলিমাৰ উৎপন্ন কৰা হয়, নিশ্চিত ভাবে সেই পলিমাৰৰ পৰা ভটিয়নী উদ্যোগৰ জৰিয়তে অন্যান্য প্লাষ্টিক জাতীয় সামগ্ৰী প্ৰস্তুত কৰিব পাৰে আৰু তাৰ প্ৰতি লক্ষ ৰাখি যাতে ভটিয়নী উদ্যোগ সমূহ স্থানীয় ভাবে যাতে transportation ৰ ক্ষেত্ৰত অধিক ব্যয় ভৰিব লগা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই প্লাষ্টিক পাৰ্কখন নিৰ্মাণ কৰা হৈছিল। কিন্তু ১১ টা ভটিয়নী উদ্যোগক ইতিমধ্যে মাটি দিয়া হৈছিল। কিন্তু কেৱল মাত্ৰ ৩ টা প্ৰতিষ্ঠানেহে তাত কাম আৰম্ভ কৰিছে, আৰু definitely যদি এটা ব্যৱসায়িক প্ৰতিষ্ঠান হিচাপে ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ পলিমাৰ লিমিটেডে তেওঁলোকৰ উৎপাদিত সামগ্ৰী স্থানীয় ভাবে যদি কোনোবা ক্ৰেতা নাপাই definitely সেই সমূহ তেখেত সকলে বেলেগ বজাৰ অন্বেষণ কৰিব, তেনে ধৰণে তেওঁলোকে ব্যৱসায় কৰি আছে আৰু অসমত garbage ৰ পৰাও প্লাষ্টিক জাতীয় সামগ্ৰী নিৰ্মাণ কৰিবৰ কাৰণে বহু কেইটা প্ৰতিষ্ঠান আগবাঢ়ি আহিছে আৰু ইতিমধ্যে মই আপোনালোকক কৈছোৱেই যে customized policy ৰ আধাৰটো এনেকুৱা ধৰণৰ বহুকেইটা উদ্যোগ ইতিমধ্যে আমাৰ লগত MoUত স্বাক্ষৰ কৰিছে। কিছুমানে কাম আৰম্ভ কৰিছে, খুব কম দিনৰ ভিতৰত কমিশ্যন হ'ব। গতিকে মই ভাবো এখন ভাল বজাৰ প্লাষ্টিকৰ ক্ষেত্ৰত যদি নিৰ্মাণ কৰিব পৰা যায়, definitely উদ্যোগীসকলে উদ্যোগ স্থাপন কৰিব, আৰু চৰকাৰৰ তৰফৰ পৰা যিখিনি সা-সুবিধা customized policy ৰ আধাৰতে হওঁক বা অন্যান্য যি সমূহ ভাৰত চৰকাৰ বা ৰাজ্য চৰকাৰৰ যি সমূহ আঁচনি আছে, তাৰ সা-সুবিধা বা মাটি ইত্যাদি দিবৰ কাৰণে চৰকাৰ সকলো সময়তে সাজু আছে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া প্ৰশ্ন নং ১০৭, বিশ্বজিৎ ফুকন, মাননীয় মন্ত্ৰী ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজত দিয়া আছে।

**শ্ৰীবিশ্বজিৎ ফুকন, (সৰুপথাৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমত যেনেকৈ ৰাজহ গাওঁ সমূহ আছে, ঠিক তেনেকৈ বনাঞ্চল বুলি অভিহিত কিছুমান ঠাই আছে। যিখিনি প্ৰকৃততে বৰ্তমান বনাঞ্চল হৈ থকা নাই, তেনে ঠাই সমূহত গাওঁবুঢ়াসকল আছে, আৰু এই গাওঁবুঢ়াসকলে ৰেভিনিউ এৰিয়াৰ গাওঁবুঢ়াৰ দৰে কাম কৰি থাকে। বিশেষকৈ মোৰ সমষ্টিত ২৫০ জনতকৈ অধিক গাওঁবুঢ়া আছে, টেঙানি আৰু ৰেংমা বনাঞ্চলত ঠিক তেনেকৈ কাষৰিয়া গোলাঘাট সমষ্টিটো দৈয়াং বনাঞ্চলত গাওঁবুঢ়া আছে। যিসকলে গাওঁবুঢ়াৰ সকলো কাম-কাজ কৰি থকাৰ পাছটো মাহেকীয়া পাৰিতোষিক লাভ কৰা নাছিল, এই বিষয়টো পুৰ্বতেওঁ মই কেইবাবাৰো বিধান সভাত উত্থাপন কৰিছিলো। সৌভাগ্যৰ বিষয় যে ২৩ ডিচেম্বৰ তাৰিখে অসম কেবিনেটে বনাঞ্চলৰ গাওঁবুঢ়া সকলক পাৰিতোষিক দিয়াৰ কাৰণে সিদ্ধান্ত লৈছে। মন্ত্ৰী মহোদয়ৰ উত্তৰৰ পৰা আমি গম পাইছো যে ৯৪৬ জন গাওঁবুঢ়া ক মাহেকীয়া পাৰিতোষিক দিবৰ কাৰণে CFৰ জৰিয়তে ইতিমধ্যে প্ৰচেচ আৰম্ভ হৈছে আৰু এই বছৰ বাজেটৰ পৰা তেওঁলোকে ৰেগুলাৰ পইচা পোৱাৰ ব্যৱস্থা হ'ব। যিহেতু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ২৩ তাৰিখৰ কেবিনেটৰ পিছত ঘোষণা কৰিছিল যে জানুৱাৰীৰ পৰা তেওঁলোকে পাৰিতোষিক পাব। মুখ্যমন্ত্ৰী মহোদয়কো বিশেষ ভাবে ধন্যবাদ জনাইছো। মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, জানুৱাৰী মাহৰ পৰা ইতিমধ্যে চৰকাৰে পাব বুলি ঘোষণা কৰা পাৰিতোষিক সমূহ দেৰিকৈ পালেও তাৰ এৰিয়া দি সম্পুৰ্ণৰূপে দিয়াৰ ব্যৱস্থা কৰা হ'ব নেকি? ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে যে আমাৰ কেবিনেটৰ সিদ্ধান্তৰ পিছত ২৮-২-২০২৫ তাৰিখৰ অধিসূচনা মৰ্মে বন বিভাগৰ মুঠ ৯৪৬ জন গাওঁবুঢ়াক দৰমহা দিয়াৰ প্ৰক্ৰিয়া বৰ্তমান চলি আছে। এইটো বাজেটত আমি FOC কাৰণে move কৰিছো। গতিকে অতি সোনকালে move হ'ব। তেওঁলোকৰ যিদিনা Notification হৈছে সেইদিনাৰ পৰাই মাননীয় বিধায়ক গৰকীয়ে যিটো প্ৰশ্ন উত্থাপন কৰিছে, গতিকে যিদিনা Notification হৈছে, দৰমহা পাব বুলি সেইদিনাৰ পৰাই তেওঁলোকে দৰমহা পাব। আগন্তুক দিনত আমি বাজেটত Provision ৰাখিছো, ইয়াৰ পিছত তেওঁলোকৰ দৰমহাখিনি Regular হৈ থাকিব ইয়াত কোনো অসুবিধা নাই।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এটা বাক্যত কওঁক, সময় বিশেষ নাই।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Forest Rights Act অনুসৰি, Forest ত বসবাস কৰা মানুহ বিলাকক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা আছে, অসমত কিমান বনাঞ্চলত, কিমান ট্ৰাইবেল লোকক এতিয়ালৈকে মাটিৰ পট্টা দিয়া হ'ল? আৰু কিমান দিবলৈ বাকী আছে?

**মাননীয় অধ্যক্ষ** ঃ মাটিৰ data নাই নহয়, গাওঁবুঢ়াৰ প্ৰশ্নহে কৰক।

ঠিক আছে, Question Hour over. এতিয়া Zero Hour আছে, শ্ৰী চক্ৰধৰ গগৈ।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি (নাজিৰা)** ঃ মহাশয় আমাৰ বিৰোধী দলৰ ফালৰ পৰাও দুটামান Zero Hour বিষয় আছিল।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী দলৰ আজি ৩০১ আৰু Zero Hour নাই।

**অধ্যক্ষ মহোদয়** ঃ বিৰোধী দলৰ আছে যেনে শ্ৰী অমিনুল ইছলাম (জেষ্ঠ), শ্ৰী চৰন বড়ো আধা বিৰোধী।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি (নাজিৰা)** ঃ অধ্যক্ষ মহাশয়, আমাৰ কেইটাও

জৰুৰী আছিল। যদি কিবা অসুবিধা আছে তেতিয়া হলে লটাৰী কৰি দিলে হ'ল।

**শ্ৰী দূৰ্গাদাস বড়ো, (কলাইগাঁও)** ঃ অধ্যক্ষ মহোদয়, আপুনি আমাৰ বিধায়ক শ্ৰী চৰন বড়োৰ ক্ষেত্ৰত যিটো বক্তব্য ৰাখিলে সেইটো উথাই ললে মই ভাল পাম।

**অধ্যক্ষ মহোদয়** ঃ ঠিক আছে মই বক্তব্য টো উথাই লৈছো।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰান)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ চাহ বাগান বিলাকৰ ক্ষেত্ৰত ক্ৰীড়া বিভাগৰ ক্ষেত্ৰত থকা সমস্য এটাৰ বিষয়ে কবলৈ ওলাইছো। আমাৰ অসমৰ খেল জগত খনত চাহ বাগান অঞ্চলৰ যুৱক-যুৱতী সকলে বিশেষ ভূমিকা পালন কৰি আহিছে। দৌৰ খেলা ক্ষেত্ৰতে হওক বা ফুটবলৰ ক্ষেত্ৰতে হওক আৰু অন্যান্য খেলৰ ক্ষেত্ৰত চাহ বাগান অঞ্চলৰ যুৱক-যুৱতী সকলে বিশেষ ভূমিকা পালন কৰি আহিছে। আৰু তেখেত সকলে বিভিন্ন ক্ষেত্ৰত নিজৰ পাৰদৰ্শীতা দেখুৱাবলৈ সক্ষম হৈছে। কিন্তু দুখৰ বিষয় যে বাগান অঞ্চলৰ যুৱক-যৱতী সকলে ক্ৰীড়াৰ ক্ষেত্ৰত নিজৰ প্ৰতিভা বিকাশ কৰিবলৈ বাগিছা বিলাকত যি খেলপথাৰ আছিল সেইবোৰৰ উন্নয়ৰ বাবে বাগিছা কতৃপক্ষয় কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা দেখা নাযায়। আৰু আমাৰ চৰকাৰৰ ফালৰ পৰা যদিও এতিয়া লৈকে বহুতো কাম কৰিছে এই ক্ষেত্ৰত কিন্তু আৰু ভালেমান কাম কৰিব লগা আছে ক্ৰীড়াৰ উন্নয়নৰ বাবে। Stadium এতিয়ালৈকে চাহ বাগানত হোৱা নাই। গতিকে মই আপোনাৰ জড়িয়তে মাননীয় মন্ত্ৰী মহোদয়াক এটা অনুৰোধ কৰিব খুজিছো যে আমাৰ চাহ শ্ৰমিক সকলৰ মাজত থকা প্ৰতিভাৱান খেলুৱৈ সকলক আৰু উৎসাহ যোগোৱাৰ বাবে বাগিছা অঞ্চলত ভাল Stadium বানোৱাৰ লগতে বাগিছাত থকা খেলপথাৰ সমূহৰ উন্নিত কৰণ কৰিব লাগিব আৰু ক্ৰীড়া প্ৰতিভা বিকাশৰ বাবে বগিছা অঞ্চলত বিভিন্ন ধৰণৰ খেলৰ আয়োজন কৰাৰ লগতে তেওঁলোকক উন্নত মানৰ প্ৰশিক্ষন দিয়াৰ চেষ্টা কৰিব লাগিব। কাৰণ এটা ফুটবল দলক ভালকৈ প্ৰশিক্ষন দিবলৈ হলে বহুত টকাৰ দৰকাৰ হ'ব। যিটো বাগিছাৰ যুৱকৰ বাবে সম্ভৱ নহয়। গতিকে এই কাম খিনি আমাৰ অসম চৰকাৰৰ ক্ৰীড়া বিভাগয়ে যদি অলপ গুৰুত্ব প্ৰদান কৰি কিছু টকা খৰছ কৰে তেতিয়া হলে ফুটবলে নহয় অন্যান্য খেলতো আমাৰ বাগিছাৰ প্ৰতিভাৱান খেলুৱৈ সকলে ভাল ফল দেখুৱাব পাৰিব।

**মাননীয় অধ্যক্ষ** ঃ Hon'ble Minister.

**Smti Nandita Garlosa,Hon'ble Minister :** Hon'ble Speaker sir, I beg to state that the State Government is focusing on creation of Sports infrastructure across the State. The House will be happy to know about the district wise allocation of funds for Sport infrastructure development. The propose Sport infrastructure are like at Tinsukia 21, Sivsagar 14, Golaghat 15, Charideo 11, Jorhat 16, Nawgaon 26 & Dibrugrah 28. Now, under the CMSGY 500 playgrounds were taken up for improvement including both in upper Assam and where the Adivasi population reside, which we call it as 'Sai- Bagan'. 65 Khelo India centre are there in two districts. Training facilities and Coaches are available and the outcomes are being monitored. In recent 'Khel Maharan' we have been seen that many of the participant were from the Tea Garden and they have competed very positively and

they have come out successful not only 'Khel Mharan' 1 & 2 and other sports like Marathan is being held in universities and we found that the participants were from the Garden area who have also more need. I, would like to say that the Sports Stadium is being constructed in various areas at the cost of total 50 cores, where 10 district stadiums and I like to mention the name of the stadiums and districts like as: Biswanath Chariali, Saboti in Laximpur, Jorhat, Rupohipathar in Sivsagar where the execution is being done. The House to be plead to know that the Lovelina Borgohain Multipurpose sports complex is also coming up at Sarupathar as well as in Demow, Tingkhong and Morioni in Golaghat district and Margherita also come up. Recently, the Hon'ble Chief Minister announces the construction of a Stadium in Naharkatia too. It can be said that the process of the Stadium construction will be started by the next year and it will be completed within 2/3 years. As a far as Coaching is concerned across Assam, the Sport Department is in the process to trying to look after for some Coaches can be hired across the India for the better training and they should be regular coaches in the most of the areas not only in the 'Sai- Bagan'. I would like to say that besides the Sports Department, the Tea Welfare Department is also under the process and there is a special package for the Sport under the Department concerned. There are being competition held under the CM Cup Football tournament amongst the female and the male. And this has been continuing and we expect that through this we will be able to see in the next few years that there are being many people from the Garden Areas can compete in the National Level. We are in the process of it and I like to inform the House also that very soon there is going to be held a program under the GoI, where I think we will be able to put ourselves in the name and fame and those includes the areas of 'Sai Bagan' as well as others. Thank you.

**শ্ৰী চক্ৰধৰ গগৈ, (মৰান)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই বাইদেওৰ পৰা আৰু এটা কথা জানিব খুজিছিলো যে বাইদেয়ে যিটো উত্তৰ দিলে তাতে মই এটা কথা বুজিলো যে, যিখিনি Stadium হৈছে এইখিনিটো গাওঁ অঞ্চলত হৈছে। মই কৈ আছো অকল চাহ বাগান Area, গতিকে চাহ বাগান area ত ভৱিষতে কৰা টো দৰকাৰ আৰু যদি কৰোবাত প্ৰশিক্ষনো হৈছে, প্ৰশীক্ষন বিলাক চাহ বাগান Concern কৰি কৰিলে ভাল হয়। গাওঁ অঞ্চলত হৈ থাকক কিন্তু সমানতৰাল ভাৰে চাহ বাগান Area হোৱাটো প্ৰয়োজন আছে, আৰু এটা কথা জানিব বিচাৰিছো যে বহুদিন

ধৰি আমি খেলৰ সা-সামগ্ৰী বিতৰণ কৰিব পৰা নাই গতিকে এনেকুৱা সা-সামগ্ৰী দিলে ভাল হয়।

**মাননীয় উপাধ্যক্ষ ঃ** Hon'ble Minister.

**Smti Nandita Garlosa,Hon'ble Minister ঃ** Hon'ble Deputy Speaker Sir, I beg to inform the Hon'ble Member that we have taken into account the matter specially for the Tea Garden Areas. It will be in the process which I have informed in the Esteem House. And in respect of the Sports equipements , we are the Government is trying to arrange the 'Khel Mharan' 1 & 2. It is a process of the half year of time to play game and in basically we have included 5 games and we agree to it, that there are 5 disciplines of it . But, at the same time other sports are also being in the process in term of Schools and Universities and especially in the Tea Garden also. It will not be discard, which I want to mention in the House that It will be taken up for all over the State of Assam. Thank you.

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰী চৰণ বড়ো।

**শ্ৰী চৰণ বড়ো, (মাজবাট) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰথমে ধন্যবাদ জ্ঞাপন কৰিছো উত্থাপন কৰিব দিয়াৰ বাবে। মোৰ বিষয়টো হল ৪ মাৰ্চ ২০২৫ ৰ বাতৰি কাকতত এটা শিৰোনামা ওলাইছে যে, অসম-অৰুনাচল সীমান্তৰ লামাবাৰীত উচ্ছেদৰ বিৰুদ্ধে ওলাই আহিল ৰাইজ, দল সংগঠন। লামাবাৰী চাহ বাগিছা খন মোৰ সমষ্টিতে পৰে। ইয়াত থকা আমাৰ চাহ শ্ৰমিক আদিবাসী ভূমিহীন ব্যক্তি সকলে নিজৰ দখলত থকা অকন মান মাটি যি আছে সেইবোৰ হেৰুৱাৰ ভয়ত শ শ আধিবাসী ভূমিহীন ব্যক্তি সকল ওলাই অহাৰ লগতে দল সংগঠন বিলাকো ওলাই আহিল। তেওঁলোকৰ দাবি এইটোয়ে যে আমাৰ ভূমি এক ইঞ্চিও কাকো এৰি দিয়া নহব, চৰকাৰৰ যি সিদ্ধান্ত আছে সেইটো উঠাই লওক বা আমাক অন্য ঠাইত ভূমি দিয়াৰ ব্যৱস্থা কৰক। তেনেকুৱা ধৰণৰ আন্দোলন ৩ মাৰ্চ ২০২৫ তাৰিখে মাজবাট, লামাবাৰী অঞ্চলত সংগঠিত হ'ল আৰু এই বিষয়টো বিষয়ে মই আগতে বিশেষ গম পোৱা নাছিলো ঘটনাটো হোৱাৰ পিছত মই খবৰ ললো আৰু গম পালো যে ইয়াৰ আৰম্ভনিৰ কৰাণ টো হ'ল BTC চৰকাৰৰ সচিব ডাঙৰীয়াই সকলো চাৰ্কোল অফিচাৰক সকলক এটা order কৰিছিল যে Executive Council ৰ বৈঠকৰ সিদ্ধান্ত মতে প্ৰায় ১২ টা ঠাইত ৫ খন জিলাত small bamboo নাৰ্চাৰী লগতে organic manual satellite unit, small bamboo processing unit কৰা হ'ব। এনেকৈ বিভিন্ন কামত তেখেতসকলে ১২ টা ঠাইত মাটি allotment কৰিছে আৰু সেই হিচাপে মোৰ মাজবাট সমষ্টিৰ দুটা ঠাইত, এটা লামাবাৰী চাহ বাগিছাত bamboo processing unit কৰিবৰ কাৰণে ৫ বিঘা মাটি allotment কৰিছে, আৰু এটা হ'ল small bamboo নাৰ্চাৰী কৰিবৰ কাৰণে ওদালগুৰি চাৰ্কোলৰ ভিতৰত থকা ভেৰগাঁও গাঁৱত ৫ বিঘা মাটি allotment কৰা হৈছিল।

এই বিষয়টো ৰাইজে যেতিয়া গম পাইছে, গম পোৱাৰ লগে লগে ৰাইজে ভয় খালে আৰু তেখেতসকলে আলোচনা কৰিলে যে যিহেতু আমি ভূমিহীন ব্যক্তি আৰু তেখেতসকলে আশা কৰি আছিল যে বৰ্তমান চলি থকা চৰকাৰখনে আমাক সকলোকে মাটি আৱন্টন কৰিব আৰু যিটো সময়ত অসম চৰকাৰৰ ফালৰ পৰাও আমাৰ চাহ বাগিছাৰ ব্যক্তিসকলক এটা প্ৰতিশ্ৰুতি দিছে যে

ভূমিৰ অধিকাৰ দিয়া হ'ব আৰু তেখেতসকলক সন্মান দি অসম চৰকাৰখনে ২০০ বছৰীয়া যি চাহ উদ্যোগৰ ইতিহাস, সেইটো উদযাপন কৰি ঝুমুৰটো যিহেতু বিশ্বলৈ লৈ গ'ল। সেই সময়ত তেখেতসকলে যিহেতু ভূমিহীন ব্যক্তি, এই ভূমিহীন ব্যক্তিসকলে চাহ বাগিছাৰ ওচৰতে থকা বাগিছাৰে মাটিত খেতি বাতি কৰি দখল কৰি আছিল। কিন্তু সেই মাটিৰ পৰা তেখেতসকলক উচ্ছেদ কৰিব বা তেনেকুৱা জাননী আহিল, তেখেতসকলে ভয় খাইছে আৰু ভয় খাই সকলো দল সংগঠন আৰু ৰাইজ ওলাই আহিছে। তেখেতসকলৰ দাবী এইটোৱে যে আমাক মাটি দিয়াৰ ব্যৱস্থা কৰক আৰু চৰকাৰৰ যি সিদ্ধান্ত সেইটো প্ৰত্যাহাৰ কৰক, চৰকাৰৰ যি প্ৰতিশ্ৰুতি ভূমিহীন ব্যক্তিসকলক মাটি দিব বিচাৰিছে, সেই ব্যৱস্থাটো কৰিব লাগে আৰু চৰকাৰে যি সিদ্ধান্ত লৈছে সেইটো উঠাই ল'ব লাগে।

গতিকে তাৰ কাৰণে মই ক'ব বিচাৰিছো যিহেতু এইটো বিটিচি চৰকাৰে কৰিছে, তথাপিও মই আজি অসম বিধান সভাত লৈ আহিছো, এই ক্ষেত্ৰত যাতে অসম চৰকাৰখনে অকনমান হস্তক্ষেপ কৰি হলেও এই ভূমিহীন ব্যক্তিসকলক চৰকাৰ উলিওৱা order টো withdraw কৰি পেলাই, তেখেতসকলক মাটি দিয়াৰ যাতে ব্যৱস্থা গ্ৰহণ কৰে, ইয়াৰ কাৰণে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰীচৰন বড়ো ডাঙৰীয়াই আজি যিটো প্ৰশ্ন শূণ্যকালীন ঘন্টাত উত্থাপন কৰিছে, তেখেতৰ সমষ্টিৰ এই বিষয়টোত আচলতে bamboo plantation ৰ কাৰণে মানুহখিনিক মাটি দিয়া হৈছিল। এই গোটেই বিষয়টো বন বিভাগে পৰীক্ষা কৰি চাইছে আৰু বন বিভাগৰ ফালৰ পৰা তেনেকুৱা ধৰণৰ eviction ৰ কথা নাই। আৰু ভৱিষ্যতলৈ যদি কিবা কথা থাকে, তেতিয়া আপোনালোকক বন বিভাগে জনাব।

মাননীয় উপাধ্যক্ষ মহোদয়, এই প্ৰশ্নটো আহিছে গৃহ বিভাগৰ অধীনৰ। গৃহ বিভাগৰ অধীনত যিহেতু প্ৰশ্নটো আহিল, গতিকে Land, Forest & Home এই তিনিটা বিভাগৰ অধীনৰ আহে। আপোনাৰ উত্তৰটো অকল গৃহ বিভাগৰ ফালৰ পৰা আহিছে, গতিকে মই ইয়াৰ উত্তৰটো Forest & Home বিভাগ, এই দুয়োটা বিভাগ মিলিয়ে উত্তৰটো দিলো, তাত কোনো eviction ৰ কথা নাই। ৰাইজে সেইটো লৈ পেলাই শংকিত হ'ব নালাগে।

**শ্ৰীচৰন বড়ো, মাজবাট ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বন বিভাগৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই। কিয়নো এইটো khas land হয়। khas land ৰ পৰাহে order ওলাইছে আৰু বি টি চি চৰকাৰে allotment দিয়াৰ এটা order উলিয়াই দিছে।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই সুন্দৰভাৱে উত্তৰ দিছে যে কোনো eviction নহয়। আপুনি বিটিচি চৰকাৰৰ লগত এই বিষয়ত আলোচনা কৰি ল'ব।

**শ্ৰীচৰন বড়ো, মাজবাট ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, eviction নহয়, ইতিমধ্যে যিহেতু allotment ৰ order ওলাই গৈছে।

**শ্ৰী দূৰ্গা দাস বড়ো, কলাইগাওঁ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এইটো বন বিভাগৰ মাটি নহয়। এইটো ceiling surplus land ।গতিকে ceiling surplus land বন বিভাগৰ বুলি কৈ পেলালে বন বিভাগৰ notification টো তাত কেনেকৈ যাব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই

বন বিভাগৰ notification যোৱা কথাটো কোৱাই নাই। এইটো ৰাজহ বিভাগৰ মাটি। এই গোটেই বিষয়টো ৰাজহ বিভাগলৈ যাব লাগিছিল।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, তিনিটা বিষয়ে আপুনি ভালকৈ address কৰিব। আপুনি সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী হোৱাৰ কাৰণে আপোনাক এইখিনি দিয়া হ'ল।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই গোটেই বিষয়টো ৰাজহ বিভাগলৈ যাব লাগিছিল, কাৰণ এইখিনি হ'ল ceiling surplus khas land। কিন্তু প্ৰশ্নটো আছিল গৃহ বিভাগলৈ। আকৌ যিহেতুকে তেখেতে কৈছে যে ইয়াত bamboo plantation ৰ কথা আছে, সেই কাৰণে তিনিটা বিভাগ লগ লগাই মই এইখিনি কলো যে এইটো eviction নহয়।

**শ্ৰীচৰন বড়ো, মাজবাট ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, eviction নহয়, কিন্তু যিখিনি allotment দিয়া হ'ল, সেইখিনি বাতিল হ'ব লাগিব। আমি বিচাৰিছো allotment ৰ order টো withdraw কৰি, তেখেতসকলক যিহেতু ভূমিহীন ব্যক্তি, এই ভূমিহীন ব্যক্তিসকলক মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি গোটেই কথাখিনি বিটিআৰ চৰকাৰৰ লগতে আলোচনা কৰি এই allotment টো কি পৰ্য্যায়ত আছে, আপোনালোকক জনাই দিম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ)।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা কালি মাৰ্চ মাহৰ ৫ তাৰিখে "দৈনিক জনমভূমি" বাতৰি কাকত প্ৰকাশিত "সাৰৰ কৃত্ৰিম নাটনি,ক্ষুদ্ৰ ব্যৱসায়ীৰ নিদ্ৰা হৰিছে প্ৰশাসনিক বিষয়াই, লাহৰিঘাটত কৃষকৰ মুৰত ৰামটাঙোন" - এই শীৰ্ষক বাতৰিটো মই আপোনাৰ জৰিয়তে চৰকাৰক দৃষ্টিগোচৰ কৰিব বিচাৰিছো আৰু আমাৰ যিহেতু লাহৰিঘাট, মৈৰাবাৰী, টেঙাপুৰি, বুঢ়াগাঁও, এই অঞ্চলটোৰ ৯০ শতাংশ লোকে কৃষি কৰ্মৰ ওপৰত নিৰ্ভৰ কৰে, বছৰি ৩ বাৰ পৰ্য্যন্ত খেতি কৰা হয়, য'ত ৰবি শস্য, খাৰিফ শস্যৰ লগতে অন্য খেতি কৰা হয়, গতিকে তেওঁলোক ৰাসায়নিক সাৰৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হয়, বিশষকৈ ৰবি শস্যৰ ক্ষেত্ৰত।

২-৫ বছৰ আগতে সাৰৰ কোনো ধৰণৰ ছিণ্ডিকেট নাছিল, সাৰ কিনিবলৈ কোনো ধৰণৰ license বা নিৰ্দিষ্ট কোনো পৰিমান নাছিল। ৰাইজে গেলামালৰ দোকানত গৈও সাৰ কিনিব পাৰিছিল। যেতিয়া সাৰৰ বিক্ৰীটো নিয়ন্ত্ৰিত কৰা হ'ল আৰু বিক্ৰীৰ বাবে এটা এটা অঞ্চলত কিছুমান নিৰ্দিষ্ট বিতৰকক license দি দায়িত্ব দিয়া হ'ল আৰু তেওঁলোকক এটা নিৰ্দিষ্ট পৰিমানৰ ৰাসায়নিক সাৰহে কৃষকসকলক দিবলৈ অনুমতি দিয়া হ'ল। গতিকে কৃষকসকলৰ যিমানখিনি সাৰৰ প্ৰয়োজন তেওঁলোকে সিমানখিনি সাৰ নাপায়। এই সমস্যাটো ২, ৩ বছৰ ধৰি হৈ আছে। তাৰ পিছতো এই বাতৰিত প্ৰকাশ পোৱা মতে লাহৰিঘাট যেতিয়া সমজিলা হ'ল, এই সমজিলাৰ কোনোবা এজন বিষয়াই সাৰৰ যি বিতৰক (Fertilizer Distributor) আছে, এই বিতৰক সকলৰ ঘৰে ঘৰে গৈ তেওঁ এটা ত্ৰাসৰ সৃষ্টি কৰা বুলি বাতৰিটোত প্ৰকাশ পাইছে। তেওঁ তলা কিছুমান বেগত লৈ যোৱা বুলি লিখিছে, লগতে কিবা এটা উজুহাত পালে সাৰৰ বিতৰক দোকানত তলা লগাই থৈ আহে। তাৰ পিছত কিবা এটা বুজা বুজি হয়, পিছদিনা আকৌ খুলি দিয়ে। ইয়াত লিখা মতে এইজন প্ৰশাসনিক বিষয়াৰ ভয়ত বহুত সাৰৰ দোকানীয়ে মাত্ৰ দুই তিনি ঘন্টা দোকানখন খোলা ৰাখি তাৰ পিছত বন্ধ কৰি থয়। ইয়াৰ ভুক্তভোগী হয় সাধাৰণ কৃষক ৰাইজ। এই কৃষকসকলে যদি

প্ৰয়োজনৰ সময়ত সাৰ কিনিব নোৱাৰে, ২,৫ দিন পিছত পাই, তেওঁলোকৰ সমস্যা হয়। তেওঁলোকে আজি সাৰ প্ৰয়োগ কৰিলে যিটো ফচল পালে হে ২,৫ দিন পিছত প্ৰয়োগ কৰা সাৰত হয়তো তেওঁলোকে সেই ফলটো নাপাব আৰু কিছুমান black market হোৱা বুলিও বাতৰিত জানিব পাৰিছো সাৰৰ বিষয়ে, কেতিয়াবা অলপ কৃষক সকলক অসুবিধা কৰে, তেওঁলোকে এটা বুজাবুজি কৰি কেতিয়াবা সাৰ নিৰ্দিষ্ট সময়ত নানে। নানি তেনেকৈ এটা কৃত্ৰিম নাটনিৰ সৃষ্টি কৰে। তেতিয়া এই কৃষক সকলৰ পৰা আগতীয়াকৈ পইচা লয়। তেওঁলোকে কৃষক সকলক কয় যে যিহেতুকে সাৰ অহা নাই গতিকে যি সকলে টকা আগতীয়াকৈ দিব তেখেত সকলক সাৰ আগতীয়াকৈ দিম আৰু আগতীয়াকৈ পইচা দিওতে ৩০০/৩৫০ টকাৰ বস্তা ৫০০/৫৫০ টকালৈকে কৃষক সকলে দিব লাগে। এই কৃষকসকলে আগতীয়াকৈ পইচা দিয়া আৰু সেইটোও black marketত অলপ বেছি হাৰত উচ্চ হাৰত পইচাটো দিয়াৰ পিছত যেতিয়া সাৰ আহিব তেতিয়া তেওঁলোকক দিব। এই যে প্ৰত্যেক বেগত ১৫০/২০০ টকা বেছিকৈ কৃষক সকলে ভৰিব লগীয়া হৈছে এই কথাটো কিন্তু এই অঞ্চলৰ দৰিদ্ৰ কৃষক সকলৰ কাৰণে এটা সমস্যা হৈছে। গতিকে মই আপোনাৰ জৰিয়তে চৰকাৰক এইটো দৃষ্টিগোচৰ কৰিম যে তেওঁলোকৰ প্ৰথম কথা হ'ল যে যি সকল distributor আছে distributor সকলক এটা তেনেকুৱা qualificationৰ ভিত্তিত আৰু তেনেকৈ চাইমিলি দিব লগীয়া হৈছে। গতিকে সেই distributor সকলক লেকাম লগাই যাতে তেওঁলোকে fertilizer distributor সকলে যাতে উচিত মূল্যত কৃষক সকল যথা সময়ত যাতে তেওঁলোকে সাৰ যোগান ধৰে আৰু যাতে ইয়াত বিষয়া সকলে কিছুমান fertilizer distributor ৰ পৰা ৫০ হাজাৰ ৭০ হাজাৰ পৰ্য্যন্ত উৎকোচ লৈছে বুলি কৈছে যাৰ কাৰণে উচ্চ হাৰত সাৰৰ distributor সকলে সিহঁতৰ পৰা লাভ হয়তো লবলগীয়া হয়। গতিকে আপোনাৰ জৰিয়তে মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিছো যাতে এইক্ষেত্ৰত চৰকাৰে পদক্ষেপ লয় আৰু যাতে কৃষক সকলে সকাহ পায়। মৌৰাবাৰী, লাহৰীঘাট, বুঢ়াগাঁও, তেঙাখুৰী আৰু মাঘাবন্ধা এই অঞ্চলৰ যাতে কৃষক সকল উপকৃত হয় তাৰ বাবে আপোনাৰ জৰিয়তে এইটো চৰকাৰৰ দৃষ্টিগোচৰ কৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। প্ৰশাসনিক বিষয়াই সাৰৰ দোকান তলা লগাই থয়, এই বিষয়টো অলপ চাব লগীয়া গুৰুত্বপূৰ্ণ। মাননীয় মন্ত্ৰী।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে দৈনিক জনমভূমি কাকতত প্ৰকাশিত এটা বাতৰিৰ উদ্ধৃতি দি সাৰৰ কৃত্ৰিম নাটনিৰ সম্পৰ্কে লাহৰিঘাটত আৰু কিছুমান প্ৰশাসনিক বিষয়াই উৎকোচ লোৱা বুলি অভিযোগ আনিছে, অৱশ্যে দৈনিক জনমভূমি বাতৰি কাকতত বাতৰি প্ৰকাশ পোৱাৰ লগে লগে আমি এই সম্পৰ্কত বিষয়া সকলৰ লগত কথা পাতিছিলো পূৰ্বতে মৰিগাঁও জিলাৰ বিষয়া সকলৰ লগত কথা পাতিছিলো আৰু এই বিষয়টো তদন্ত কৰিবৰ কাৰণে তেতিয়া কোৱা হৈছিল। মাননীয় উপাধ্যক্ষ মহোদয়, পূৰ্বতে অসাধু ব্যৱসায়ীয়ে ৰাসায়নিক সাৰ বিশেষকৈ ইউৰিয়া সাৰৰ কৃত্ৰিম নাটনিৰ সৃষ্টি কৰি কলা বজাৰত অধিক দামত বিক্ৰী কৰাৰ অভিযোগটো খুব সঘনাই উত্থাপিত হৈছিল আৰু সেই সময়ত মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এই বিষয়টোৰ সম্পৰ্কত নিজেও জড়িত হৈছিল আমিও জড়িত হৈছিলো আৰু সেই বাবে ইউৰিয়া সাৰৰ বিতৰণ পদ্ধতিটো সংস্কাৰৰ বাবে কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। ২০২২ বৰ্ষৰ ২০ মে' তাৰিখে এখন অধিসূচনাৰ জৰিয়তে ইউৰিয়া সাৰ পৰিচালনাৰ বাবে এখন নতুন SOP প্ৰৱৰ্তন কৰা হৈছিল। এই ব্যৱস্থাৰ জৰিয়তে একমাত্ৰ পাইকাৰী বিতাৰক হিচাপে দায়িত্ব দিয়া হৈছিল অসম ৰাজ্যিক কৃষি সামগ্ৰী বিপনন পৰিষদক। তেতিয়াৰ পৰা পূৰ্বতে যিটো

অভিযোগ উত্থাপিত হৈছিল সেই অভিযোগ কমি গৈছিল। কিন্তু দুই এযাৰ এনেধৰণৰ অভিযোগ দুই এঠাইৰ পৰা আমি পাইছো এই আজি যেনেকৈ মৰিগাঁৱৰ পৰা পাইছো আৰু এই বিষয়টো আমি যেতিয়া জানিব বিচাৰিলো তেতিয়া জানিব পাৰিলো যে তাত পৰ্য্যাপ্ত পৰিমাণৰ ইউৰিয়া সাৰ মজুত আছে। ৭৩৬৩৫ মেট্ৰিকটন আৰু ট্ৰাণজিতত আছে ৯৫৪ মেট্ৰিকটন, যথেষ্ট মজুত আছে। যেতিয়া আমি এই বিষয়ে স্পষ্ট ভাৱে জানিব বিচাৰিলো তেতিয়া এটা কথা কলে কথাটো হয়, কাৰণ সময়ে সময়ে যেতিয়া অত্যাধিক মাত্ৰাত ৰাসায়নিক সাৰ বিক্ৰী কৰাৰ অভিযোগ উত্থাপিত হয় ৰাজ্যখনত বা এনেধৰণৰ সাৰৰ দাম বৃদ্ধি পোৱা অভিযোগ উত্থাপিত হয় আৰু তেতিয়া joint inspection ৰ এটা ব্যৱস্থা কৰা হয়। আৰু সেই মতে সময়ে সময়ে joint inspection হৈ থাকে। তাত জিলা প্ৰশাসনৰ বা চি ডি চি আছে co-district commissioner, সেই প্ৰশাসনিক বিষয়া আৰু কৃষি বিষয়াই তাত তেনেধৰণৰ কিবা অভিযোগ পালে অনুসন্ধান কৰে। আমি জনামতে তাত চি ডি চি হিচাপে আছিল প্ৰাঞ্জল বৰা আৰু Magistrate আছিল প্ৰমোদ বৰা। এগৰাকী এডিঅ' তেখেত আই চি আছিল সেই এডিঅ' চাৰ্কলৰ, লুনা বৰা, তেখেত সকলে তেনে কেত বোৰত গুৰুত্ব অভিযোগ পোৱাৰ পিছত অনুসন্ধানত গৈছিল। অনুসন্ধানত যোৱাৰ কাৰণে হয়তো কাৰোবাৰ স্বাৰ্থত আঘাত পোৱাৰ বাবে হয়তো তেনে অভিযোগ আনিব পাৰে। যিকি নহওঁক বিষয়টোৰ সম্পৰ্কত জিলা আয়ুক্তই ইতিমধ্যে অনুসন্ধানৰ ব্যৱস্থা কৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনৰ গৰিষ্ঠ সংখ্যক ৰাইজ কৃষক আৰু বৰ্তমান সময়ত নামৰূপ সাৰ কাৰখানাই আমাক প্ৰায় ৮৪০ ৰ পৰা ৯৪০ প্ৰতিদিনে ইউৰিয়া উৎপন্ন কৰি আমাক দিয়ে বা অন্য ঠাইলৈও ইউৰিয়া প্ৰেৰণ কৰে। এতিয়া ভাল কথা যে মাননীয় মুখ্যমন্ত্ৰী গৰাকীৰ তত্বাৱধানত নামৰূপত এটা fourth plant, নতুন প্লেন্ট হ'বলৈ গৈ আছে। য'ত investment হ'ব ১২ হাজাৰ ৬ শ কোটি টকা আৰু সেইটো হৈ উঠিলে মই ভাৱো যে এনে ধৰণৰ যি বিলাক সমস্যা মাজে মাজে দেখা দিয়ে, সেই সমস্যা বিলাক নাথাকিব। গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীক মই আশ্বস্ত কৰিব খোজো যে আমি জনা মতে এতিয়ালৈকে তেনেকুৱা কোনো ঘটনা ঘটা নাই বুলি তেখেত সকলে আমাক স্পষ্ট ভাৱে জনাইছে। আৰু জিলা আয়ুক্তইও ইয়াৰ বাবে তদন্তৰো ব্যৱস্থা কৰিছে। মই ভাৱো তেনে অভিযোগ যদি সত্য হয় তেনেহলে দোষী বিষয়াক শাস্তি মূলক ব্যৱস্থা নিশ্চিতভাৱে দিয়া হ'ব। আৰু নহয় যদি আপোনালোকে জানিবই পাৰিব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী নং ২। Under Rule 54, মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী।

**শ্ৰীৰূপজ্যোতি কুৰ্মী, মৰিয়নী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, পবিত্ৰ বিধান সভাত Rule 54ৰ অধীনত এটা গুৰুত্বপূৰ্ণ বিষয় আজি বিধান সভাত উত্থাপন কৰিবলৈ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। অসমীয়া খবৰ বাতৰি কাকতত ২ মাৰ্চত এটা বাতৰি পৰিৱেশন হৈছিল, ৰেল পথৰ ওপৰত ৬ ডাল ৰছি বান্ধি নিৰ্মাণ কৰিছে ১৯ লাখ টকাৰ ৩ খন Canopy Bridge. এই বাতৰিটোৰ সন্দৰ্ভত মই কব বিচাৰিছো মৰিয়ণি সমষ্টিৰ অন্তৰ্গত Gibbon Wildlife Sanctuary, যোৰহাট জিলাৰ একমাত্ৰ Wildlife Sanctuaryৰ উপৰিও অসমৰ যদি আমি world heritage site কাজিৰঙা মানসকে লৈ ৰাষ্ট্ৰীয় উদ্যান যদি চাওঁ ৫ খন আছে। আৰু Wildlife Sanctuary যদি আমি চাওঁ ১৮ খন আছে। আৰু ১৮৮১ চনত সেই সময়তে ব্ৰিটিছ চৰকাৰে এই Wildlife Sanctuary টো Hollongapar Gibbon Wildlife Sanctuary সংগৃহীত কৰিছে। আৰু পিছলৈ গৈ পালে ১৯৯৭ বৰ্ষত আজিৰ পৰা ২৮ বছৰ

আগত Gibbon Wildlife Sanctuary ৰিজাৰ্ভ ফৰেষ্ট হিচাপে ঘোষণা কৰে। ইয়াৰ লগত যদি আমি চাওঁ, ভাৰত বৰ্ষৰ একমাত্ৰ এক্ট, একমাত্ৰ কপিকুল আজি এই গীৱন ভাৰতবৰ্ষৰ একমাত্ৰ কপিকুল। যদি আমি চাব যাও উত্তৰপূৰ্বাঞ্চলৰ ৫ খন মান ৰাজ্যত এই পোৰা যায়। ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ, নাগালেণ্ড,অসম আদি এই ৫ খন ৰাজ্যৰ পৰা যদি সৰ্বাধিক ক'ত পোৰা যায় বুলি যদি কয় তেনেহলে সেইটো হ'ল অসমত আৰু অসমত ক'ত পোৰা যায় বুলি কলে এই একমাত্ৰ কপিকুলটো আমাৰ মৰিয়নিৰ গীৱনত পোৰা যায়। এই গীৱনত যিহেতু ৰেলৰে ট্ৰেক আছে আমাৰ তিনিচুকীয়া মৰিয়নি ৰেলৰে লাইন গীৱনৰ মাজেদি যোৱা এইটো আজিৰ নহয়, আজি ২০০ বছৰ আগতে স্থাপিত। এই ৰেলৰে ট্ৰেকৰ বাবে দুটা পৰিয়াল হৈ আছে। Gibbon Wildlife Sanctuaryটো দুয়োটা ভাগত বিভক্ত হৈ আছে। এই দুটা ভাগত বিভক্ত হৈ থকাৰ কাৰণে ইয়াত পৰিয়াল সমূহ আপোনালোকে নিশ্চয় জানিব পাৰি আচৰিতো হ'ব আৰু এইটো এটা খুব সুন্দৰ পদক্ষেপ যে আমাৰ চৰকাৰৰ তৰফৰ পৰা canopy bridge বনাবলৈ লোৱা হৈছে। কিন্তু দুখৰ বিষয় এইটো যে, এই ব্ৰীজ বনোৱাৰ ক্ষেত্ৰত বাতৰি পৰিৱেশন হ'ব নালাগিছিল । ইয়াত হয়তো কিছু আসোঁৱাহ দেখা পাইছে । প্ৰকৃতি প্ৰেমীসকলেই হওঁক , সাংবাদিক বন্ধুসকলেই হওঁক , স্থানীয় সচেতন মহলেই হওঁক , যাৰ বাবে এই বাতৰি প্ৰকাশ হ'ল । মই আজি এই প্ৰসংগটো আনিছো কাৰণ ভাৰতবৰ্ষৰ আন ৰাজ্যত নোপোৰা, উত্তৰ পূৰ্ব্বঞ্চল পাঁচখন ৰাজ্যত এই কপিকুল আছে যদিও আন ৰাজ্যত ই এতিয়া বিলুপ্ত হ'ব ধৰিছে ।উত্তৰ পূৰ্ব্বঞ্চলৰ পৰা লাহে লাহে নিঃশেষ হৈ যাবলৈ ধৰা এই কপীকূল যিটো আমাৰ মৰিয়নিৰ গিবনত আছে সেইটো আমি যেনেকৈ নহওঁক বচাব লাগিব । এই কপিকুল বচোৱাৰ বাবে আমাৰ চৰকাৰখনৰ দায়িত্ব আছে লগতে এই পবিত্ৰ বিধানসভাৰো দায়িত্ব আছে ।¨ আমি সকলোৰে এয়াও জানো যে, এই কপীকুলৰ ইক' ডাইভাৰচিটি মেইনটেইনৰ ক্ষেত্ৰত কিমান গুৰুত্ব আছে। তেওঁলোকে যিবিলাক ফলমূল খায় , তেওঁলোকে নিশ্বাস লয় বা উলিয়াই দিয়ে তাতে আকৌ নতুন গছপুলি হয়। তেওঁলোক যদি নাথাকে আমাৰ গোটেই ইক' ডাইভাৰচিটিটো ইমবেলেন্সড হৈ যাব । উপাধ্যক্ষ মহোদয়, ইয়াৰ লগতে বাতৰি কাকতত সমান্তৰালভাৱে আৰু এটা বাতৰি প্ৰকাশ হৈছে যে, কেন'পি ব্ৰীজ বনাই থকাৰ লগতে আমাৰ চৰকাৰৰ ফালৰ পৰা গিবনত পৰ্য্যটক যোৱাৰ বাবে ৰাস্তা বনাই থকা হৈছে আৰু এই ৰাস্তা নিৰ্মাণত দুৰ্নীতি হৈছে বুলি বাতৰি পৰিৱেশন হৈছে । মই প্ৰকৃতিপ্ৰেমী, সচেতন মহলৰ লগত কথা পাতিছো, সাংবাদিক বন্ধুসকলৰ লগত কথা হৈছো - ইয়াত দেখা গৈছে ক'বাত হয়তো যোৰহাটৰ বন বিভাগৰ মুৰব্বী তেওঁ হয়তো চকু দিয়া নাই । বাতৰিত ওলাব নলগীয়া বিষয়সমূহো বাতৰিত ওলাইছে, মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ক এটা অনুৰোধ জনাম যে অতি সোনকালে আমাৰ জিলা প্ৰশাসনৰ এজন বিষয়া লগতে বন বিভাগৰ উচ্চস্তৰীয় বিষয়া , আৰু কেন'পী ব্ৰীজ বনোৱাৰ ক্ষেত্ৰত যিসকল স্পেচিয়েলিষ্ট তেওঁলোকক লৈ কামখিনি পৰিদৰ্শন কৰিব লাগে আৰু কামখিনি যাতে নিয়াৰিকৈ সম্পূৰ্ণ হয় সেইটো নিশ্চিত কৰিব লাগে । ভাৰতৰ একমাত্ৰ এপ আৰু একমাত্ৰ কপিকূল যিটো ভাৰতৰ ক'তোৰে নাই , উত্তৰ পূৰ্ব্বাঞ্চলৰ ৫ খন ৰাজ্যতহে আছে যদিও বাকী ৰাজ্যত লাহে লাহে বিলুপ্ত হ'ব ধৰিছে ,আমি অসমে এই কপীকূল বচাব লাগিব। মৰিয়নিৰ গিবনত থকা এই কপিকুল আমি বচাব লাগিব । গতিকে উপাধ্যক্ষ মহোদয়, তাত কেন'পী ব্ৰীজ লগতে ফৰেষ্টৰ কেম্পা স্কীম চলি আছে লগতে পৰ্য্যটক যোৱাৰ বাবে ৰাস্তাৰ কাম চলি আছে গতিকে তাত এই কামবিলাক ঠিকমতে চলি আছেনে নাই এইটো চোৱাৰ বাবে উচ্চ পৰ্য্যায়ৰ

বিষয়া পঠিয়াব নেকি মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, মন্ত্ৰী ডাঙৰীয়াৰ ৰিপ্লাই ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই যিটো বিষয় আনিছে সেইটো অতি গুৰুত্বপূৰ্ণ বিষয় ।আমি দেখিছো যে তেখেতে নিজেই গিবন ৱাইল্ডলাইফৰ লগত নেৰানেপেৰাকৈ লাগি থাকে আৰু তাত তেখেতৰ যথেষ্ঠখিনি অৰিহণা আছে আৰু লগতে তেখেতে তাৰ সুবিধা - অসুবিধাক লৈ সততে মোৰ লগত যোগাযোগত থাকে । আৰু গিবনৰ যিটো প্ৰটেকশ্যনৰ কথা বা সংৰক্ষণৰ কথা আছে এই বিষয়ে চৰকাৰে যথেষ্ঠ গুৰুত্ব দিছে । যোৰহাট ডি এফ অ' অফিচত আমাৰ এখন মিটিঙ হৈছিল তাত এন এফ ৰেলৱে আৰু কিছুমান অৰ্গেনাইজেশ্যনো আছিল আৰু আমাৰ কিছুমান চোচিয়েল অৰ্গেনাইজেশ্যনো এই মিটিঙখনত আছিলে । ডেৰাডুনৰ ৱাইল্ডলাইফ ইনষ্টিটিউশ্যন অৱ ইণ্ডিয়াই এইটো বিজ্ঞানসন্মত বুলি কৈছে । তেওঁলোকো এটা অথোৰিটি হয় । যিখন কেন'পী ব্ৰীজ নিৰ্মাণ হৈ আছে এইখন সহজ ডিজাইনৰ আৰু তাত উচ্চমানৰ বস্তু ব্যৱহাৰ কৰা হৈছে আৰু সামগ্ৰীখিনি 'ই এন ১৮৯১ ষ্টেণ্ডাৰড' হিচাপে শ্ৰেণীৰ্ভূক্ত। এই ৰছীবিলাকৰ শক্তি ২২ কে.এন মানে ২২ কিলো নিউটন । এশ কিলোগ্ৰাম ওজনৰ বোজা এই ৰছীৰ ওপৰেৰে যাব পাৰে । তাৰ ওপৰিও দলংখন মাটিৰ পৰা যথেষ্ঠ উচ্চতাত স্থাপন কৰা হৈছে । অতিৰিক্ত বোজা ল'ব পৰাকৈ আৰু পৰ্য্যাপ্ত পৰিমাণৰ সুৰক্ষা সামগ্ৰী ব্যৱহাৰ কৰা হৈছে, যেনে হাৰ্নেজ, জুমান , চিলেণ্ডাৰ, কেৰামিলান আদি প্ৰযোগ কৰা হৈছে । গতিকে বন্যপ্ৰাণী , জীৱ বিজ্ঞানী, পৰ্বত আৰোহণৰ পেছাদাৰী আৰু বিশেষজ্ঞ সকলেও এনেকুৱা ধৰণৰ ৰছীয়ে ব্যৱহাৰ কৰে ।ৰণোজ পেগু ডাঙৰীয়া , মাননীয় শিক্ষামন্ত্ৰী, তেখেতেৰ বিশেষকৈ চৰাইৰ ফটো লোৱাত খুব চখ আছে । মাজতে তেখেত বেলেগ এখন অভয়াৰাণ্যত গৈছিল, তাত তেখেতে কাকৈজানাৰ কেন'পী ব্ৰীজখন দেখি খুব ভাল পাইছে । এইমাত্ৰ মোক এনচাৰটো দিয়াৰ আগে আগে তেখেতে কৈছে যে, গিবনতো তেনেকুৱা এখন কেন'পী ব্ৰীজ বনাই দিয়ক । সেইটো শুনি লগে লগে মোৰো গাঁত লাগিছে যে এনেধৰণৰ কৰাটোহে ভাল হ'ব । গতিকে আমাৰ ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই গিবন ৱাইল্ড লাইফৰ সংৰক্ষণৰ লগত একদম ভালভাৱে জড়িত হৈ আছে সেইটো মই জানো । তেখেতৰ যিটো কনচাৰ্ণ যে আমাৰ যিটো কেন'পী ব্ৰীজ হৈছে , ইয়াৰ পৰা গিবনৰ কোনোধৰণৰ অসুবিধা নহয় । তথাপি আপুনি যিহেতু কৈছে সেই বাবে আমি এবাৰ চোৱাটো উচিত । প্ৰিঞ্চিপাল চি চি এফ (ৱাইল্ড লাইফ) গুপ্তা ডাঙৰীয়া ইয়াতে আছে । গতিকে গুপ্তা ডাঙৰীয়াক মই ইয়াৰ পৰাই নিৰ্দেশ দিলো যে, এখেতে তাত গৈ গোটেইখিনি পৰীক্ষা কৰি চাব । নাম্বাৰ ওৱান যিটো ৰাস্তাৰ কাম বেয়া হোৱা বুলি ক'লে. নাম্বাৰ টু - কেন'পী ব্ৰীজৰ কাম আৰু নাম্বাৰ থ্ৰি, যিটো উল্লেখ কৰিছিল আপুনি - কেম্পা প্লেনটেশ্যনৰ কাম। - এই গোটেইখিনি চাই মেলি তেখেতে এটা ৰিপোৰ্ট দিব । আপুনি যদি সমষ্টিত থাকে তেতিয়াহ'লে গুপ্তা ডাঙৰীয়াই আপোনাকো লগ কৰিব । গতিকে এইখিনি আপোনাক আশ্বাস দি মোৰ বক্তব্য সামৰণি মাৰিলো ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া কাৰ্য্যসূচী নং- ৩ আণ্ডাৰ ৰুল ৩০১, মাননীয় সদস্য পৰমানন্দ ৰাজবংশী।

**শ্ৰী পৰমানন্দ ৰাজবংশী, চিপাঝাৰ ঃ** আমাৰ বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰি বিষয়টোৰ ওপৰত মই এটি আলোচনা আগবঢ়াইছো। ১৮৯৪ চনৰ ৮ জানুৱাৰী তাৰিখে দৰং জিলাৰ আমাৰ চিপাঝাৰ সমষ্টিৰ বিধান সভাৰ অন্তৰ্গত পথৰুঘাটত যি ঐতিহাসিক কৃষক বিদ্ৰোহ, সেই বিদ্ৰোহৰ

বিষয়ে নিশ্চয় মই এই সদনত বিশেষ ক'ব নালাগে। কিন্তু সেই বিদ্ৰোহ আছিল প্ৰাক্‌স্বাধীনতা আন্দোলনৰ এক উজ্জ্বল দৃষ্টান্ত আৰু সেই কৃষক বিদ্ৰোহত বীৰত্ব আৰু সাহসেৰে অংশ গ্ৰহণ কৰি বৃটিছৰ গুলীত নিহত হোৱা সাতকুৰি কৃষক শ্বহীদৰ লগতে আহত হোৱা কৃষক সকলৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ লগতে এই মহান শ্বহীদৰ আত্ম ত্যাগেৰে ভৱিষ্যত প্ৰজন্মক উদ্বুদ্ধ কৰিবৰ বাবে পথৰুঘাটত এটি অত্যাধুনিক স্মাৰক নিৰ্মাণ কৰাৰ লগতে এই স্মাৰকটি সু-পৰিচালনাৰ বাবে স্থায়ী ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে আজি সদনত এই বিশেষ বিষয়টো মই উত্থাপন কৰিলো। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে পফৰুঘাটৰ ঐতিহাসিক কৃষক বিদ্ৰোহৰ ২৫ বছৰৰ পাছত জালিয়নাবাগত সংঘটিত নিৰ্মম হত্যাকাণ্ডৰ সোঁৱৰণত এটি ৰাষ্ট্ৰীয় স্মাৰক নিৰ্মাণ আৰু সু-পৰিচালনাৰ বাবে ১৯৫১ চনতেই ভাৰত চৰকাৰে এই জালিয়নাবাগ National Memorial Act খন সংসদনত আইন হিচাপে প্ৰণয়ন কৰিছিল। ইতিমধ্যে আমাৰ এগৰাকী মাননীয় সাংসদ শ্ৰীদিলীপ শইকীয়া ডাঙৰীয়াই যোৱাবছৰৰ লোকসভাত এই সন্দৰ্ভত এখন বে-চৰকাৰী বিল উত্থাপন কৰিছে তাতে যাতে জালিয়নাবাগৰ স্মাৰক যিধৰণে আজি ৰাষ্ট্ৰীয় সম্পদ হিচাপে পৰ্য্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈছে আৰু নতুন প্ৰজন্মৰ বাবে ই এক উৎসাহৰ বিষয় হৈ পৰিছে, ঠিক একে ধৰণে আমি এই কথাও ক'ব লাগিব যে আমাৰ এই বিশেষ যিটো শ্বহীদ বাকৰি, এই বাকৰিত ইতিমধ্যে মাননীয় আমাৰ মুখ্যমন্ত্ৰী মহোদয়ৰ প্ৰচেষ্টাত পথৰুঘাটৰ কৃষক শ্বহীদ সকলৰ স্মৃতি চিৰযুগমীয়া কৰি ৰাখিবৰ বাবে পৰ্য্যায়ক্ৰমে কেইবাটাও বিশেষ কাৰ্য্যসূচী হাতত লোৱা হৈছে। এইক্ষেত্ৰত আমি আন এটা কথা উল্লেখ কৰিব খুজিছো যে সন্মানীয় সাংসদ শ্ৰীদিলীপ শইকীয়া ডাঙৰীয়াৰ তৎপৰতাত ভাৰত চৰকাৰৰ ডাক বিভাগে ২০২৪ চনৰ ২৮ জানুৱাৰী তাৰিখে পথৰুঘাটৰ কৃষক শ্বহীদৰ পবিত্ৰ স্মৃতিত এটি ডাক-খাম প্ৰকাশৰ বাবে ব্যৱস্থা কৰিছিল আৰু যোৱাবেলি ২৮ জানুৱাৰী তাৰিখে এটি ডাক টিকট ছপা কৰিছে এই কেন্দ্ৰীয় ডাক বিভাগে। ২০০১ চনৰ ২৮ জানুৱাৰী তাৰিখে সন্মানীয় ৰাজ্যপাল লেফটেনেণ্ট এছ. কে. সিন্হা মহোদয়ে ভাৰতীয় সামৰিক বাহিনীৰ কৃষক শ্বহীদৰ সমাধিস্থলীত এটি স্মৃতি স্তম্ভ নিৰ্মাণ কৰিছে আৰু সেই স্মৃতি স্তম্ভই এতিয়া তাত বৰ্তি আছে নতুনকৈ তাত বিশেষ উদ্যোগ লবৰ কাৰণে বিশেষ প্ৰসঙ্গটো আজি মই উত্থাপন কৰিছো। আমাৰ সন্মানীয় মুখ্যমন্ত্ৰী মহোদয়ে পথৰুঘাটৰ যি কৃষক শ্বহীদ দিৱস, এই দিৱসৰ যি ঐতিহ্য, সেই ঐতিহ্য যাতে চিৰস্থায়ী হয় তাৰ কাৰণে মঙ্গলদৈ কৰিমচকৰ পৰা আন এখন পথৰুঘাটৰ কৃষক শ্বহীদৰ দৰে গৌৰৱ উজ্জ্বল এখন স্থান উলিয়ামলৈকে এটি সুন্দৰ পথ নিৰ্মাণৰ কাম আৰম্ভ কৰিছে আৰু এই পথটিও শ্বহীদ কৃষক শ্বহীদ পথ হিচাপে নামাকৃত কৰাৰ বাবে দৃঢ় ব্যৱস্থা লবৰ কাৰণে আজি সংশ্লিষ্ট মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো আৰু এই প্ৰস্তাৱিত আইনখন পথৰুঘাটৰ কৃষক শ্বহীদ স্মাৰক আইন ২০২৫ হিচাপে পৰিগণিত হওঁক. এই আইনৰ অধীনত দৰঙৰ পথৰুঘাটত এটি অত্যাধুনিক স্মাৰক নিৰ্মাণ কৰাৰ লগতে এই স্মাৰকটিৰ সু-পৰিচালনাৰ বাবে এখন স্থায়ী ন্যাসৰক্ষী সমিতি গঠন কৰা হওঁক আৰু এই ন্যাসৰ নাম পথৰুঘাট কৃষক শ্বহীদ স্মাৰক ন্যাসেৰে জনাজাত কৰিবৰ বাবে মই পুনৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো লগতে এই স্মাৰকটি যাতে সমগ্ৰ ৰাষ্ট্ৰীয় স্মাৰক হিচাপে পৰ্য্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হয় তাৰবাবে মই ইয়াত আজি পৰ্য্যটক মন্ত্ৰী ডাঙৰীয়া আছে, তেখেতৰ দৃষ্টি মই আকৰ্ষন কৰিছো। মই তাৎপৰ্য্যপূৰ্ণ ভাৱে কৃষক বিদ্ৰোহত আমি ভাৰতৰ স্বাধীনতা সংগ্ৰামী সকলৰ যি আত্মত্যাগ, সেই আত্মত্যাগৰ ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ পাতনি স্বৰূপে এই কৃষক বিদ্ৰোহক আমি সকলোৱে নামাকৃত কৰিছো আৰু লগে লগে এই যিসকল কৃষক শ্বহীদৰ বহুকেইজন কৃষক শ্বহীদ পৰিয়ালক চিনাক্তকৰণ কৰা হৈছে আৰু অসমৰ যি মুক্তি

যুজাৰু সংস্থা, সেই সংস্থাই সেই কৃষক শ্বহীদ সকলক মুক্তি যুজাঁৰু হিচাপে মৰ্যাদা দিবলৈ যিধৰণে এটা প্ৰচেষ্টা গ্ৰহণ কৰিছে মই ভাবো আজি আমাৰ এই পবিত্ৰ সদনে এই গুৰুত্বপূৰ্ণ আমাৰ গৌৰৱ, আমাৰ ঐতিহ্য আমাৰ নতুন চামৰ কাৰণে এটা প্ৰেৰণাস্বৰূপ। সেই পথৰুঘাটৰ কৃষক শ্বহীদক এটা নতুন মান্যতা দিয়াৰ কাৰণে মই যি প্ৰস্তাৱ উত্থাপন কৰিছো, এই প্ৰস্তাৱৰ ক্ষেত্ৰত যাতে আমাৰ সকলো দল, মত নিৰ্বিৰ্শেষে আৰু আমাৰ চৰকাৰখনে বিশেষভাৱে ব্যৱস্থা গ্ৰহণ কৰে তাৰ কাৰণে মই বিষয়টো উত্থাপন কৰিছো। ধন্যবাদ, মাননীয় উপাধ্যক্ষ মহোদয়।

**উপাধ্যক্ষ মহোদয়** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ড০ পৰমানন্দ ৰাজবংশী ডাঙৰীয়া মাননীয় সদস্যই যিটো বিষয় ইয়াত উত্থাপন কৰিছে বিষয়টো সচাঁকৈ যথেষ্ট গুৰুত্বপূৰ্ণ আৰু ভাৰতৰ স্বাধীনতা সংগ্ৰামত জালিয়নাবাগত যিটো ঘটনা হৈছিল তাৰ বহু বছৰৰ আগত এই ঘটনা ইয়াতেই সংঘটিত হৈছিল আৰু এইটো বৃটিছৰ বিৰুদ্ধে সংগ্ৰাম কৰিছিল। দৰং জিলাৰ পথৰুঘাটত ঐতিহাসিক কৃষক বিদ্ৰোহ ইতিহাস এক যুগান্তকাৰী ঘটনা বুলি গণ্য কৰা হয়। বৃটিছ চৰকাৰে আৰোপ কৰা অত্যাধিক কৰৰ বোজাৰে জৰ্জৰিত হৈ কৃষক ৰাইজে স্থানীয় লোক আৰু গাওঁবুঢ়া সকলৰ তত্বাৱধানত ৰাইজ মেল পাতে বৃটিছ চৰকাৰে বৰ্ধিত কৰা কৰ দিবলৈ অস্বীকাৰ কৰি ৰাইজ মেল পাতি বৃটিছ চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিবলৈ লয়। এই বিদ্ৰোহ দমন কৰিবলৈ গৈ ১৮৯৮ চনৰ ২৮ জানুৱাৰীত পথৰুঘাটৰ প্ৰতিবাদস্থলীত সমবেত হোৱা নিৰীহ কৃষক ৰাইজৰ ওপৰত সেই সময়ৰ দৰং জিলাৰ Deputy Commissioner Anderson য়ে গুলী চালনা কৰে আৰু এই ঘটনাত সৰ্বমুঠ ১৪০ গৰাকী থিতাতে কৃষকৰ মৃত্যু হয় বুলি বৃটিছৰ গুলীত নিহত হয় আৰু বহুত কৃষক আহত হয়। বৃটিছৰ চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ গৈ ঐতিহাসিক কৃষক বিদ্ৰোহৰ নিৰন্তৰ সাহসেৰে নিজৰ প্ৰাণ আহুতি দিয়া ১৪০ গৰাকী শ্বহীদৰ এই ত্যাগ চিৰস্মৰণীয় চিৰস্মৰণীয়। পথৰুঘাটৰ এই মহান শ্বহীদ সকলৰ আত্মত্যাগ যুগমীয়া কৰি ৰাখিবলৈ অসম চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। গতিকে আজি আমাৰ ড° পৰমানন্দ ৰাজবংশী ডাঙৰীয়াই এই অনুষ্ঠানটোৰ লগত তেখেত closely জড়িত আৰু দৰং জিলাৰ বাকীকেইজন মাননীয় সদস্য তেখেত সকলো এইক্ষেত্ৰত জড়িত হয়। গতিকে তাত এটা স্মৃতিসৌধ ইতিমধ্যে বনাইছে আৰু মিটিং কৰা হল আৰু অন্যান্যও বনাইছে আৰু সেইখিনি আমাৰ ৰাজবংশী ডাঙৰীয়াৰ একক প্ৰচেষ্টাত সেইখিনি সম্ভৱ হৈছে। মই ৰাজবংশী ডাঙৰীয়াক ধন্যবাদ দিছো তাৰ কাৰণে। কাৰণ তেখেতে খুৱ ভালকৈ লাগি থাকে। মই দৰঙৰ গাৰ্জেন মিনিষ্টাৰ থকা অৱস্থাত মই দেখিছিলো যে তেখেতে এই পথৰুঘাটৰ কৃষক বিদ্ৰোহৰ কামত তেখেতে সদায় ভালকৈ লাগি থাকে। এইবাৰ প্ৰথম বাৰৰ বাবে পথৰুঘাটৰ বাবে ভাল খবৰ এটা আছে যে আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ প্ৰচেষ্টা, মাননীয় সাংসদ শ্ৰীদিলাপ শইকীয়াৰ প্ৰচেষ্টাত আৰু ড০ পৰমানন্দ ৰাজবংশী ডাঙৰীয়াৰ তৎপৰতাত এইবাৰ ভাৰত চৰকাৰৰ ফালৰ এটা ভাল খবৰ আমাৰ কাৰণে আছে তাৰ কাৰণে মাননীয় প্ৰধান মন্ত্ৰী মোদী ডাঙৰীয়াক ধন্যবাদ দিছো, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিছো আৰু মাননীয় সাংসদ শ্ৰীদিলীপ শইকীয়া ডাঙৰীয়া তেখেতকো আমি ধন্যবাদ দিছো আৰু আমাৰ ড০ পৰমানন্দ ৰাজবংশী ডাঙৰীয়াকো ধন্যবাদ এইটো এই কাৰণে যে ভাৰত চৰকাৰে ২৮ জানুৱাৰী ২০২৫ চনত এক স্মৃতিচাৰণ অনুষ্ঠান পথৰুঘাটৰ কৃষক শ্বহীদ সকলৰ পবিত্ৰ স্মৃতিত এটি স্মাৰক ডাক টিকট জাৰি কৰিছে আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ত স্বীকৃতি দিয়া হৈছে। এইটো অত্যন্ত ভাল হৈছে আৰু সেই অনুষ্ঠানত মই নিজেও উপস্থিত আছিলো। আমাৰ ড০ পৰমানন্দ ৰাজবংশী ডাঙৰীয়াই

এই গোটেইখিনি কথাত গুৰুত্ব দিছিল। মাননীয় কৃষি মন্ত্ৰী শ্ৰী অতুল বৰা ডাঙৰীয়া, মাননীয় সদস্য শ্ৰীবসন্ত দাস ডাঙৰীয়া গৈছিল। গতিকে পথৰু ঘাটৰ কৃষক বিদ্ৰোহৰ ক্ষেত্ৰত আৰু বেছি উন্নত কৰাৰ কাৰণে আমাৰ মাননীয় সদস্য ড° পৰমানন্দ ৰাজবংশী ডাঙৰীয়া লাগি আছে। আজিৰ দিনটোত মই এই কথাষাৰ কওঁ যে পথৰু ঘাটৰ কৃষক বিদ্ৰোহৰ এই গোটেই ঘটনাটোৰ ক্ষেত্ৰত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। তেখেতে আজি কৈছে যে জালিয়ানাবাগৰ এখন আইন হৈছিল। গতিকে আমাৰো এখন আইন হ'ব লাগে। সেই আইন-কানুনৰ কথাখিনি পিছত চাব পৰা যাব। গতিকে মই ভাৰো আমাৰ মাননীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশী, আমাৰ দৰং জিলাৰ উপায়ুক্ত আৰু ডি ডি চিক সদস্য হিচাপে লৈ আৰু অসমৰ ৰাজনীতিক লৈ লিখা বুৰঞ্জীবিদ এজনক সদস্য হিচাপে লৈ এখন কমিটি গঠন কৰিব লাগে আৰু এই কমিটিখনে আমি কি কি কৰিব লাগে তাৰ সবিশেষ তথ্য আমাক দিব লাগে। সেই ৰিপোৰ্টটো চৰকাৰে পৰীক্ষা কৰি সেইমতে ব্যৱস্থা গ্ৰহণ কৰিব। সেইকাৰণে তেনেকুৱা এখন কমিটি হ'লেহে গোটেই প্ৰক্ৰিয়াটো ভাল হ'ব। আমাৰ এতিয়ালৈ ১৪০ জন শ্বহীদৰ ৬৪ জনহে চিনাক্ত কৰা হৈছে। বাকীসকলকো চিনাক্ত কৰিব লাগিব। কাৰণ তেওঁলোকৰ স্মৃতি চিৰযুগমীয়া কৰিব লাগিব। সেয়েহে এই ক্ষেত্ৰত আমি কি কি উন্নয়ন কৰিব লাগিব তাৰ সবিশেষ তথ্য আমাক দিয়ক। এটা সময়ত সেই স্থানখন পৰ্য্যটনৰ স্থলী হ'ব। তাত আমাৰ Research Scholar সকল, ছাত্ৰ-ছাত্ৰীসকলে গৈ Research কৰিব পাৰিব। এই সকলো খিনিক লৈ তেখেতসকলে এটা extensive report আমাক দিয়ক আৰু সেই হিচাপে চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পঃ গুৱাহাটী) ঃ** মাননীয় উপধ্যক্ষ মহোদয়, মই ৩০১ নিয়মৰ অধীনত এটা ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয় যিটো বিষয় বিভিন্ন সময়ত অসম বিধান সভাত উত্থাপন কৰি আহিছো। বিভিন্ন বাতৰি কাকততো এই বিষয়ে প্ৰকাশিত হৈছে। সেই বিষয়টো হৈছে যে Dumping Ground ৰ দুৰ্গন্ধত অতিষ্ঠ অঞ্চলবাসী ৰাইজ। গুৱাহাটী মহানগৰীৰ পশ্চিম বৰাগাঁৱৰ বেলৰতলত গুৱাহাটী পৌৰনিগমে ২০২১ চনত য'ত দীপৰ বিল আছে, সেই দীপৰ বিলৰ য'ত পামহি কেনেল আছে, সেই পামহি কেনেলৰ দাঁতিতে এই Dumping Ground টো স্থাপন কৰিছে। এই Dumping Ground ত গুৱাহাটী মহানগৰীৰ ৬০ টা ৱাৰ্ডৰ যি জাৱৰ-যোঁথৰ, আৱৰ্জনা আছে বা মৃত যিবিলাক জীৱ-জন্তু আছে এই সকলোখিনি পেলোৱা হৈছে। Dumping Ground ত পেলোৱাৰ কাৰণে তাৰ নিচেই ওচৰত থকা মইনা সুৰুং, পামহি, দেউচোতাল, মগুৱাপাৰা আদি বিভিন্ন জনজাতীয় অঞ্চল আছে। এই দুৰ্গন্ধৰ ফলত আজি সেই অঞ্চলসমূহত বসবাস কৰা লোকসকল অতিষ্ঠ হৈ পৰিছে। ঠিক তেনেকৈ গোটেই অঞ্চলটো প্ৰদূষিত হৈছে। যোৱা দুদিন আগতে মই গুৱাহাটী মহানগৰীৰ তিনিখন নদীৰ কথা কৈছিলো। আজিও সেই তিনিখন নদীৰ কথা উল্লেখ কৰিব লাগিব-বাহিনী নদী, ভৰলু নদী আৰু মৰা ভৰলু নদী। এই তিনিওখন নদীতে আজি গুৱাহাটীৰ মহানগৰীৰ লেতেৰা পানী পেলোৱা হয়। এই তিনিখন নদীৰ পানী পামহি কেনেলত সংযোগ হৈছে। সেই কেনেলৰ দ্বাৰা এই পানীও দীপৰ বিলত পৰিছে আৰু তাৰ কাৰণে গোটেই দীপৰ বিল প্ৰদূষিত হৈছে। ঠিক তেনেকৈ যিটো Dumping Ground কৰা হৈছে, সেই Dumping Ground ৰ আৱৰ্জনা কনেলত পৰে। যেতিয়া বাৰিষা হয় সেই Dumping Ground ৰ যিমান লেতেৰা পানী আছে, সেই লেতেৰা পানী আৰু আৱৰ্জনাসমূহ পামহি কেনেলৰ যোগেদি দীপৰ বিলত পৰিছে। আজি দীপৰ বিল প্ৰদূষিত হৈ পৰিছে। অসম প্ৰদূষণ বোৰ্ডৰ এটা

সমীক্ষা মতে দীপৰ বিল বৰ্তমান সাংঘাতিকভাৱে প্ৰদূষিত হৈছে। এই দীপৰ বিল প্ৰদূষিত হোৱাৰ কাৰণে তাৰ যিখিনি জলজ উদ্ভিদ, মাছ আদি বিভিন্ন প্ৰাণী ও আজি কিন্তু ধ্বংসৰ মুখলৈ গৈ আছে। এই Dumping Ground টোত কোনো অত্যাধুনিক বিজ্ঞানসন্মত প্ৰক্ৰিয়া ব্যৱহাৰ কৰা হোৱা নাই আৰু সাধাৰণ ভাৱে ব্যৱহাৰ কৰি আছে। অত্যাধুনিক বিজ্ঞান প্ৰযুক্তি ব্যৱহাৰ কৰা বুলি ক'ব লাগে সেই ক্ষেত্ৰত আমাৰ সেই Dumping Ground টো মাজে মাজে জ্বলাই থকা হয়। এনেদৰে জ্বলাই থকা কাৰণে দুই-তিনি মাহলৈ সেই Dumping Ground টো জ্বলি থাকে। এনেদৰে জ্বলি থকাৰ ফলত সেই অঞ্চলটো কলা ধোঁৱা, কলা ছাইৰে গোটেই অঞ্চলটো প্ৰদূষিত হৈছে। মই ভাৱো যে Dumping Ground ত দৈনিক গুৱাহাটী মহানগৰীৰ ৮০০ পৰা ১০০ টন পৰ্য্যন্ত আৱৰ্জনা পেলোৱা হৈছে। আজি যদি চাবলৈ যায়, তাত এখন পাহাৰৰ সৃষ্টি হৈছে। গতিকে মই ভাৱো অত্যাধুনিক বিজ্ঞান প্ৰযুক্তিৰে এই Dumping Ground টো ব্যৱহাৰ কৰা হ'লে তেতিয়া মোৰ ক'বলগীয়া একো নাথাকিলেহেঁতেন। বহুবাৰ অসম বিধান সভাত এই কথাখিনি উত্থাপন কৰাৰ পিছতো আৰু বিধান সভাত অত্যাধুনিক বিজ্ঞান প্ৰযুক্তি ব্যৱহাৰ কৰা হ'ব বুলি কোৱাৰ পিছতো আজিলৈকে কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। মই মাননীয় মন্ত্ৰী মহোদয়ক দোষ দিব বিচৰা নাই। কাৰণ মাননীয় মন্ত্ৰী মহোদয়ে নতুনকৈ গৃহ আৰু নগৰ পৰিকল্পনা বিভাগৰ দায়িত্ব লৈছে। কিন্তু আজিৰ এই কথাখিনি এই কাৰণেই ক'বলগীয়া হৈছে কাৰণ বৰ্তমান যিটো পৰিৱেশ সৃষ্টি হৈছে, গোটেই অঞ্চলটো যি ধৰণে প্ৰদূষিত হৈছে, তাত মানুহ বসবাস কৰাৰ পৰিৱেশ নাই। জনজাতীয় মানুহ তাত বসবাস কৰি আছে। তেওঁলোকে তাত প্ৰতিবাদ কৰি আছে। গতিকে মই ভাৱো তাত এটা সুন্দৰ পৰিৱেশ সৃষ্টিৰ বাবে বিজ্ঞানসন্মত ভাৱে ব্যৱহাৰ কৰক। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে দীপৰ বিলৰ বাবে ১০০ কোটি টকা ধাৰ্য্য কৰিছে। কিন্তু সেই টকাৰ কাম এতিয়ালৈকে কিয় আৰম্ভ হোৱা নাই মই নাজানো? মই আশা ৰাখিছো যে দীপৰ বিলক প্ৰদূষণৰ পৰা মুক্ত কৰি কৰি দীপৰ বিলক সুন্দৰ কৰাৰ যি পৰিকল্পনা হাতত লৈছে, সেই পৰিকল্পনা অচিৰেই আৰম্ভ কৰিব লাগে। লগতে Dumping Ground টো তাৰ পৰা অতি সোনকালে স্থানান্তৰ কৰাৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, গৃহ আৰু নগৰ পৰিকল্পনা ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য ৰমেন্দ্ৰ নৰায়ণ কলিতা ডাঙৰীয়াই এটা অতি গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিছে যে Dumping Ground ৰ দুৰ্গন্ধত অতিষ্ঠ অঞ্চলবাসী। আমাৰ সন্মানীয় সদস্য গৰাকীয়ে জানে যে বহু বছৰৰ পৰা আমাৰ গুৱাহাটীৰ দীপৰ বিলৰ ওচৰৰ বৰাগাঁৱত গুৱাহাটীৰ জাঁৱৰ-জোথৰখিনি পেলোৱা হৈছিল। ২০২১ চনত National Green Tribunal য়ে যেতিয়া direction দিছিল যে তাত পেলাব নোৱাৰিব, তেতিয়া এইটো তাৰ পৰা আমি বেলৰতললৈকে আনিলো। বৰাগাঁৱত ১৫ লাখ মেট্ৰিক টন আৱৰ্জনা জমা হৈ আছিল আৰু তাৰ পিছত চৰকাৰে ইয়াৰ processing ৰ কাম আৰম্ভ কৰিছিল। এতিয়ালৈকে প্ৰায় ৫.৫ লাখ মেট্ৰিক টন process কৰা হৈছে। ২০২৬ চনৰ ভিতৰত ইয়াক ১০০% সম্পূৰ্ণ কৰি প্ৰায় ১০০ বিঘা মাটিৰ যি ডাম্পিং গ্ৰাউণ্ড আছিল তাক এখন মুকলি ঠাইলৈকে নিয়াৰ বা এখন সুন্দৰ মুকলি পথাৰ বনোৱাৰ পৰিকল্পনাৰে চৰকাৰে আগবাঢ়িছে। গতিকে মাননীয় সদস্যসকলে আজিও তাত গ'লে দেখিব যে ১৫ লাখ মেট্ৰিক টন জাঁৱৰৰ processingৰ কাম দিনে-ৰাতিয়ে চলি আছে আৰু সেইধৰণে বৰাগাওঁখন এখন মুকলি উদ্যানলৈ পৰিণত কৰাৰ পৰিকল্পনা কৰিছো। গুৱাহাটীৰ জাঁৱৰখিনি

ক'ৰবাততো পেলাবই লাগিব। সেই সময়তে National Green Tribunal য়ে বন্ধ কৰি দিয়াৰ পিছত আমি বেলৰতললৈকে নিছিলো। আজি ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই সেই বেলৰতলৰ কথা কৈছে। বেলৰতলেই হওঁক বা বৰাগাঁৱেই হওঁক, দুয়োটাই দীপৰ বিলৰ লগত সংযোগ আছে বুলি বিভিন্ন সময়ত তথ্য আহিছে। বৰাগাঁৱত বন্ধ কৰাৰ পিছত দীপৰ বিল নিশ্চয়কৈ কিছু প্ৰদূষণমুক্ত হৈছিল। বেলৰতলত আৰম্ভ কৰাৰ আগতে চন্দ্ৰপুৰত নিয়াৰ বাবে চেষ্টা কৰিছিলো। আমাৰ সন্মানীয় সদস্য সিদ্ধাৰ্থ ভট্টাচাৰ্য আছে, ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াও আছে, মই গুৱাহাটীৰ গোটেইকেইজন সদস্যক জনাওঁ যে গুৱাহাটীৰ জাঁৰৰ বেলেগত পেলাব গ'লে কোনেও মানি নলয়। গুৱাহাটীৰ বাহিৰত যোৱাৰ লগে লগে গাঁৱৰ মানুহে কয় যে আমি টাউনৰ জাঁৰৰ কিয় ল'ম? গতিকে, গুৱাহাটীৰ জাঁৰৰ গুৱাহাটীৰ ভিতৰতে নিষ্কাষণ কৰিব লাগিব। যেনেকৈ আমি চন্দ্ৰপুৰলৈ যাওঁতে চন্দ্ৰপুৰত আন্দোলন হৈছিল, চন্দ্ৰপুৰৰ মানুহে মানি লোৱা নাছিল যে গুৱাহাটীৰ জাঁৰৰ আমাৰ পঞ্চায়ত এলেকাত কিয় দিব? তেখেতসকলৰ যুক্তিও নস্যাৎ কৰিব নোৱাৰি। গতিকে মই গুৱাহাটীৰ চাৰিওগৰাকী সদস্যক অনুৰোধ কৰিম যে তেখেতসকলে নিজৰ নিজৰ সমষ্টিত নেতৃত্ব লৈ, বেলেগ কাম বাদ দি হ'লেও অন্ততঃ ডাম্পিং গ্ৰাউণ্ডৰ বাবে আমাক ঠাই দিয়ক। আমিও চেষ্টা চলাই আছো। আমি জাঁৰৰ-জোথৰ পেলাবই লাগিব। সেইবোৰ আমি কোনো গাওঁ অঞ্চলত নিব নোৱাৰো। গাঁৱৰ মানুহে এই কথাটো মানি নলয়। বেলৰতল মাননীয় সদস্য গৰাকীৰ সমষ্টিত। গতিকে গুৱাহাটী চহৰৰ ভিতৰত তাতে আমি আৰম্ভ কৰিছিলো। তাত সদায় ৪০০-৫০০ মেট্ৰিক টনলৈকে জাঁৰৰ যায়। এতিয়া আমি এটা Processign Unit ৰ জৰিয়তে প্ৰায় ১৫০ মেট্ৰিক টন daily process কৰিব পাৰো। ৰাতিপুৱা গধূলি দুটা shift কৰি ৩০০ মেট্ৰিক টনলৈকে নিয়াৰ প্ৰচেষ্টা চলাইছো। কিন্তু ৩০০ গ'লেও daily ৫০০ ৰ পৰা ৭০০ মেট্ৰিক টনলৈ জাঁৰৰ আহে। গতিকে ইয়াক আৰু develop কৰিব লাগিব যাতে আমি daily অহা জাঁৰৰখিনি process কৰিব পাৰো। মই আপোনালোকৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আমি কিছুমান নতুন পৰিকল্পনা কৰিছো। সেই হিচাপে আমাৰ JAICA ৰ Sewage Treatment Plant আহি আছে। গুৱাহাটীত Sewage Treatment Plant হয়তো আমি এমাহৰ ভিতৰতে পাম। মে' জুন মাহলৈকে tendering process ত যাব পাৰিম। তেতিয়া গুৱাহাটীৰ গোটেই sewage/drainage বিলাক আমি Treatment Plant লৈকে নিব পাৰিম। আজিৰ তাৰিখতো আমাৰ ঘৰে ঘৰে septic tank ত আৱৰ্জনা জমা হয়। সেই Sewage Treatment Plant টো হ'লেই লেতেৰা ময়লাখিনি তাত লৈ যাব পাৰিম। ঠিক তেনেদৰে আমাৰ বৰচলাতো 2 MLD ৰ এটা STP ৰ কাম চলি আছে, কাম প্ৰায় সম্পূৰ্ণ হ'বই। ১ মাহৰ ভিতৰত তাক functional কৰিব পাৰিম। এই দুটা হোৱাৰ লগে লগে গুৱাহাটীত এই ধৰণে হোৱা প্ৰদূষণ কিছু পৰিমাণে নিয়ন্ত্ৰণ কৰিব পাৰিম। যিহেতু এতিয়া আমি ১৫০-১৫০ কৈ ৩০০ মেট্ৰিক টনতকৈ বেছি process কৰিব নোৱাৰো, গতিকে আমি জনাও যে আমি CITIIS 2.0 ৰ অধীনত কেইটামান নতুন কাম লৈছো 200 TPD waste to compost and refuse derived fuel ৰ প্ৰকল্প লোৱা হৈছে য'ত 200 TPD কৰিব পৰা যাব। ঠিক তেনেদৰে 100 TPD ৰ Construction materials, নিৰ্মাণ আৰু ভগ্নাৱশেষৰ সামগ্ৰী নিষ্কাষণৰ এটা প্ৰকল্প লোৱা হৈছে। 150 TPDৰ RTS and MRFৰ আন এটা প্ৰকল্প লোৱা হৈছে। এই তিনিটা তাত প্ৰকল্প লোৱা হৈছে। এই কেইটা হোৱাৰ লগে লগে আমাৰ যিখিনি RTS বা MRF ৰ জাঁৰৰ থাকিব সেইখিনি process কৰিব পাৰিম। ঠিক তেনেদৰে Construction waste ও

process কৰিব পাৰিম। গতিকে CITIIS 2.0 ৰ অধীনত আমি এনেকুৰা ধৰণৰ কেইবাটাও প্ৰকল্প লৈছো যিকেইটা সম্পূৰ্ণ হৈ উঠাৰ লগে লগে এই সমস্যাবিলাকৰ কিছু পৰিমাণে সমাধানৰ পক্ষলৈ যাব পাৰিম। মই কেইদিন আগতে ছত্তীগড়লৈ গৈ এই ধৰণৰ জাঁৱৰ নিষ্কাষণৰ ব্যৱস্থাটো নিজেই চাই আহিছিলো। এই ব্যৱস্থাটো চাই মই আচৰিত হৈছিলো যে আজিৰ পৰা ৩০-৪০ বছৰ আগতে তেওঁলোকে Sewage Treatment Plant বা জাঁৱৰ নিষ্কাষণৰ বাবে যিধৰণৰ ব্যৱস্থা কৰিছে যিটো আমি স্বাধীনতাৰ ৭৫ বছৰ পিছতো গুৱাহাটীৰ দৰে চহৰখনত কৰিব পৰা নাই। ই সঁচাকৈ বৰ দুখৰ কথা। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এতিয়া এনে ধৰণৰ Sewage Treatment Plant বা এনেধৰণৰ কেইবাটাও জাঁৱৰ নিষ্কাষণৰ ব্যৱস্থা হাতত লৈছে। মই ভাৱো যে এই কেইটা হৈ উঠাৰ পিছত আমি এটা পৰ্যায়লৈ যাব পাৰিম। এই ক্ষেত্ৰত আটাইতকৈ ডাঙৰ সমস্যাটো হৈছে যে য'ত জাঁৱৰ নিষ্কাষণ কৰিম তাৰ বাবে তেনে ধৰণৰ ঠাইৰ অত্যন্ত অভাৱ হৈছে। কোনো অঞ্চলবাসীয়ে এই কামটো কৰিবলৈ দিব নিবিচাৰে। কিন্তু সেই অঞ্চলত আমি এই কামটো যদি নকৰো তেন্তে বেলেগলৈ কেনেকৈ নিম। সেয়েহে মোৰ গুৱাহাটীৰ চাৰিওগৰাকী সদস্যলৈ অনুৰোধ যে নিজৰ নিজৰ সমষ্টিৰ জাঁৱৰখিনি অন্ততঃ processing কৰিব পৰাকৈ আমাক একো এ কোখন ঠাই উলিয়াই দিয়ক যাতে আমি তাতেই কৰিব পাৰো। নিজৰ অঞ্চলত কৰিলে transportation cost টো বহুত কমি যায়। আজিকালি বহুত অত্যাধুনিক ব্যৱস্থা আহিছে। এনেকুৰা নহয় যে ডাম্পিং গ্ৰাউণ্ড হ'লে বহুত দুৰ্গন্ধ ওলাই থাকিব। ইয়াৰোপৰি, বৰাগাঁৱৰ বেলৰতলৰ যিটো ডাম্পিং গ্ৰাউণ্ড আছে তাৰ বাবে Odour masking agent বা অন্যান্য ব্যৱস্থাৰ জৰিয়তে দুৰ্গন্ধ নিৰাময়ৰ বাবে কাম কৰি থকা হৈছে। তাত গছ পুলি ৰোপণ কৰা হৈছে। মই বিভাগক আৰু নিৰ্দেশনা দিম যাতে এই কামবোৰ আৰু বেছিকৈ কৰে, যাতে ওচৰৰ মানুহে দুৰ্গন্ধ নাপায়। খুব কম দিনৰ ভিতৰত ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া আৰু মই বেলৰতললৈ নিজেই যাম। মই তাৰ আগেৰে অহা-যোৱা কৰিছো যদিও আজিলৈকে ডাম্পিং গ্ৰাউণ্ডত সোমোৱা নাই। তাত গৈ এবাৰ চাই আহিম যে আৰু কি কৰিব পাৰি। এইটো নিশ্চয়কৈ এটা ডাঙৰ সমস্যা আৰু এই সমস্যাটো সমাধান কৰিবলৈ হ'লে সকলোৰে সহায়-সহযোগিতা লাগিব। ধন্যবাদ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী)ঃ** চাৰ, মোৰ এটা point of clarification আছে। তাত যিটো garbage ৰ process চলি আছে, প্ৰথম অৱস্থাত সি চলি আছিল। তাত এটা Trommel Machine আছিল য'ত ১৫০ মেট্ৰিক টনকৈ process হৈছিল। কিন্তু বহু দিনৰ পৰা এই মেচিনটো বেয়া হৈ বন্ধ হৈ আছে। গতিকে যিটো তথ্য দিছে সেইটো সম্পূৰ্ণ ভুল। আজি প্ৰশ্নটো অনা দেখি পৰহি তাত অলপমান কাম আৰম্ভ কৰিছে। বিভাগে সম্পূৰ্ণ ভুল তথ্য দিছে। তাৰ ৰাইজে কেতিয়াও মিছা কথা নকয়। জুলাই দিয়া কামটো বন্ধ কৰিব লাগে। ২-৩ মাহ পৰ্য্যন্ত তাত যি ধোঁৱা ওলাই, সেইটোৱে মানুহক ৰোগাক্ৰান্ত কৰি পেলাইছে। গতিকে এইখিনি ব্যৱস্থা যদি লয়, তেন্তে ভাল হয়। গোটেই গুৱাহাটীৰ জাঁৱৰ তাত পেলাব সেইটো সম্ভৱ নহয়। দীপৰ বিল ধ্বংস হৈ গৈ আছে। Decentralize কৰিলেও আপত্তি নাই বা বৈজ্ঞানিক পদ্ধতিৰে ইয়াক process কৰক বা ক'ৰবাত স্থানান্তৰ কৰক। কিবা এটা কৰিব লাগিব।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, গৃহ নিৰ্মাণআৰু নগৰ পৰিকল্পনা ইত্যাদি) ঃ** মাননীয় সভাপতি মহোদয়, মোক বিভাগৰ তৰফৰ পৰা জনোৱা মতে ১৫০ মেট্ৰিক টনৰ processing টো চলি আছে। সদস্য গৰাকীয়ে চলি থকা নাই বুলি কৈছে। সেইকাৰণে মই কৈছো যে দুই-এদিনৰ ভিতৰত

আমি দুয়ো তালৈ যাম তেতিয়া  সঁচা কথাটো ওলাই পৰিব। তাত দুবেলা ১৫০ মেট্ৰিক টনকৈ মুঠ ৩০০ মেট্ৰিক টন process  কৰাৰ আমি পৰিকল্পনা কৰিছো। ইয়াৰোপৰি তাত আৰু process কৰাৰ বাবে tendering process ইত্যাদি হৈছে। আগৰ যিজন ঠিকাদাৰে কৰি আছিল তেওঁৰ সময়সীমা ওকলি গৈছে। সেয়েহে আৰু tendering process হৈছে। সদস্যগৰাকীয়ে যিখিনি কথা কৈছে সেইখিনি মই গুৰুত্ব সহকাৰে লৈছো আৰু আমি  খুব কম দিনৰ ভিতৰতে এদিন তালৈ গৈ গোটেই ব্যৱস্থাটো চাই আহিম। তাত কি ধৰণে আৰু সংযোজন কৰিব পাৰি  cities ৰ অধীনত আমি কৰিছো আৰু কি কি সংযোজনেৰে সদায় অহা waste খিনি যাতে সদায় কৰিব পাৰি সেই পৰ্য্যায়লৈ আমি নিব লাগিব। কাৰণ ইতিমধ্যে বহুত stock হৈ গ'ল, প্ৰায় ২ লাখ মেট্ৰিক টন stock হৈ গ'ল এইখিনি যদি সদায় অহাখিনি কৰি থলেও নহ'ব। আগৰ খিনিও clear কৰিব লাগিব। গতিকে আমি তাৰ capacity টো বঢ়াব লাগিব। ধন্যবাদ।

**মাননীয় সভাপতিঃ** Issue টো বহুত serious. মই ভাৱো মাননীয় বিধায়ক আৰু মাননীয় মন্ত্ৰী বহি লৈ কেনেকৈ গুৱাহাটীৰ পাৰি-পাৰ্শ্বিকতা ৰক্ষা কৰিব পাৰি এইটোতে বিশেষ গুৰুত্ব দিয়া ভাল। এতিয়া সন্মানীয় সদস্য শ্ৰী চৰণ বড়ো।

**শ্ৰী চৰণ বড়ো, মাজবাট ঃ** মাননীয় সভাপতি মহোদয়, Rule-301ৰ এটা বড়ো আন্দোলনৰ লগত জড়িত থকা এটা আৱেগিক বিষয় উত্থাপন কৰিবৰ কাৰণে সুযোগ দিয়াৰ বাবে প্ৰথমতে মই আপোনাক ধন্যবাদ জনাইছো। বড়ো আন্দোলনৰ বিষয়ে দীঘলীয়াকৈ কোৱাৰ প্ৰয়োজন নাই, সেইটো ৪০-৫০ বছৰীয়া যি আন্দোলন হৈছিল, সেই আন্দোলনত বহুত যুৱক-যুৱতী নিজৰ প্ৰাণ হেৰুৱাব লগা হৈছিল বা শ্বহীদ হৈছিল। এই যিখিনি যুৱক-যুৱতীয়ে নিজৰ প্ৰাণ হেৰুৱাব লগা হৈছিল  বা শ্বহীদ হৈছিল, তেখেতসকলক আমি  যেতিয়া ১০ ফেব্ৰুৱাৰী ২০০৩ চনৰ BTC Accord হ'ল। তাৰ  পিছত যেতিয়া হাগ্ৰামা মহিলাৰী ডাঙৰীয়াৰ নেতৃত্বত এটা Interim Government হ'ল। এইটো Interim Government হোৱাৰ পিছত মুঠ ২৬২৪ শ্বহীদ সকলক officially শ্বহীদ হিচাপে ঘোষণা কৰিব পাৰিলে আৰু তেখেতসকলক সন্মান দিয়াৰ স্বাৰ্থত সেইসময়ত BTC যি Interim Government  Bodoland Martyrs' Cemetery বুলি নিৰ্মাণ কৰা হ'ল আৰু তেখেতসকলক প্ৰত্যেক বছৰ ১০ ফেব্ৰুৱাৰী তাৰিখে শ্ৰদ্ধাঞ্জলি দিয়াৰ কাৰ্য্যসূচী চৰকাৰী ভাৱে লৈ থকা হৈছিল। সেয়েহে তেখেতসকলক  শ্বহীদ পৰিয়ালক মাজে মাজে BTC চৰকাৰৰ তৰফপ পৰা Exgratia দিয়া হৈছিল। যোৱা ২০১৬ চনত যেতিয়া অসমত আমাৰ  শ্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত যি BJP led government আহিল, সেই সময়ত যিহেতু অসমত আন্দোলনত শ্বহীদ পৰিয়াল সকলক এই চৰকাৰ খনে সন্মান দিবৰ কাৰণে ৫ লাখ টকাকৈ দিব কাৰণে যি সিদ্ধান্ত লৈছিল সেই মৰ্মে এতিয়া দিয়াও হ'ল আৰু এইটো দিয়াৰ পিছত হাগ্ৰামা মহিলাৰী ডাঙৰীয়াৰ যি BTC চৰকাৰ, তেখেতসকলেও আমাৰ অসম চৰকাৰক দাবী জনালে যে অসম আন্দোলনত শ্বহীদ হোৱা পৰিয়াল সকলক যেনেকৈ দিছে, বড়োলেণ্ড আন্দোলনত শ্বহীদ হোৱা সকলকো একে মৰ্য্যদা প্ৰদান কৰিব লাগে। এই হিচাপে অসম চৰকাৰখনে গ্ৰহণ কৰি ল'লে আৰু গ্ৰহণ কৰি লোৱাৰ পিছত, মোৰ সঠিকভাৱে মনত নাই, ২০১৮ চনত বাজেট অধিবেশনত ঘোষণাও কৰা হৈছিল যে বড়োলেণ্ডৰ যিমান শ্বহীদ পৰিয়াল, সেই পৰিয়াল সকলক ৫ লাখকৈ টকা দিয়া হ'ব। সেই মৰ্মে ২০২০ নতুবা ২০২১ চনত মই এটা সূত্ৰৰ দ্বাৰা গম পাইছো যে  ৩২২জন শ্বহীদ পৰিয়ালক ৫ লাখকৈ টকা দিয়া হ'ল। আমাৰ মুঠ শ্বহীদ পৰিয়াল আছিল ২৬২৪।  এই ২৬২৪ টা পৰিয়ালৰ ৩২২ টা শ্বহীদ পৰিয়ালক ৫ লাখকৈ

টকা দিয়া হ'ল। কিন্তু প্ৰায় ৪ বছৰ পাৰ হৈ গ'ল, বাকী ২৩০২ জন শ্বহীদ পৰিয়ালক আজিলৈকে ৫ লাখ টকটো পাবলৈ সক্ষম হোৱা নাই। তাৰ কাৰণে বিভিন্ন সময়ত আমিও প্ৰশ্নৰ সন্মুখীন হ'বলগীয়া হৈ যায়। সেই সময়ত আমি তেখেত সকলক উত্তৰ দিব নোৱাৰা হৈ যাওঁ। এইটো লক্ষ্য ৰাখি মই যোৱাবাৰ ২০২১ চনত এই পৱিত্ৰ বিধান সভাতে এবাৰ প্ৰশ্নও কৰিছিলো যে বাকী থকা শ্বহীদ পৰিয়াল সকলক কেতিয়া দিয়া হ'ব? মই ভাৱিছিলো এইটো দিয়া হ'ল বুলি কিন্তু প্ৰায় ৪ বছৰ যোৱাৰ পিছতো যে ২৩০২ জন শ্বহীদ পৰিয়াল বাকী থাকিল। তেখেতসকলক আমি প্ৰতিশ্ৰুতি দিয়া স্বত্তেও এতিয়া ৫ লাখ টকাটো দিয়া হোৱা নাই। তাৰ কাৰণে এই শ্বহীদ পৰিয়াল সকলক আমি এটা ন্যায় দিব লাগে আৰু এই শ্বহীদ সকলক যিহেতু আমি সন্মান দিবলৈ আগবাঢ়িছো, তাৰ কাৰণে তেখেতসকলক যিখিনি বাকী থাকিল ২৩০২ জন শ্বহীদ পৰিয়ালক ৫ লাখ টকা দিয়াৰ ব্যৱস্থাটো যে আজি সদনৰ যোগেদি যাতে ensure কৰে, যিহেতু তেখেতসকলেও চাই আছে, তেখেতসকলেও গম পাব আৰু কি সিদ্ধান্ত ল'ব তেখেতসকলে ৰৈ আছে। সেইবাবে আজি এই সদনৰ যোগেদি যাতে আমাৰ মন্ত্ৰী ডাঙৰীয়াই ensure কৰি দিয়ে যে এই বছৰৰ ভিতৰতে বা অহা বিত্তীয়া বৰ্ষত যিমানখিনি বাকী আছে তেখেতসকলক দিয়া হ'ব যদি এনেকুৱা এটা আজি মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ে, তেতিয়াহ'লে নিশ্চয় এই শ্বহীদ পৰিয়াল সকলে অত্যন্ত সুখী হ'ব। ধন্যবাদ।

**মাননীয় সভাপতিঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, মন্ত্ৰীঃ** সন্মানীয় সভাপতি মহোদয়, বিষয়টো গৃহ বিভাগৰ আছিল আৰু Welfare of Bodoland Department য়ে যিখিনি তথ্য বিচাৰিছে সেইখিনি দিয়া হৈছে। সেইকাৰণে গৃহ বিভাগে ইয়াৰ সঠিক প্ৰক্ৰিয়াটো চলাই আছে যিহেতু বৰ্তমান current stage ত কি চলি আছে গৃহ বিভাগৰ হাতত আছে। তথাপিও যিখিনি information মোৰ হাতত আছে মই আপোনাক দিব বিচাৰিছো। বড়ো আন্দোলন বুলি ক'লে তিনিটা Accord হৈ গ'ল ১৯৯৩ চনত সদৌ বড়ো ছাত্ৰ-সন্থা আৰু BPAC ৰ লগত, সেই Accord মৰ্মে প্ৰায় ১১০০ ত কৈ বেছি Martyrs family, সেই সময়ত চৰকাৰে এটা সিদ্ধান্ত লৈছিল যে ১ লাখ টকাকৈ Exgratia দিয়া হ'ব। ১ লাখ টকা বহুত জনে পালে, বাকী কেইজনে পাব পৰা নাছিল আৰু ইয়াৰ এটা প্ৰক্ৰিয়া আছে ২০০৩ চনত এটা Accord হৈ গ'ল সেইমতে BLT য়ে ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ লগত চুক্তি স্বাক্ষৰিত কৰিল আৰু তেওঁলোকে Martyrs list submit কৰা বুলি ইয়াত ২৬০০ জন Martyrs family, বা Martyrs ৰ list submit কৰা হৈছে বুলি ইয়াত কোৱা হৈছে, সেই সময়ত কিন্তু বহুত কাৰণত Exgratia দিব পৰা নগ'ল আৰু ৩০ জনতকৈ কিছু বেছি পৰিয়ালক দিব পৰা গৈছিল। এইটো ২০২২ চনৰ পৰা এটা নতুন প্ৰক্ৰিয়া হ'ল, ২০২০ চনত যিটো শান্তি-চুক্তি হৈছিল সেই মৰ্মে এটা policy লোৱা হৈছে যে ৫ লাখ টকাকৈ অসম চৰকাৰে সিদ্ধান্ত লোৱা মৰ্মে অসম আন্দোলনৰ শ্বহীদ পৰিয়ালক দিয়া লেখীয়াকৈ বড়ো আন্দোলনৰ শ্বহীদ হোৱা পৰিয়ালক দিয়া হ'ব। এই মতে ২০২২ চনৰ পৰা ইয়াত দিয়া প্ৰক্ৰিয়া চলি আছে আৰু বৰ্তমান যিটো এটা status, বৰ্তমান status ত ২০২২-২৩ চনত আমি ২০১ জন পৰিয়ালক Exgratia ৫ লাখ টকাকৈ দিয়া হৈছিল। তাত ১০ কৌটি ৫ লাখ টকা খৰছ হ'ল আৰু ২০২৩-২৪ চনত ৩৩৪ জনক দিয়া হৈছিল প্ৰায় ১৬ কৌটি ৮৫ লাখ টকা খৰছ হয় আৰু ২০২৪-২৫ চনত ৫৪ জনক দিয়া হৈছে প্ৰায় ২৭ কৌটি টকা খৰছ কৰি দিয়া হৈছে। বৰ্তমান অসম চৰকাৰে শ্বহীদ পৰিয়ালক Exgratia দিয়াৰ নামত ২৯কৌটি ৬০ লাখ টকা খৰছ

কৰিছে। সেইটো এটা continuous process আৰু Exgratia দিবৰ বাবে কি কি process আছে সেইটো সন্মানীয় সদস্য গৰাকীয়েও জানে আৰু আমি সকলোৱে জানো এটা scrutiny হয়, police report, medical certificateৰ base কৰে, সকলোবোৰ আমি অলপ relaxation কৰি চৰকাৰে শ্বহীদ পৰিয়াললৈ কেনেকৈ উচিত মৰ্য্যদা দিব পাৰে তাৰ কাৰণে ব্যৱস্থা লৈছে। এই চৰকাৰৰ এটা commitment হ'ল যে যিসকল শ্বহীদ হৈ গৈছে সেই সকলোকে Exgratia দিয়াৰ কাৰণে সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ কাৰণে এটা পৰ্য্যায়ত কমিটি কৰা হৈছে, যাক আন্দোলনকাৰী গ্ৰুপৰ লগত ABSU বা বৰ্তমান NDFB গ্ৰুপ তেওঁলোকে আলোচনা কৰি আছে, লিষ্ট বিলাক scrutiny কৰি আছে, police report, medical report clear হোৱাৰ পিছত পৰ্য্যায়ক্ৰমে Exgratia দিয়া হৈছে। কেইদিনমান আগত মুখ্যমন্ত্ৰীৰ লগত আলোচনা হৈছিল বাজেট review ৰ সময়ত যিমানবোৰ বাজেট provision ৰ প্ৰয়োজন আছে, সেইটো দিবলৈ মুখ্যমন্ত্ৰী ইতিমধ্যে মানি লৈছে। সেই প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰিবলৈ বিভিন্ন দিশ involve হৈ আছে গৃহ বিভাগৰ এই গোটেই continuous process, আমাৰ commitment হ'ল যে অসমৰ শ্বহীদ পৰিয়াললৈকে ex-gratia দিয়া হ'ব। এটা নিৰ্দিষ্ট মাধ্যমত বা specific process এটাত এইখিনি commitment চৰকাৰৰ আছে। সেইকাৰণে মাননীয় সদস্যজনক এইখিনি মই জনাবলৈ পাই সুখী হৈছো আৰু তেখেতক মই ধন্যবাদ দিছো এই বিষয়টো অনাৰ কাৰণে আৰু কোনো শ্বহীদ পৰিয়াল বাদ পৰি নাযায়।

**শ্ৰী চৰণ বড়ো, মাজবাট ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, শ্বহীদ পৰিয়াল বুলি ক'লে ২০০৩ ৰ ১০ ফেব্ৰুৱাৰীৰ আগত ২৬২৪, এইটো এটা সুকীয়া আৰু ২০২০ চনৰ ২৭ জানুৱাৰীত যি accord হ'ল তাৰ পিছত এটা শ্বহীদ সকলৰ লিষ্ট আমি দেখিবলৈ পাইছো আৰু মন্ত্ৰী ডাঙৰীয়াই অলপ আগতে ২০২২, ২০২৩, ২০২৪ ত প্ৰায় ২৯ কোটি টকা খৰছ কৰি তেওঁলোকক দিয়া বুলি কৈছে। এইটো একেবাৰে নতুন লিষ্টৰ পৰা দিছে। বাকী ২০০৩ লৈকে আবচুৰ আন্দোলনৰ পৰা আৰম্ভ কৰি যিসকল শ্বহীদ হৈছিলে, তেখেতসকলৰ লিষ্টৰ পৰা মাত্ৰ ৩২২ জন শ্বহীদ পৰিয়ালে ৫ লাখ টকা পাবলৈ সক্ষম হৈছে। কিন্তু BTC Government বা অসম চৰকাৰ যৌফ ভাৱে স্বীকৃতি দিয়া যি শ্বহীদ আছিলে, সেইটো হ'ল ২৬২৪ জন। তাৰকাৰণে যিখিনি বাদ পৰি যোৱা পুৰণা শ্বহীদ পৰিয়াল থাকিল, তেওঁলোকক দিয়াৰ ব্যৱস্থা কৰিলে অত্যন্ত ভাল হ'ব বুলি মই অনুভৱ কৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী উৰ্খাও ব্ৰহ্ম, মন্ত্ৰী ঃ** এটা sentence ত clear কৰিব বিচাৰিছো, বৰ্তমান যিটো প্ৰক্ৰিয়া চলি আছে inclusive হ'ল।

**মাননীয় উপাধ্যক্ষ ঃ** Hon'ble Member সকলক এটা অনুৰোধ থাকিল যে যেতিয়া মন্ত্ৰীয়ে উত্তৰ দিয়ে, মন্ত্ৰীৰ আগফালেদি যাতে কোনেও খোজকাঢ়ি নাযায়। ধন্যবাদ।

এতিয়া কাৰ্য্যসূচী নং-৪, মাননীয় সদস্য সকল, মাননীয় মন্ত্ৰী ড০ ৰণোজ পেগু ডাঙৰীয়াই তেখেতৰ বিধেয়কখন বিবেচনাৰ বাবে উত্থাপন কৰিবৰ বাবে প্ৰস্তাৱ আগবঢ়োৱাৰ বাবে

আহ্বান জনোৱাৰ আগতে মই এটা সৰু পৰ্য্যবেক্ষণ আগবঢ়াব বিচাৰিছো। মাননীয় সদস্যসকল অৱগত যে আজিৰ তালিকাত অন্তৰ্ভুক্ত ক্ৰমিক নং-৪, Mising Autonomous Concil Amendment Bill, 2025 আৰু ক্ৰমিক নং-৫ ৰ পৰা ১০ লৈকে থকা অন্য স্বায়ত্ব শাসিত পৰিষদৰ সংশোধনী বিলৰ বিষয়বস্তু একেই। সেই অনুসৰি ৪ মাৰ্চ, ২০২৫ তাৰিখে মই আহ্বান কৰা দলপতি সকলৰ বৈঠকত সিদ্ধান্ত লোৱা হৈছে যে সদনৰ সময় ৰাহি কৰাৰ বাবে এই ৭খন বিল একেলগে বিবেচনাৰ বাবে লোৱা হ'ব। প্ৰস্তাৱসমূহ উত্থাপন কৰাৰ বাবে মাননীয় মন্ত্ৰীয়ে বক্তব্য ৰখাৰ পিছত সদনে এই ৭ খন বিধেয়কৰ ওপৰত সমূহীয়াকৈ আলোচনা কৰিব পাৰে। মন্ত্ৰীৰ উত্তৰৰ পাছত এই ৭ খন বিধেয়ক মই এখন এখনকৈ পাৰিত কৰাৰ বাবে ল'ম।

এতিয়া ৰাজভৱনৰ পৰা এটা বাণী আহিছে, বাণীটো হ'ল -Under the Provision of Article-207(3) of the constitution of India,I, Shri Lakshman Prasad Acharya, Governor of Assam, recommend that "The Tiwa Autonomous Council Amendment Bill, 2024" be taken into consideration by the Assam Legislative Assembly.

মাননীয় মন্ত্ৰী আপুনি এখন এখনকৈ গোটেই কেইখন বিল পঢ়ি দিয়ক।

**ড° ৰণোজ পেগু, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ উত্থাপন কৰিছো যে আজিৰ কাৰ্য্যসূচী ক্ৰমিক নং-৪ ৰ পৰা ১০ লৈ অন্তৰ্ভূক্ত মিছিং, বড়ো কছাৰী, ঠেঙাল কছাৰী, দেউৰী,সোণোৱাল কছাৰী, ৰাভা হাচং আৰু Tiwa Autonomous Council, Amendment Bill, 2025 কেইখন বিবেচনাৰ বাবে লোৱা হওক।

(Hon'ble Speaker Sir on the Chair)

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া আমি এই গোটেই বিলকেইখন একেবাৰতে আলোচনা কৰিম। প্ৰথমতে ---interruption-----

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** ছাৰ, ইয়াত consideration stage আহিছিল।

**মাননীয় অধ্যক্ষ ঃ** এইটো general discussion. ইয়াৰ পিছত আমি amendment টো clause by clause move কৰিম। General discussion ত যদি amendment থাকে, point টো তাতে ক'লে হ'ল। তেতিয়া মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** ছাৰ, ইয়াত গোটেই কেইটা বিলতে এটা single amendment আনিছে চৰকাৰে। এটা point তে গোটেইখিনি আহি যাব।

**মাননীয় অধ্যক্ষ ঃ** সেইকাৰণে কৈছো। গোটেইকেইটা বিল একেবাৰতে যি নামতে নকৰো, আমি consideration separate separate কৰি থাকিলে সময় গুছি যাব। সেইকাৰণে discusssion টো একেবাৰতে কৰিম। এতিয়া আমিনুল ইছলাম ডাঙৰীয়া।

**আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই এটা বস্তু স্পষ্ট হ'ব বিচাৰিছো যে এই ৭ খন Autonomous Council amendment Bill তেই আমি দেখিছো যিটো amendment চৰকাৰে আনিছে ইয়াত যে আমাৰ যিটো general council, executive council ৰ turn over হৈ যোৱাৰ পিছত যদি এই কথাটো দেখা যায়, যে তাত election পতাটো impracticable.যদি ৰাজ্যপালে বিবেচনা কৰে যে ধৰক Mising Autonomous Council, বা সোণোৱাল কছাৰী Autonomous Council তাতে election পতাটো সম্ভৱতো নহয়েই তেনেহ'লে তেওঁলোকে যাতে তাত function টো চলাই যাব পাৰে। তেওঁলোকৰ executive term টো extend কৰি দিয়াৰ কাৰণে এই বিলখন আনিছে। প্ৰথমতে মই এই কথাটো জানিব বিচাৰিছো যে সাধাৰণতে বিলৰ amendment বিলাক যেতিয়া আহে তেতিয়া সেই পৰিস্থিতিটো সন্মুখত আহে। এতিয়া এই ৭ টা Autonomous Council ত তেওঁলোকৰ নিৰ্দিষ্ট কাৰ্য্যকাল পাৰ হৈ যোৱাৰ পাছতো তেওঁলোকৰ কাৰ্য্যকাল extend কৰি দিম আমি সদনে। এতিয়া এই কেইখনত এনেকুৱা অৱস্থা হৈছে নেকি ৭ টা Autonomous Council ৰ ভিতৰত যিকোনো এটাত কাৰ্য্যকাল পাৰ হৈ গৈছে কিন্তু তাত এতিয়াও নিৰ্বাচন অনুষ্ঠিত কৰাটো ইয়াত যি impracticable বুলি কোৱা হৈছে, গতিকে সেইকাৰণে মই এইটো amendment আনিছো। এই যে কাৰ্য্যকাল বঢ়োৱা কথাটো কৈছে, যে ৰাজ্যপাল মহোদয়ে যদি বিবেচনা কৰে তাত নিৰ্বাচনৰ কথাটো সম্ভৱ নহয়। গতিকে general council আৰু executive council ত আমি time টো বঢ়াই দিওঁ। কিন্তু কিমান জনৰ কাৰণে বঢ়াব সেইটো indefinite কৰি দিয়া আছে। এনেকুৱা যদি বিলত provision থাকিলে হয় যে আজি ধৰক Mising Autonomous Council ৰ কাৰ্য্যকাল পাৰ হৈ গ'ল, এই মুহূৰ্তত তাত নিৰ্বাচন অনুষ্ঠিত কৰাটো সম্ভৱ নহয়, ৰাজ্যপালে বিবেচনা কৰিলে ৬ মাহৰ কাৰণে time টো বঢ়াই দিয়ক। ৬ মাহৰ পিছত বা ৬ মাহৰ ভিতৰত election টো হ'ব বা এবছৰৰ পিছত, ইয়াত কিন্তু time frame নাই। গতিকে এই কথাটোৱে এনেকুৱা এটা পৰিস্থিতিৰ সৃষ্টি কৰিব নেকি যে আমি indefinite time ৰ কাৰণে তেওঁলোকৰ কাৰ্য্যকালটো বঢ়াই দিওঁ, সদনে পাচ কৰি দিওঁ, এইটো সুবিধা লৈ তাৰ পিছত ২ বা ৩ বছৰ election নপতাকৈ গৈ থাকিব। ইয়াত কিবা এনেকুৱা সম্ভাৱনা আছে নেকি? এই কথাটো মই মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টকৈ শুনিব বিচাৰো। প্ৰথম কথাটো হ'ল, যে এনেকুৱা এটা পৰিস্থিতি ক'ৰবাত আহিছে নেকি যাৰকাৰণে আমি এই amendment টো কৰিবলৈ লোৱা হ'ল? এই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়,গোটেই কেইখিনতে একেখিনি কথাই আছে। যিহেতু জনজাতি জনগোষ্ঠী সকলৰ স্বায়ত্ত্ব শাসনৰ কথা ইয়াত আহিছে, গতিকে তৃণমূল পৰ্য্যায়লৈকে গণতন্ত্ৰ শক্তিশালী কৰিবলৈ এইটো ব্যৱস্থা কৰা হ'ল। এতিয়া কথাটো হ'ল বিলখনক আনি আইন বনাব বিচাৰিছে, এনেকুৱা extension period কৰিব বুলি। কিন্তু আমি দেখা পাওঁ যে যদি প্ৰয়োজন হয়, তেতিয়াহ'লে ordinance দিয়াৰ নিয়ম আছে। কিয় আইনত থাকিব লাগে? কাৰণ অভাৱনীয় পৰিস্থিতি হ'লে আমাৰ আইন সংসদীয় পৰম্পৰাত

আমাৰ provision চৰকাৰৰ হাতত যে বিল নকৰি কিবা বঢ়াব লগা হ'লে extension period ত ordinance দিব পাৰে, extra ordinary situation ত। কিন্তু এনেকৈ কিয় বিলখনত আনি ধৰি ল'ব লাগে যে সদায় এইটো থাকিব আৰু extension দি থাকিব। কাৰণ extra ordinary situation ত হে extension হ'ব লাগে, election হ'ব নালাগে আৰু তেনেকুৰা হ'লে চৰকাৰৰ হাতত ordinance অনাৰ ক্ষমতাটো আছে। গতিকে এইখিনি কিয় আনিবলগা হ'ল, সেইটো আগতেই স্পষ্টীকৰণ হ'লে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী ভুৱন পেগু।

**শ্ৰী ভুৱন পেগু, জোনাই ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই amendment যিখিনি আনিছে, ইয়াত একেলগে মিছিং, বড়ো কছাৰী, ঠেঙাল কছাৰী, দেউৰী, সোণোৱাল, ৰাভা আৰু তিৱা, আমাৰ sixth schedule area ত নপৰা কাৰ্বি আংলং, ডিমা হাছাও আৰু BTC-BTRক বাদ দি বাকী যিখিনি অসমৰ plains area ৰ council area আছে, ইয়াক লৈ amendment টো আনিছে। এই amendment লৈ যেতিয়া, ইয়াৰ history টো যেতিয়া ১৯৯৫ Mising Autonomous Council গঠন হৈছিল, ৰাভা আৰু তিৱাও গঠন হৈছিল। তাৰ পাছৰ পৰ্য্যায়ত লাহে লাহে বেলেগ council বোৰো গঠন হ'ল, যেনে-সোণোৱাল কছাৰী Autonomous Council, দেউৰী Autonomous Council গঠন হ'ল। এই গঠন প্ৰক্ৰিয়াৰ গোটেই বিষয়বোৰ যেতিয়া চালো, প্ৰত্যেকবাৰ যেতিয়া amendment অনা হৈছে, council বোৰক শক্তিশালী কৰাৰ কাৰণে amendment টো আনিব লাগে বুলি ভবাৰ এটা মত চৰকাৰৰ আছিল। Council বোৰক বিশেষকৈ, plains tribe area ৰ council বোৰক শক্তিশালী কৰিব লাগে। ইয়াত কাৰো দ্বিমত নাই। এই council বোৰক বিশেষকৈ plains tribe area ৰ council বোৰক শক্তিশালী কৰিব লাগে ইয়াত কাৰো দ্বিমত নাই। বিভিন্ন চৰকাৰৰ সময়ত এইটোৰ বাবে সদায় এটা প্ৰচেষ্টা চলি আছে। BTR ৰ কোকৰাঝাৰত আমি যেতিয়া আলোচনা কৰিছিলো যে - Sixth Schedule যেতিয়া introduce কৰা হৈছিল তেতিয়া hills area বিলাকক introduce কৰিলে কিন্তু অসমৰ plain area ৰ মানুহৰ যি ভূমি আছিল তাত Sixth Schedule introduce কৰা নহ'ল। পিছত বহুত আন্দোলন কৰাৰ পিছত BTR ত Sixth Schedule introduce কৰা হ'ল। কিন্তু এতিয়াও মিচিং, ৰাভা, তিৱা কাউঞ্চিলখিনি বাদ পৰি আছে। চৰকাৰে প্ৰপোজেল কেন্দ্ৰীয় চৰকাৰলৈ পঠিয়াইছে। এইটো ভাল কথা। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, মই কেতিয়াবা ভাবি থাকো এই কাউঞ্চিলবোৰ যদি নহ'ল হেঁতেন উত্তৰ পূৰ্বাঞ্চলত লোকপ্ৰিয় গোপীনাথ বৰদলৈ দেৰে সংবিধানত যদি incorporate কৰি Sixth Schedule নানিলে হেঁতেন আৰু কাউঞ্চিলবোৰ যদি নহ'ল হেঁতেন অসমৰ আজিৰ জনজাতি সকলৰ অৱস্থা কি হ'ল হেঁতেন। Hills area ৰ জনজাতি সকলৰ অৱস্থা কি হ'ল হেঁতেন। মাননীয় অধ্যক্ষ মহোদয়, কেতিয়াবা আপুনি এনেকৈ ভাবি চাওঁক যদি ভাৰতবৰ্ষ ব্ৰিটিছৰ আমোলৰ পৰা স্বাধীন নহ'ল হেঁতেন আমি আজি কেনেকুৰা এখন দেশত বসবাস কৰিলো হেঁতেন বা এনেকৈ যদি চাওঁ ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ডাঙৰীয়াই যদি অসমক বাংলাদেশৰ লগত চামিল হোৱাত বাধা নিদিলে হয়, আজি অসম যদি বাংলাদেশৰ পাৰ্ট হ'ল হেঁতেন আমি আজি ইয়াত কেনেকুৰা এটা অৱস্থাত থাকিলে হেতেঁন। যদি ব্ৰিটিছ্‌ৰ আমোলৰ অধীনত এতিয়াও কলনী হিচাপে থাকিলো হেঁতেন আমি আমাৰ ৰাষ্ট্ৰীয় সংগীত 'জন গণ মন' আমি গালো হেঁতেন নে?

যদি বাংলাদেশৰ অধীনত থাকিলো হেঁতেন তেতিয়া আমি আমাৰ জাতীয় সংগীত 'অ' মোৰ আপোনাৰ দেশ' অফিচিয়েলী বজালো হেঁতেন নে? মাননীয় অধ্যক্ষ মহোদয়, সেই কাৰণে মই কেতিয়াবা ভাবি থাকো মোৰ এই ভূৰন পেগু নামতো ভূৰন পেগু হৈ থাকিল হেঁতেন নে? ভূৰন উদ্দিন পেগু হ'ল হেঁতেন।

**শ্ৰী অখিল গগৈ, বিধায়ক, শিৱসাগৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো বেলেগ ফালে যোৱা নাই জানো। ক'ৰ পৰা গৈ হিন্দু-মুছলমান উলিয়াইছেগৈ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক। আপুনি আপোনাৰ সময়ত ক'লেই হ'ল।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিধায়ক, নাজিৰা সমষ্টি ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা প্ৰস্তাৱ ল'লেও ভাল হ'ব। দেশ স্বাধীন হোৱাৰ পিছত ইমানখিনি ভাল কথা হৈছে গতিকে স্বাধীনতা সংগ্ৰামী সকলক ধন্যবাদ দি এইটোও লগত add কৰি দিব চাৰ।

**শ্ৰী ভূৰন পেগু, বিধায়ক, (জোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেতিয়াবা সেইকাৰণে মই ভাবি থাকো আমাৰ যে নামবোৰ আমাৰ আইডেনটিটি। কোনো জাৰ্মান মানুহ এজনৰ নাম আপুনি বিশ্বজিৎ নাপায়, কোনো ইউৰোপিয়ান ডেনমাৰ্কৰ মানুহ এজনৰ নাম ভূৰন নাপায় বা আফ্ৰিকাৰ এজন মানুহৰ নাম মানৱ ডেকা বুলি নাপাব। চাইনীজ মানুহ এজনৰ নামটো বেলেগ হ'ব। সেইকাৰণে নামতো আমাৰ আইডেনটিটি হয়। সেইকাৰণে কেতিয়াবা মই ভাবি থাকো যদি ব্ৰিটিছৰ আমোলত আমি থাকিলো হেঁতেন, বা ইষ্ট পাকিস্তান যেতিয়া কাট আউট যেতিয়া কৰা হ'ল তেতিয়া অসম বা উত্তৰ পূৰ্বাঞ্চল যদি বাংলাদেশত সোমাই গ'ল হেঁতেন আমাৰ নিচিনা সৰু সৰু জাতি-জনগোষ্ঠী সমূহৰ আজি কেনেকুৱা এটা চিটুৱেশ্যন হ'ল হেঁতেন। আমাৰ এক-ডেৰলাখ দেউৰী মানুহো আছে। এইবিলাক নাইকিয়া হৈ গ'ল হেঁতেন। এই কথাবোৰ যেতিয়া ভাবো, এই যে সংবিধানৰ সৃষ্টিকৰ্তা বি.আৰ. আম্বেদকাৰ, ভাৰত ৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ডাঙৰীয়াই কথাটো গভীৰতাৰে ভাবি-মেলি এই Sixth Schedule টো আনিলে। মই কেতিয়াবা ভাবি থাকো মোৰ ভূৰন নামতো মিচিং শব্দ নহয়। I lost my identity in my name. ৰণোজ পেগু শব্দটোৰ পেগুটো মিচিং। we lost our identity with our name. মই কেতিয়াবা যদি চাওঁ আপোনাৰ নামৰ বিশ্বজিৎ শব্দটো বড়ো ভাষাৰ ভিতৰত আছে নে নাই। আপোনাৰ নামতো লোৱাৰ বাবে আপুনি বেয়া নাপাব। মই সেইকাৰণে আমাৰ এজন ব্ৰিটিছ writer ৰ কথাখিনি ক'ব বিচাৰিছো। The most accepting ways to destroy the people is to deny and oblit-erate their understanding of their history তাৰমানে Language is a key part of a history and identity, when indigenous languages are lost due to assimilation or lack of institutional support and entire way of understanding the old is erased...... Many indigenous languages are endangered today and effort to revive them are cucial for preserving history and identity. When a peoples understanding of their past is denied and destoryed. আমাৰ ভাষাতো যদি নাইকিয়া হৈ যায় আৰু আমি পৃথিৱীখন চোৱা দৃষ্টিভংগীৰে আমাৰ জনগোষ্ঠীটো নাইকিয়া হৈ যাব। It weaken their ability to assert their rights and presereved their culture and past down their tradition to future gereration. এতিয়া এই কথাষাৰ যদি আমি ভাবো তেতিয়াহ'লে এই কাউঞ্চিলবোৰ কিমান দৰকাৰী। আজি মই ৰাজহুৱা ভাৱে অসমৰ খিলঞ্জীয়া মানুহৰ হৈ আৰু

অসমৰ ভূমিপুত্ৰ জনজাতি সকলৰ হৈ এইখন চৰকাৰক ধন্যবাদ জনাব বিচাৰিছো যে আমাৰ মাতৃভাষাটোক প্ৰথম বাৰৰ বাবে এইবছৰৰ এপ্ৰিল মাহৰ পৰা স্কুল সমূহত ইয়াৰ পাঠদান আৰম্ভ হ'ব। সাধাৰণতে ই সংবিধানৰ অংশ হ'ব লাগিছিল, কিন্তু আমি বহু ঠাইত এইবিষয়ে যুদ্ধ কৰিব লগীয়া হ'ল। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ ৭৫ বছৰৰ পিছত প্ৰথম বাৰৰ বাবে এই মিছিং ভাষাতো স্কুলত প্ৰচলন হ'ব। মই ভাবো যদি ৭৫ বছৰ আগতেই এই ভাষাতো স্কুলত প্ৰচলন হ'ল হেঁতেন তেতিয়াহ'লে আজি মোৰ নামটো ভূৱন নহৈ বেলেগ হ'ল হেঁতেন। মাননীয় অধ্যক্ষ মহোদয়, মিচিং মানুহৰ নাম চন্দন পেগু আছে, চন্দ্ৰ দলে আৰু সূৰ্য্য কুটুম বা সূৰ্য্য পেগু আছে। চন্দ্ৰ মানে Moon আৰু সূৰ্য্য মানে আমাৰ মিচিং ভাষাত দোৰনী। গতিকে সূৰ্য্য নিদি দোৰনী পেগু দিলে কি লোকচান হ'ল হেঁতেন। চন্দ্ৰ মানে আমাৰ মিচিং ভাষাত পৌৰ, গতিকে পৌৰ কুটুম দিলে, কি লোকচান হ'ল হেঁতেন। We have our language, our identity. আমাৰ ভাষাতোক সুৰক্ষিত কৰাৰ বাবে আমি নিজে যুঁজিব লগীয়া হ'ল। স্বায়ত্ব পৰিষদ বিচাৰিব লগীয়া হ'ল। সংবিধানত আছিল কিন্তু আমাক নিদিলে। মোৰ বিষয়টো যিহেতু আহোম বুৰঞ্জী আছিল সেয়েহে মই ভাবো প্ৰকৃত আহোম সকলে যেতিয়া অসমত ৰাজত্ব আৰম্ভ কৰিছিল তেওঁলোকৰ নামবোৰ কেনেকুৰা আছিল। নামবোৰ যদি চাওঁ চুকাফা, চুতেইফা, চুবিনফা, চুদাংফা, চুকলংমুং আদি। এতিয়া এইবোৰ গৈ অখিল হ'ল। যদি কিবা কাৰণত বাংলাদেশৰ লগত সোমাই গ'ল হয় তেতিয়া অখিল উদ্দিন হৈ গ'ল হেঁতেন। How complicated history is, how the people lost our identity? মই ভাবো এই কাউঞ্চিল সমূহক যিমান পাৰে শক্তিশালী কৰাতো এইকাৰণেই প্ৰয়োজন যে কাউঞ্চিলক বহুতেই ভাৱে যে এইটো কিবা ৰাস্তা বনোৱা, উন্নয়নৰ কিবা এজেণ্ডা এটা লোৱাৰ কাউঞ্চিলৰ পৰা পইচাটো কেনেকৈ খৰছ হৈছে কেৱল এইটোক লৈ development agenda ক লৈ চালে নহ'ব। It should be viewed as a instrument, a tool to preserve one's language one's identity, one's faith, আমাৰ identity আমাৰ সংস্কৃতি ৰক্ষা কৰাৰ বাবে এটা ৰক্ষা কৱচ হিচাপে দিব লাগে। এইটোক ৰক্ষা কৱচ হিচাপে এইকাৰণেই ধৰিব লাগে বাবে ইয়াক যিমান পাৰে শক্তিশালী কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, আপুনি এটা বস্তু চাব যে মই যদি আজি যিকোনো এগৰাকী সদস্যক সোধো যে ভূৱন পেগু কোন হয়, তেতিয়া যে এজন মিছিং মানুহ বুলি ক'ব। মিৰি মানুহ বুলি নকয়। কিন্তু আজিও সংবিধানত চিডিউল ট্ৰাইব লিষ্টত মিছিং শব্দ নাই, মিৰি বুলি আছে। মই অসম চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিম যে এই ৭৫ বছৰত আজিৰ পৰা ২ বছৰ আগত এইখন চৰকাৰে প্ৰথমবাৰ মিৰি সংশোধন কৰি মিছিং কৰিব লাগে বুলি প্ৰপোজেল কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিছে আৰু এতিয়া সংশোধনী প্ৰক্ৰিয়াত আছে। আগৰ চৰকাৰত আমাক identity দিয়াৰ কাৰণে কিয় চেষ্টা নকৰিলে। এই কথাবোৰ কিয় চিন্তা নকৰিলে। এতিয়া কোনোবাই যদি মিছিং মানুহ এজনক মিৰি বুলি কয় গাত নালাগিব নে? কিন্তু সংবিধানত মিৰি বুলিয়েই আছে। সেইকাৰণে আজি মই এটা consensus সিদ্ধান্ত হোৱাতো বিচাৰিছো আৰু আপোনাৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰলৈ বা parliament লৈ এটা আপীল যাব লাগে যে মিৰি শব্দটো সংশোধনী আনি মিচিং এইবছৰৰ ভিতৰতে কৰিব লাগে বুলি বিধান সভাৰ পৰা এটা petition যোৱাটো বিচাৰিছো। মই এই কাৰণেই কৈছো যে এই নামবোৰ আমাৰ identify হয়, culture, faith is our identity. If we lose our faith we lose our identity আৰু লাহে লাহে আমি নাইকীয়া হৈ যাম। অধ্যক্ষ মহোদয়, আজি যিখিনি সংশোধনী আনিছে council ক শক্তিশালী মই ভাৱো যে এই খিনি আৰু

strengthen করাৰ কাৰণে এই council সমূহকো Sixth Scheduleৰ অধীনত সোনকালে অনাতো দৰকাৰ বুলি মোৰ ফালৰ পৰা আপীল জনাই মই সংশোধনীৰ পক্ষত বক্তব্য ৰাখি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আব্দুৰ ৰছিদ মণ্ডল।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, পশ্চিম গোৱালপাৰা ঃ** ধন্যবাদ, অধ্যক্ষ ডাঙৰীয়া। বন্ধুবৰ ভূৱন পেগু ডাঙৰীয়াই গুৰুত্বপূৰ্ণ কথাবিলাক কৈছে। কিন্তু মই ভাৱো অপ্ৰাসংগিক। তেওঁ নিজেই contra-dict কৰিছে। তেওঁ council শক্তিশালী কৰাৰ কথা কৈছে কিন্তু মই ব্যক্তিগত ভাৱে অনুভৱ কৰো যে চৰকাৰে coouncil বোৰক দূৰ্বল কৰাৰ কাৰণেহে amendment আনিছে। পেগু ডাঙৰীয়াই যিমানখিনি চৰকাৰক প্ৰশংসা কৰিলে আৰু যিমান খিনি সপক্ষে কৈ আছিল, মই ভাৱিছিলো যে ভূৱন পেগু ডাঙৰীয়াই ক'ব যে এই amendment টো আনিব নালাগিছিল। Council গঠনৰ মূল উদ্দেশ্য আছিল জনজাতীয় ৰাইজক ক্ষমতা প্ৰদান কৰা, ক্ষমতাৰ বিকেন্দ্ৰীকৰণ, council ৰ মানুহে নিজৰ পৰিকল্পনা নিজে কৰাৰ অধিকাৰ, coucil area ৰ মানুহক ক্ষমতা দিব দিয়া, community leader বোৰক প্ৰশাসনত ভাগ ল'বলৈ সুবিধা দিয়া আৰু তেওঁলোকৰ অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক বিকাশৰ কথাবোৰ চিন্তা কৰাৰ সুযোগ দিয়া ইত্যাদি। ১৯৯৫ চনত এই council বোৰ দিয়া হয় যদিও পৰৱৰ্তী সময়ত আৰু বহু council দিয়া হয়। Autonomous sixth schedule area ৰ ৭টা statutory council আছিল। এই ৭টা council ৰ উপৰিও ৩৩-৩৫টা মান development council অসমত হৈছে। এই council এৰিয়াৰ জনসাধাৰণক অধিক ক্ষমতা দিয়া, council উন্নয়ণৰ পৰিকল্পনা তেওঁলোকৰ দ্বাৰা কৰাৰ অধিকাৰ কেতিয়াৰ পৰা আৰম্ভ হৈছে এই কথাবোৰ অতি গুৰুত্বপূৰ্ণ। কিন্তু আজিৰ বিষয়টো মই ভাৱো অপ্ৰাশসংগিক আছিল। ইয়াত প্ৰত্যেকটো amendment ত চৰকাৰে কি কৈছে- যি পিৰিয়ডৰ বাবে এই council গঠন কৰা হৈছিল তেওঁলোকৰ teneur শেষ হোৱাৰ পিছত ৰাজ্যপালে further extension নিদিয়ে। ১৯৯৫ ৰ original act বোৰত ১ বছৰলৈ extension কৰাৰ কথা আছিল কিন্তু ইয়াত কোনো ধৰণৰ extension দিয়া নহয় বুলি কোৱা হৈছে। ইয়াত Presidential Rule য়েই এটা system বুলি কোৱা হৈছে। চৰকাৰে কাৰোবাৰ executive officer দি এই সমিতি চলাব । অৰ্থাৎ ইয়াত Presidential Rule, Gov-ernor Rule বোৰ থাকিব। Eleected member বোৰ নাথাকিব। পেগু ডাঙৰীয়াৰ কথাকেই যদি কওঁ ক্ষমতা চৰকাৰে curtail হে কৰিলে, curtail কৰাৰ বাবেহে চৰকাৰে এই সুবিধা বিলাক দিছে। যাৰ ববে প্ৰত্যেকখন বিলত amendment আনিছে যে কোনো ধৰণৰ এনেকুৱা কাম নহ'ব, মাত্ৰ ছমাহৰ বাবে council বিলাক extention দিয়া হওঁক যদিহে পৰিৱেশ - পৰিস্থিতি নিৰ্বাচনৰ বাবে উপযোগী নহয় । কাৰণ নিৰ্বাচন পাতিলেহে ক্ষমতাকাৰী empower-ment, power ৰ decent raise হ'ব। চৰকাৰে যি জনগোষ্ঠী সমূহৰ কথা বেছিকৈ কৈ আছে, সেই জনগোষ্ঠী সমূহৰ ক্ষমতা কৰ্তন কৰাৰ বাবে যি বিল আনিছে সেই গোটেইকেইখন বিলৰ বিৰোধিতা কৰি আমি amendment আনিছো যে কোনো ধৰণৰ ad-hoc committee আহিব নোৱাৰে, elected committee আহিব। যদিহে পৰিৱেশ-পৰিস্থিতি নিৰ্বাচনৰ বাবে সঠিক নহয়, ছমাহৰ বাবে extention দিব পাৰে। এতিয়া council ৰ ক্ষেত্ৰত দেখা পাইছো সমষ্টি সৃষ্টিৰ পৰিকল্পনা কৰা আছে। বাকী council ৰ ক্ষেত্ৰত সমষ্টি একেই ৰাখিছে। তিৱা council ৰ ক্ষেত্ৰত সমষ্টি আগত আছিল ৩০ টা আৰু এতিয়া চৰকাৰে ৪২ টাৰ কথা কৈছে।

গতিকে ইয়াৰ আমি অলপ সংশোধন বিচাৰিছো যে original act ত আছিল 26 elected + 4 nominated = 30 আৰু চৰকাৰে amendment আনিছে যে 38 elected + 4 nominated = 42 কিন্তু আমি ক'ব বিচাৰিছো যে এইটো নহয়, মুঠ 43 হওঁক। তাৰ ভিতৰত 37 elected + 5 nominated = 42 **হওঁক** ।

The word "forty two" shall be substituted by "forty three" and the word "thirty eight" shall be substituted by "thirty seven" আৰু reservation ৰ যিটো 6 আছিল সেইটো 13 হ'ব লাগে। 13 এই কাৰণে কৈছে everage 30% reservation for the women. 43 ত 30% women reservation হ'লে 13 আহে। আৰু এটা কথা ক'ব বিচাৰিছো যে যিবিলাক সমষ্টি আছে General council ৰ constituency ও ৪৩ আহিব। প্ৰত্যেক খন council ত ১০ খনকৈ village council থাকক। আমাৰ যেনেকৈ এটা পঞ্চায়ত সমষ্টিত ১০ জনকৈ ward member অহাৰ পিছতহে এটা পঞ্চায়ত হয় , ঠিক তেনেদৰে প্ৰত্যেকটো council ৰ সমষ্টিবোৰত ১০ জনকৈ village council থাকক, চৰকাৰী amendment ত যিটো বস্তু নাই। গতিকে এই গোটেইখিনি amendment আমি ডাঙি ধৰিছো। মই ভাৱো যে ভূৱন পেগু ডাঙৰীয়াই ১৯৯৫ চনত যিসকল ব্যক্তিয়ে tribal মানুহৰ কথা চিন্তা কৰি, council area ৰ মানুহৰ কথা চিন্তা কৰি এই council জন্ম দিছিল অসমত সেইটো প্ৰমাণ কৰিব লাগে বুলি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**শ্ৰী ভূৱন পেগু, জোনাই ঃ** মই ধন্যবাদ নিদিওঁ, কাৰণ আমাৰ তিনিজন মানুহক সেই সময়ৰ কংগ্ৰেছ চৰকাৰে গুলিয়াই মাৰিছিল এইটো বিচৰাৰ কাৰণে।

**মাননীয় অধ্যক্ষ ঃ** Please Hon'ble Member, Rafiqul Islam.

**ড° ৰফিকুল ইছলাম, জনীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে কথাখিনি আহিছেই। ক'ব লগা একো নাই। এই autonomous council খিনি যেতিয়া নিৰ্বাচিত council হ'ব, সময় উকলি গ'লে যিটো কথা আহিছে পুনৰ বাৰ কোৱাৰ প্ৰয়োজন নাই। ইয়াত যদি কিবা বিশেষ কাৰণত সময় পাৰ হৈ যায়, ৰাজ্যপালৰ পৰা হয়তো পিছলৈ অনুমতি লৈ সেইটো extend কৰি থাকিলে council বিলাকে সুবিধাহে লৈ থাকিব। নিৰ্বাচনৰ এটা পৰিৱেশ নহ'ব। পঞ্চায়তত যেনেকৈ এই বাৰ হৈছে । এক বছৰ পাৰ হৈ গ'ল । আৰু বা কিমান দিন যায়। সেইকাৰণে এইটো এটা definite কথা এটা হ'ব লাগে। পেগু ডাঙৰীয়াৰ কথাৰ লগত মই আংশিক ভাবে একমত হৈ দুটা কথা কৈ শেষ কৰিম। তেখেতে যিটো আক্ষেপ কৰিছে যে এই council বিলাক বহুত দিনৰ পিছত বনাব লগা হৈছে । সিদিনা মাত্ৰ BTAD ৰ Autonomous council হ'ল। ইয়াৰ আগত আমাৰ কাৰ্বি বা ডিমা হাচাওত আছিল। বাকী অসমত যি আমাৰ ব্ৰহ্মপুত্ৰ ভেলি বা ভেলি বিলাকত যি ভূমিপুত্ৰ আছে সেই সকল কিন্তু এইবিলাক সা-সুবিধাৰ পৰা বঞ্চিত হৈ আছিল। দেৰিকৈ হ'লেও এতিয়া Autonomous council বিলাক হৈছে। কিন্তু council বিলাক শক্তিশালী হ'লেহে এই মানুহখিনিয়ে অধিকাৰ পাব। তেখেতে এটা কথা আক্ষেপ কৰি কৈছে যে আজি আমি অ' মোৰ আপোনাৰ দেশ - এই গীতবোৰ গাব পাৰিলো নে নাই, বা সংকোচ থাকিলে হেতেঁন বংগ বা পাকিস্থানৰ লগত। আজি এই সদনৰ পৰা নিশ্চিত ভাৱে আমি ধন্যবাদ দিব লাগে সেই মহাপুৰুষ ব্যক্তি সকলক, আব্দুল মতলিব মজুমদাৰ আৰু তেখেতৰ লগত থকা বহু কেইজন মুছলিম বিধায়ক পাকিস্তানৰ লগত যাব পাৰিলে হেতেন। কিন্তু বিৰোধিতা কৰি তেওঁলোকে কৈছিল

আমি পাকিস্তানৰ লগত নাযাও। আমি ভাৰতীয়, ভাৰতত থাকিম, অসম ভাৰতৰ লগত ৰাখিম। আব্দুল মতলিব মজুমদাৰ আৰু তেখেতৰ সংগী যিসকল মুছলিম বুলিলেই কোনোবাই ভাৱে পাকিস্তানত যাব। কিন্তু যোৱা নাছিল। সেইদিনাখন তেখেতে পাকিস্তানৰ বিৰুদ্ধে ভোট দান কৰিছিল। আজি অসম অংগ ভাৰতৰ হৈ থাকিব লাগে বুলি তেখেত সকলে ভোটদান কৰাৰ কাৰণে হয়তো আজি অসম ভাৰতৰ অংগ হৈ আছে। সেইসকল মহাপুৰুষক আমি ইয়াৰ পৰা ্শ্ৰদ্ধা সহকাৰে আজি স্মৰণ কৰিছো,আৰু এই ভূমিপুত্ৰ সকল, যিসকলে বিভিন্নAutonomous Council ৰ জৰিয়তে তেখেত সকলক দেৰি কৰি হলেওঁ এই বিলাক কাউঞ্চিল দিয়া হৈছে। যাতে শক্তি-শালী হৈ থাকে। কোনোপধ্যেই বা কোনো বিল বা এনেকুৱা ধৰণৰ সংযোজন কৰি যাতে কাউঞ্চিল বিলাক দুৰ্বল কৰা নহয়, এইখিনিয়ে মোৰ বক্তব্য ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া শ্ৰীজিৰন বসুমতাৰী, তেখেত নাই, শ্ৰীচৰন বড়ো তেখেত নাই, শ্ৰীগোবিন্দ চন্দ্ৰ বসুমতাৰী।

**শ্ৰীগোবিন্দ চন্দ্ৰ বসুমতাৰী, বিধায়ক (ওদালগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি অসমৰ যি ৭ টা Autonomous Council আছে, সেই সম্পৰ্কত নতুনকৈ বিল সংশোধন কৰিবৰ কাৰণে যি প্ৰস্তাৱ আনিছে, তাৰ ওপৰত ভিত্তি কৰি মই ক'ব বিচাৰিছো যে বৰ্তমান অসমত বিশেষকৈ অসমৰ ভুমি পুত্ৰ সকলৰ পদক্ষেপৰ কাৰণে বিভিন্ন সময়ত ১৯৯৫ চনৰ পৰা আৰম্ভ হৈ ২০২০ লৈকে Autonomous Stateship Council গঠন কৰা হ'ল আৰু এইখিনি পাবৰ কাৰণে আমাৰ জনজাতিৰ লোক সকলে বহুতো সংগ্ৰাম কৰিব লগা হৈছিল আৰু বহুতো শ্বহীদ হ'ল আৰু বহুতৰ তেজৰ বিনিময়ত এইখিনি কাউঞ্চিল পাবলৈ সমৰ্থ হৈছে। গতিকে এই কাউঞ্চিল সমূহ দাবী কৰাৰ আৰতে আছিল ভূমি সুৰক্ষিত কৰি ৰখা, নিজৰ ভাষা, সংস্কৃতি আৰু স্বকীয় বৈশিষ্টৰে জীয়াই থকাৰ অধিকাৰ, লগতে আৰ্থ সামাজিক ক্ষেত্ৰত এটা স্বতন্ত্ৰবীয় ব্যৱস্থা লাভ কৰি জীয়াই থকা এটা ব্যৱস্থা, এইখিনি দাবী কৰি আচলতে সংগ্ৰামখন কৰা হৈছিল। বহু সংগ্ৰাম কৰাৰ বিনিময়ত বিভিন্ন জাতি জনগোষ্ঠীয়ে বিশেষকৈ মিচিং Autonomous Council, তিৱা Autonomous Council, দেউৰীAutonomous Council, ৰাভা হাছং Autonomous Council আৰু তেনেকুৱা বিভিন্ন Autonomous Council পোৱা গ'ল। তাৰ পিছত শেহতীয়াকৈ ২০২০ চনত যি চুক্তি কৰা হ'ল। সেই চুক্তিৰ বিনিময়ত বড়ো সকলৰ কাৰণে আন এটা Autonomous Council লাভ কৰা হৈছে। সেইটোৱেই হ'ল বড়ো কছাৰী গোৱালপাৰা Autonomous Council আৰু বিশেষকৈ বড়ো সকলৰ কাৰণে ইতিমধ্যে BTC Council থকাৰ স্বত্তেও ভাৰত চৰকাৰ আৰু অসম চৰকাৰে এই জনগোষ্ঠীৰ ওপৰত যথেষ্ট সদয় দেখুৱাই আৰু এটা Autonomous Council দিলে। সেই কাৰণে মই ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ বিশেষকৈ সেই সময়ৰ ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াক আৰু সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী সৰ্ব্বানন্দ সোনোৱালৰ লগতে বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক ধন্যবাদ দিছো, তেখেত সকলে বড়ো জনগোষ্ঠীক ইমান আশীৰ্বাদ কৰাৰ কাৰণে, ইমান অনুগ্ৰহ কৰাৰ কাৰণে। গতিকে কাউঞ্চিল সমূহ পৰিচালনা কৰাৰ ক্ষেত্ৰত যিখিনি আইন সংশোধন কৰিব বিচাৰিছে তাৰ প্ৰতি আমি সমৰ্থন জনাম। ইয়াৰ ক্ষেত্ৰত ওপৰোক্ত বক্তা সকলে অলপ সন্দেহ প্ৰকাশ কৰিছে যে যদি সংশোধন কৰি কাউঞ্চিলৰ সময়সীমা পাৰ হোৱাৰ পিছত কিবা বিশেষ কাৰণত যদি নিৰ্বাচন পাতিব পৰা নাযায়, তেতিয়া হ'লে ৰাজ্যপালে পৰিচালনা কৰিব, এই যিটো ব্যৱস্থা সংশোধন কৰিবৰ কাৰণে আনিছে। এইটো ঠিকে আছে, কিন্তু ইয়াতে এটা কথা মন কৰিব লগীয়া হ'ল যে যিহেতু

কাউঞ্চিল সমূহ গণতান্ত্রিক প্রক্রিয়াৰে এটা অংশ হয় আৰু ভাৰত যিহেতু গণতান্ত্রিক দেশ আৰু ইয়াত প্রতি ৫ বছৰৰ মূৰত নির্বাচনৰ জৰিয়তে চৰকাৰ গঠন কৰা হয়। কাউঞ্চিলখনো তেনেকে নির্বাচিত চৰকাৰ হোৱাটো উচিত। সেই কাৰণে যদি কিবা কাৰণত বিশেষ অসুবিধাৰ কাৰণে বা কিবা বিশেষ পৰিস্থিতিৰ কাৰণে চৰকাৰৰ term শেষ হ'লেওঁ যদি নির্বাচন পাতিব পৰা নাই, তেতিয়া হ'লে ইয়াৰ ৰাজ্যপালৰ ওপৰত ক্ষমতা দিয়াৰ যিটো ব্যৱস্থা সেইটো যাতে এটা বিশেষ সীমাৰ ভিতৰত যদি আৱদ্ধ কৰি ৰাখে যে ধৰক ৬মাহ বা ৩ মাহ, সেই খিনি কিয় extension কৰে । তাৰ পিছত নির্বাচন কৰা ব্যৱস্থাখিনি ৰাখিব পাৰিলে ভাল হ'ব বুলি মোৰ তৰফৰ পৰা মতামত দিছো। মোৰ আৰু এটা অনুৰোধ যে বিশেষকৈ চৰকাৰৰ ওচৰত বড়ো কছাৰী Autonomous Council ৰ এতিয়াওঁ আমাৰ সমষ্টি গঠন কৰা হোৱা নাই,নির্বাচন হোৱা নাই, এই ব্যৱস্থাটো অসম চৰকাৰে যাতে অতি সোনকালে লয়। কাৰণ নির্বাচন সকলোৰে কাৰণে যিখিনি প্রক্রিয়া লাগে, প্রাৰম্ভিক প্রক্রিয়া যেনে সমষ্টি গঠন আৰু নির্বাচন এই দুটা যদি সম্পূর্ণ কৰা নাযায় তেতিয়া হ'লে Autonomous Council দিয়াৰ পিছতো আমাৰ BTC ৰ বাহিৰৰ যিখিনি বড়ো জনগোষ্ঠী আছে তেওঁলোকৰ অধিকাৰ যিখিনি দিছে । আচলতে যদি সেইখিনি তেওঁলোকে ঠিক মতে কৰা সক্ষম হয় সেই কাৰণে মোৰ অনুৰোধ যাতে অসম চৰকাৰে এই ব্যৱস্থাখিনি অতি সোনকালে কৰে। এইখিনি কৈ মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, শ্রী ৰমাকান্ত দেউৰী।

**শ্রী ৰমাকান্ত দেউৰী, (মৰিগাওঁ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি মিচিং, বড়ো কছাৰী, ঠেঙাল কছাৰী, দেউৰী, সোনোৱাল কছাৰী, ৰাভা আৰু তিৱা Autonomous Council ৰ এটা সংশোধনী প্রস্তাৱ আহিছে। এই সংশোধনীৰ প্রস্তাৱত আমাৰ বিভিন্ন সন্মানীয় বিধায়ক সকলে নিজৰ মন্তব্য আগবঢ়াইছে। কিন্তু যেতিয়া Autonomous Council হ'ল, কেইবাৰ মান amendment হৈছিল। আমাৰ তিৱা Council টো, লালুং তিৱা Autonomous Council আছিল। তাৰু তাৰ পিছত তিৱা Autonomous Council হ'ল। এতিয়া সময়ে সময়ে amendment ৰ প্রয়োজন আছে। এই কাৰণে আছে মই এটা উদাহৰণ দিওঁ, এতিয়া যিটো কাৰণে সংশোধনী আনিছে যে Autonomous Council ৰ নির্বাচনৰ পিছত কাক নেতৃত্ব দিয়া হ'ব আৰু Autonomous Council ত যেতিয়া নির্বাচন হ'ব, নির্বাচনৰ পিছত তাৰ দায়িত্বভাৰ কাক দিব? এই কথাটোৰ স্পষ্টভাৱে amendment বিচাৰিছিল, যে ৰাজ্যপালে এইটো চলাব নে ৰাজ্যপালৰ অনুমোদন থাকিব। তেনেহ'লে কাক দিব, কোনোবা কর্তৃপক্ষ লাগিব ৬ মাহৰ কাৰণে extension কৰিব লগা হ'লে ডি চি ক দিব লাগিব। ডি.চি. ৰ বাহিৰে জিলাৰ কর্তৃত্ব কাৰো হ'ব নোৱাৰে, গতিকে এইখন amendment সময়ত লাগে। আৰু এইখন শুদ্ধ, মই সমর্থন জনাইছো, এই amendment খন কিয়? কাৰণ সময়ে সময়ে Autonomous Council খন মাজে মাজে ভংগ হৈ থাকে। এতিয়া কাক চলাব সেই বিষয়ে এই amendment খনত নির্দিষ্টকৈ নাই। গতিকে ইয়াতে নির্দিষ্ট ভাবে লিপিবদ্ধ কৰিবৰ কাৰণে এইটো amendment অনা হৈছে। মই ভাবো এই amendment টো শুদ্ধ আৰু এতিয়া নতুনকৈ যেতিয়া সমষ্টিবিলাক বাঢ়িছে, সমষ্টিবিলাক বাঢ়িলে কাৰণ সদনটো amendment হ'ব লাগিব। সদনে অনুমোদন জনাব লাগিব। গতিকে তিৱা স্বায়ত্ত শাসিত পৰিষদত আগতে আছিল ৩৬ টা , এতিয়া দুটা বাঢ়িল ৩৮ টা হ'ল। গতিকে সেই ৩৮ টা amendment হ'ব লাগিব। গতিকে মই সেই amendment টো শুদ্ধ বুলি বিবেচনা কৰিছো। এতিয়া এই

কাউঞ্চিল সমূহৰ বিস্তৃত ব্যাখ্যা এটা পেগু ডাঙৰীয়াই দাঙি ধৰিলে। এই জনজাতি সকলৰ ভৱিষ্যৎ কি হ'ব? এই কাউঞ্চিল সমূহৰ কাইলৈ হয়তো চৰকাৰে এই কাউঞ্চিল কেইখনক ভাঙি দিব পাৰে। কিয় ভাঙি দিব পাৰে, যিহেতু সাংবিধানিক মৰ্য্যদা নাই। সাংবিধানিক মৰ্য্যদা নোহোৱা কাউঞ্চিল সমূহৰ কি মৰ্য্যদা থাকিব, তাৰো এটা এই পবিত্ৰ সদনত এই জনগোষ্ঠী সমূহৰ কাৰণে এটা প্ৰস্তাৱ থাকিব লাগে যে চৰকাৰে কাউঞ্চিল দিলে, কি কাউঞ্চিল দিলে? কাউঞ্চিলখন কি? ইয়াত Autonomous Council দিলে? নামটো Autonomous স্বায়ত্ত শাসন স্ব ভাৱে আমি শাসন কৰিব পাওঁ, এতিয়াওঁ আমি স্ব ভাবে শাসন কৰিব পোৱা নাই, তাত নাই ভূমি অধিকাৰ, আচলটোৱেই নাই। আচলটোৱেই নাই আমাৰ। গতিকে এই কাৰণে আমি সময়ে সময়ে যি চৰকাৰ আহে, সেই চৰকাৰক আমি সদায় আপত্তি কৰো যে আমাক সাংবিধানিক ভাবে মৰ্য্যদা দিব লাগে যদি আমাৰ সাংবিধানিক ভাৱে মৰ্য্যদা নিদিয়ে, এই কাউঞ্চিল হয়টো এদিন তোমালোকৰ কাউঞ্চিল নাই যোৱা, তেতিয়া কি হ'ব? এই কাৰণেই এই ভূমিপুত্ৰ সকলক 6th Schedule ত অন্তৰ্ভুক্ত কৰিব লাগে আৰু ইয়াৰ বাবে সদনৰ প্ৰত্যেক জন সদস্যই সমৰ্থন জনাব লাগে। যেতিয়া আহোম সকলে ১২০০ খ্ৰীষ্টাব্দত অসমলৈ আহিছিল তাৰ ৫০০ বছৰ আগৰ পৰাই এই জনজাতি সকলে অসমত বাস কৰিছিল। গতিকে এই জনজাতিটোৰ অস্তিত্ব ৰক্ষাৰ বাবে আমাক সাংবিধানিক ৰক্ষা কবছ দিব লাগিব। তিৱা জনগোষ্ঠিয় লোক সকলে ভাৰতৰ স্বাধীনতা আন্দোলনত ফুলগুৰি ধেৱাত বৃটিছ সকলক হানি খুছি হত্যা কৰিছিল। তাৰ কাৰণে সেই তিৱা আন্দোলন কাৰী সকলক ফাচী দিয়া হৈছিল। এতিয়া কথাটো হল যে যি জনগোষ্ঠি অসমৰ ভূমি পুত্ৰ তেওঁলোকৰে যদি অস্তিত্ব নাথাকে তেতিয়া হলে এইখন কেনেকৈ অসম হব। সেইকাৰণে ড০ ভূপেন হাজৰিকাই কৈছিল যে অমি অসমীয়াই অসমতে ভগনীয়া হব লাগিব। গতিকে মই এটা অনুৰোধ কৰিছো যে যি কেইখন স্বায়ত্ব শাষিত পৰিষদ দিয়া হল সেইকেইখনক যাতে সংবিধানীক মৰ্য্যদা দিব লাগে। কোকৰাঝাৰত হোৱা অধিবেশনতো মই এই কথাটো উল্লেখ কৰিছিলো গতিকে আজিৰ এই প্ৰস্তাৱ টোক মই সমৰ্থন জনাইছো। বড়ো,তিৱা আৰু মিছিং ছাত্ৰ পৰিষদক এই আইন খন সংশোধন কৰি নিৰ্বাচীত সদস্যৰ সংখ্যা বৃদ্ধিৰ বাবে মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো

**माननीय अध्यक्ष ঃ** হব ধন্যবাদ।

**শ্ৰী ৰমাকান্ত দেউৰী, (মৰিগাঁও) ঃ** ভূমি পুত্ৰ সকলক সামাজিক,অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংবিধানিক অধিকাৰ প্ৰদান কৰাটো হৈছে চৰকাৰ এখনৰ মূল কৰ্তব্য কিন্তু আগৰ চৰকাৰ সমূহে বিশেষকৈ কংগ্ৰেছে এই ক্ষেত্ৰত ভূমি পুত্ৰ সকলক সামাজিক,অৰ্থনৈতিক,ৰাজনৈতিক আৰু সাংবিধানিক অধিকাৰৰ লগতে ন্যায়প্ৰাপ্তিৰ পৰা বঞ্চিত কৰি ৰাখিছিল। কিন্তু বৰ্তমানৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ চৰকাৰে এই ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিছে। তিৱা লোক সকলে মধ্য অসমৰ লগতে লক্ষিমপুৰকে আদি কৰি বিভিন্ন জিলাত বসবাস কৰি আছে। আগতে তিৱা সংগঠন মধ্য অসমতে সীমা বদ্ধ আছিল যাৰ ফলত অন্য ঠাইত বাস কৰা তিৱা লোক সকলে স্বায়ত্ব শাসিত পৰিষদৰ উন্নয়নৰ কাম কাজৰ পৰা বঞ্চিত হৈ আছিল। কিন্তু এই সংশোধনীৰ পিছত তিৱা লোক সকলে এই সা-সুবিধা খিনি পাইছিল।

**माननीय अध्यक्ष ঃ** হব আৰু বক্তা আছে।

**শ্ৰী ৰমাকন্ত দেউৰী, বিধায়ক ঃ** ধন্যবাদ।

**माननीय अध्यक्ष ঃ** এতিয়া শ্ৰী যাদব স্বৰ্গীয়াৰী ।

**শ্ৰী যাদব স্বৰ্গীয়াৰী, (দুধনৈ) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া আজি ইয়াত অনা ৭ খন পৰিষদৰ যি

সংশোধনী ইয়াত অনা হৈছে বিশেষকৈ বড়ো কছাৰী,মিছিং, ঠেঙাল কছাৰী,দেউৰী, সোণোৱাল কছাৰী, ৰাভা হাছং আৰু তিৱা স্বায়ত্ব শাসিত পৰিষদ। এই সংশোধনীৰ জৰিয়তে জনজাতীয় লোক সকলৰ আশা আকাংক্ষা নোহোৱা কৰাহে হব। কাৰণ এই স্বায়ত্ব পৰিষদ বিলাকৰ জন্ম এনেই হোৱা নাছিল। তেওঁলোকৰ ভাষা, সংস্কৃতি, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সংবিধানিক অধিকাৰ সুৰক্ষাৰ বাবে আন্দোলনৰ ফলত চৰকাৰে এই স্বায়ত্ব শাসিত পৰিষদ বিলাক দিছিল। আমি এই পৰিষদ বিলাকক অধিক ক্ষমতা দিয়াটো বিচাৰিছো কাৰণ ক্ষমতা বৃদ্ধি হলে হে ইয়াৰ অধীনস্থ মানুহ বিলাকৰ উন্নয়ন হব। যোৱা ২০২৪ চনত হোৱা অসম বিধান সভাৰ অধিবেশনতে আমাৰ যিবোৰ সাধাৰণ পৰিষদ আৰু গাওঁ পৰিষদ আছিল সেই ব্যবস্থাটো এই আইনখন সংশোধন কৰি বাতিল কৰা হৈছিল। এই পৰিষদ বিলাক আইন মতে নিৰ্দিষ্ট সময় সীমা পাৰ হোৱাৰ পিছত এবছৰহে মাত্ৰ কাৰ্য্য কাল বৃদ্ধি কৰিব পাৰে। কিন্তু সংশোধনীত এইটো উল্লেখ কৰিছে যে নিদিষ্ট সময় অতিক্ৰম কৰাৰ পিছত Appoint Such person (s) for interim committee or any authority। ইয়াৰ অৰ্থ হ'ল যে নিৰ্দিষ্ট সময় যোৱাৰ পিছত যদি নিৰ্বাচন পাতিব পৰা নাযায় তেতিয়া চৰকাৰে নিজৰ পছন্দ মতে মানে interim council ৰ জৰিয়তে পৰিষদ বিলাক চলোৱাৰ যি সংশোধনী আনিছে ই জনগোষ্ঠীয় লোক সকলৰ যি পৰিষদ আছে তাৰ ক্ষমতা কমোৱাহে হব। মই ভাৱো যে এই পৰিষদৰ মূল যি আইন আছে সেই ব্যৱস্থাটো বাতিল কৰি অকল ৬ মাহ সময় দিয়াৰ পিছত নিৰ্বাচন পাতিব লাগে ঠিক তেনেকৈ ৰাভা হাছং শাসিত শাষিত পৰিষদ ১৯৯৫ চনৰ পৰা বৰ্তমানলৈকে দুটা কাৰ্য্যকাল ধৰি চলি আছে। ২০২৪ চনৰ ফ্ৰেব্ৰুৱাৰী মাহতে কাৰ্য্যকাল উকলিছিল। বৰ্তমানলৈকে ১ বছৰ কাৰ্য্যকাল বৃদ্ধি কৰি যোৱা ফ্ৰেব্ৰুৱাৰী মাহৰ ১২ তাৰিখে কাৰ্য্যকাল শেষ হৈছে। তাথাপিও এই পৰিষদটো চলি আছে। গতিকে যিটো সংশোধনী অনিব বিচাৰিছে, এই সংশোধনীৰ দ্বাৰাই জনগোষ্ঠীয় মানুহখিনিৰ আবেগ আৰু অনুভূতিৰ ম্লান হ'ব আৰু চৰকাৰৰ প্ৰতি যিটো আস্থা থাকিব, সেই আস্থা নাথাকিব।

মাননীয় অধ্যক্ষ মহোদয়, ২০২০ চনৰ বিটিআৰ চক্তিৰ যিটো দফা আছিল Bodo Kachari Welfare Autonomous Council, আমি জানো যে বিটিআৰৰ বাহিৰত প্ৰায় ২১ খন জিলাকলৈ Bodo Kachari Welfare Autonomous Council গঠন কৰা হৈছিল। ঠিক সেই হিচাপে, ২০২১ চনৰ ২৪ ফ্ৰেব্ৰুৱাৰী তাৰিখে Interim Council ত notification কৰাৰ পিছত বৰ্তমানলৈকে Interim Council ৪ বছৰ অতিক্ৰম কৰা হ'ল, ইয়াত কিন্তু election পতা নহ'ল। পৰিতাপৰ বিষয় যে Bodo Kachari Welfare Autonomous Council ত বৰ্তমানলৈকে village notification আৰু সমষ্টি পুনৰ নিৰ্ধাৰণৰ কাম হোৱা নাই। কিন্তু আজি বি টি আৰৰ বাহিৰত যিখিনি বড়ো জনগোষ্ঠী আছে, তেখেতসকলৰ সৰ্বাংগীন উন্নতিৰ যি আশা আছিল, তেখেতসকলৰ অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিকভাৱে যি আশা আছিল, সেই আশাখিনি লাহে লাহে মমিমুৰ হোৱাৰ দিশত গৈ আছে। মই ভাবো এনে ব্যৱস্থাৰ জৰিয়তে যি সংশোধনী আনিব বিচাৰিছে, যিহেতু Bodo Kachari Welfare Autonomous Council ৰ election য়ে হোৱা নাই, তেখেতসকলৰ এতিয়ালৈ notification হোৱা নাই, তেনে ক্ষেত্ৰতে আজি যিটো সংশোধনী বিল আনিছে, এই বিলৰ কি প্ৰাসংগিকতা আছে। মই ভাবো এই বিলৰ কোনো প্ৰাসংগিকতা নাই, আৰু আহি থকা দিনত মই ভাৱো ইয়াৰ দ্বাৰা পৰিস্থিত জটিল হে হ'ব।

এই সন্দৰ্ভত, আমাৰ দলৰ ফালৰ পৰা ভাবিছো যে সংশোধনী বিলত চৰকাৰে যিটো

আনিছে যে নিৰ্ধাৰিত সময়ৰ ভিতৰত যদি কাউন্সিল গঠন কৰিব নোৱাৰে, বিশেষ authority বা Interim Council ৰ জৰিয়তে যি সংশোধনী বিল আনিছে, এই ক্ষেত্ৰত বিৰোধীতা কৰিছো আৰু অতি কমেও ৬ মাহৰ ভিতৰত election পতাৰ সপক্ষে আছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰীদূৰ্গাদাস বড়ো।

**শ্ৰীদূৰ্গাদাস বড়ো, (কলাইগাঁও)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সদনত, সংশোধনী প্ৰস্তাৱৰ সমৰ্থন কৰি দুটামান বিষয় উত্থাপন কৰিব বিচাৰিছো। অলপ আগতে কংগ্ৰেছৰ মাননীয় সদস্যগৰাকীয়ে বক্তব্য ৰাখিছে। ৬ মাহ বা ১ বছৰ কাৰ্য্যকাল বৃদ্ধি, এগৰাকীয়ে ৬ মাহৰ কথা কৈছে আৰু আন এগাৰকীয়ে ১ বছৰ কাৰ্য্যকাল বৃদ্ধিৰ কথা কৈছে। মই ইয়াৰ অসুবিধাটো কৈ বাকী কেইটা বিষয় ক'ব বিচাৰিছো মাননীয় অধ্যক্ষ মহোদয়।

প্ৰথম অসুবিধাটো হৈছে, যিটো ৰাজনৈতিক দলে নিৰ্বাচিত হৈ চৰকাৰখন চলাই থাকে, তেওঁলোকক বাৰে বাৰে কাৰ্য্যকাল বৃদ্ধি কৰাৰ ফলত সেই অঞ্চলত ৰাজনৈতিক অস্থিৰতাৰ সৃষ্টি হয় বুলি মই ভাবো আৰু অন্য ৰাজনৈতিক দল বিলাকৰ নিৰ্বাচন খেলি পুনৰ নিৰ্বাচিত হোৱাৰ যি অধিকাৰ আছে, সেই অধিকাৰো খৰ্ব হয় বুলি মই ভাবো। যাৰ কাৰণে এই প্ৰস্তাৱটো সমীচীন হৈছে বুলি মই সমৰ্থন জনাই, তাৰ লগত দুটা কথা আহিছে, সেইটো হৈছে মই ইয়াৰ আগৰ বিধান সভাতো মই কৈছিলো যে মিচিং আৰু ৰাভা সকলৰ, এই দুটা জনগোষ্ঠীৰ যি পৰিষদ আছে, এই পৰিষদ দুখনৰ 6th schedule পোৱাৰ কাৰণে যিখিনি criteria পূৰন কৰিব লাগে, সেই criteria তেখেতসকলৰ আছে আৰু উত্তৰত মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই সেইদিনা কৈছিল যে মই কোৱা বিষয়টোৰ ন্যায্যতা আছে । মই আকৌ আজি কৈছো যে ৰাভা আৰু মিচিং সকলৰ 6th schedule পোৱাৰ কাৰণে যিটো বিষয়, সেই বিষয়টো ৰাজ্য চৰকাৰখনে অনতি পলমে বিবেচনা কৰিব লাগে।

দ্বিতীয়টো হ'ল, বি টি চি অঞ্চলত modified 6th schedule চলি আছে। বি টি আৰ চক্তি হোৱাৰ পিছত গাওঁ সম্প্ৰসাৰণ, সমষ্টি বৃদ্ধি সেই আটাইবিলাক চুক্তি অনুসৰি সিদ্ধান্ত হৈ আছে। গাঁৱৰ notification হ'ল, কিন্তু সমষ্টিৰ এতিয়াও notification হোৱা নাই। বি টি আৰৰ নিৰ্বাচন এতিয়া কাষ চাপিছে আৰু বি টি আৰ নিৰ্বাচনৰ আগত এইটো হ'ব নে নাই, কোনো নিশ্চয়তা নাই। সেই অঞ্চলৰ ৰাইজ, যিখিনি ইয়াত অন্তৰ্ভূক্ত কৰা হ'ল, মই জানো যে একেবাৰে গহপুৰলৈকে অন্তৰ্ভূক্ত কৰা হৈছে, এই অন্তৰ্ভূক্ত কৰা গাওঁখিনিৰ ৰাইজে যাতে আগন্তুক হ'ব লগীয়া নিৰ্বাচনত ভাগ লবলৈ পায়, তাৰ বাবে অসম চৰকাৰে অতি সোনকালে ব্যৱস্থা ল'ব লাগে, কাৰণ প্ৰায় ২ মাহ পিছত চুক্তি হোৱা প্ৰায় ৫ বছৰে হ'ব। এই চুক্তিৰ ৫ বছৰৰ ভিতৰত যদি notification উলিয়াই তেওঁলোকক ন্যায্যতা দিয়া নহয়, তেতিয়া হ'লে সেই অঞ্চলৰ যিসকল লোকে আশা কৰি আছে, তেওঁলোকৰ আশাটো পূৰণ নহ'ব। মই ভাবো ৰাজ্য চৰকাৰে এটা intiative ল'ব লাগে। মই বাৰে বাৰে এটা কথা কৈ আহিছো যে মই যিটো দলত প্ৰতিনিধিত্ব কৰো সেইটো দল ক্ষমতাত থকাৰ সময়ত দুবাৰকৈ কেবিনেট প্ৰস্তাৱ লৈ ৰাজ্য চৰকাৰলৈ পঠিয়াইছে, সেইটো হৈছে VCDC election, আমাৰ যিহেতু তাত পঞ্চায়ত নাই, সেই বাবে পঞ্চায়তৰ পৰা পোৱা যিবিলাক ধন সেই গোটেই কেইটা শিতানত বাকী বিলাকৰ পঞ্চায়তৰ নিচিনাকৈ তাত নাহে। যিহেতু VCDC কেইখন আমাৰ elected নহয় আৰু আৰম্ভণিৰ পৰা হোৱা নাই। এই অসুবিধাটোৰ কাৰণে সেই সময়ত বি টি চিৰ Chief, হাগ্ৰাম মহিলাৰী ডাঙৰীয়া থকাৰ সময়ত

দুবাৰ প্ৰস্তাৱ পঠিয়াইছিল। মাননীয় অধ্যক্ষ মহোদয়, সেই সময়ত আপুনিও সেই দলটোৰ এগৰাকী সক্ৰিয় সদস্য, নেতা কৰ্মী আৰু নিৰ্বাচিত প্ৰতিনিধি আছিল। আজিৰ দিনটোত যিটো liabilities বুলি কয়, তৃণমুল পৰ্য্যায়ত আজি পঞ্চায়ত ভাঙি যোৱাৰ লগে লগে পঞ্চায়তৰ যিবিলাক সভাপতি, ZPC ৰ সদস্য, গাওঁ পঞ্চায়তৰ সদস্য, তেওঁলোকৰ ক্ষমতা হস্তগত কৰি তাত এটা system ত চৰকাৰ চলোৱা হৈছে। আজি বি টি চি অঞ্চলত যি VCDC আছে, যোৱা প্ৰায় ২০ টা বছৰে VCDC ত যিসকল সভাপতি, সদস্য হয়, তেওঁলোকে left and right, কোন চৰকাৰ আছে, তাৰ লগত কথা নাই, তেওঁলোকৰ দায়িত্ব যিহেতু নাইয়ে আৰু ৫ বছৰ পিছত তেওঁলোক থাকিব নে নাই, নে ১ বছৰতে তেওঁলোকক ভাঙি দিব তাৰ কোনো নিশ্চয়তা নাই, সেই কাৰণে তাত দূৰ্নীতিটো হৈছে। আপোনালোকে টেলিভিচন, পেপাৰ আদিত দেখিছে যে টকা পইচাৰ ওপৰত VCDC ৰ সভাপতিয়ে শুই আছে, গতিকে মই ভাবো VCDC বিলাকৰ নিৰ্বাচন হ'ব লাগে।

আজি তিৰা পৰিষদৰ, বিশেষকৈ তেখেতে বোধ হয় Chief ও আছিল, দেউৰী ডাঙৰীয়াই দুটামান কথা কৈছে যে যিখিনি জনজাতীয় অঞ্চল আছে। আজি সন্মানীয় সদস্য গোবিন্দ বসুমতাৰী ডাঙৰীয়াও কৈছে আমাৰ যিটো ভূমি আছে, সেই ভূমিৰ অধিকাৰো 6th Schedule ৰ জৰিয়তে সুৰাক্ষিত হ'ব। গতিকে মই ভাৱো যে তিৰা সকলৰ, সোনোৱাল কছাৰী বা অন্যান্য জনগোষ্ঠীবিলাকৰ যি প্ৰপোজেল আহিছে, বিশেষকৈ tribal organization ৰ সেইখিনিও কি ধৰণে তেওঁলোকক আৰু বেছি শক্তিশালী কৰিব পাৰি, তাৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা কৰিব বুলি আশা ৰাখিছো।

শেষত মাননীয় অধ্যক্ষ মহোদয়, এটা কথা মই ক'বলৈ বিচাৰিছো। আমাৰ যিটো ১ নম্বৰ শুধৰণী, তাত আমাৰ নিশ্চয়কৈ একো ক'বলগীয়া নাই। কিন্তু যিটো general council, executive council - এই বিলাকৰ ক্ষমতা লৈ আহি যাক প্ৰদান কৰাৰ কথা ইয়াত কৈছে, সেইটো খুব দ্ৰুতগতিত হ'ব লাগে আচলতে। কোনো extension থাকিব নালাগে, ৰাজ্য চৰকাৰৰো নাই, গতিকে 6th schedule ৰো যে তেওঁলোকে extension ৰখা নাই, তাৰ কাৰণে মই ভাল পাইছো। এইখিনিকে কৈ মই সমৰ্থন জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰীনব কুমাৰ দলৈ।

**শ্ৰীনব কুমাৰ দলৈ** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি জনজাতি প্ৰৰিক্ৰমা বিভাগৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াই 'দি মিছিং অট'নমাচ কাউন্সিল (এমেণ্ডমেন্ট) বিল, ২০২৫ ৰ সংশোধনী প্ৰস্তাৱৰ বাবে আনিছে তাৰ সমৰ্থনত আমি দুষাৰ মান কব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, বিভিন্ন জাতি জনগোষ্ঠীৰ কৃষ্টি সংস্কৃতি অক্ষ আৰু পৰম্পৰা বৰ্ণিল সমহাৰেৰে বিহত্তম অসমীয়া জাতি গঢ় লৈ উঠিছে। অসম ভূমিত বসবাসকৰা প্ৰতিটো জাতি জনগোষ্ঠীৰ মাজত থকা সম্বন্ধয় ভাতৃত্ববোধৰ বান্ধোনেৰে আমাৰ জাতিটোক শক্তিশালী কৰি ৰাখিছে। এয়া আমাৰ সৌভাগ্য যে মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ বলিষ্ট নেতৃত্বত বৰ্তমান ৰাজ্য চৰকাৰ খনে অসমৰ প্ৰতিটো জাতি জনগোষ্ঠীৰ সৰ্বাংগিন উত্তৰণৰ বাবে আন্তৰিকতাৰে কাম কৰি আছে। প্ৰতিটো জাতি জনগোষ্ঠীৰ প্ৰতি সমদৃষ্টিৰে সকলোৰে সমউন্নয়নৰ প্ৰতি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ একান্ত সদ ইচ্ছা আছে। এই সদ ইচ্ছাৰ বলত ৰূপায়ণ হোৱা বিভিন্ন জনমূখী আঁচনি আৰু কাম-কাজৰ জৰিয়তে সকলোৰে বাবে আজি এক মৰ্য্যদাপূৰ্ণ জীৱন যাত্ৰাৰ পৰিৱেশ গঢ়ি উঠিছে। প্ৰতিটো জাতি জনগোষ্ঠীৰ লোকে অসম চৰকাৰৰ এই উন্নয়নৰ যাত্ৰাত সহযোগ কৰিছে আৰু উন্নতিৰ প্ৰক্ৰিয়া সক্ৰিয় অংশ গ্ৰহণ কৰিছে। এই পৰিৱেশ পূৰ্বতে কেতিয়াও সম্ভৱ হৈ উঠা নাছিল। সকলোৰে সৈতে সকলোৰে বিকাশ আৰু সকলোৰে বিশ্বাস আৰু সকলোৰে প্ৰয়াস নীতিৰ আধাৰত সমগ্ৰ ৰাজ্যজুৰি এনে এক ইতিবাচক

পৰিৱেশৰ সৃষ্টিয়ে এই উন্নয়ন প্ৰক্ৰিয়াটোক অধিক কটকটীয়াকৈ তুলিছে। যাৰ বাবে মিছিং জনগোষ্ঠীৰ এগৰাকী প্ৰতিনিধি হিচাপে আজি মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। বৰ্তমান চৰকাৰ খনৰ এই উন্নয়নৰ যাত্ৰাত আমাৰ স্বায়ত্ব শাসিত পৰিষদ সমূহৰ ক্ৰমে মিছিং স্বায়ত্ব শাসিত পৰিষদ, বড়ো কছাৰী কল্যাণ স্বায়ত্ব শাসিত পৰিষদ, ঠেঙাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ, দেউৰী স্বায়ত্ব শাসিত পৰিষদ, সোণোৱাল স্বায়ত্ব শাসিত পৰিষদ, ৰাভা হাচাং স্বায়ত্ব শাসিত পৰিষদ আৰু তিওৱা স্বায়ত্ব শাসিত পৰিষদে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। স্বায়ত্ব শাসিত পৰিষদ সমূহে লাভ কৰা পুঁজিৰ দ্বাৰা নিজ নিজ এলেকাত বিভিন্ন জনকল্যাণ মূখি আঁচনি ৰূপায়ণ কৰি আহিছে যাৰ দ্বাৰা ৰাইজৰ মহৎ উপাকৰ হৈছে। এই ক্ষেত্ৰত মই মিছিং জনগোষ্ঠীৰ প্ৰতিনিধি হিচাপে উদাহৰণ স্বৰূপে মিছিং স্বায়ত্ব শাসিত পৰিষদৰ কথা উল্লেখ কৰিব বিচাৰিছো। মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ দিগদৰ্শিক নেতৃত্বত মিছিং স্বায়ত্ব শাসিত পৰিষদৰো নিজৰ অধিনস্ত এলেকাত সামগ্ৰিক উন্নয়নৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। আৰু মিছিং জনগোষ্ঠীৰ আৰ্থসামাজিক উন্নয়নত উল্লেখযোগ্য ভুমিকা ৰূপায়ণ কৰিছে। শিক্ষা, স্বাস্থ্য, যাতায়ত, বানপানী আৰু খহনীয়াৰ প্ৰতিৰোধ যোগকল্যাণ কৃষি আৰু আদি ক্ষেত্ৰ সমূহত মিছিং স্বায়ত্ব শাসিত পৰিষদে গ্ৰহণ কৰা সময়উপযোগী পদক্ষেপে সমাজলৈ ইতিবাচক পৰিবৰ্তন আনিবলৈ সক্ষম হৈছে। মিছিং ভাষা, সাহিত্য, সংস্কৃতি, ঐতিহ্য, পৰম্পৰা সুৰক্ষিত আৰু প্ৰসাৰৰ বাবে পৰিষদে শক্তিশালী ভূমিকা গ্ৰহণ কৰি আহিছে। পৰিষদে নিজৰ অধিনস্থ এলেকাৰ বিভিন্ন স্থানত সমূহিয়া ভাৱে কৃষ্টি বিকাশ কেন্দ্ৰ মুকলি মঞ্চ চাইকেল ষ্টেণ্ড, জিৰণী চৰা, ষ্টেডিয়াম গেলেৰী, চিকিৎসক আৰু নাৰ্চৰ কুৱাৰ্টাৰ, চিকিৎসা কেন্দ্ৰ বিকাশ বা বিদ্যালয়, মহাবিদ্যালয়ৰ শ্ৰেণীকোঠা পুথিভড়াল, ছাত্ৰবাস আদি নিৰ্মাণ কৰি আহিছে। এই দৰে বাঢ়ণি পানী আৰু খহনীয়া প্ৰতিৰোধৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰি এই সমূহৰ ফলপ্ৰসুভাৱে ৰূপায়ণ কৰিছে। বিগত সময়ছোৱাত মিছিং স্বায়ত্ব শাসিত পৰিষদে কৃষি আৰু পশুপালনৰ ক্ষেত্ৰত উন্নয়নৰ বাবে পানী যোগান, বিনামূলীয়া প্ৰতিশোধক প্ৰদান কৃষি সজূলি, ড্ৰেইন নিৰ্মাণ, মৎস কালীনৰ বিভিন্ন সা-সুবিধাৰ সৃষ্টিত প্ৰজনন কেন্দ্ৰ স্থাপন, প্ৰশিক্ষণ শিবিৰ আয়োজনৰ বাবে আৰ্থিক সাহাৰ্য্য প্ৰদান আদিৰ দৰে লেখত লব লগীয়া কাম কৰি আহিছে। সমাজৰ আৰ্থিক স্বাৱলম্বিতাৰ পৰিৱেশ সৃষ্টিৰ বাবে পৰিষদে আন্তৰিকতাৰে কাম কৰি আছে। ইয়াৰ বাবে কৃষক, পশুপালকৰ পশিক্ষণ ব্যৱস্থা, শিপিনী সকলৰ পৰিষৰ বিকাশ, কম্পিউটাৰ প্ৰশিক্ষক, দৰ্জি, ইলেক্ট্ৰিচিয়ান, ৰূপসজ্জা আদি প্ৰশিক্ষণৰ ব্যৱস্থা কৰি আহিছে আৰু ইয়াৰ দ্বাৰা বহুতো যুৱক-যুৱতী লাভম্বিত হৈছে। মেধাবী ছাত্ৰ-ছাত্ৰী সকলক জলপানী প্ৰদান, প্ৰশাসনিক সেৱা পৰীক্ষাৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা দ্বাৰা পৰিষদে যি দৰে যুৱ চামক অনুপ্ৰানিত কৰিছে সেই দৰে Mising Sports Carnival আৰু MSC world cup football প্ৰতিযোগীতা আদি আয়োজনৰে উন্নয়ন ক্ৰীয়া প্ৰতিভা উলিয়াই অনাৰ প্ৰয়াস কৰিছে। ইতিমধ্যে অতি সফলতাৰে অনুস্থিত হৈ যোৱা Mising Sports Carnival ৰ জৰিয়তে ক্ৰীড়াৰ এক জাগৰণ সৃষ্টি হৈছে আৰু বহুতো প্ৰতিভাশালী খেলুৱৈৰ সৃষ্টি হৈছে। এইখিনিতে উল্লেখ কৰিব বিচাৰিছো যে পৰিষদৰ আৰ্থিক সাহৰ্য্যৰে অসমত ডাউন টাউন বিশ্ববিদ্যালয়ত প্ৰায় ৩০০ গৰাকী মেধাবী শিক্ষাৰ্থীয়ে উচ্চ শিক্ষা গ্ৰহণ কৰিছে। আমাৰ আনন্দৰ কথা যে মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বাধীন অসম চৰকাৰে গোগামূখত মিছিং স্বায়ত্ব শাসিত পৰিষদ সভা ভৱন নিৰ্মাণৰ বাবে ইতিমধ্যে ৫ কোটি টকা আৱন্টন কৰিছে আৰু ইতিমধ্যে ইয়াৰ নিৰ্মাণ প্ৰক্ৰিয়া আৰম্ভ হৈছে। মাননীয় অধ্যক্ষ মহোদয়, পৰিষদৰ কাম-কাজ সমূহ নিয়াৰিকৈ পৰিচালনাৰ দ্বাৰা জনকল্যাণৰ বিহৎ স্বাৰ্থত আজি পবিত্ৰ সদনৰ উত্থাপিত মিছিং স্বায়ত্ব শাসিত পৰিষদৰ

সংশোধনী বিধেয়ক ২০২৫ বিবেচিত কৰাৰ বাবে আমি সম্পূৰ্ণ সমৰ্থন আগবঢ়াইছো। আমি এইখিনিতে উল্লেখ কৰিব বিচাৰিছো যে মিছিং স্বায়ত্ব শাসিত পৰিষদকে ধৰি আন আন স্বায়ত্ব শাসিত পৰিষদ সকলে সমাজৰ সৰ্বাংগীন বিকাশৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি এই সমূহ ৰূপায়ণ কৰি আহিছে। এই ক্ষেত্ৰত বহুখিনি কৰণীয় আছে আৰু সম্ভৱনাও আছে। কিন্তু আৱন্টিত পুঁজি সীমিত হোৱাৰ বাবে স্বায়ত্ব শাসিত পৰিষদ সমূহে এই ক্ষেত্ৰত কিছু অসুবিধাৰ সন্মুখিন হৈ আহিছে বুলি আমি অনুভৱ কৰো। লগতে পৰ্য্যাপ্ত আন্তঃগাঠনি আৰু কৰ্মচাৰীৰ অভাৱৰ বাবেও সু-শৃংখল ভাৱে কাৰ্য সম্পন্নৰ ক্ষেত্ৰত জটিলতাই দেখা দি আহিছে। গতিকে পৰিষদলৈ আৱন্টিত পুঁজিৰ পৰিমাণ বৃদ্ধি পালে নিশ্চিতকৈ কৰিবলীগায়খিনি অধিক সুচাৰুৰূপে কৰিব পৰা যাব। আৰু সমাজ খনক বহু দূৰ আগুৱাই নিব পৰা যাব। লগতে উপযুক্ত আন্তঃগাঠনি গঢ় দিয়াৰ লগতে পৰ্য্যাপ্ত কৰ্মচাৰীৰ নিযুক্তিয়ে পৰিষদৰ কাম-কাজত সু-শৃংখলিত ভাৱে পৰিচালনা হোৱাত সহায় কৰিব। সেয়েহে স্বায়ত্ব শাসিত পৰিষদ সমূহলৈ অলপ পুঁজিৰ পৰিমাণ বৃদ্ধিৰ লগতে পৰ্য্যাপ্ত আন্তঃগাঠনিৰ সৃষ্টিত তথা কৰ্মচাৰী নিয়োগৰ বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰাৰ বাবে আমি পবিত্ৰ সদনৰ মজিয়াত আহ্বান জনাইছো। আৰু লগতে আজি এই বিধেয়ক খনৰ সমৰ্থনত বক্তব্য ৰাখিলো, ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ)।

শ্ৰী**আমিনুল ইছলাম (কনিষ্ঠ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে যিটো বিভিন্ন স্বায়ত্ব শাসন, যিটো পৰিসেৱা আছে সেইখিনি নিৰ্বাচনৰ ক্ষেত্ৰত যি কথাটো আহিছে মই সেইখিনিত কেৱল এটা কথাই এড কৰিব বিচাৰিম যে এই বিলাকত নিৰ্বাচন হলে পাব্লিকৰ ৰিপ্ৰেজেনটেটিভ হলে, ইলেক্টটেড ৰিপ্ৰেজেনটেটিভ হলে বহুতখিনি ভাল হয়। আমি extension কৰি থাকিম, extension হৈ আছে। আমাৰ বিভিন্ন পৰিষদ নিৰ্বাচন বিভিন্ন ধৰণৰ extension হৈ থাকে, দীৰ্ঘ সময়ত নিৰ্বাচন নোহোৱাৰ ফলত জনগণৰ যিটো প্ৰত্যাশা, এই জাতি বা জনগোষ্ঠীৰ যিটো প্ৰত্যাশা লিডাৰচিপ বিলাক ফিক্স হৈ থাকে আৰু লিডাৰচিপ খিনি গনতান্ত্ৰিক ভাৱে নিৰ্বাচিত হৈ নাহে। সেই কাৰণে আৰু ডিলে নকৰাকৈ মোৰ বোধৰে যদি সম্ভৱ হয় সোনকালে নিৰ্বাচন কৰি সেই অঞ্চলৰ সেই জনগোষ্ঠীৰ মাজত তেখেত সকলৰ যিহেতু আমি স্বাধীনতাৰ দেশ, তেখেত সকলক স্বাধীনতাৰ ক্ষমতাটো তেখেত সকলৰ হাতত গটাই দিব লাগে। সেই অঞ্চলৰ ৰাইজে সেই অঞ্চলৰ মানুহক নিৰ্বাচিত কৰক সেইখিনিয়ে মোৰ প্ৰস্তাৱ। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া শ্ৰীচৰন বড়ো।

**শ্ৰীচৰন বড়ো, মাজবাট ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় ট্ৰাৱেল এৰ্ফেয়াচ মিনিষ্টাৰ , সন্মানীয় ৰনোজ পেগু ডাঙৰীয়াই , আমাৰ যি ৭ খন অটোনোমাচ কাউন্সিল আছে, ইয়াৰ ওপৰত যি সংশোধনী প্ৰস্তাৱ আনিছে, এই সংক্ৰান্তত মই দুআষাৰ কথা ক'ব বিচাৰিছো । ছাৰ, আমাৰ অটোনোমাচ কাউন্সিল বিলাকৰ এটা কমন প্ৰব্লেম মই দেখা পাইছো - এইটো হ'ল ফাণ্ড এলোকেশ্যন আৰু ফাণ্ড ইনক্ৰিছ । কেতিয়াবা অটোনোমাচ কাউন্সিলবিলাকৰ নেতৃত্ব লোৱা সকলোক লগ পালে তেখেতসকলে আমাক কয় , যে সৰু কাউন্সিলহে আমাতকৈ বেছি পইছা পাইছে । আমাৰ বেছি পপুলেশ্যন আছে কিন্তু পইচা ক'ম পাইছো এই এনেকুৱা তেওঁলোকৰ মাজত সন্দেহ আছে । তেখেতসকলে ক'ব বিচাৰে যে আমাৰ ফাণ্ডটো কিয় ইনক্ৰিছ নহয় । এই ফাণ্ডবিলাক মিনিমাম হ'লেও টেন পাৰ্চেন্ট ইনক্ৰিছ হ'ব লাগে কিন্তু আমি ফাণ্ড ইনক্ৰিছ হোৱাটো দেখা নাপাও । এই সমস্যাটো অটোনোমাচ কাউন্সিল বুলি নহয়, মই ভাবো আমাৰ চিক্স

চিডিউলবিলাকতো এই সমস্যাখিনি আছে । তাৰ কাৰণে মই এইটো ক্ষেত্ৰত ক'ব বিচাৰো যাতে আমাৰ ফাণ্ড এলোকেশ্যনৰ ক্ষেত্ৰত এটা কংক্ৰিট ফৰমুলা থাকিলে ভাল । কংক্ৰিট ফৰমুলা যদি থাকে , পপুলেশ্যন পেটাৰ্ণত যি ধৰণে দিব লাগে আৰু ইয়েৰলী যিখিনি ইনক্ৰিছ হ'ব লাগে এইটো ক্ষেত্ৰত কংক্ৰিট ফৰমুলা হ'লে মই ভাবো , আমাৰ মাজত যি ফাণ্ড এলোকেশ্যনক লৈ সন্দেহ আছে সেইটো শেষ হ'ব । নহ'লে কেতিয়াবা , কোনোবা চৰকাৰ খনে কাৰোবাক বেছিকৈ মৰম কৰিব , কেতিয়াবা বেলেগ চৰকাৰ আহিব তেখেতসকলে মৰম নকৰিব । তেতিয়া কাউন্সিল চলোৱাটো যথেষ্ঠ অসুবিধা হ'ব । গতিকে এটা কংক্ৰিট ফৰমুলা লাগে । তাৰ পিচত মই বড়ো ৱেলফেয়াৰ কাউন্সিলৰ ক্ষেত্ৰত ক'ব বিচাৰিছো , বড়ো ৱেলফেয়াৰ কাউন্সিল গঠন হোৱা আজি প্ৰায় ৪-৫ বছৰ হৈ গ'ল কিন্তু আজিলৈকে বড়ো ৱেলফেয়াৰ কাউন্সিল যিকিনি গাওঁ লৈছে এই গাওবিলাক আজিলৈকে নোটিফাই হোৱা নাই। কোন কোন গাও বড়ো কছাৰী ৱেলফেয়াৰত অৰ্ন্তভূক্ত কৰা হ'ব এইখিনি যদি সোনকালে নোটিফাই কৰি দিয়ে তেন্তে বহু ভাল হ'ব । তাৰ পিচত এটা সমস্যা হ'ল , বিটিআৰৰ বাহিৰত পৰা গাওঁসমূহৰ বাবে যেতিয়া আমাৰ বড়ো কছাৰী কাউন্সিল গঠন কৰা হৈছিলে। ২০২০ চনৰ যি বড়ো পিছ একৰ্ড হৈছিল - বিটিচিটো এক্সটেনশ্যন কৰি শোনিতপুৰ আৰু বিশ্বনাথ জিলাকো বিটিআৰত লোৱা হ'ব বুলি যিটো সিদ্ধান্ত হৈছিলে - এই সিদ্ধান্তমৰ্মে শোনিতপুৰ আৰু বিশ্বনাথ জিলাৰ বড়ো গাওঁসমূহক কিন্তু আজিলৈকে বিটিচিত অৰ্ন্তভূক্ত কৰা নহ'ল । শোনিতপুৰ আৰু বিশ্বনাথ জিলাৰ বড়ো গাওঁসমূহক বড়ো কছাৰী ৱেলফেয়াৰ কাউন্সিলতো কিন্তু আজিলৈকে অৰ্ন্তভূক্ত কৰা নহ'ল, যাৰ ফলত আজি তেওঁলোক উন্নয়ণৰ পৰা বঞ্চিত হ'ব লগা হৈছে । গতিকে শোনিতপুৰ আৰু বিশ্বনাথ জিলাৰ যিখিনি বড়ো গাওঁ যিখিনি বিটিআৰ অৰ্ন্তভূক্ত হোৱাৰ কোনো সুযোগ-সুবিধা নাই , এই খিনি গাওঁ সোনকালে বড়ো- কছাৰী ৱেলফেয়াৰ কাউন্সিলত অৰ্ন্তভূক্ত কৰিব লাগে । তাৰ পিচত এটা হ'ল- মই যিহেতু একেবাৰে বৰ্ডাৰত থাকো - শোনিতপুৰ জিলা মোৰ সমষ্টিৰ লগত লগালগি । মোৰ এটা কথা হ'ল আমাৰ যি ট্ৰাইৱেল ফৰেষ্ট বিল আছে ২০০৬ আছে , এই এক্টটো হোৱা আজি বহুত দিন হ'ল - আমাৰ শোনিতপুৰ জিলাত তেখেতসকলে ক্লেইম কৰিছে যদিও আজিলৈকে এই ফৰেষ্ট ডুৱেলাৰচ এক্ট , অনুসৰি আমাৰ ক্লেইমাৰ সকলক যি লেণ্ড টাইটেল দিব লাগে এই কামটো ভালকৈ বা সম্পূৰ্ণ হোৱাটো কিন্তু দেখা নাই । মই ভাৱো এই কামটোও সোনকালে চৰকাৰে কৰিব লাগে , তেতিয়াহ'লে কোনখন গাওঁ - ফৰেষ্ট গাওঁ কোন ৰেভিনিউ - চিনাক্তকৰণ কৰাৰ পিচত তেখেতসকলক ৰেভিনিউলৈকে যদি আমি কনভাৰ্ট কৰিব পাৰো তেতিয়াহ'লে বিটিআৰত কোন কোন গাওঁ সোমাব বা কোনখন নোসোমাব এইখিনি আমাৰ কমিশ্যনে ঠিক কৰিব পাৰিব । তাৰ পিচত যিবিলাক গাওঁ বাছি যাব এইবিলাক গাওঁ বড়ো- কছাৰী ৱেলফেয়াৰ কাউন্সিলত সোমোৱাৰ ক্ষেত্ৰত যথেষ্ঠ সুবিধা হ'ব । তাৰ পিছত শেষত মই ক'ব বিচাৰো সেইটো হ'ল জেনেৰেল ইলেকশ্যন । বড়ো ৱেলফেয়াৰ কাউন্সিলৰ এটা ইনটেৰিম চৰকাৰ চলি আছে, তাৰ কাৰণে তেখেতসকলে ইলেকশ্যন পতা ব্যৱস্থাটো ইমিডিয়েট কৰিব লাগে । আৰু এটা কথা- বড়ো-কছাৰী ৱেলফেয়াৰ কাউন্সিলৰ জিওগ্ৰাফিকেল এৰিয়াটো সকলোতকৈ ডাঙৰ - ধুবুৰীৰ পৰা আৰম্ভ কৰি জোনাই লৈকে আৰু ইফালে বৰাকলৈকে আছে ।তেখেতসকলৰ এতিয়াও স্থায়ী চেক্ৰেটাৰীয়েট নাই আৰু এৰিয়াটো যিহেতু বহু ডাঙৰ তেওঁলোকক এটা ফাণ্ড দিয়াৰ বাবে যদি এটা বিশেষ ব্যৱস্থা লয় তেতিয়া হ'লে ভাল হ'ব বুলি মই অনুভৱ কৰো । এইখিনি কথাকে অধ্যক্ষ মহোদয়ৰ যোগেদি চৰকাৰক জনালো আৰু এটা বিশেষ ব্যৱস্থা ল'ব বুলি মই আশা কৰিছো । ধন্যবাদ

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । এতিয়া অখিল গগৈ ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ইয়াত যিসকল বক্তাই কথা কৈছে, আটাইবিলাক বক্তাই এটা কথা কৈছিলে যে, আমাৰ জনজাতিসকলক অধিক ক্ষমতা প্ৰদান কৰিব লাগে । ইয়াত যিখন বিল আনিছে, এই বিলখন হ'ল- নিৰ্বাচিত জনজাতীয় নেতাসকলৰ ক্ষমতা কৰ্ত্তণ কৰা বিল । এফালে আমি দেখিছিলো ভূৱন পেগু ডাঙৰীয়াই আৰু আমাৰ মৰিগাওঁৰ এম এল এ ডাঙৰীয়াই আৰু আটাইকেইজন জনজাতিয় প্ৰতিনিধিয়ে সুন্দৰ বক্তব্য প্ৰদান কৰি কৈ গৈছে জন জাতিসকলক অধিক ক্ষমতা দিব লাগে । আমাৰ ভাৰতীয় ফেডাৰেল ব্যৱস্থাটো অতি গণতান্ত্ৰিকৰণ কৰিব লাগিব। আমাক আজি এই প্ৰশ্নটো খুব দৃঢ়ভাৱে উত্থাপন কৰিছে মৰিগাওঁৰ বিধায়ক গৰাকীয়ে । এই যি কেইটা জনগোষ্ঠী প্লেন এৰিয়াৰ তেওঁলোকৰ যি স্বায়ত্ব শাসন সেইটো সংবিধান সন্মত হ'ব লাগে । আনৰ কথা নাজানো কিন্তু আমি ৰাইজৰ দলৰ আটাইবিলাক জনগোষ্ঠীৰ স্বায়ত্বশাসনটো সংবিধান সন্মত কৰাৰ ক্ষেত্ৰত এশ শতাংশ সন্মতি আছে । আমি বিচাৰো যে, বড়োসকলে যেনেকৈ সংবিধানসন্মত এটা স্বায়ত্বশাসন লাভ কৰিছে ঠিক তেনেকৈ আন আন প্লেন এৰিয়াৰ জনজাতিসকলেও সংবিধান সন্মত স্বায়ত্বশাসন লাভ কৰা উচিত কেৱল এটা কথা চাব লাগিব যে, এই কৰিবলৈ যাওতে এৰিয়া লৈ যেন কোনো সংঘাত হ'ব নালাগে । ধৰক মিচিং স্বয়ত্বশাসিত অঞ্চলটোত যাতে অতি বেছি উৎসাহিত হৈ কম মিচিং জনগোষ্ঠী থকা অঞ্চল তাত অৰ্ন্তভূক্ত কৰি যাতে সংঘাতৰ সৃষ্টি নকৰে । এই কথাখিনি ডেম'ক্ৰেটীকেলী চালেই মই ভাৱো যে আমাৰ জনজাতিসকলৰ সংবিধান সন্মত জনজাতিকৰম দিয়াৰ ক্ষেত্ৰত আপত্তি কোনেও কৰা উচিত নহয় । দ্বিতীয়তে , তেওঁলোকক যেনেকৈ সংবিধানসন্মত স্বায়ত্ব শাসন, জনজাতিকৰণ কৰিব লাগে ঠিক তেনেকৈ মৰান, মটক, কোচ - ৰাজবংশী, চুটীয়া , আহোম আৰু আদিবাসী চাহ জনগোষ্ঠীৰ এই ৬ টা গোষ্ঠীক অতি সোনকালে জনজাতিকৰণৰ ব্যৱস্থা কৰিব লাগে । তেওঁলোকক অতি সোনকালে কাউন্সিল দিয়াৰ ব্যৱস্থা কৰিব লাগে । লগতে কলিতা জাতি আৰু নাথ যোগীসকলে জনজাতিকৰণৰ যি প্ৰশ্ন উত্থাপন কৰি আছে সেই প্ৰশ্নকো ভাৰত চৰকাৰে বিবেচনা কৰি অতি সোনকালে অসমক জনজাতি ৰাজ্য হিচাপে ঘোষণা কৰিব লাগে । মই ভাবো যে, ভাৰতবৰ্ষই সাংবিধানিক ৩৭১ (ক)ৰ অধীনত যিধৰনে মাটি আৰু সম্পদৰ ওপৰত নাগালেণ্ডক অধিকাৰ প্ৰদান কৰা হৈছে ঠিক তেনেকৈ অসমকো জনজাতি ৰাজ্য ঘোষণা কৰি ৩৭১ (ক)ৰ অধীনত অধিকাৰ প্ৰদান কৰিব লাগে । ইয়াত যিটো প্ৰভিজন আনিছে ।

(সদনত বাদ -বিবাদ)

**মাননীয় অধ্যক্ষ** ঃ চাইলেন্স প্লিছ - এইটো এনেয়ে ৰেফাৰেন্সত কৈছে, ৰেকৰ্ডত নাযায় । অখিল গগৈ আপুনি কওক এক মিনিট আছে । ......... প্লিছ ক'বলৈ দিয়ক, সময় ক'ম আছে - আমাৰ বহু বিল বাকী আছে ।

**মাননীয় অধ্যক্ষ** ঃ শ্ৰী অখিল গগৈ। ১ মিনিট।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়া আমি দেখিছো, ইয়াত যিটো আনিছে, তাত কৈছে যে He may assumed to himself Governor য়ে কি কৰিব পাৰিব himself all at any other powers and functions of the General Council and the Executive Council and appoints such person or Interim Committee or any authority as he may specifyd. Who said the excercise of the power দুটা কথা কৈছে ১ নম্বৰ কৈছে যে Governor ৰ হাতলৈ

ক্ষমতা যাব, Governor য়ে কাৰোবাক দিব পাৰিব। মই ভাবো, এইটো specify কৰি দিব লাগে যিখন elected committee আছে, তেওঁলোককে এটা interim period ৰ কাৰণে তেওঁলোককে সেই ক্ষমতাটো দিব লাগে। তাত Governor বা অন্য কোনোবা মানুহ বা কোনোবা officer ক যাতে সেই ক্ষমতা প্ৰদান কৰা নহয়, তেতিয়াহ'লে সেইটো undemocratic হ'ব। গতিকে মই ভাবো এই যিখন elected committee তেওঁলোকক ৬ মাহৰ কাৰণে সেইটো specify কৰি দিব লাগে বা এবছৰৰ কাৰণে maximum সেইটো কৰিব পাৰিব। কিন্তু তাতকৈ বেছি কৰাটো কেতিয়াও উচিত নহ'ব আৰু যাতে election ৰ provision টো আহি যায় নহ'লে আজি ডাঃ ৰণোজ পেগু তেওঁলোকৰ যিসকলে council চলাই আছে তেখেতসকল BJP ৰ লগত আছে কাৰণে সুবিধা হৈছে। কাইলৈ কিন্তু যেতিয়া কথাটো উল্টা-পুল্টা হৈ যাব তেতিয়া কিন্তু ডাঙৰ গন্দোগল হৈ যাব। যেতিয়া চৰকাৰ বেলেগ আহিব, তেতিয়া কিন্তু তেওঁলোকে চুবলৈকে নাপাব এইটো সাংঘাটিক ধৰণৰ এটা গণ্ডোগলীয়া কথা এটা আনিছে। মই ভাবো যে এইটো specify কৰি দিয়া দৰকাৰ।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। শ্ৰীকমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৭ খন Autonomous Council Bill অনা হৈছে মই আদৰণি জনাইছো। জনজাতিৰ উন্নয়নৰ ক্ষেত্ৰত এইখন চৰকাৰ বদ্ধপৰিকৰ হয়। আমি এটাই কথা ক'ব বিচাৰিছো আমাৰ মাননীয় বিধায়ক শ্ৰীৰফিকুল ইছলাম ডাঙৰীয়াই এটা কথা কৈছে স্বাধীনতা আন্দোলনত আমাৰ গোটেইকেইটা অৰিহণা আছে। হয়, আমাৰ গোটেইকেইটা অৰিহণা আছে। আমি SC/ST লৈ এখন বৃহত্তম সমাজ গঠন কৰিছো। কথাটো হৈছে যে, আমাৰ সমাজ ব্যৱস্থাটো এনেকুৱা আছিল দিলীপ কুমাৰ ইছলাম ধৰ্মাৱলম্বী আছিল। কিন্তু নামটো তেওঁ দিলীপ কুমাৰ ৰাখিছিল। মীনা কুমাৰী ইছলাম ধৰ্মাৱলম্বী আছিল। কিন্তু মীনা কুমাৰী ৰাখিছিল। তেতিয়া Identity crisis ৰ কোনো সমস্যা হোৱা নাছিল। আজিৰ দিনত Identity crisis হয়। এটা সৰু কথা কৈছো যে আমি প্ৰত্যেকে জানো হৰি তৰ্পণ মাক দৰ্শন। তুলসী দাসে এটা গীত লিখিছিল বিখ্যাত আছিল। ইছলাম ধৰ্মাৱম্বলী লোকে গাইছিল। মহন্মদ ৰফিয়ে গানটো গাইছিল। আজিৰ দিনত হ'লে ফটোৱা জাৰি হৈ যাব। এই বাতাবৰণটো কিয় হৈছে? মাননীয় অধ্যক্ষ মহোদয়, আপুনি চাব যে বিছমিল্লাহ খাঁ ২০০৪ অটল বিহাৰী বাজপেয়ীৰ দিনত তেওঁক ভাৰত ৰত্ন দিয়া হৈছিল, সেইটো এটা পৰিৱেশ। মই এইটো ক'ব বিচাৰিছো আজিৰ দিনত জনজাতি সকলে এই যে আলোচনা কৰিবলগীয়া হৈছে, আলোচনা কিয় কৰিব লাগে, আমি আ লোচনা কৰিব নালাগে আৰু আমি কিয় আলোচনা কৰিম? জনজাতি উন্নয়নৰ কাৰণে যি কৰিব লাগে free hand দিব লাগে হয়, জনজাতিৰ উন্নয়ন কৰিব লাগে। This should be our mantality এইটো আমাৰ মানসিকতা হ'ব লাগে। কিবা এটা চেইন লগোৱা। চেইন লগাব নালাগে। জনজাতিৰ উন্নয়নৰ কাৰণে SC মানুহৰ উন্নয়ণৰ কাৰণে এই দেশখনক আগুৱাই লৈ যাব আছে যি কৰিবলগীয়া আছে কওঁক, আমি আদৰণি জনাইছো, আমি ধন্যবাদ জনাইছো।

**শ্ৰী আমিনুল ইছলাম, কণিষ্ঠ (মানকাছাৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই এটা কথা ক'ব বিচাৰিছো। কথাটো হৈছে বিভিন্ন council বিলাক হওঁতে সেই অঞ্চলটোৰ উন্নয়নৰ ক্ষেত্ৰত সেই অঞ্চল বিলাকত others populations আছে।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়াই reply দিব। শ্ৰী বিদ্যা সিং ইংলেং।

**শ্ৰী বিদ্যা সিং ইংলেং, ডিফু** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো Special Motion

মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই যিটো দাঙি ধৰিছে বিশেষকৈ Mising Autonomous Council, Bodo Kachari Welfare Autonomous Council, Thengal Autonomous Council, Deori Autonomous Council, Sonowal Kachari Autonomous Council, Rabha Hasong Autonomous Council, Tiwa Autonomous Council এই যিটো Amendment আনিছে মই আন্তৰিক ভাবে সমৰ্থন জনাইছো লগতে মই কেইটামান কথা ক'ব বিচাৰিছো। কাৰণ এইটো Autonomous Council হয়, ইয়াত সংবিধানত কেনেকৈ সোমাব পৰা যায় যি সংবিধানত সোমালে এই Autonomous Council ভৱিষ্যতে নিজৰ জাতীয় সত্বা লগতে শিক্ষা-দীক্ষা ইত্যাদি ভালদৰে চলাব লাগিব। কিন্তু আৰু তাতকৈ মাননীয় সদস্য ডাঙৰীয়াই কৈছে বিশেষকৈ মাটি-বাৰীৰ কথা। একো নিদিলেও মাটি-বাৰীৰ কথা settelment ইয়াত Autonomous Council সকলক হস্তান্তৰ কৰিব লাগে। সেয়ে মই কৈছো কাৰ্বি-আংলং Autonomous Council, কাৰ্বি-আংলঙত যিধৰণে বহিৰাগত মানুহ আছে, সেই বহিৰাগত মানুহবিলাক কাৰ্বি-আংলঙত আহি পট্টা ললে হয়। কাৰ্বি-আংলং শেষ হ'লে হয় কিন্তু In the time of Sixth Schedule Autonomous Council ৰ কাৰণে আমি বাছিলো। গতিকে এইক্ষেত্ৰত যিসকলৰ এই যে ৬-৭ খন Autonomous Council আছে, তেওঁলোকৰ মাটিৰ ক্ষেত্ৰত তেওঁলোককে সম্পূৰ্ণ হস্তান্তৰ কৰিব লাগে। Bodo Kachari Welfare Autonomous Council আমাৰ ইয়াত KAC কাৰ্বি মানুহ বহুত আছে। তেওঁলোকেও আনকি কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ agreement আছে যে তাত Karbi Welfare Autonomous Council গঠন কৰিব লাগে। তেওঁলোকে আমাৰ ওচৰত বহুত দাবী কৰি আছে। ইয়াত representative নাই। সেই কাৰণে আমি আজি অনুৰোধ কৰিছো আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকো অনুৰোধ জনাইছো যে অতি সোনকালে এই Welfare Autonomous Council Karbi সকলৰ কাৰণে KLACC গঠন কৰি দিব লাগে। যাৰ ফলত বিশেষকৈ সংবিজিতৰ নিচিনা মানুহ, কেন্দ্ৰীয় চৰকাৰৰ ওচৰত, অসম চৰকাৰৰ বৰ্তমানৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আগত তেওঁলোকে surrender কৰি mainsteam ত আহিছে। তেওঁলোকৰ বিশ্বনাথ চাৰিআলিৰ বাসিন্দা হৈছে। সেই কাৰণে তেওঁলোকক অন্তত Autonomous Council ৰূপে গঠন কৰি দিব লাগে বুলি অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। শ্ৰী জিৰণ বসুমতাৰী ।

**শ্ৰী জিৰণ বসুমতাৰী, গোসাইগাও** ঃ মানগোনাং বুংথিগিরি সার, বেয়াব বে সোদাংনায বিখান্থি, 2025 আব Missing, the Bodo Kachary, the Thengal, the Deori, the Sonowal Kachary, Rabha Hasong and Tiwa Autonomous Council বে মোনন্সি গৌথুম জোভো জেবৈয়াযদি জোংনি থাগিবি মানসিফোরা গাবখুংথাইনি থাখায় গোবাব সম বেবহায জোভো জুজিবোদোংমোন, নাংবোদোমোন আরো বে জুজিবোনায নাংবোনাযনি গেজেরজোং দিনৈ সরখারা বেখৌ মান হোনানৈ জোংনি ওনসোলখৌ জৌগাহোনায, হা হুনি রৈখাথি All round জে development বেনি হাবা মাবনো থাখায দিনৈ জোংনো খাবু হোদোং আরো বেনি থাখায জোং গিবিয়াবনো জোংনি মানগোনাং আসামনি গিবি মন্থ্রি ডo হিমন্ত বিশ্ব শর্মা বিথাংখৌ জোভো সাবাযখর হোনাংগোন। বিথাংনি দৈদেননায সরখারা বৈ মোনফ্রোমবো ওনসোল, হারি হারিসাফোরখৌ জেবৈবাদি জৌগাখাং হোনো থাখায বিথাভা হাবাফারি লাদোং। দা বেনিখাযনো আং মোনসে বাথ্রাখৌ বুংনো সান্দোং– যে মই কি ক'ব বিচাৰিছো এই ৬ খন Council ৰ অতি শীঘ্ৰে উন্নতি হ'ব পাৰে বা উন্নতিৰ পথাৰলৈ যাব পাৰে তাৰ কাৰণে এই ৭ খন Council ৰ

অতি শীঘ্ৰে নিৰ্বাচন পাতিব লাগে ইয়াৰ লগতে আমি যিটো fund ৰ কথা কৈছো, সেই fund increse কৰিব লাগে। Specially Bodo Kachari Welfare Autonomous Council তাত আমি village notification কৰিব লাগিছিল, সেইটো notify কৰি এইটো ব্যৱস্থা কৰিব লাগে যাতে আমি চৰকাৰৰ পৰা যিখিনি ধনৰাশি পাওঁ সেইখিনি আমি সঠিক পথত ব্যৱহাৰ কৰিব পাৰো। ইয়াৰ লগতে আমি দেখিবলৈ পাইছো যে এই কাউন্সিল সমূহত বিষয়া-কৰ্মচাৰীৰ নাটনি হোৱাৰ বাবে কেতিয়াবা কোনো কাম, আঁচনি আদি ৰূপায়ণ কৰোতে বহুত অসুবিধা হয়। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে আজি ইয়াত যিখিনি এমেণ্ডমেণ্ট বিল আনিছে, তাত নিশ্চয় বহু কথা অন্তৰ্ভুক্ত কৰিবলগীয়া আছে। এই খিনি চালি-জাৰি চাই আমি ইয়াত যিখিনি অনুভৱ কৰিছো সেইখিনি নহ'লে আমাৰ কাউন্সিলসমূহত বহু কাম কৰিব নোৱাৰিম। এই কাউন্সিলসমূহত বসবাস কৰা জনজাতীয় লোকসকলৰ উন্নয়ন তথা তেওঁলোকক যাতে সুৰক্ষিত কৰিব পাৰো তাৰ ব্যৱস্থা কৰিব লাগিব। আপোনাৰ জৰিয়তে মই বিভাগীয় মন্ত্ৰীক মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে ইয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু ইয়াৰ লগতে আমাৰ ৭ খন কাউন্সিলৰ বাহিৰেও Adivasi Welfare Development Council, Koch-Rajbongshi Welfare Development Council, গঠন কৰা হৈছে আৰু সেই কাউন্সিলসমূহতো পুঁজি পাব লাগে বুলি মই অনুভৱ কৰিছো। এই গোটেই কথাখিনি বিবেচনা কৰি চৰকাৰে ব্যৱস্থা হাতত ল'ব লাগে আৰু অহা বাজেটত যাতে ইয়াৰ বাবে মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে ভালদৰে ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে অনুৰোধ জনালো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য দিগন্ত বৰ্মন ডাঙৰীয়াই কওঁক।

**শ্ৰী দিগন্ত বৰ্মন,(বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "আসাম বড়ো-কছাৰী ৱেলফেয়াৰ অটন'মাচ কাউন্সিল এক্ট, ২০২০।" এই এক্টখন সন্মানীয় সদনে পাছ কৰিছিল কাৰণ তাত লিখা আছে যে Bodo inhabited villages of Assam and development for social, economical, educational, ethenic and cultural advancement of the Bodo Kachari Community residing in Assam. এক্ট খনত লিখা আছে যে ৪০ জন সদস্যৰ কাউন্সিল হ'ব। তাৰে ৩৬ জন পোনপটীয়াকৈ নিৰ্বাচন কৰা হ'ব আৰু ৪ জন চৰকাৰৰ ফালৰ পৰা মনোনীত কৰা হ'ব। এক্ট মতে এই মেম্বাৰসকলক দিয়াৰ মূল উদ্দেশ্য কেইবাটাও আছিল। ৩৪ টা বিভাগত এই কাউন্সিলে কাম কৰিব। ইয়াৰ ভিতৰত Cottage Industry, Public Health Engineering, Animal Husbandry, Social welfare, Minor Irrigation,Tourism আদি কেইবাটাও বিভাগ আছিল। কিন্তু মই দেখিছো যে এই খন বিল পাচ হোৱাৰ পিছত চৰকাৰে কাউন্সিল গঠন কৰিলে। এই কাউন্সিলত আমাৰ নলবাৰী জিলাৰো এজন সদস্য আছিল বুলি গম পাইছো। কিন্তু কোন সদস্য আছিল আজিলৈকে গম নাপালো। এটা বিভাগো হয়তো চৰকাৰে এতিয়ালৈকে দিয়া নাই। আজি মাননীয় মন্ত্ৰী মহোদয়ে যিখন এমেণ্ডমেণ্ট আনিছে ইয়াত Statement of object and reasons যিটো কথা ক'লে যে The bill proposes for Amendment of Bodo-Kachari Autonomous Council Act 2020 to provide for a mechanism to exercse the powers and functions of the Council after completion of the term of office or extend the term of the General Council if holding of election becomes impractical.মই এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বি টি

আৰ আৰু ষষ্ঠ অনুসূচী অঞ্চলত বড়ো লোক আছে, মই এই কাৰণেই বড়ো লোকৰ কথা কৈছো কাৰণ মোৰ সমষ্টিত প্ৰায় ৮-৯ হাজাৰমান বড়ো মানুহ আছে। সেইকাৰণে মোৰ আগ্ৰহটো অলপ বড়োকেন্দ্ৰিক হৈছিল আৰু মই এই প্ৰশ্নটো কৰিছিলো। ১৪ চেপ্তেম্বৰ, ২০২৩ তাৰিখে মোৰ এটা তৰা যুক্ত প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে নিজে কৈছিল যে আমাৰ সেই অঞ্চলত যি বড়ো-কছাৰী কাউঞ্চিল হৈছে, তাৰ গাওঁসমূহ অতি সোনকালে নোটিফাই কৰি পিছত নিৰ্বাচন অনুষ্ঠিত কৰিব। এইখিনি কোৱা প্ৰায় দুবছৰ হ'বৰ হ'ল। মই এটা কথা বুজি পোৱা নাই যে এই দুবছৰৰ ভিতৰত চৰকাৰে কিয় নিৰ্বাচন অনুষ্ঠিত নকৰিলে। যদি নিৰ্বাচন অনুষ্ঠিত নকৰেই এই যি 34 Schedule দিছে এই কথা এক্ট খনতেই আছে, এই কামসমূহ কেনেকৈ কৰিব? মই এটা সঁচা কথা কৈছো যে মোৰ সমষ্টিত ভঁৰালতোলা বুলি এখন গাওঁ আছে। তাত ৯৪ টা ভোট আছে আৰু জনসংখ্যা প্ৰায় ১৪০ জনমান আছে। বাকী কোনো অঞ্চলত বড়ো মানুহ নাই, অকল সেইখিনিতেই আছে। আমি সেই মানুহ খিনিক চাব লাগিব আৰু তেওঁলোকেও কিবা এটা পাব লাগে। কোকৰাঝাৰ আদি অঞ্চলত বড়ো মানুহ আছে। কিন্তু মোৰ অঞ্চলত এই লোকসকল সিঁচৰিত হৈ আছে, ক'ৰবাত ১০০, ক'ৰবাত ২০০ এনেকৈ আছে। কেৱল এটা অঞ্চলতহে ১০০০ মান বড়ো মানুহ আছে। বড়ো লোকসকলৰ উন্নয়ণৰ কাৰণে চৰকাৰে এই এক্টখন কৰিছে বা কাউঞ্চিল গঠন কৰিছে। ইয়াক মই সম্ভাষণ জনাইছো। কিন্তু তেওঁলোকৰ উন্নয়নৰ কাৰণে কাউঞ্চিলে কিবা এটাতো কৰিব লাগিব। আগতে আমি Trible Sub-Plan ৰ পৰা পইচা পাইছিলো আৰু বড়ো মানুহ থাকিলে আমাৰ অলপ সুবিধা হয়। বড়ো মানুহখিনি দেখুৱাই আমি অলপ বেছিকৈ পইচা ল'ব পাৰো। আগতে আমি এনেকৈ ৰাস্তা-ঘাটৰ কাম কৰিছো। কিন্তু আমি এতিয়া যোৱা ৪-৫ বছৰে Tribal Sub-Plan (TSP) ৰ এটকাও পোৱা নাই। মাননীয় মন্ত্ৰী মহোদয়ে অতি শীঘ্ৰে নিৰ্বাচন অনুষ্ঠিত কৰিব লাগে। কাৰণ আপুনি জানে যে যদি ৰাইজৰ প্ৰতিনিধি নাথাকে মানুহজনক কোনেও চিনি নাপায়। নলবাৰী জিলাৰ কোনোবা এজন প্ৰতিনিধি আছে আৰু ইণ্টাৰনেটত চাইহে মই গম পাইছো। যদি তেওঁ এজন নিৰ্বাচিত প্ৰতিনিধি হ'লহেঁতেন আমিও তেখেতক চিনি পালোহেঁতেন। মই কেৱল বড়ো লোকৰ কথা কোৱা নাই, বি টি আৰ বা ষষ্ঠ অনুসূচীত অঞ্চলৰ বাহিৰত থকা প্ৰায় সকলো জনজাতীয় লোক সিঁচৰিত হৈ আছে আৰু তেওঁলোক ভূমি পুত্ৰ। তেওঁলোকৰ বাবে কাউঞ্চিল গঠন কৰিছে মই ভাল পাইছো। কিন্তু তেওঁলোকক টকা-পইচা দিয়াৰ উপৰিও গণতান্ত্ৰিকভাৱে নিৰ্বাচনৰ দ্বাৰা যদি কাম কৰিব পাৰি নিশ্চিতভাৱে কামখিনি হ'ব বুলি মই আশা কৰি মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী, জনজাতি পৰিক্ৰমা, শিক্ষা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয় তথা মাননীয় সদস্যসকলে আজি এই বিষয়ে কোৱাৰ বাবে ধন্যবাদ জনাইছো। প্ৰথমে এটা বিষয়-বস্তুৰ ওপৰত মই স্পষ্টীকৰণ দি ল'ব বিচাৰিছো যে নিৰ্ব্বাচিত পৰিষদ এখনৰ কাৰ্য্যকাল বৃদ্ধি কৰাৰ বাবে এই প্ৰস্তাৱটো নহয়। আমাৰ কাউঞ্চিল কেইখনৰ যিকেইখন আইন আছে, তাত কাৰ্য্যকাল বৃদ্ধিৰ ব্যৱস্থা আছে যে ৬ মাহ প্ৰথম পৰ্য্যায়ত আৰু তাৰ পিছত ৬ মাহ অৰ্থাৎ সৰ্বাধিক এবছৰৰ বাবে এখন পৰিষদৰ কাৰ্য্যকাল বৃদ্ধি কৰিব লাগে। কিন্তু প্ৰশ্নটো হ'ল যে সেই এবছৰৰ ভিতৰত যদি নিৰ্বাচন অনুষ্ঠিত নহয়, তেতিয়াহ'লে কি হ'ব? এইবাৰ আমি এটা বিশেষ পৰিস্থিতিৰ সন্মুখীন হ'লো। আমাৰ চৰকাৰৰ দিনতে বড়ো শান্তি চুক্তিৰ জৰিয়তে বড়ো-কছাৰী ৱেলফেয়াৰ অটন'মাচ কাউঞ্চিল গঠন হ'ল। তাৰোপৰিও যেতিয়া আমাৰ নিৰ্বাচনসমূহৰ সময় চমু চাপি আহিছিল, তেতিয়া

আমি কিছু গাওঁ কৰ্তন কৰাৰ দাবী অ-জনজাতীয় সংগঠনৰ পৰা পাইছিলো। সেই দাবী পোৱাৰ পৰিপ্ৰেক্ষিততে সেই দাবীসমূহ পৰীক্ষা কৰা হৈছিল। এইখিনি পৰীক্ষা কৰিবলৈ যাওঁতে কাউঞ্চিল, অনা মিচিং সংগঠন, অ-জনজাতীয় সংগঠন সমূহৰ লগতো আমাৰ দীঘলীয়া আলোচনা হৈছিল। কেইবাখনো স্বায়ত্ব শাসিত পৰিষদৰ ক্ষেত্ৰত আমি শান্তিপূৰ্ণভাৱে আলাপ-আলোচনাৰ জৰিয়তে সকলোৰে গ্ৰহণযোগ্য সু-মীমাংসাত উপনীত হ'বলৈ চেষ্টা কৰিছিলো। বড়ো-কছাৰী ৰেলফেয়াৰ অটন'মাচ কাউঞ্চিল গঠন হোৱাৰ পিছত আমাৰ এটা দায়িত্ব আহি পৰিছিল যে বড়ো-কছাৰী ৰেলফেয়াৰ অটন'মাচ কাউঞ্চিলত গাওঁৰ তালিকা আমি ঘোষণা কৰিব লাগিব। কাৰণ গাওঁৰ তালিকা আমি নোটিফাই কৰিব নোৱাৰিলে সমষ্টি গঠন কৰিব পৰা নাযাব আৰু সমষ্টি গঠন কৰিব নোৱাৰিলে ডি-লিমিটেশ্যন নহ'ব আৰু আমি নিৰ্ব্বাচনলৈ যাব নোৱাৰিম। দীঘলীয়া আলাপ-আলোচনাৰ অন্ততঃ মিচিং স্বায়ত্ব শাসিত পৰিষদৰ পৰা যি নোটিফাইড গাওঁ আছিল, তাৰে ২৭১ খন গাওঁ আমি পৰিষদৰ পৰা বাদ দিলো। The Govt. has decided to exclude 271 villages or de-notified 271 villages which were notified under Mising Autonomous Council Act. দ্বিতীয় এটা আলাপ-আলোচনাৰ অন্ততঃ ২৫৫ খন গাওঁ এনেধৰণে negotiate কৰা হ'ল যে যিবিলাক গাওঁ এটা distinctive জনজাতীয় বা অ-জনজাতীয় অংশ আছে, সেই অংশটো কৰ্তন কৰাৰ বাবে আলোচনাত সিদ্ধান্ত গ্ৰহণ কৰা হ'ল আৰু এনেধৰণে বিচাৰ-বিশ্লেষণ কৰি মিচিং স্বায়ত্ব শাসিত পৰিষদৰ পৰা ২৫৫ খন গাওঁ আমি modify কৰোঁ অৰ্থাৎ notified village আছিল, তাৰে একোটা part, ২৫৫ খন গাঁৱৰ পৰা বাদ দিয়া হয়। একে ধৰণে এনে বহু মিচিং গাওঁ আছিল যিবিলাক মিচিং স্বায়ত্ব শাসিত পৰিষদত notified নাছিল। যি কাৰণতে নহওঁক, notified হোৱা নাছিল, যদিও notified হোৱাৰ সকলোবিলাক যোগ্যতা তেওঁলোকৰ আছিল, more than 60-70% population আছিল। গতিকে ২৫৫ খন গাওঁ নতুনকৈ notified হয়। গতিকে আমি যদি চাওঁ সৰ্বমুঠ প্ৰায় ৭৮১ গাঁৱত impact পৰিছে। এই গাওঁখিনিৰ সলনা-সলনি হৈছে। MAC ৰ পৰা ২৭১ খন গাওঁ বাদ পৰিছে, কৰ্তন কৰা হৈছে। ২৫৫ খন গাওঁ part হিচাপে modify কৰা হৈছে আৰু ২৫৫ খন গাওঁ নতুনকৈ অন্তৰ্ভুক্ত কৰা হৈছে। একেধৰণৰ exercise আমি অন্য Autonomous Council ৰ ক্ষেত্ৰতো কৰিব লগা হ'ল। কাৰণ টিৱা স্বায়ত্ব শাসিত পৰিষদত দুটাকৈ সমষ্টি বৃদ্ধিৰ প্ৰস্তাৱ আহিল। কাৰণ ধেমাজি জিলাতো টিৱা গাওঁ আছে কিন্তু তেওঁলোক স্বায়ত্ব শাসিত পৰিষদত অন্তৰ্ভুক্ত নাছিল। নগাওঁ জিলাৰ কিছুমান টিৱা গাওঁ স্বায়ত্ব শাসিত পৰিষদত অন্তৰ্ভুক্ত নাছিল। গতিকে এই গাওঁ বিলাকক নতুনকৈ অন্তৰ্ভুক্তি কৰাৰ লগে লগে তাৰ সমষ্টি বৃদ্ধিৰো প্ৰস্তাৱ আহিল। এই গোটেই exercise খিনি কৰি থাকোতে আমাৰ হাতৰ পৰা এটা বছৰ ওলাই গৈছে। কিন্তু ইয়াক এক শান্তিপূৰ্ণ ভাৱে আলাপ-আলোচনাৰ জৰিয়তে আমি মীমাংসা কৰিবলৈ সক্ষম হ'লো। এতিয়া প্ৰশ্ন আহিল যে যিহেতু extension দিয়াৰ periodটো শেষ হৈ গৈছে, তাৰ beyondত কি হ'ব ? নিৰ্বাচিত পৰিষদখনৰ কাৰ্য্যকাল শেষ হৈছে, তাৰ extended সময়সীমাটোও শেষ হৈ গৈছে। এতিয়া তাৰ পিছত নিৰ্বাচন পতালৈকে এই interim periodটোত কি হ'ব তাৰ কাৰণে আমি বিধান সভালৈ এই সংশোধনী বিলখন লৈ আহিছো যে এই extended period টো শেষ হোৱাৰ পিছত যদি কিবা কাৰণত নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা নহয়, তেতিয়া হ'লে এই সময়খিনিত ৰাজ্যপালে কোনো ব্যক্তি বা আন কোনো কৰ্তৃত্ব বা interim Council এখন গঠন কৰিব পাৰিব। ২০১৩ চনৰ পৰা নিৰ্বাচন অনুষ্ঠিত হৈয়েই আহিছে আৰু আগলৈও নিৰ্বাচন অনুষ্ঠিত হ'ব। ইতিমধ্যে ৰাভা হাছং

স্বায়ত্ব শাসিত পৰিষদৰ ক্ষেত্ৰত যি ভোটাৰ তালিকা প্ৰকাশ পাব লাগে, সেই তালিকা ইতিমধ্যে প্ৰকাশ হৈছে আৰু শীঘ্ৰে নিৰ্বাচন অনুষ্ঠিত হ'ব। অহা ছেপ্টেম্বৰ-অক্টোবৰৰ ভিতৰত যিকেইখনৰ নিৰ্বাচন অনুষ্ঠিত হ'ব লগা আছে, বিশেষকৈ মিচিং স্বায়ত্ব শাসিত পৰিষদ, সোণোৱাল-কছাৰী স্বায়ত্ব শাসিত পৰিষদ আৰু টিৱা স্বায়ত্ব শাসিত পৰিষদৰো নিৰ্বাচন আমি অনুষ্ঠিত কৰিম। কিন্তু কিবা কাৰণত নিৰ্বাচন অনুষ্ঠিত কৰিব নোৱাৰিলে কি হ'ব তাৰ এটা সমাধান বিচাৰিহে আমি এই সংশোধনীটো আনিছো। ইয়াত আন এটা সংশোধনী প্ৰস্তাৱ দেৱব্ৰত শইকীয়া আৰু তেওঁৰ সহযোগীসকলে আনিছিল য'ত কোৱা হৈছে যে -There shall be ten constituencies in a Village Council. ১৯৯৫ চনত যেতিয়া মিচিং, ৰাভা হাচং আৰু টিৱা স্বায়ত্ব শাসিত পৰিষদ গঠন কৰা হৈছিল, তেতিয়া তাৰ আইনখনতে village Council গঠন কৰাৰ ব্যৱস্থা আছিল। পৰৱৰ্তী পৰ্যায়ত এটা বিতৰ্কৰ সৃষ্টি হয় আৰু বিষয়টোক লৈ আন্দোলনো হয়। আনকি, ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদত law and order situation ৰো সৃষ্টি হয়। কেইবাজনো লোকৰ পুলিচৰ গুলী চালনাত মৃত্যু হয়। স্বায়ত্ব শাসিত পৰিষদবোৰত পঞ্চায়ত নিৰ্বাচন হ'ব নে নহয় নে village Council হ'ব ইত্যাদি প্ৰশ্ন লৈ সকলো পক্ষৰ লগত আলাপ আলোচনা কৰাৰ পিছত এটা consensus আহিছে যে এই স্বায়ত্ব শাসিত পৰিষদ অঞ্চলসমূহত স্বায়ত্ব শাসিত পৰিষদো থাকিব আৰু পঞ্চায়ত ব্যৱস্থাও থাকিব। যিহেতু পঞ্চায়ত ব্যৱস্থাটো থাকিব, এতেকে village Council ৰ ব্যৱস্থাটো নাথাকে। সেয়েহে এই বিধান সভাতে ১৯৯৫ চনৰ আইন কেইখন সংশোধন কৰি village Council ব্যৱস্থাটো স্বায়ত্ব শাসিত পৰিষদৰ পৰা প্ৰত্যাহাৰ কৰা হয়। বিধান সভাই যিহেতু প্ৰত্যাহাৰ কৰিলে, গতিকে পুনৰ বিবেচনা কৰি village Council গঠন কৰাৰ প্ৰাসংগিকতা নাই বুলি ভাৱো আৰু এই পৰিপ্ৰেক্ষিততে মাননীয় সদস্য দেৱব্ৰত শইকীয়া আৰু অন্যান্য যিসকলে সংশোধনী প্ৰস্তাৱটো আনিছে সেই প্ৰস্তাৱটোৰ ক্ষেত্ৰত মই ভাৱো যে ই অপ্ৰাসংগিক। প্ৰস্তাৱটো উঠাই ল'বৰ বাবে মই অনুৰোধ জনাইছো। টিৱা স্বায়ত্ব শাসিত পৰিষদখনত আমি মাত্ৰ দুটা seat বৃদ্ধি কৰাৰ বাবে প্ৰস্তাৱ দিছো। দুখন জিলাৰ পৰা দুটা নতুন অঞ্চল স্বায়ত্ব শাসিত পৰিষদখনত অন্তৰ্ভুক্ত হ'ব। ধেমাজি জিলাৰ টিৱা গাওঁ সমূহ পৰিষদত অন্তৰ্ভুক্ত হৈ থকা নাছিল। এতিয়া ধেমাজি জিলাত যথেষ্ট সংখ্যক টিৱা গাওঁ আছে। তেওঁলোক অন্তৰ্ভুক্ত হ'ব। নগাওঁ জিলাৰ বহুকেইখন টিৱা গাওঁ অন্তৰ্ভুক্ত নাছিল, তেওঁলোকো অন্তৰ্ভুক্ত হ'ব। সেই পৰিপ্ৰেক্ষিততে আমি দুটা নতুন সমষ্টি বৃদ্ধি কৰাৰ প্ৰস্তাৱ ৰাখিছো আৰু মই ভাৱো যে সদনে এই প্ৰস্তাৱ কেইটাত সমৰ্থন জনাব। পুনৰবাৰ কওঁ যে, যি কোনো পৰিস্থিতিতে extended period যেতিয়া শেষ হৈ যাব, এটা ৰক্ষা কৱচ ল'ব বিচাৰিছো, সেই period টোত পৰিষদখন যাতে ওলমি নাযায়, নিৰবিচ্ছিন্নতাটো যাতে অব্যাহত থাকে, সেই সময়খিনিতি পৰিষদৰ দায়িত্ব আমি কোনোব্যক্তি বা সংস্থা বা কোনো কৰ্তৃত্ব বা এখন interim ৰ হাতত যাতে দিব পাৰো তাৰ বাবে প্ৰস্তাৱ কৰিয়েই এই সংশোধনীখন অনা হৈছে। ইতিমধ্যে স্বায়ত্ব শাসিত পৰিষদসমূহৰ ক্ষমতা বৃদ্ধি কৰাৰ বাবে আমি ব্যৱস্থা গ্ৰহণ কৰিছো। অসম এখন বহু ভাষিক দেশ। আমি NEP, 2020 ৰ অধীনত জনজাতীয় ভাষাসমূহকো শিক্ষাৰ মাধ্যম হিচাপে প্ৰৱৰ্তন কৰাৰ পদক্ষেপ লৈছো। এইখিনি implement কৰিবলৈ যাওঁতে আমি স্বায়ত্ব শাসিত পৰিষদ সমূহক লগত লৈছো। আমি এইবাৰ মিচিং, ৰাভা, টিৱা, দেউৰী আদি ভাষা সমূহৰ পাঠ্যপুথিসমূহ পূৰ্বে Textbook Corporationয়ে ছপা কৰিছিল কিন্তু এতিয়া এই পাঠ্য পুথিসমূহ ছপা কৰা আৰু নিৰ্দিষ্ট বিদ্যালয়সমূহত বিতৰণ কৰাৰ দায়িত্বৰ লগতে পুঁজি এই স্বায়ত্ব শাসিত পৰিষদসমূহৰ হাতত

অৰ্পণ কৰিছো। পৰিষদসমূহে নিৰ্দিষ্ট পাঠ্যপুথিসমূহ প্ৰস্তুত কৰি নিৰ্দিষ্ট বিদ্যালয়সমূহৰ নিৰ্দিষ্ট ছাত্ৰ-ছাত্ৰীক যাতে বিতৰণ কৰিব পাৰে তাৰ বাবে আমি তেওঁলোকক বিশেষ ক্ষমতা প্ৰদান কৰিছো কাৰণ তেওঁলোকৰে গাওঁ, তেওঁলোকে জানে। তাৰোপৰি, এইপৰিষদ সমূহত নিয়মীয়া বাজেটৰ ëÆ¿1Ý Õ±ı one time special grant সকলোবোৰ পৰিষদলৈ সময়ে সময়ে আগবঢ়াই আহিছো আৰু ভৱিষ্যতেও আগবঢ়াম। পৰিষদমূহক আমি উন্নয়নৰ একো একোটা শক্তিশালী agency লৈ ৰূপান্তৰিত কৰাৰ যি প্ৰচেষ্টা আছে সেয়া অব্যাহত থাকিব। এই কথাখিনিকে কৈ মই মাননীয় দেবব্ৰত শইকীয়া, অখিল গগৈ আৰু অন্যান্যই যি সংশোধনী প্ৰস্তাৱ আনিছিল সেইটো উঠাই লোৱাৰ বাবে অনুৰোধ জনাই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মই item by item যাম।

(সদনত অস্পষ্ট ৰূপত কোনো সদস্যৰ এটা প্ৰশ্ন ভাঁহি আহে আৰু বিভাগীয় মন্ত্ৰীয়ে তাৰ উত্তৰ নিম্নলিখিত ধৰণে প্ৰদান কৰে)

**ডাঃ ৰণোজ পেগু, মাননীয় মন্ত্ৰী, ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ ইত্যাদিঃ** ইতিমধ্যে কাৰ্বি শান্তি চুক্তি এখনো চহী হৈছিল য'ত কাৰ্বি আংলঙৰ বাহিৰত বসবাস কৰা কাৰ্বি লোকসকলৰ কাৰণে Welfare Council এখন গঠন কৰাৰ প্ৰস্তাৱ দিছে আৰু আমাৰ ইতিমধ্যে আলোচনাও বহুত হৈছে। ই চৰকাৰৰ বিবেচনাধীন হৈ আছে। আমি খুব সোনকালে সিদ্ধান্ত ল'ম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ...interruptions...

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল (পূৰ গোৱালপাৰা)ঃ** চাৰ মন্ত্ৰীয়ে উত্তৰ দিলে যেতিয়া নিশ্চিতভাৱে প্ৰত্যাহাৰ কৰিব লাগিব কিন্তু মই দুটামান কথা ক'ব বিচাৰিছো...interruptions ...

**মাননীয় অধ্যক্ষঃ** দুটামান কথা নহয়, আপোনাৰ specific কি আছে? কিবা confusion?

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল (পূৰ গোৱালপাৰা)ঃ** Confusion নাই।

**মাননীয় অধ্যক্ষঃ** যিখিনি উত্থাপন হৈছিল, মন্ত্ৰী ডাঙৰীয়াই তাৰ উত্তৰ দি দিলে...interruptions ...

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল (পূৰ গোৱালপাৰা)ঃ** মই মন্ত্ৰী ডাঙৰীয়াৰ জ্ঞাতাৰ্থে এই সংক্ৰান্তত জনাব বিচাৰিছো যে আজি মোৰ ...interruptions...

**মাননীয় অধ্যক্ষঃ** এতিয়া নালাগে।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল (পূৰ গোৱালপাৰা)ঃ** চাৰ মোৰ amendment হয়।

**মাননীয় অধ্যক্ষঃ** এতিয়া নালাগে। এতিয়া Amendment টো clause by clause যাব আৰু আপুনি তেতিয়া প্ৰশ্ন কৰিব। এতিয়া আমি নিয়মটো সলাই ল'লো। Amendment ৰ সময়ত কিবা যদি clarification লাগে সুধিব পাৰিব।

এতিয়া **Item No. 4** "The Mising Autonomous Council (Amendment) Bill, 2025." বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

এতিয়া বিধেয়কখন সদনত  দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ব।

এতিয়া ২ নং দফাত মাননীয় সদস্য শ্ৰী দেবব্ৰত শইকীয়াৰ লগতে সহযোগী সকল আৰু শ্ৰী অখিল গগৈ ডাঙৰীয়া আৰু তেখেত সকলৰ ইয়াত সংশোধনী প্ৰস্তাৱ আছে, গতিকে প্ৰস্তাৱটো move কৰিব নে withdraw কৰিব  এতিয়া কি আছে আপুনি মোক সুধিব পাৰে to the point.

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল ঃ** যিহেতু ৭খন বিল একেলগে আছে।

**মাননীয় অধ্যক্ষঃ** নহয়, নহয় এতিয়া Mising Autonomous Bill, বিল পাছ এখন এখনকৈ হ'ব। এতিয়া মাত্ৰ Mising Autonomous Bill ত কিবা ক'বলগীয়া আছে নেকি ?

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল ঃ** Mising Autonomous Bill ৰ ক্ষেত্ৰত তেনেকুৱা ক'বলগীয়া একো নাই। কিন্তু দেখা গৈছে যে ঠিক আলোচনাত এইখিনি কথা আনিব পাৰিব লাগিছিল, মোৰ ৰৈ গৈছিল।

**মাননীয় অধ্যক্ষঃ** ইয়াত আৰু discussion নাই,  আপোনালোকে যিটো Amendment দিছে তাত যদি কিবা to the point জানিব লগীয়া আছে, তেনেহ'লে মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিলে।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল ঃ** যিহেতু সন্মানীয় মন্ত্ৰীয়ে election টো ensure কৰিছে, assurence দিছে যে election হ'ব গতিকে এইখিনি উঠাই লৈছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈঃ** অধ্যক্ষ ডাঙৰীয়া, আচলতে ইয়াত যিটো provision আনিছে, এইটোৱে আমাৰ গণতন্ত্ৰক ক্ষতি কৰিব।

**মাননীয় অধ্যক্ষঃ**  আপোনাক যদি কিবা clarification লাগে, সেইটোটো আপুনি কৈয়ে দিলে বক্তব্যত

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** অধ্যক্ষ ডাঙৰীয়া, সেইটোৱে কৈছিলো যে জনগোষ্ঠী বিলাকক ক্ষতিগ্ৰস্ত কৰিব। সেইকাৰণে সেই ক্ষতিবোৰ কমাবৰ কাৰণে এই পৰিমাণটো ৬ মাহতকৈ বেছি হ'ব নালাগে। মই সংশোধনীয়ে দিছিলো মাত্ৰ সেইটো যোগ কৰি দিলে হ'ল।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে , আপুনি উঠাই নলয়। এতিয়া প্ৰশ্নটো হ'ল যে সন্মানীয় সদস্য শ্ৰী অখিল গগৈৰ সংশোধনী প্ৰস্তাৱ কেইটা গ্ৰহণ কৰা হওঁক।

যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'নহয় সপক্ষে', 'নহয় সপক্ষে', 'নহয় সপক্ষে'
সংশোধনী প্ৰস্তাৱটো নাকচ  হ'ল।

প্ৰশ্নটো হ'ল যে দফা নং-২ গৃহীত কৰা হওঁক

যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'

দফা নং-২  বিধেয়কখনৰ অংশ হ'ল।

দফা নং-১ অধিনিয়ম সূত্ৰে প্ৰস্তাৱণা আৰু দীৰ্ঘ শিৰোনামত কোনো সংশোধনী নাই। প্ৰশ্নটো হ'ল

যে  দফা নং-১ অধিনিয়ম সূত্ৰ, প্ৰস্তাৱণা আৰু  দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'

দফা নং-১ অধিনিয়ম সূত্ৰ প্ৰস্তাৱণা আৰু  দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰী ।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Mising Autonomous Council (Amendment) Bill, 2025." পাৰিত কৰাৰ কাৰণে সদনত প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল বিধেয়কখন পাৰিত কৰা হওঁক

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'

প্ৰস্তাৱটো গৃহিত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

তিয়া **Item No. 5** "Bodo Kachari Welfare Autonomous Council (Amendment) Bill, 2025." বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'

প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

এতিয়া বিধেয়কখন সদনত  দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ল।

২ নং দফাত মাননীয় সদস্য শ্ৰী দেবব্ৰত শইকীয়াৰ লগতে সহযোগী সকল আৰু শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ  সংশোধনী প্ৰস্তাৱ আছে। প্ৰস্তাৱটো আপোনালোকে উঠাই লৈছে?

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, পশ্চিম গোৱালপাৰা ঃ** এটা কথা, যিহেতু মন্ত্ৰী মহোদয়ে election ৰ কথাটো assurance দিছে, এই assurance আমি আশ্বস্থ হৈ আমি উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়া আপুনি উঠাই নলয়।

এতিয়া প্ৰশ্নটো হ'ল যে সন্মানীয় সদস্য শ্ৰী অখিল গগৈৰ সংশোধনী প্ৰস্তাৱ কেইটা গ্ৰহণ কৰা হওঁক।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'নহয় সপক্ষে', 'নহয় সপক্ষে', 'নহয় সপক্ষে'

সংশোধনী প্ৰস্তাৱ কেইটা নাকচ  হ'ল।

প্ৰশ্নটো হ'ল যে দফা নং-২ গৃহীত কৰা হওঁক

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'

দফা নং-২ বিধেয়কখনৰ অংশ হ'ল।

দফা নং-১ অধিনিয়ম সূত্রে প্রস্তাৱণা আৰু দীৰ্ঘ শিৰোনামত কোনো সংশোধনী নাই। প্রশ্নটো হ'ল যে দফা নং-১ অধিনিয়ম সূত্র, প্রস্তাৱণা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'

দফা নং-১ অধিনিয়ম সূত্র প্রস্তাৱণা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰী ।

**ডাঃ ৰণোজ পেগু, মন্ত্রীঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "Bodo Kachari Welfare Autonomous Council (Amendment) Bill, 2025." পাৰিত কৰাৰ কাৰণে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** প্রশ্নটো হ'ল বিধেয়কখন পাৰিত কৰা হওঁক

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'

প্রস্তাৱটো গৃহিত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া **Item No. 6** "The Thengal Kachari Autonomous Council (Amendment) Bill, 2025 বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'

প্রস্তাৱটো গৃহীত কৰা হ'ল।

এতিয়া বিধেয়কখন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ল।

২ নং দফাত মাননীয় সদস্য শ্রী দেবব্রত শইকীয়াৰ লগতে সহযোগী সকল আৰু শ্রী অখিল গগৈ ডাঙৰীয়াৰ সংশোধনী প্রস্তাৱ আছে। প্রস্তাৱটো আপোনালোকে উঠাই লৈছে?

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, পশ্চিম গোৱালপাৰা ঃ** এটা কথা, যিহেতু মন্ত্রী মহোদয়ে election ৰ কথাটো assurance দিছে, এই assurance আমি আশ্বস্থ হৈ আমি উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্রশ্নটো হ'ল যে সন্মানীয় সদস্য শ্রী অখিল গগৈৰ সংশোধনী প্রস্তাৱ কেইটা গ্রহণ কৰা হওঁক।

যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'নহয় সপক্ষে', 'নহয় সপক্ষে', 'নহয় সপক্ষে'
সংশোধনী প্ৰস্তাৱ কেইটা নাকচ হ'ল।

প্ৰশ্নটো হ'ল যে দফা নং-২ গৃহীত কৰা হওঁক

যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
দফা নং-২ বিধেয়কখনৰ অংশ হ'ল।

দফা নং-১ অধিনিয়ম সূত্ৰে প্ৰস্তাৱণা আৰু দীৰ্ঘ শিৰোনামত কোনো সংশোধনী নাই।
প্ৰশ্নটো হ'ল যে দফা নং-১ অধিনিয়ম সূত্ৰ, প্ৰস্তাৱণা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
দফা নং-১ অধিনিয়ম সূত্ৰ প্ৰস্তাৱণা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰী ।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Thengal Kachari Autonomous Council (Amendment) Bill, 2025 বিধান সভাত পাৰিত কৰাৰ কাৰণে উত্থাপন কৰিছো।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল বিধেয়কখন পাৰিত কৰা হওঁক

যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
প্ৰস্তাৱটো গৃহিত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া **Item No. 7,** "The Deori Antonomous Council (Amendment) Bill, 2025 বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
প্ৰস্তাৱটো গৃহীত কৰা হ'ল।
এতিয়া বিধেয়কখন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ল।

২ নং দফাত মাননীয় সদস্য শ্ৰী দেবব্ৰত শইকীয়াৰ লগতে সহযোগী সকল আৰু শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱ আছে। প্ৰস্তাৱটো আপোনালোকে উঠাই

লৈছে?

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, পশ্চিম গোৱালপাৰা** ঃ এটা কথা, যিহেতু মন্ত্ৰী মহোদয়ে election ৰ কথাটো assurance দিছে, এই assurance আমি আশ্বস্থ হৈ আমি উঠাই লৈছো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্নটো হ'ল যে সন্মানীয় সদস্য শ্ৰী অখিল গগৈৰ সংশোধনী প্ৰস্তাৱ কেইটা গ্ৰহণ কৰা হওঁক।

যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'নহয় সপক্ষে', 'নহয় সপক্ষে', 'নহয় সপক্ষে'
সংশোধনী প্ৰস্তাৱ কেইটা নাকচ হ'ল।

প্ৰশ্নটো হ'ল যে দফা নং-২ গৃহীত কৰা হওঁক

যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
দফা নং-২ বিধেয়কখনৰ অংশ হ'ল।

দফা নং-১ অধিনিয়ম সূত্ৰে প্ৰস্তাৱণা আৰু দীৰ্ঘ শিৰোনামত কোনো সংশোধনী নাই।
প্ৰশ্নটো হ'ল যে দফা নং-১ অধিনিয়ম সূত্ৰ, প্ৰস্তাৱণা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
দফা নং-১ অধিনিয়ম সূত্ৰ প্ৰস্তাৱণা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰী ।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Deori Antonomous Council (Amendment) Bill, 2025 বিধান সভাত পাৰিত কৰাৰ কাৰণে উত্থাপন কৰিছো।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল বিধেয়কখন পাৰিত কৰা হওঁক

যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
প্ৰস্তাৱটো গৃহিত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া **Item No. 8**, "The Sonowal Kachari Autonomous Council (Amendment) Bill, 2005 বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'

প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া বিধেয়কখন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ল।

২ নং দফাত মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়াৰ লগতে সহযোগী সকল আৰু শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱ আছে। ইতিমধ্যে শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকলে এইটো উঠাই ল'লে।

এতিয়া অখিল গগৈ ডাঙৰীয়াৰ প্ৰস্তাৱলৈ মই আহো।

---interruption---

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত মাননীয় মন্ত্ৰী মহোদয়ে গোটেই কেইটা council ত নিৰ্বাচন কৰিবলৈ আশ্বাস দিছে আৰু মই বিশ্বাস কৰিছো। সেইবাবে মই এইটো withdraw কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া অখিল গগৈ ডাঙৰীয়াৰ প্ৰস্তাৱলৈ মই আহো। শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱকেইটা গ্ৰহণ কৰা হওক।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'নহয় সপক্ষে', 'নহয় সপক্ষে', 'নহয় সপক্ষে'

সংশোধনী কেইটা নাকচ হ'ল।

প্ৰশ্নটো হ'ল যে দফা নং ২ গৃহীত কৰা হওক।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'

দফা নং ২ বিধেয়ক খনৰ অংশ হ'ল।

দফা নং ১ অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামত কোনো সংশোধনী নাই।

প্ৰশ্নটো হ'ল যে দফা নং ১ অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'

দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়ক খনৰ অংশ হ'ব।

মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Sonowal Kachari Autonomous Council( Amendment) Bill,2025" পাৰিত কৰাৰ কাৰণে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া item no.9, প্ৰশ্নটো হ'ল যে "The Rabha Hasong Autonomous Council( Amendment) Bill,2025" বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক ‘নহয়’

মই ভাবো ‘হয় সপক্ষে’, ‘হয় সপক্ষে’, ‘হয় সপক্ষে’

প্ৰস্তাৱটো গৃহীত হ’ল।

এতিয়া বিধেয়কখন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হ’ল।

২ নং দফাত মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়াৰ লগতে সহযোগী সকল আৰু শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱ আছে।

শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকলে মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰত সন্তুষ্ট হৈ এইটো উঠাই ল’লে।

এতিয়া অখিল গগৈ ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱ আছে। শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱ কেইটা গ্ৰহণ কৰা হওক।

যিসকল সপক্ষে আছে কওঁক ‘হয়’

যিসকল বিপক্ষে আছে কওঁক ‘নহয়’

মই ভাবো ‘নহয় সপক্ষে’, ‘নহয় সপক্ষে’, ‘নহয় সপক্ষে’

সংশোধনী কেইটা নাকচ হ’ল। প্ৰশ্নটো হ’ল যে দফা নং ২ গৃহীত কৰা হওক।

যিসকল সপক্ষে আছে কওঁক ‘হয়’

যিসকল বিপক্ষে আছে কওঁক ‘নহয়’

মই ভাবো ‘হয় সপক্ষে’, ‘হয় সপক্ষে’, ‘হয় সপক্ষে’

দফা নং ২ বিধেয়কখনৰ অংশ হ’ল।

দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামত কোনো সংশোধনী নাই। প্ৰশ্নটো হ’ল  দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়ক খনৰ অংশ হ’ব।

যিসকল সপক্ষে আছে কওঁক ‘হয়’

যিসকল বিপক্ষে আছে কওঁক ‘নহয়’

মই ভাবো ‘হয় সপক্ষে’, ‘হয় সপক্ষে’, ‘হয় সপক্ষে’

দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ’ব।

মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই  "The Rabha Hasong Autonomous Council( Amendment) Bill,2025" পাৰিত কৰাৰ কাৰণে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ’লে যে বিধেয়কখন পাৰিত কৰা হওক।

যিসকল সপক্ষে আছে কওঁক ‘হয়’

যিসকল বিপক্ষে আছে কওঁক ‘নহয়’

মই ভাবো ‘হয় সপক্ষে’, ‘হয় সপক্ষে’, ‘হয় সপক্ষে’

প্ৰস্তাৱটো গৃহীত হ’ল আৰু বিধেয়কখন পাৰিত কৰা হ’ল।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া item no.10 প্ৰশ্নটো হ’ল যে "The Tiwa Autonomous Council( Amendment) Bill,2025" বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সপক্ষে আছে কওঁক ‘হয়’

যিসকল বিপক্ষে আছে কওঁক ‘নহয়’

মই ভাবো ‘হয় সপক্ষে’, ‘হয় সপক্ষে’, ‘হয় সপক্ষে’

প্ৰস্তাৱটো গৃহীত হ’ল।

এতিয়া বিধেয়কখন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হ’ল।

২ নং দফাত মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়াৰ লগতে সহযোগী সকল আৰু শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱ আছে।

তেখেতসকলে সংশোধনী প্ৰস্তাৱ উঠাই ল’লে মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰত সন্তুষ্ট হৈ।

গতিকে প্ৰশ্নটো হ’ল যে দফা নং ২ গৃহীত কৰা হওক।

যিসকল সপক্ষে আছে কওঁক ‘হয়’

যিসকল বিপক্ষে আছে কওঁক ‘নহয়’

মই ভাবো ‘নহয় সপক্ষে’, ‘নহয় সপক্ষে’, ‘নহয় সপক্ষে’

সংশোধনী প্ৰস্তাৱটো নাকচ হ’ল।

এতিয়া প্ৰশ্নটো হ’ল দফা নং ৩ গৃহীত কৰা হওক।

যিসকল সপক্ষে আছে কওঁক ‘হয়’

যিসকল বিপক্ষে আছে কওঁক ‘নহয়’

মই ভাবো ‘হয় সপক্ষে’, ‘হয় সপক্ষে’, ‘হয় সপক্ষে’

দফা নং ৩ বিধেয়কখনৰ অংশ হ’ল।

৪ নং দফাত দিয়া সংশোধনীটো মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়াৰ লগতে সহযোগী সকলৰ সংশোধনী প্ৰস্তাৱ আছে। তেখেতসকলে সংশোধনী প্ৰস্তাৱটো উঠাই ল’লে।

এতিয়া প্ৰশ্নটো হ’ল দফা নং ৪ গৃহীত কৰা হওক।

যিসকল সপক্ষে আছে কওঁক ‘হয়’

যিসকল বিপক্ষে আছে কওঁক ‘নহয়’

মই ভাবো ‘হয় সপক্ষে’, ‘হয় সপক্ষে’, ‘হয় সপক্ষে’

দফা নং ৪, বিধেয়কখনৰ অংশ হ’ল।

দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামত কোনো সংশোধনী নাই।

এতিয়া প্ৰশ্নটো হ’ল যে দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ’ব।

যিসকল সপক্ষে আছে কওঁক ‘হয়’

যিসকল বিপক্ষে আছে কওঁক ‘নহয়’

মই ভাবো ‘হয় সপক্ষে’, ‘হয় সপক্ষে’, ‘হয় সপক্ষে’

দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।
মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Tiwa Autonomous Council( Amendment) Bill,2025" পাৰিত কৰাৰ কাৰণে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে বিধেয়কখন পাৰিত কৰা হওক।
যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া Item No- 11, ৰাজভৱনৰ পৰা এটা বাণী আছে। বাণীটো হ'ল -Under the Provision of Article-207(3) of the constitution of India,I, Shri Lakshman Prasad Acharya, Governor of Assam, recommend that "The Assam Goods and Services Tax (Amendment) Bill, 2025" be taken into consideration by the Assam Legislative Assembly.

এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Assam Goods and Services Tax (Amendment) Bill, 2025"বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্নটো হ'ল যে "The Assam Goods and Services Tax (Amendment) Bill, 2025" বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া আলোচনা আছে। শ্ৰী দিগন্ত বৰ্মন।

**শ্ৰী দিগন্ত বৰ্মন, বৰক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, I beg to move

----interruption-----

**মাননীয় অধ্যক্ষ ঃ** এতিয়া move কৰিব নালাগে। এতিয়া আপুনি মাত্ৰ আপোনাৰ points বিলাক ক'লে হ'ল ।

**শ্ৰী দিগন্ত বৰ্মন, বৰক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়,আমাৰ যিটো Goods and Services Tax তাৰ ওপৰত মাননীয় মন্ত্ৰী শ্ৰীমতী অজন্তা নেওগৰ হৈ Parliamentary Affairs Minister ডাঙৰীয়াই আনিছে। এইটোত মই এটা সংশোধনী বিচাৰিছিলো। ইয়াত mainly GST ৰ কথা কোৱা হৈছে। যেতিয়া ২০১৭ ৰ ১ জুলাইৰ পৰা GST আৰম্ভ হ'ল, তাৰ পিছত বহুত ক্ৰিয়া প্ৰতিক্ৰিয়া হ'ল। বহুতে ভাল বুলি ক'লে আৰু বহুতে বেয়া বুলি ক'লে। আমি কৈছো যে কিছুমান ক্ষেত্ৰত ভাল হৈছে আৰু কিছুমান ক্ষেত্ৰত বেয়াও হৈছে আৰু কিছু ক্ষেত্ৰত সুৰুঙাও ৰৈ গৈছে। সাধাৰণতে যেতিয়া GST Council খন গঠন কৰা হৈছিল আমাৰ মাননীয় কেন্দ্ৰীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানী নিৰ্মলা চিতাৰমণ সেই সময়ত chairman আৰু অন্যান্য ৰাজ্যৰ যিসকল State Minister আৰু Finance Minister Member.আমাৰ অসমৰ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীও ইয়াৰ সদস্য। আমি সাধাৰণতেGST য়ে যিটো ৭ টা schedule ত নিৰ্দ্ধাৰিণ কৰি দিছে, এটাত আছে 0%,এটাত 0.25%, এটাত আছে 3%,এটাত আছে 5%, এটাত আছে 12%, এটাত আছে 18% আৰু highest schedule টো হৈছে 28% কিছুমানৰ ক্ষেত্ৰত ৰাইজৰ অসুবিধা হয়। সেই কথাখিনি আমি ক'ব লাগিব। মই যিখিন চিডুল পাইছো সেইখন যথেষ্ঠ দীঘলীয়া পৃষ্ঠাৰ। আজি কিছুমান Frogen item ত ৫ শতাংশ GST লৈছে আৰু Frogen item বোৰ সকলোৰে নাখায়। কিন্তু কেৰাচিন আটাইতকৈ দুখীয়া মানুহখিনিয়ে ব্যৱহাৰ কৰে। সেয়েহে এই কেৰাচিন তেলত কিয় ৫ শতাংশ GST লগাব লাগে। এজন ছাত্ৰই স্কুলীয়া জীৱনত প্ৰথমে এ.বি.চি.ডি বা ক,খ,গ,ঘ পায় আৰু তেতিয়া তেওঁলোকে কাঠ পেঞ্চিল ডালেৰে লিখিব লাগে। কিন্তু সেই কাঠপেঞ্চিল ডালৰ ওপৰত ১৮ শতাংশ GST লগাইছে। কিছুমান বস্তু ক্ষেত্ৰত আমি GST কিয় ৰেহাই দিব নোৱাৰো। যেনে - hand pump এটা ৬ বা ৪ হাজাৰ টকাত পায়। কিন্তু তাৰ washer টোৰ ওপৰত ৫ শতাংশ GST কিয় লগাব লাগে। Wheel chair খন যিয়ে খোজ কাঢ়িব নোৱাৰে তেওঁলোকেহে ব্যৱহাৰ কৰে, য'ত ৫ শতাংশ GST লগাইছে। Artificial limbs, যাৰ ভৰি ভাঙি গৈছে, যিয়ে limbs লগাইছে তাত ৫ শতাংশ GST দিব লাগে। আটাইতকৈ মূল্যবান সম্পদ হীৰা যিটো ধনী লোক সকলে ক্ৰয় কৰে তাত কিন্তু ৩ শতাংশ GST লগাইছে। সোণৰ কথাটো নকওঁ কিয়নো সোণ সাধাৰণ মানুহেও ক্ৰয় কৰে। কিন্তু আমাৰ ল'ৰা-ছোৱালীবোৰে কিতাপ-পত্ৰ নিয়াৰ বাবে যিটো বেগ ব্যৱহাৰ কৰে তাত কিন্তু ১৮ শতাংশ GST লগাইছে। ৰাইজৰ সুবিধাৰ বাবে চৰকাৰে চিকিৎসাৰ কাৰণে আয়ুস্মান ভাৰত, অটল অমৃত যোজনা দিছে আমি ভাল পাইছো। ইয়াত এই কথাখিনি মই টানি আনিছো। এইখন কেন্দ্ৰীয় চৰকাৰৰ আইন। এইখন পাচ কৰিবৰ কাৰণে দিছে।

**শ্ৰী পিযুষ হাজৰিকা, (মাননীয় মন্ত্ৰী) ঃ** আপুনি ডাইৰেক্ট সংশোধনীৰ ওপৰত কওঁক।

**মাননীয় উপাধ্যক্ষ ঃ** তেখেতে সংশোধনীটোৰ ওপৰত আলোচনাটোও একেলগে কৈছে।

**শ্ৰী দিগন্ত বৰ্মণ, (বৰক্ষেত্ৰী) ঃ** আমাৰ মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়াণী এই GST Council ৰ সদস্যা হয়। বিধান সভাত তেখেতে কোৱাৰ অধিকাৰ আছে। কাউঞ্চিলত এই কথাবোৰ ক'লে সংশোধন কৰিব পাৰিব আৰু তেতিয়া ৰেটটো কমাব পাৰিব। সেই কাৰণে মই কথাবোৰ উত্থাপন কৰিছো। GST Council ত আমাৰ মাননীয়া বিত্তমন্ত্ৰী গৰাকী ৫ নম্বৰত আছে। আপোনালোক Net ত চাই ল'ব পাৰে। মেডিকেল insurance ত এজন মানুহে নিজৰ পইচাৰে চিকিৎসা কৰিব আৰু প্ৰিমিয়ামও দিব আৰু তাৰপিছত ও কিয় ১৮ শতাংশ GST দিব লাগে। যিখিনি বস্তু অতি দৰকাৰী আৰু দুখীয়া লোকসকলৰ কাৰণে প্ৰয়োজনীয় তাৰবাবে আজিৰ বিধান সভাত এটা প্ৰস্তাৱ

ল'ব লাগে যে কাঠপেঞ্চিল, স্কুলবেগ, মেডিকেল equipment আদি এনেকুৱা বস্তুবোৰৰ ক্ষেত্ৰত বেছিহে থকা GST বোৰ কমোৱাৰ বাবে আৰু য'ত কিছুমান বস্তুৰ ক্ষেত্ৰত একেবাৰে নাইকিয়া কৰিব পাৰি নেকি ইয়াৰ ওপৰত এটা প্ৰস্তাৱ ল'ব লাগে। কিয়নো আমাৰ বিত্তমন্ত্ৰী গৰাকী যিহেতু GST Council ৰ সদস্য আৰু তেখেতে কোৱাৰ অধিকাৰ আছে, গতিকে এটা প্ৰস্তাৱ ললে মই ভাল পাম।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী জ্বলেন দৈমাৰী আপুনি GST ৰ ওপৰত কওঁক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আচলতে এই যিখন সংশোধনী অনা হৈছে এই সংশোধনীৰ ওপৰত সংশোধন ও দিছে। আৰু এই সংশোধনীৰ ওপৰত সদস্য সকলে তেওঁলোকৰ বক্তব্যখিনি ৰাখিব পাৰে। GST Council য়ে যিটো সিদ্ধান্ত লয় সেই সিদ্ধান্তটোৰ ওপৰত অসম বিধান সভাই খাৰিজ ও কৰিব নোৱাৰে আৰু আমিও একো কৰিব নোৱাৰো। যিটো সংশোধনী আমি আনিছো As per the recomandation of GST Council. আমি নিজাববীয়াকৈ আনিব নোৱাৰো। GST Council য়ে আমাক কৈছে যে তোমালোকৰ State Act লগত include কৰি লোৱা। গতিকে GST Council ৰ ৰিক'মেণ্ডেশ্যনৰ মতেহে সংশোধনীটো আহিছে আৰু এই সংশোধনীটো নিজাকৈ অসম চৰকাৰে অনা নাই। গতিকে ইয়াত এইবোৰ কথা আলোচনা কৰি থকাতো never need business হ'ব। যিটো একো কামত নাহিব।

**শ্ৰী দিগন্ত বৰ্মণ, (বৰক্ষেত্ৰী) ঃ** আমি GST Council ক request কৰিছো যে যিমান পাৰি বস্তু বিলাকৰ ওপৰত GST কমাব লাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** অনুৰোধ কৰা কথাটো এটা বেলেগ বিষয়। আজি এই আইনখন আহিছে এটা সংশোধনীৰ ওপৰত। সংশোধনীটোৰ ওপৰত যিখিনি হ'ব লাগে বা নালাগে তাৰ ওপৰত আলোচনা হওঁক। তাত আমাৰ আপত্তি নাই। কিন্তু GST Council য়ে যিটো সিদ্ধান্ত লয় সেইটোত আমি মাত মাতিব নোৱাৰো। আপুনি ঠিকে কৈছে যে মাননীয়া শ্ৰীমতী নিৰ্মলা সীতাৰমণ ডাঙৰীয়াণী GST Council ৰ চেয়াৰমেন আৰু আমাৰ মাননীয়া শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়াণী তাৰ সদস্যা। গতিকে শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়াণী বাইদেউয়ে যিখিনি কথা ক'ব লাগে বুলি আপুনি কৈছে, সেইখিনি তেখেতক আপুনি লিখিত ভাৱে দি দিব। তেতিয়া তেখেতে তাত সেইখিনি কথা ক'ব পাৰিব। আপোনালোকে amendment ৰ ওপৰত কথাখিনি কওঁক। এতিয়ালৈকে আঠখন আইন আছে আৰু এখন আইন আছেই। গতিকে যিটো কথা amendment নাহে, যিটো কথা amendment অহা নাই, সেইটো নকৰি সামগ্ৰিক GST ৰ ওপৰত যদি আপোনালোকে ব্যাখ্যা দিয়ে তেতিয়া বাকী বিলাক নহ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী জ্বলেন দৈমাৰী ডাঙৰীয়া, আপুনি কথাটো বুজি পালে। তেনেহ'লে আপুনি নক'লেও হ'ব নিশ্চয়। মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়া, আপুনি amendment ৰ ওপৰত কিবা ক'বলগীয়া আছে যদি ক'ব পাৰে।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ), (ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি ইয়াত মাত্ৰ দুটা amendment য়েই দিছো। যিটো আমাৰ GST Act,Central Goods and Service Tax Act, 2017 টোৰ ওপৰত Assam Goods and Service Tax Act, 2017 ত Assam ১ নং xxviii of 2017 হিচাপে আমি পাচ কৰিছিলো। তাৰ ওপৰত আৰু দুবাৰ amendment আহিল। কিন্তু এতিয়া কথাটো হ'ল যে - ২০২৪ চনত আকৌ Central Goods

and Service Tax, 2017 টোক যেতিয়া Parliament ত amendment কৰিলে তেতিয়া এইটো আছিল 8 August, 2024. আৰু তাত batch no. 2 at 2024, 15 th of 2024 ত যিটো Parliament ত amendment কৰিলে, সেইমতে GST ৰ গোটেইখিনি ডিচিশ্যন হ'ব আৰু এই গোটেইখিনি uniformity হ'বলৈ All over India ত এইটো uniformity maintain কৰিব লাগে। এতিয়া কথাটো হ'ল ইয়াত বেলেগ বেলেগ State য়ে যিটো Parliament ত amendment হৈছে তাৰ basic টো ঠিক ৰাখি ওপৰত State য়ে নিজাববীয়াকৈ যিটো State share, ইয়াত লিগেলী যিখিনি পায় সেইখিনি হয়। কিন্তু State য়ে কিছুমান কৰিব পাৰে যে কিছুমান কমিউনিটি এইখিনি GST বহিঃভূত, এইখিনি GST ত অন্তৰ্ভুক্ত এইখিনিত state ৰ নিজাববীয়া অলপ কৰিবলগীয়া থাকে। সেই কথাটো আমাৰ GST amendment Bill যিটো state ত কৰিব দিয়া হৈছিল। নহ'লে মাননীয় উপাধ্যক্ষ মহোদয়, এইটো ভাৰতৰ কোনো বিধান সভাত পাচ কৰাৰ প্ৰয়োজন নাছিল। Central Act, Parliament য়ে যিটো পাচ কৰি দিলে it will be implemented all over India. কিন্তু state য়ে সামান্য যিখিনি কৰিব লগীয়া থাকে যেনে- কোন কোন কমিউনিটি ইয়াত অন্তৰ্ভুক্ত হ'ব আৰু কোনটো বাহিৰত হ'ব আৰু কোন কেইটা levy হ'ব এইখিনি অলপ কৰণীয় থাকে। ইয়াত যিখিনি আনিছে তাত আমাৰ অলপ মতামত দিবলগীয়া আছে। মোৰ উপৰোক্ত বক্তাগৰাকীয়ে যিখিনি কৈছে যে সেই দৃষ্টি আমি এতিয়া সলনি কৰিব পাৰো। Basic formula টো ঠিক ৰাখিব লাগিব যিটো 15th of 2024 ত Parliament ত amendment হৈছে, সেইটো ঠিক ৰাখিম। কিন্তু আমি জনস্বাৰ্থত কিছুমান কমিউনিটি ইয়াত include কৰাৰ বাবে বিধান সভাই কৰিব পাৰো।

মই ভাবো ইয়াত সদনত যদি কোনোবাই এই বিষয়ত যদি মতামত দিয়ে এইটো চৰকাৰে গ্ৰহণ কৰিব লাাগিব। এইটো কোৱা উচিত নহ'ব যিহেতু Central Act Parliament এ কৰিছে। গতিকে state ত কোনো, মন্ত্ৰীয়ে reply দিব নোৱাৰে, ইয়াত একো কথা ক'ব নোৱাৰে, তেনেহ'লে এইটো pass কৰাৰ প্ৰয়োজনেই নাছিল। Central ত automatically implement হৈ গ'ল হেতেন। গতিকে মই ভাবো ৰাজ্যই কৰণীয়খিনি কৰিব পাৰিব। মই ভাবো তেখেতে এই কথাটো গ্ৰহণ কৰিলে ভাল হ'ব।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এযাৰ কথা ক'ব বিচাৰিছো, প্ৰকৃততে GST council ৰ recomendation বিলাকহে recomendation. সেইবিলাক state এ যেতিয়ালৈকে notify নকৰে তেতিয়ালৈকে সেইটো state ত প্ৰযোজ্য নহয় - এইবুলি হাইক'ৰ্টৰ ৰায় আছে। গতিকে আমি যদি ক'ৰবাত relief দিব বিচাৰো GST council ৰ recomended rate of tax সেইটো প্ৰযোজ্য নকৰিবও পাৰো। এনেকুৱা ধৰণৰ কথা খিনি আছে । অকণমান সেইখিনি আলোচনা কৰিবলৈ সুবিধা দিলে ভাল হয়।

শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াই যিটো কথা কৈছে আচলতে আমি এইবাৰ যিটো amendment ইয়াত আনিছো, আপুনি হাইক'ৰ্টৰ যিটো ৰায়ৰ কথা কৈছে সেইটো আমি মানিব বা নামানিবও পাৰো। কিন্তু আমি তেওঁলোকৰ recomendation টো এইবাৰ মানিছো। কিয়নো এই amendment টোৱে মানুহক এটা সকাহ দিছে। এইখিনি pre-deposit কোনোবা appeal ৰ বাবে দিব লাগে। Appellate authority ৰ ওচৰত যেতিয়া আপীল কৰা যায় তেওঁলোকে যিটো ২০% দিব লাগে আমি কৈছো GST council এ কৈছে সেইটো 25 instead of 20 %. সেইটো 10% দিলেও

হ'ব। এই 10% দিয়াৰ লগে লগে আমাৰ যিখিনি ব্যৱসায়ী মানুহ, সৰু সৰু businessmen তেওঁলোক বে ছি লাভান্বিত হয়। সেয়ে আমি মানি লৈছো। সেইকাৰণে আমি amendment টো আনিছো in the interest of the small business, medium business and business community. যাতে আমাৰ ব্যৱসায়ত লাভ হয়। সেইখিনি কথা " the matter was discussed in the $53^{rd}$ meeting of GST Council where in it was felt that such a high requirement of pre-deposit can be burdensome for business, espcially smaller one, as it affects their working capital requirement. Hence, the GST council has recommended to amend section 112 (8)(b) of the Assam Goods and Services Tax Act, 2017 by substituing the words, "twenty per cent" with the words " ten per cent". গতিকে সেইটোত 20% দিব লাগিলে ৫০ কোটি টকালৈকে এজন মানুহে pre- deposit দিব লাগিব। সেয়ে আমি কৈছো যে সেইখিনি দিব নালাগে। সেইটো 10 % লৈকে আহক ।আমি business sector টোত সকাহ পোৱাৰ কাৰণে কৰিছো। এইটোৱে amendment. অন্য amendment নাই।

শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলপতি ঃ ধন্যবাদ। এইখিনি cleairty কৰাৰ বাবে। এইখিনি এইকাৰণেই ক'লো কাৰণ tax যেতিয়া impose হয়, ভৱিষ্যতে যাতে নামানাৰ কথাও ইয়াতে আলোচনা কৰিব পাৰো। আজি সেইটো স্পষ্ট হৈছে। উচ্চতম ন্যায়ালয়ৰ ৰায় অনুসৰি GST council is not a law making body, it is recommendatory. সেই গতিকে কথা খিনি স্পষ্ট কৰাৰ কাৰণে মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ঃ** ইয়াত চৰকাৰৰ ফালৰ পৰা যিখিনি আছে মই সেইখিনি সদনত
* lay কৰি দিছো।

* পৰিশিষ্ট ‘ক’ ত উপলব্ধ।

(submitted as PDF)

The Assam Goods and Services Tax (Amendment) Bill, 2025

**Amendment of clause 32 in the Assam Goods and Services Tax (Amendment) Bill, 2025:**

**(Moved by Shri Debabrata Saikia, MLA**
**Shri Diganta Barman, MLA**
**Shri Pradip Sarkar, MLA**
**Shri Abul Kalam Rasheed Alam, MLA)**

**Proposed Amendment :**

In clause 112, Sub-section (8) (b), the words, “twenty per cent” appearing in between the words “equal to” and “of the”, the words shall be substituted by “fifteen per cent”.

**Explanation to the proposed Amendment of Clause 32 in the Assam Goods and Services Tax (Amendment) Bill, 2025:**

The proposed amendment to section 112 (8)(b) of the Assam Goods and Services Tax Act, 2017 seeks to reduce the maximum amount of **pre-deposit for filing appeals** before the **Appellate Tribunal** from the existing **twenty percent** to **ten percent** of the tax in dispute and also reduce the maximum amount payable as pre-deposit from rupees fifty crore to rupees twenty crore.

On the matter of pre-deposit for filing appeals, various representations have been received by the **GST Council** from the trade and industry, stating that the percentage of pre-deposit required under GST regime *vis-à-vis* erstwhile laws [i.e., service tax/Central Excise or State Value Added Tax (VAT)] is significantly higher, and that the steep increase in pre-deposit percentages under GST *vis-à-vis*

erstwhile regime is causing unnecessary blockage of funds and working capital which impacts the taxpayers. It has also been mentioned that, as a consequence, it results in financial burden on businesses and impacts the resource allocation.

It has also been requested that the quantum of pre-deposit under GST regime may be rationalized, as this affects working capital requirement of taxpayers, who would be required to pay a pre-deposit equal to 10% of tax demand at the first **appellate level** and an additional 20% of tax demand before the **appellate tribunal**, for filing of appeals against demand orders passed by adjudicating authorities and appellate authorities respectively.

The Law Committee discussed the matter and suggested that the percentage of pre-deposit need to be rationalized and recommended to keep the quantum of pre-deposit for filing appeals in **Appellate Tribunal** at 10 per cent.

The matter was discussed in the 53rd meeting of GST Council wherein it was felt that such a high requirement of pre-deposit can be burdensome for businesses, especially smaller one, as it affects their working capital requirement. Hence, the GST Council has recommended to amend section 112 (8)(b) of the Assam Goods and Services Tax Act, 2017 by substituting the words, "twenty per cent" with the words "ten per cent".

**Accordingly, the proposed amendment in the Assam Goods and Services Tax (Amendment) Bill, 2025 moved by the Hon'ble Members of the Assembly cannot be considered.**

## প্ৰস্তাৱিত অসম সামগ্ৰী আৰু সেৱা কৰ (সংশোধিত) বিধেয়ক, ২০২৫

সামগ্ৰী আৰু সেৱা কৰ আইন, ২০১৭ৰ অধীনত কৰ বিষয়াই কৰদাতাক কৰ পৰিশোধৰ বাবেই আদেশ প্ৰদান কৰিলে আৰু তেনে আদেশত অসন্তুষ্ট হৈ কৰদাতাই আপীল কৰ্তৃপক্ষ (Appellate Authority) ত আপীল কৰিব পাৰে। আপীল আবেদন কৰিবলৈ কৰদাতাই বিতৰ্কিত (Disputed) কৰৰ ১০% ধন অগ্ৰিম জমা (Pre-deposit) কৰিব লাগে (SGST-10%, CGST-10% আৰু IGST হ'লে 20%)।

আপীল কৰ্তৃপক্ষয়ে কৰদাতাক সকাহ নিদিলে অথবা কৰ বিষয়াৰ আদেশকে বাহাল ৰাখিলে কৰদাতাই আপীল ন্যায়াধীকৰণত আবেদন কৰিব পাৰে। আপীল ন্যায়াধীকৰণ (Appellate Tribunal) ত আবেদন কৰিবলৈ কৰদাতাই অগ্ৰিম জমা হিচাপে পুনৰ ২০% ধন জমা দিব লাগে (SGST-20%, CGST-20% আৰু IGST হ'লে 40%),অথবা সৰ্বাধিক ২৫ কোটি টকা জমা দিব লাগে (SGST- ২৫ কোটি, CGST- ২৫ কোটি আৰু IGST হ'লে ৫০ কোটি)।

বিভিন্ন কৰদাতা, কৰদাতা সংস্থাৰ প্ৰতিনিধি, উদ্যোগী আদিয়ে সামগ্ৰী আৰু সেৱা কৰ পৰিষদক কেইবাখনো স্মাৰকপত্ৰ প্ৰদান কৰিছে যাতে আপীল ন্যায়াধীকৰণৰ অগ্ৰিম জমাধনৰ পৰিমান ২০% ৰ পৰা হ্ৰাস কৰা হয়, যিহেতু, ইতিমধ্যেই ১০% অগ্ৰিম ধন আপীল কৰ্তৃপক্ষত আবেদনৰ সময়ত জমা দিয়া হয়। এইটোৱেই কৰদাতাসকলক কাৰ্যকৰী মুলধন/ব্যৱসায়ৰ মুলধন অপ্ৰয়োজনীয় ভাৱে আৱদ্ধ (Blockage) কৰি ৰাখে আৰু ই ব্যৱসায়ত প্ৰতিবন্ধক হৈ পৰে। অৱশ্যে আপীল ন্যায়াধীকৰণত কৰদাতাৰ সপক্ষে ৰায় হ'লে এই অগ্ৰিম জমা ধন ঘুৰাই দিয়াৰ ব্যৱস্থা আছে।

সামগ্ৰী আৰু সেৱা কৰ আইন সমিতি (Law Committee) য়ে উপৰোক্ত বিষয়টো সুক্ষ্মভাৱে আলোচনাৰ জৰিয়তে বিবেচনা কৰি আপীল ন্যায়াধীকৰণৰ অগ্ৰিম জমাধনৰ পৰিমান ২০% ৰ পৰা ১০% ((SGST-10%, CGST-10% আৰু IGST হ'লে 20%) লৈ হ্ৰাস কৰাৰ পৰামৰ্শ আগবঢ়াই যাতে কৰদাতাসকলে সকাহ পায়।

আইন সমিতিৰ পৰামৰ্শমতে সামগ্ৰী আৰু সেৱা কৰ পৰিষদে ৫৩ সংখ্যক বৈঠক এই বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰলৈ পৰামৰ্শ আগবঢ়াই। সেইমৰ্মে আপীল ন্যায়াধীকৰণৰ অগ্ৰিম জমা ধন ২০% ৰ পৰা হ্ৰাস কৰি ১০% কৰা হয়।

কেন্দ্ৰীয় সামগ্ৰী আৰু সেৱা কৰ আইন, ২০১৭ৰ লগত সামঞ্জস্য ৰাখি অসম সামগ্ৰী আৰু সেৱা কৰ আইন, ২০১৭, ধাৰা ১১২, উপধাৰা ৮(খ) সংশোধন কৰি আপীল ন্যায়াধীকৰণৰ অগ্ৰিম ধন ২০% ৰ পৰা হ্ৰাস কৰি ১০% আৰু সৰ্বাধিক ২৫ কোটিৰ ঠাইত ২০ কোটি টকা নিৰ্ধাৰন কৰাৰ বাবে সংশোধন কৰিব বিচৰা হৈছে।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** আমি সংশোধনী প্ৰস্তাৱটো উত্থাপন নকৰো, আমি উঠাই লৈছো।

**মাননীয় উপাধ্যক্ষ** ঃযিহেতু তেওঁলোকে সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰা নাই গতিকে

প্ৰশ্নটো হ'ল যে দফা নং ৩২ গৃহীত কৰা হওঁক

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'

২ নং দফাৰ পৰা ৩২ নং দফাকেইটা বিধেয়ক খনৰ অংশ হ'ব।

৩৩ নং দফাৰ পৰা ৩৯ নং দফালৈ সংশোধনী প্ৰস্তাৱ নাই।

প্ৰশ্নটো হ'ল ৩৩ নং দফাৰ পৰা ৩৯ নং দফাকেইটা বিধেয়ক খনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'

৩৩ নং দফাৰ পৰা ৩৯ নং দফাকেইটা বিধেয়ক খনৰ অংশ হ'ব।

দফা নং-১ অধিনিয়ম সূত্ৰে প্ৰস্তাৱণা আৰু দীৰ্ঘ শিৰোনামত কোনো সংশোধনী নাই।
প্ৰশ্নটো হ'ল যে দফা নং-১ অধিনিয়ম সূত্ৰ, প্ৰস্তাৱণা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'

দফা নং-১ অধিনিয়ম সূত্ৰ প্ৰস্তাৱণা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন প্ৰস্তাৱ কৰিব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ উত্থাপন কৰিছো যে "The Assam Goods and Services Tax (Amendment) Bill, 2025" বিল খন পাৰিতকৰণৰ বাবে লোৱা হওঁক।

**মাননীয় উপাধ্যক্ষঃ** প্ৰশ্নটো হ'ল বিধেয়কখন পাৰিত কৰা হওঁক

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া কাৰ্য্যসূচী নং ১২। ৰাজভৱনৰ পৰা এটা বাণী আছে । বাণীটো হ'ল-

"Under the provision of Article 207(3) of the Constitution of India, I, Shri Lakshman Prasad Acharya, Governor of Assam, rec-

ommend that "The Assam Municipal Employees (Provincialisation) Bill, 2025" be taken into consideration by the Assam Legislative Assembly".

এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

Shri Jayanta Malla Baruah, Minister : মাননীয় উপাধ্যক্ষ মহোদয়, মই "The Assam Municipal Employees (Provincialisation) Bill, 2025" বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

মাননীয় উপাধ্যক্ষ ঃ প্ৰশ্নটো হ'ল "The Assam Municipal Employees (Provincialisation) Bill, 2025" বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

২ নং দফাত সংশোধনী প্ৰস্তাৱ নাই
প্ৰশ্নটো হ'ল ২ নং দফা বিধেয়কখনৰ অংশ হ'ব
যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
দফা নং-২ বিধেয়কখনৰ অংশ হ'ল।

"The Assam Municipal Employees (Provincialisation) Bill, 2025" ৰ ওপৰত discussion ৰ বাবে মাননীয় সদস্য ভূপেন বড়ো ডাঙৰীয়অই notice দিছিল।

শ্ৰী ভূপেন বড়ো, বিধায়ক ঃ মাননীয় উপাধ্যক্ষ মহোদয়,"The Assam Municipal Employees (Provincialisation) Bill, 2025" ৰ ওপৰত চৰকাৰী পক্ষক সমৰ্থন কৰিছো গতিকে এই বিষয়ত মোৰ ক'বলগীয়া নাই। ধন্যবাদ।

মাননীয় উপাধ্যক্ষঃ ধন্যবাদ। এতিয়া Abdur Rashid Mandal.

Abdur Rashid Mandal, MLA: মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ফালৰ পৰা section 5 ত যি সংশোধনী অনা হৈছিল, excadre post (personal) creation ৰ যিটো কথা কোৱা হৈছে এই দফাটো সম্পূৰ্ণৰূপে সলনি কৰি আমি এনেদৰে উপস্থাপন কৰিছো - "for the purposes of provincialisation of Services of Ministerial employees under this Act, the Government shall creat and shall such no of cadre post and the present cadre strength of the employees shall be impacted due to creation of this post".অৰ্থাৎ temporary post ৰ মানুহকেইজন যি কেইদিন জীয়াই থাকিব, retirement নোহোৱালৈকে এই কেইদিনৰ কাৰণে post creation কৰি আগলৈ সমস্যাবিলাক কিন্তু ৰৈ যোৱা যায়। মানুহখিনি যে নিযুক্তি দিছে নিশ্চয়কৈ Municipality ত প্ৰয়োজন আছে। প্ৰয়োজন আছে কাৰণে কাৰোবাক নিযুক্তি দিছে, কেৱল সেই মানুহখিনিক সকাহ দিয়াৰ কাৰণেই কিন্তু এই post খিনি provincialised কৰিব

খোজা হোৱা  নাই। তেনেকুৱা provincialisation ৰ প্ৰয়োজন নাই। তেনেকুৱা হ'লে পইচা দিওঁ বিদায় দিব পাৰি। কিন্তু Municipality বা টাউন কমিটি চলিবলৈ হ'লে, কৰ্মচাৰীৰ প্ৰয়োজন আছে, আৰু প্ৰয়োজন আছে কাৰণে Municipality বা টাউন কমিটিয়ে কিছুমান মানুহক  নিযুক্তি দিছে। ইয়াতে যিটো date দিছে আমি contradict কৰা নাই, ২০১৩ চনৰ ৪ ছেপ্তেম্বৰ। ঠিকে আছে, কিবা এটা তাৰিখ লৈছে, যিখিনি মানুহক Municipality বা টাউন কমিটিৰ প্ৰয়োজন আছে বুলি ভাবি পেলাই নিযুক্তি দিয়া হৈছে। post provincialised কৰা হ'ব আৰু সেইখিনি মানুহক যিখিনি মানুহ কামত আছে, তেওঁলোককো provincialised কৰা হওঁক। ঠিক এনেধৰণে আমি আমাৰ ফালৰ পৰা প্ৰস্তাৱ ৰাখিছো, আৰু ২য় এটা amendment আছে যে আমি জানো যে চৰকাৰৰ মুল অংশ তিনিটা, ন্যায় পালিকা, বিধান পালিকা আৰু কাৰ্য্যপালিকা। আমি ইজনে আনজনক এটা শাখাই আন এটা শাখাক approach কৰাব নোৱাৰো, মোৰ ধাৰণা হৈছে Section 12-A য়ে যিটো Provision of Act  সেইটো actually judicial কথা, court ৰ কথা। কিন্তু চৰকাৰে যদি সিদ্ধান্ত লয় এটা precedent হৈ থাকিব সদায়, যে কেতিয়াবা আমি আইনৰ ব্যাখ্যা  দিব পাৰো যদি এই কথাটোত amendment বিচাৰিছো, পিছৰ ১৩ নং ত আমি amendment দিয়া নাই, যিকোনো সময়ত চৰকাৰে কিবা অৰ্ডাৰ দিব পাৰে। কিবা এটা জটিলতা আহিল, সিদ্ধান্ত আহিল, এনেকুৱা ধৰণৰ অৰ্ডাৰ বিলাকত যদি এই অৰ্ডাৰৰ ওপৰত  যদি দীঘলীয়া সময়তে চলি থাকে । অৰ্থাৎ act য়ে cover নকৰা situation কেতিয়াবা আহি যায়,act ৰ provision য়ে cover নকৰা situation কেতিয়াবা আহি যায় তেনেকুৱা মুহুৰ্তত চৰকাৰে হৰ্থাৎ কৈ কিবা এটা অৰ্ডাৰ দি দিয়ে। সেই অৰ্ডাৰটোৰ ভেলিডিটি কিমান দিনলৈকে থাকিব। আৰু সেই অৰ্ডাৰৰ ওপৰতে  বছৰ বছৰ ধৰি আমি municipality চলি থাকিম নে সেই অৰ্ডাৰ বিলাক অৰ্থাৎ এই আইনৰ সংশোধন ঘটাম, এইটোত যদিওঁ amendment অনা নাই। মোৰ যিখিনি observation আছিল, যিটো বিল introduce কৰা হৈছিলএইখিনিয়ে মই উপস্থান কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ, আমিনুল ইছলাম, কনিষ্ঠ।

**শ্ৰীআমিনুল ইছলাম, (কনিষ্ঠ, মানকাছাৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমি যিহেতু ইতিমধ্যে Article 243 of the Indian Constitution ৰ ভিতৰত State Government য়ে Law make কৰিব পাৰে। আৰু এই ক্ষেত্ৰত আমি municipality employees provincialisation Bill, 2025 যিহেতু আছে, এই বিলখনৰ জৰিয়তে যিখিনি মানুহক regularise বা provincialise কৰিব বিচাৰিছে। ইয়াত প্ৰশ্নটো হ'ব নিৰ্দীষ্ট সেই মানুহখিনিৰ কাৰণে নে এইটো permanent post creation হ'ব। যদি post creation হয়, বেলেগ ৰাজ্যবোৰে যেনেকৈ post creation হয়, বিজ্ঞাপন হয়, যিখিনি after retirement, অৱসৰৰ পিছত মানুহখিনিৰ কি হ'ব? সেই  post খিনি থাকিব নে আকৌএই মানুহখিনিক সকাহ দিয়াৰ কাৰণে তেখেতে যিটো কৈছে, সকাহ দিয়াৰ কাৰণে  যি ব্যৱস্থা কৰা হ'ব আৰু নে সেই মানুহখিনিক retirement হোৱাৰ পিছত সেই post বিলাক থাকিব। পৰৱৰ্তী সময়ত তেখেত সকলৰ যিটো Authority য়ে যেনেকুৱাকৈ appointment দিয়ে, interview পাতে তাত merit list ৰ কথা আহে এইবিলাক হ'বনে নাই, এইবিলাক অত্যন্ত জৰুৰী। otherwise নহলে তেখেত সকলে এই Executive যিটোbody আছে যিহেতু তেখেতৰ ওচৰত দায়বদ্ধ হ'ব, আৰু তেখেত সকলে Appellate Authority তেখেত সকলে চব কিছু তেতিয়া হ'লে অফিচাৰ সকলে উঠি ৰজা বহি ৰজা হ'ব, আৰু গোটেই তাত যিখিনি body এই Municipal Board বিলাকত

অফিচাৰৰ ওপৰত dependable সেই কাৰণে মই বিচাৰিছো, এইটো যিহেতু separately elected body ত থাকিব অফিচাৰৰ খিনিৰ যাতে post ও creation হয়। এইটো অত্যন্ত গুৰুত্বসহকাৰে চোৱাৰ বিষয় আছে। আমি এইখিনিৰ লগতে আৰু কিছু কথা ক'ব বিচাৰিছো, যিহেতু মই সেইদিনাখন এটা প্ৰশ্ন আনিছিলো মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছিল সেই ক্ষেত্ৰত মই দুই এটা কথা পাতিব বিচাৰিছো। যদিও এই বিষয়টোৰ লগত খুব এটা related নহয়। ইয়াত আমাৰ কিছু কথা আছে। আমাৰ যিটো section -9 , section -১০, section -৮, section -৭ এইখিনি কথাৰ মাজত যাতে আৰু স্পষ্ট হয়, তেখেত সকলে Appellate Authority ৰ পৰা পৰৱৰ্তী সময়ত যাতে VRS লৈকে যাব পাৰে ২০২৩ এইখিনি কথা স্পষ্ট হ'ব লাগে। এইখিনি স্পষ্ট আছে, মই ইয়াতে ক'ব বিচাৰিছো অসমত যিহেতু only 40% urbanisation আমি যদি national level ত চাওঁ ৩১.২ শতাংশ। এই যিটো urbanisation ৰ ক্ষেত্ৰত অসম পিছ পৰি আছে। আৰু এই মুহুৰ্তত মই সেইদিনাখন মোৰ জিলাৰ আৰু কেইটামান কথা পাতিছিলো আমাৰ ইয়াত বিষয়া সকলো আছে, মাননীয় মন্ত্ৰী ডাঙৰীয়াওঁ আছে। আমাৰ জিলাৰ দুখন টাউনৰ কথা আমি কৈছিলো এই কাৰণে মই সেই হিচাবত ক'ব বিচাৰিছো যে আমাৰ মানকাছাৰ টাউনটো পানীৰ ড্ৰেইন যোৱাৰ কোনো ব্যৱস্থা নাই। পঞ্চায়তৰ অধীনত ৪, ৫ টা পঞ্চায়ত টাউনৰ ভিতৰত আছে। পঞ্চায়তৰ maximum কাম MGNREGA ৰ under ত হয়। তাৰ আমি এগ্ৰীবান্ধ পাতিব নোৱাৰো তাত আমি পঞ্চায়তৰ যিখিনি কাম, সেইখিনি utilize কৰিব নোৱাৰো। টাউনৰ পৰা কোনোধৰণৰ benefit নাপাই।

**মাননীয় উপাধ্যক্ষ** ঃ আমাৰ এইটো Employees Provincialisation ৰ ওপৰত হৈ আছে Bill টো।

**শ্ৰীআমিনুল ইছলাম, (কনিষ্ঠ, মানকাছাৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই Law student হয় বুজি পাইছো। With due permission, Deputy Speaker যে মই ক'ব বিচাৰিছো মোৰ জিলাৰ লগত জড়িত,মই এইখিনি কথা এই কাৰণে ক'ব বিচাৰিছো, মাননীয় উপাধ্যক্ষ মহোদয়, যে আমি আমাৰ সমস্যাটো মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো এই কাৰণে আজিৰ সদনৰ জৰিয়তে সেইটো হ'ল যে যিহেতু আমি ১৪, শতাংশ ৩২ শতাংশত যাবলৈ বাকী । আমাৰ হাটশিঙিমাৰি জিলাত ৰাতি আমি ২ বজাত গৈ হাফপেন্ট পিন্ধি গৈ কাগজ দাঙি পেলাই ওপৰত ৰাখিব লাগে জিলাৰ কাৰ্য্যালয়ত পানী উঠি যায়। মেঘালয়ৰ বাঢ়নী পানী আহি ঢাকি ধৰে, কোনো ড্ৰেইন চিচষ্টেম নাই । আমাৰ টাউনৰে এই অৱস্থা আমাৰ কলেজখনৰো ফিল্ডত ৭,৮ মাহ ধৰি পানী থাকে। মানকাছাৰৰ বিহাৰীপট্টীটো আপুনি যদি যায়, প্ৰত্যেকৰ ঘৰতে এককাল, এককাল পানী। ওচৰত কালু নদী, খালী এটা ড্ৰেইন কৰি দিয়ক। হাটশিইঙমাৰীত যিটো ড্ৰেইন ১১ কোটি টকা দি ইয়াৰ আগত ড্ৰেইন কৰা হৈছিল। উল্টা বাহিৰৰ পানী হাটশিঙিমাৰী টাউনত সোমাই যায় এতিয়া।

**মাননীয় উপাধ্যক্ষ** ঃ আপোনাক ড্ৰেইন লাগে ?

**শ্ৰীআমিনুল ইছলাম, (কনিষ্ঠ, মানকাছাৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মানুহবিলাকে ঘৰ বনাইছে কোনোধৰণৰ পাৰমিশ্যন নাই, পঞ্চায়তৰ অনুমতি নাই যিটো অনুমতি আনিছিল সেইটো বন্ধ হ'ল, এতিয়া বিল্ডিং য'তে ততে বনাই আছে। এতিয়া যদি plant টো কৰিব পৰা নাযায়, তেতিয়া হ'লে এই দুটা টাউন মৃতপ্ৰায় অৱস্থা হ'ব। সেই কাৰণে মই মাননীয় মন্ত্ৰীক আপোনাৰ জৰিয়তে অনুৰোধ কৰিব বিচাৰিছো মোৰ হাটশিঙিমাৰি District Headquarter আৰু মানকাছাৰ আমাৰ 54

years আগতে census হৈছিল। এই দুটা কথা ধ্যান ৰাখিব।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দেপুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আচলতে স্বাধীনতাৰ পিছতেই first time Provincialisation Bill খন আহিছে। তাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰীক ধন্যবাদ জনাইছো। আমি ধন্যবাদ জনাইছো মাননীয় মন্ত্ৰীলৈ কাৰণ আলোচনা কৰিবলৈ এটা সুযোগ পাইছো আমি। এনেকুৰা এটা পৰিবেশ হৈছে, আচলতে provincialised হ'ব। সেই কাৰণে আমি ভবাও নাছিলো এনেকুৰা এটা পৰিবেশ কৰি দিয়াৰ কাৰণে আমি ধন্যবাদ জনাইছো। আমি গোটেই কেইটা অংশগ্ৰহন কৰিব পাৰিছো অন্ততঃ আপোনাৰ জৰিয়তে । উপাধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো 1956 Municipal Act, এই Act ৰ উদ্দেশ্য হৈছে Local Self Government আৰু উদ্দেশ্য হৈছে, আমাৰ own source টো বঢ়াব লাগে। mainly আমাৰ কি হয় salary দিয়াৰ কাৰণে আমি গোটেই কেইটাই কাম কৰিবলৈ ব্যৰ্থ হৈ যাওঁ। আজি first time এনেকুৰা এটা পৰিবেশ হৈছে অন্তত salary খিনি চৰকাৰে দিব তাৰ কাৰণে কি হৈছে, recycling তাৰ মানে garbage বিলাক তাৰ যিখিনি অসুবিধা আছে, সেইখিনি আমি কৰিবলৈ ব্যৰ্থ হৈছো। মোৰ ঘৰ municipality ত হয়। এইটো কাৰণে মই ভাবিছো, এতিয়া আমাৰ যিটো own source ৰ যিটো earn হ'ব তাৰ যোগেদি বহুতখিনি কাম কৰিব পাৰিম। আমি ধন্যবাদ জনাইছো মাননীয় মুখ্যমন্ত্ৰীলৈ , আমি ধন্যবাদ জনাইছো মাননীয় মন্ত্ৰীলৈ তেওঁৰ এনেকুৰা প্ৰচেষ্টাৰ কাৰণে, employee খিনি provincilize কৰাৰ কাৰণে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত দুটা বস্তু, এটা হ'ল appointed day Section-2 যিটো আনিছে means the date on which this Act shall come into force যিদিনা এই আইনখন pass হ'ব সেইদিনাই হ'ব appointment day section 2 যিটো আনিছে যে means the date on which this Act shall come into force অৰ্থাৎ যিদিনা এই আইন খন পাচ হব সেইদিনাই হব নিযুক্তিৰ দিন। কিন্তু ইয়াত যি বিলাক কৰ্মচাৰী আছে তেখেত সকলে ২০/২৫ বছৰ ধৰি কাম কৰি আছে। কিন্তু এই প্ৰদেশীকৰণৰ পিছত সেই মানুহ বিলাকে আগত কৈ দৰমহা কম হে পাব। অৰ্থাৎ সকলোৰে দৰমহা কমি যাব। সেইহে মই কব খোজো যে বাহিৰৰ পৰা দেখাত এইখন এখন ধুনীয়া আইন কাৰণ মানুহবিলাকৰ চাকৰীটো Provincialiasation হব। কিন্তু যি বোৰ কৰ্মচাৰীয়ে ২০ বছৰ ধৰি কাম কৰি আছে আৰু আজিৰ তাৰিখত তেওঁলোকৰ পদটো নিয়মীয়াকৰণ হব তেতিয়া হলে তেওঁলোকৰ বেতন আধা কমি যাব। সেইকাৰণে আমি কৈছো যে ঠিক আছে আপোনালোকে এটা কাম কৰক Appointment যদি তেনেকৈ দিব লাগে তেতিয়া হলে Appointment as per done by the Board to the Employees should be Appointed as per their present Designation with full pay protection. তেখেতসকলে যিদিনা চাকৰীত যোগদান দিছিল সেই তাৰিখটো নধৰি যদি আজিৰ তাৰিখটো ধৰে তেতিয়া হলে তেওঁলোকক pay protection দিব লাগে। pay protection ৰ অৰ্থ হল যে তেওঁলোকে যিটো দৰমহা পাই আছে তাতকৈ দৰমহা বৃদ্ধি হব লাগিব প্ৰাদেশীকৰণ হলে, যদি দৰমহা আধা কমি যায় তেতিয়া হলে এইটো কি প্ৰাদেশীকৰণ কৰা হব। গতিকে তেওঁলোকে বৰ্তমান যিমান দৰমহা পায় আছে তাত কৈ কমিব নোৱাৰিব। এই ব্যৱস্থাটো যদি ইয়াত সংশোধন কৰা নহয়

তেতিয়া হলে এই বিধেয়ক খনৰ জড়িয়তে কৰ্মচাৰী সকলৰ বাবে এক সাংঘাটিক সমস্যৰ সৃষ্টি হব। তৃতীয়তে যিটো বস্তু আছে অৰ্থাৎ ইয়াত যিবোৰ পদত এতিয়া নিযুক্তি দিয়া হব, যিজন মানুহ আজিৰ তাৰিখত কৰ্মচাৰী হৈ আছে তেওঁৰ নামতহে দিয়া হৈছে। কিন্তু তেওঁৰ নামত কোনো Cadre সৃষ্টি কৰা নহয় অৰ্থাৎ তেখেতে অৱসৰ পোৱাৰ পিছত আকৌ একে হব। এজন ইঞ্জিনিয়াৰক তেওঁক ধৰক আজি নিয়মিয়াকৰণ কৰি দিলে কিন্তু আজি যি জন ইঞ্জিনিয়াৰ আছে তেওঁৰ নামতহে পদটো, সেইটো Regular post নহয় কাৰণ সেই পদটো ইঞ্জিনিয়াৰ জনে অৱসৰ পোৱাৰ লগে লগে নাইকিয়া হৈ যাব। তেতিয়া হলে কিহৰ এইখন Provincialiasation Act এইখনটো অতি অদ্ভূত আইন। শেষত বিধেয়ক খনত আৰু এটা কথা কৈছে যে যিখিনি মানুহ Provincialise হব তেওঁলোক আকৌ NPS ৰ অধীনস্থ হব। কিছুমান মানুহে ১৯৯৫ চনৰ পৰাই চাকৰী কৰি আছে সেই মানুহ বিলাকক pay protection টো দিলে পূৰণি পেঞ্চনটো পাব কিন্তু যদি pay protection নাথাকে তেতিয়া হলে দুবছৰ পিছত যদি অৱসৰ গ্ৰহণ কৰে তেতিয়া হলে NPS অনুযায়ী তেওঁলোকে ৫০০ মান টকা বৃদ্ধ পেঞ্চনৰ নিচিনা কৈ এটা পেঞ্চন পাব।

**মাননীয় উপাধ্যক্ষ ঃ** পেঞ্চনৰ কথা ইতিমধ্যে আলোচনা হৈছে আৰু আপুনি তাত অংশ গ্ৰহণ কৰিছে। সোনকালে সামৰণি মাৰক আৰু Provincialiasation ৰ উপৰত কওক।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** মই Provincialiasation ৰ ওপৰতে কৈ আছো। মই যিবোৰ কৈ আছো সেইবোৰ সম্পূৰ্ণভাৱে Provincialiasation ৰ ওপৰত কৈ আছো মই কৈ আছো যে Provincialiasation টো যদি কৰে আৰু যদি দৰমহা কমি যায় তেতিয়া হলে ইয়াক Provincialiasation বুলি নকয়। যদি Provincialiasation কৰি pay protection টো দি দিয়ে তেতিয়া হলে তেওঁলোকে পেঞ্চনটো পাব। যদি Cadre সৃষ্টি কৰা নহয় বা পদ এটা সৃষ্টি কৰা নহয় তেতিয়া হলে বৰ্তমান যি জন কৰ্মচাৰী আছে তেখেতৰ অৱসৰৰ লৈকে পদটো থাকিব তাৰ পিছত Municipility বিলাকৰ অৱস্থা একে হব। গতিকে এই বিধেয়ক খন মানুহক দেখুৱাৰ বাবেহে আনা বুলি মই ভাৱো আৰু ইয়াত থকা সমস্য বিলাক দূৰ কৰা নহয় তেতিয়া হলে ভালতকৈ বেয়া হে হব।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি ইয়ালৈ যিখন বিধেয়ক আনিছো যে, “The Assam Municipal Employees ( Provincialiasation ) Bill, 2025 ”। এই বিধেয়ক খনৰ নামতে কথাটো বুজি পোৱা যে আমি কি বিধেয়ক আনিছো The Assam Municipal Employees ( Provincialiasation ) Bill, 2025, not Municipal Provincialiasation Bill . আমি Municipality বিলাকৰ কৰ্মচাৰী সকলৰ Provincialiasation Bill আনিছো কিন্তু Municipality টো Provincialiasation কৰা বিধেয়ক অনা নাই। গতিকে ইয়াৰ শিৰোনামাটোৰ পৰাই বুজা যে আমি কি কৰিব খুজিছো। অখিল গগৈ এইবিলাক বুজি পায়। মই প্ৰথমতে কৈ দিছো যে আমাৰ Self Local Body বিলাক গঠন হয় আৰু তেওঁলোকে সুন্দৰ ভাৱে নিজৰ Autonomous Body হিচাপে চলাই থাকে Local Gorvenment হিচাপে চলাই থাকে। তেওঁলোকৰ কৰ্মচাৰী বিলাকক নিযুক্তি তেওঁলোকে দিয়ে আৰু দৰমহা দিয়াৰ দায়ত্বও তেওঁলোকৰ। নগৰ সমিতি বিলাকে তেওঁলোকৰ কৰ্মচাৰী লয় দৰমহাও দিয়ে আৰু এনেকৈ Self Local Body বিলাক চলি থাকে।

কিন্তু সময়ৰৰ লগে লগে এনেকুৱা হ'ল যে সেই Self Local Body বিলাকে মানুহ বিলাকক দৰমহা দিব নোৱাৰা হ'ল। তেওঁলোকে নিজে তেওঁলোকৰ ৰাজহ উঠাই যেনে মানুহে ঘৰ বনালে কৰ লয়, অনুমতিৰ পইছা লয় আৰু সেই পইছৰে তেওঁলোকে Municipality খন চলাব লাগে। এতিয়া বেছিভাগ Municipality অৱস্থা এনেকুৰা যে তেওঁলোকে কৰ্মচাৰী বিলাকক দৰমহা দিব নোৱাৰে। ইয়াত চৰকাৰে কাকো নিয়ুক্তি দিয়া নাই নিযুক্তি দিছে Municipality য়ে আৰু ই হল এখন Elected Body আৰু Self Local Body। আৰু ইয়াত আমি 15th Finance ৰ পইছা দিও বিভিন্ন ধৰণৰ fund দিওঁ আৰু চৰকাৰে এইখিনিয়ে দিয়ে অন্য একো নিদিয়ে। সেই কাৰণে তাত যি বিলাক কৰ্মচাৰী লয় তেওঁলোকৰ দায়িত্বটো লব লাগিব Municipality য়ে। সময় যোৱাৰ লগে লগে তেওঁলোকে কৰ্মচাৰী বিলাকক দৰমহা দিব নোৱাৰা অৱস্থা হ'ল যাৰ ফলত আজি কালি কিছুমান Municipality য়ে কৰ্মচাৰী সকলে ২/৩/৬ ৰ পৰা ১৮/১৯ মাহলৈ দৰমহা দিব নোৱাৰে আৰু যাৰ সংগ্ৰহ ভাল তেওঁলোকে সময় মতে দৰমহা দি আছে। সেইকাৰণে এই Municipality ৰ কৰ্মচাৰী সকলৰ মাজত সমস্যাৰ সৃষ্টি হৈছে। যেতিয়া 4th Assam State Finance Commission চলি আছিল তেতিয়া এই কথা বিলাকক লৈ এটা আলোচনা হল আৰু এই আলোচনাৰ সময়ত এখন Group of Ministers এখন কমিটি বনাই দিয়া হল ২০১২ চনত যেতিয়া 4th Assam State Finance Commission চলি আছিল। কথাটো আছিল যে তেওঁলোকক দৰমহা দিয়াৰ দায়ত্ব চৰকাৰৰ নহয় কিন্তু আমি আজি তেওঁলোকক প্ৰদেশীকৃত কৰিব ওলাইছো কৰাণ যিহেতু তেওঁলোকে দৰমহা নাপাই চলিব নোৱাৰা অৱস্থা হৈছে। গতিকে চৰকাৰে এই কৰ্মচাৰী সকলক প্ৰাদেশীকৃত কৰিবৰ কাৰণে এই আইন খন আনিছে। এতিয়া Municipality ৰ যিটো Cadre ৰ কথা কৈ থকা হৈছে এই Cadre টো আমাৰ Municipality য়ে গঠন কৰি থাকিব। যেনেকৈ এইবাৰ Municipality য়ে Municipality ৰ Administrative Cadre, Municipal Financial Cadre, Engineering Cadre হৈছে তেওঁলোকৰ নিয়ুক্তি APSC য়ে পৰীক্ষা পাতি কৰিছে। এতিয়াৰ পৰা আমি Municipality ত চৰকাৰৰ ফালৰ পৰা Cadre দিম কিন্তু কোনোৱা যদি Engineer য়ে আগৰ পৰা কাম কৰি আছে তেওঁলোক Cadre হব নোৱাৰে। আৰু আমি চৰকাৰে Municipality ৰ প্ৰয়োজন সাপেক্ষেহে Cadre সৃষ্টি কৰিম। যদি কেতিয়াবা Municipality খন সম্পূৰ্ণ ভাৱে চৰকাৰে লয় তেতিয়া আমি সম্পূৰ্ণ ভাবে Cadre সৃষ্টি কৰিম। কিন্তু আজি আমি এই বিধেয়ক খনৰ দাৰা Municipality ৰ কৰ্মচাৰী সকলক Provincialiasation কৰিব বিচাৰিছো যেনেকৈ আমি স্কুলৰ শিক্ষক সকলক দৰমহা দিছো কিন্তু স্কুল খন Provincialiasation নহয় কিন্তু তাত কাম কৰা শিক্ষক সকল ৰ পদ বোৰ Provincialise। গতিকে এইটো EX- Cadre হব, Cadre পদ হব নোৱাৰে। আমি স্পস্থকৈ কৈচো যে স্কুল খন Provincialiasation হোৱা নাই নহয়। গতিকে সেই স্কুলৰ পৰা যেতিয়া কোনোৱাই অৱসৰ গ্ৰহণ কৰিব সেই ঠাইত চৰকাৰে বেলেগ শিক্ষক নিয়ুক্তি দিব। দৰকাৰ হলে বেলেগ স্কুলৰ পৰা বদলি কৰি শিক্ষক দিব। এইটো হৈছে Provincialiasation ৰ নিয়ম। গতিকে এই অইন খন বুজিব লাগিব যে Municipality বোৰ Provincialise কৰা নাই বা স্কুল Provincialise কৰা নাই কিন্তু স্কুলৰ শিক্ষকহে Provincialise কৰিছো। গতিকে আমি স্কুলৰ শিক্ষকক Provincialise কৰিছিলো যে তেওঁলোকে বহুত বছৰ ধৰি কাম কৰি আছে তাৰ বাবে আমি তেওঁলোকৰ চাকৰীটো নিয়মীয়া কৰণ কৰিছো আৰু যদি চৰকাৰে প্ৰয়োজন বোধ কৰে তেতিয়া Cadre পদ সৃষ্টি কৰিব আৰু

বৰ্তমান তেওঁলোক Ex- Cadre হিচাপে থাকিব আৰু এই EX- Cadre ৰ যি খিনি পদ হব। বিধেয়ক খনৰ ৩নং দফাত আমিনুল ইছলামৰ জেষ্ঠ আৰু তেওঁৰ সহযোগী সকলৰ পৰা এটা সংশোধনী প্ৰস্তাৱ আছিল এইটো হল যে আমি বিধেয়ক খনত লৈছিলো যে ৪ চেপ্তেম্বৰ ২০১৩। আমি ৪ চেপ্তেম্বৰ ২০১৩ টো কিয় ললো কাৰণ অলপ আগতে মই কলো যে 4th Assam State Finance Commission ৰ সময়ত ULB বা GMC এই বোৰৰ Provincialiasation ৰ কাৰণে এখন Ministrial সমিতি বনাই দিয়া হৈছিল Group of Ministers ক লৈ আৰু সেই Group of Ministers ৰে ২০১২/১৩ কে ধৰি ৪/৫ মিটিং কৰাৰ পিছত তেওঁলোকে provincialize কৰিব লাগে বুলি Assam Finance report ৰ মতে কেবিনেটত আনিছিল। সেই কেবিনেটখন হৈছে ৪ চেপ্তেম্বৰ, ২০১৩ চনত আৰু সেই কেবিনেটত সিদ্ধান্ত লোৱা হৈছিল সেই তাৰিখৰ আগত যিসকল employees আছিলে, তেওঁলোকক provincialize কৰিব লাগে । সেই কেবিনেটৰ সিদ্ধান্ত মৰ্মে সেই তাৰিখটোৰে effective date হিচাপে লৈছো আৰু সেই তাৰিখটো লোৱাৰ সয়মত আমি employee বিলাকৰ লগত কথা পাতিবলৈ লৈছো।

তাৰ আগতে আপোনালোকক আৰু এটা কথা জনাওঁ যে ২০১০ চনতে চৰকাৰে এখন সকলো Municipality লৈ অসম চৰকাৰৰ Finance Department য়ে এখন order দিছিল যে যদি কোনো Municipality য়ে চৰকাৰৰ অনুমতি নোহোৱাকৈ কোনো ধৰণৰ employee ল'ব নোৱাৰিব আৰু employee যদি লয় তেতিয়া হলে FRBM Act. violation হ'ব। গতিকে চৰকাৰে বিচাৰিলে হেতেন ২০১০ চনৰ পিছত লোৱা খিনিও illegal বুলি ক'ব পাৰিলেহেঁতেন। কাৰণ ইয়াৰ liability আমি ল'ব নোৱাৰো বা লোৱাৰ কথা নাথাকে। তাৰ পিছত ২০১৭ চনতো সেই reminder দিয়া হৈছিল। গতিকে কোনো Municipality য়ে নিয়মমতে ২০১০ চনৰ পিছত মানুহ ল'বই নোৱাৰে আৰু সেইটো লোৱা মানে FRBM Act. violation। কিন্তু যিহেতু ২০১৩ চনৰ ৪ চেপ্তেম্বৰত কেবিনেটত আহিছিল, গতিকে সেই তাৰিখটোৰে আমি cut off year হিচাপে আমি লৈছিলো আৰু Municipality employee বিলাকৰ লগত কেইবাবাৰো আলোচনা কৰাৰ পিছত, তেওঁলোকে সন্মতি প্ৰকাশ কৰিছে যে ২০১৩ চনৰ ৪ চেপ্তেম্বৰৰ ভিতৰত যিখিনি employee লোৱা হৈছিল, সেই employee খিনিক provincialize কৰিব লাগে আৰু সেই নিয়মমতে আমি provincialize ৰ কামখিনি আগবঢ়াইছো। ২০১৩ চনৰ পৰা প্ৰায় ১২ বছৰ ধৰি বিভিন্ন পৰ্য্যায়ত আহিলে আৰু তাৰ পিছত ২০২১ চনতো Municipal Employees Act. 2021, Act.খন এইখন সদনত পাছ কৰা হৈছিল। সেই সময়ত এই তাৰিখটোৰে cut off year হিচাপে লৈছিল। কিন্তু সেই Act. খনত কিছুমান এনেকুৱা কথা আছিল যিটোৰ কাৰণে কামখিনি কৰিবলৈ অসুবিধা হৈছিল। সেই কাৰণে এই গোটেই employee বিলাকৰ লগত কথা পাতি আমি ২০১৩ চনৰ ৪ চেপ্তেম্বৰ তাৰিখটো লৈ এইবাৰ বিলখন অনা হৈছে আৰু এই বিলত আপোনালোকে cut off year ৰ date টো কৈছে, সেই date টোৰ কাৰণ এইটোৰে, যে, সেই কেবিনেটত সিদ্ধান্ত লৈছিল, employee খিনি provincialize কৰিব, Municipal Employees Union য়ে মানি লৈছে আৰু তেওঁলোকে এইটোত সহমত প্ৰকাশ কৰিছে। কাৰণ তাৰ পিছতো জধে মধে কিছুমান Municipality য়ে কথা নাই বতৰা নাই, কিছুমান মানুহে নিৰ্বাচিত হোৱাৰ পিছত তেওঁলোকে দুই চাৰিটা

মানুহ সোমাই থৈ গ'ল, তেনেকৈ মানুহ সোমাই থৈ যায়। কিন্তু সেই বিলাকৰ দায়িত্বটো চৰকাৰে ল'ব নোৱাৰে আৰু সেই বিলাকৰ প্ৰয়োজন আছে নে নাই, চোৱাই নহয়, Municipality য়ে নিজে নিযুক্তি দি থৈ যায়। সেই সময়তো তেনেকুৱা নিযুক্ত হৈছিল। কিন্তু যিহেতু ২০১৩ চনৰ পৰা এতিয়া প্ৰায় ১২ বছৰ হ'ল, ১২ বছৰ ধৰি তেওঁ Municipality ত employee হিচাপে থাকিলে। গতিকে সেইখিনি মানুহক আমি Ex-cadre হিচাপে ১০৫ খন Municipality ৰ ভিতৰত মুঠ প্ৰায় ১৪৪৪ গৰাকী এই আওঁতাৰ ভিতৰত পৰে আৰু তেওঁলোক বিভিন্ন পদত আছিল, চফাই কৰ্মীৰ পৰা অভিযন্তা, বিভিন্ন ধৰণৰ collector ইত্যাদি। আমি যেতিয়া তেওঁলোকক provincialize কৰিম, ১৪৪৪ জনক provincialize কৰা হ'ব আৰু তেওঁলোকক regularly চৰকাৰে দৰমহা দিব upto তেওঁলোকৰ অৱসৰৰ সময়লৈকে আৰু তেওঁলোকৰ অৱসৰৰ পিছত যেতিয়া আমাৰ চৰকাৰে ভাবিব যে cadre ৰ প্ৰয়োজন আছে, যেনেকৈ Municipality Administrative cadre লৈছো, Financial Cader লৈছে, Engineering cadre লৈছো, তেনেকৈ যেতিয়া বেলেগ cadre ৰ প্ৰয়োজন হ'ব, চৰকাৰে তেতিয়া ল'ব আৰু চৰকাৰৰ cadre ৰ ল'ব লাগিলে এটা চৰকাৰৰ starting pattern থাকিব। এতিয়া Municipality বিলাকৰ এনেকুৱা এটা হৈ আছে, যে কোনোবা এখন Municipality ৰ Engineer ৰ জনে দৰমহা পাই ডেৰ লাখ টকা আৰু কোনোবা এখন Municipality ৰ Engineer ৰ জনে দৰমহা পায় ৫০ হাজাৰ টকা। গতিকে চৰকাৰে সেইজনে ডেৰ লাখ টকা দৰমহা পাই আছে কাৰণে ডেৰ লাখ টকা দিব নোৱাৰে, এজনে ৫০ হাজাৰ পাই আছে বুলি ৫০ হাজাৰ দিব নোৱাৰে। আমাৰ কথাটো হ'ল যে সেই category ত যিধৰণৰ starting pattern ত দৰমহা আহিব, সেই দৰমহাটো আমি সকলোকে দিম।

মাননীয় অধ্যক্ষ মহোদয়, কথাটো হ'ল যে সেই কাৰণে আমি বিচাৰিছো যে সেই লোকসকলক আমি এতিয়া ১৪৪৪ গৰাকী লোকক provincialize কৰিব বিচাৰিছো আৰু provincialization টো অসম চৰকাৰৰ আন ষ্টাফ pattern ৰ লগত equal কৰি, rules ত আনি কৰা হ'ব। municipal employees' union বিলাকৰ লগত কেইবাবাৰো আলোচনা কৰি তেওঁলোকৰ সন্মতি সাপেক্ষে এইখন আইন অনা হৈছে আৰু তেওঁলোকে সকলোতে সন্মতি প্ৰকাশ কৰিছে।

দ্বিতীয়তে আপোনালোকৰ আন এটা Amendment আহিছে, clause-4 ত। এইটো হ'ল যেতিয়াৰ পৰা employee হিচাপে আছে, তেতিয়াৰ পৰা আপোনালোকে সংশোধনী দিছে। কিন্তু কথাটো হ'ল যে clause-4 ত যিটো Amendment- ইয়াত স্পষ্ট কথা যে আমি provincialize যেতিয়া কৰিম, তাত fresh employee হিচাপে কৰিম। যেনেকৈ শিক্ষক এজনৰ যিদিনাৰ পৰা provincialize কৰা হয়, সেইদিনাখনৰ পৰাই তেখেতক appointee হিচাপে ধৰা হয় আৰু অসম চৰকাৰে যেনেকৈ অসমৰ স্কুলবোৰ provincialize কৰিছে, ঠিক তেনেকৈ অসম চৰকাৰে Municipality employee খিনিকো provincialize কৰিছে। যিদিনাখন তেওঁ join কৰিব,সেইদিনাখনৰ পৰা fresh employee হিচাপে ল'ব। তেওঁক pay protection দি আগৰ সেইটো কেনেকৈ হ'ব, সেইটো সম্ভৱ নহয়, আমিটো তেওঁলোকক নিযুক্তি দিয়া নাই, নিযুক্তি দিছে Municipality য়ে। আমি তেওঁলোকৰ দৰমহা দিব নোৱাৰা পৰিবেশটোৰ কাৰণে এটা security দি তেওঁলোকক ল'ব বিচাৰিছো। গতিকে clause -4 ত যিটো সংশোধনী আহিছে, এই সংশোধনীটো আমি ভাবিছো যে কোনো pay protection বা

পুৰণা হিচাপে দিয়াৰ কথা আহিব নোৱাৰে, তেওঁলোকক provincialize হোৱাৰ পিছত fresh appointee হিচাপে ধৰা হ'ব। এইখিনি কথা employee বিলাকৰ union সকলেও মানি লৈছে আৰু তেওঁলোকেওঁ বুজি পাই যে provincialize হলে, এনেকৈয়ে হ'ব লাগিব।

তৃতীয়তে, আপোনালোকে এটা সংশোধনী দিছিল যে সেই সমিতিখনত কোন থাকিব। clause -6(i) ত যিখন আমি সমিতি বনাই দিছিলো, তাত আমাৰ Director of Municipal Administration (DMA) আমি Vice - Chairman হিচাপে দিছিলো, আমাৰ সংশোধনীত দিছিলে যে এইটো Member Secretary হিচাপে দিব লাগে। এইটো সংশোধনীত কোনো অসুবিধা নাই। আপোনালোকৰ এই সংশোধনীটোৰ যুক্তি-যুক্ততা আছে। আমি মানি লৈছো আৰু Vice-Chairman জনক Member Secretary হিচাপে add কৰি দিয়া হ'ব।

চতুৰ্থতে, এটা সংশোধনী আছিল যে ইয়াত যদি কৰাবাত dispute হয় বা কিবা অসুবিধা আহে, তেতিয়া State Government decision shall be final আৰু এইটো অকল ইয়াতে নহয়, অসমৰ ২০১৭ চনৰ শিক্ষা বিভাগৰ যিখন provincialize Bill আছিল, তাতো ২১ ত এই কথাটো স্পষ্টভাৱে লিখা আছে যে Interpretation ৰ যদি সমস্যা আহে, State Government shall be the final authority। কাৰণ এনেকুৱা শব্দৰ interpretation বিলাক উকিলে বহুত বেলেগ বেলেগ ধৰণে গঢ়ি দিয়ে। আমাৰ সন্মানীয় সদস্য অমিনুল ইছলাম (কণিষ্ঠ) ডাঙৰীয়া এজন আইনবিদ আছিল, গতিকে তেখেতে কথাটো জানে। এনেকুৱা ধৰণৰ spelling বা word ৰ interpretation ত কেতিয়াবা সমস্যা হলে State Government shall be the final authority। ইয়াৰ মানে নহয় যে কোনো কোৰ্টলৈ যাব নোৱাৰিব। যেতিয়া dispute হ'ব ৰাজ্য চৰকাৰে প্ৰথমতে সিদ্ধান্ত দিব আৰু সেই ৰাজ্য চৰকাৰে দিয়া সিদ্ধান্তটো কোনোবাই নামানিলে, কোৰ্টলৈ যাব পাৰে, তাত বাধা নাই। গতিকে Municipality বুলি নহয়, আমাৰ শিক্ষাৰ provincialize bill তো এই কথাটো স্পষ্টভাৱে লিখা আছিল আৰু সেইটো সাধাৰণতে বিলত লিখা থাকে, কাৰণ ইয়াত মানুহে বিভিন্ন ধৰণে interpretation কৰি দিয়ে।

এই কেইটা সংশোধনীত মই ভাৰো মুখ্যতঃ চাৰিটা কথাৰ ওপৰত সংশোধনী - এটা হ'ল - ex-cadre ৰ পদৰ কথা কৈছো, মই সেইটো আপোনালোকক স্পষ্ট কৰি দিলো। Act. টো আমি কিয় লৈছিলো, সেইটোও আমি স্পষ্ট কৰি দিলো। Fresh appointment যে হ'ব আৰু সন্মানীয় সদস্য আমিনুল ইছলাম আৰু ৰফিকুল ইছলাম ডাঙৰীয়াই যিটো সংশোধনী আনিছিল যে Vice-Chairman ৰ ঠাইত Member Secretary হ'ব লাগে, সেই সংশোধনীটো মই মানি লৈছো।

আৰু শেষত যিটো ৰাজ্য চৰকাৰৰ কথা কৈছে, এইটো proper court হ'ব নোৱাৰে, State তাৰ পিছত কোনোবা কোৰ্টলৈ গলে যাব পাৰিব। গতিকে যি ৬ টা সংশোধনী আছিল, তাৰ ওপৰত মই যুক্তিযুক্ততাখিনি কৈছো। তাৰো উপৰি অখিল গগৈ ডাঙৰীয়াই সকলো বুজি পাই কিন্তু এটা পৰিৱেশ কৰিবৰ কাৰণে কিন্তু আজি এটা কথা কৈ দিয়ে আৰু তেওঁ ভাৱে যে টিভি বিলাকত এইবিলাক কথা ওলাব, এতিয়া কৈছে কিন্তু এমেণ্ডমেন্টৰ সেই বিলাক অনা নাই। যি খিনি এমেণ্ডমেন্ট আছে তাৰ ওপৰত কিয়, এমেণ্ডমেন্টটো অনাই নাই, তেওঁ লোকৰ পিঠগুৰিৰে বিহু পতাৰ দৰে বেলেগৰ এমেণ্ডমেন্টৰ ওপৰতে কথা কৈ দিয়ে, এক্ট খনত নাহা এমেণ্ডমেন্টৰ ওপৰতো কথা কৈ দিয়ে, এতিয়া আপুনি যি কেইটা এমেণ্ডমেন্ট আনিছে সেইকেইটাৰ ৰিপ্লাই মই দিলোৰে।

এমেণ্ডমেন্ট নানা বিধেয়কত আপুনি কথা কলেও কাৰণ আপুনি তাত এমেণ্ডমেন্ট অনাই নাই, গতিকে কথা কলেও লাভ নাই। গতিকে মই আপোনাক ধন্যবাদ দিছো আৰু মই ভাৱো যে মই যিখিনি কথা কলো আপোনালোকে বুজি পাব যে আমি কি লাইনেৰে এমেণ্ডমেন্ট খিনি কৰিবলৈ গৈছো যদি আপোনালোকে সন্মতি জনাই তেতিয়াহলে আমি বিল খন পাৰিত কৰণৰ কাৰণে যাম।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ ছাৰ, মোৰ কথাখিনি শেষ কৰো।

**মাননীয় উপাধ্যক্ষ** ঃ আপোনাক কবলৈ দিয়া হ'ল, ৰিপ্লাই দিলে, তাৰ পিছত আৰু কি থাকিব? আপোনাৰ এমেণ্ডমেন্ট আছে সেইটো সময়ত আহিব আপোনাৰ তাত।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ মোৰ ১ মিনিট সময়ত জেনেৰেল এটা কৈ লবলৈ দিয়ক।

**মাননীয় উপাধ্যক্ষ** ঃ ২ নং দফাত সংশোধনীৰ প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল ২ নং দফা বিধেয়ক খনৰ অংশ হ'ব, যি সকল সপক্ষে আছে কওক হয়, যি সকল সদস্য/সদস্যা বিপক্ষে আছে কওক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ২ নং দফা বিধেয়ক খনৰ অংশ হ'ল।

এতিয়া ৩ নং দফাত সংশোধনী প্ৰস্তাৱ আনিছিল মাননীয় আমিনুল ইছলাম ডাঙৰীয়া, আপোনালোকে সংশোধনী প্ৰস্তাৱযো উত্থাপন কৰিবনে?

**শ্ৰীআমিনুল ইছলাম, (কনিষ্ঠ, মানকাছাৰ)** ঃ ছাৰ, আমাৰ যিটো সংশোধনী আছিল সেই সংশোধনীটো যিহেতু মানি লৈছে সেই কাৰণে আমি withdraw কৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ গতিকে প্ৰশ্নটো হ'ল দফা নং ৩ গৃহীত কৰা হওঁক যি সকল সদস্য/সদস্যা সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ৩ নং দফা বিধেয়ক খনৰ অংশ হ'ল।

এতিয়া ৪ নং দফাত সংশোধনী প্ৰস্তাৱ মাননীয় অখিল গগৈ ডাঙৰীয়া, প্ৰস্তাৱটো উত্থাপন কৰিবনে?

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ উপাধ্যক্ষ ডাঙৰীয়া, মন্ত্ৰী ডাঙৰীয়াই কৈছে যে মই যিটো সংশোধনী আনিছো সেই সংশোধনী নকৈ বেলেগ কথা কৈ আছো। মই ৪ নং ত সংশোধনীটো আনিছো, ৪ নম্বৰত আছিল যিটো orginal, সেইটো মই পাঠ কৰি দিছো - Subject to the full-fillment of all the other provisions of the Act. The services of the Employees of the Municipal Board eligible under Section 3 shall be deemed to have been provincialised on and from the appointed date and they shall become employee of the State Government from the said date of appointment date of the Act on following terms and conditions. এতিয়া ইয়াৰ চেক্চন ২ যিটো আছিল তাত কৈছে যে All employees whose services had been provincialised under this Act shall get full scale of pay. মই ইমান দীঘলীয়াকৈ কৈ নাথাকো কিন্তু তাত মোৰ কবলগীয়া যিটো কথা আছিল সেইটো হ'ল যে যদিহে আজি এনেকৈ আজিৰ দিনটোত নিযুক্তিৰ তাৰিখ বুলি ধৰে তেতিয়াহলে কিমান লোকচান হ'ব এজন কৰ্মচাৰীৰ, চেলাৰীৰ কিমান লোকচান হ'ব ঙ্গ এখন municipalityত প্ৰেজেন্ট চেলাৰী পাই আছে যি কোনো এখনত মই নামটো কৈ দিব খোজা নাই, Junior Assistant এজনে মুঠ পাই আছে Basic, DA, HR & Medical মিলি দৰমহা পাই আছে আজিৰ দিনটোত ৬৬৪২৩.৬০ টকা, এতিয়া নতুনকৈ provincialised

হোৱাৰ পাছত তেওঁ কিমান দৰমহা পাব নতুন নিযুক্তিৰ পৰিমাণে ৩৩১২২.০০ টকা পাব। ৬৬ হাজাৰৰ পৰা পুৰা আধা নহয় অলপ ইফাল সিফাল হৈ কাট হ'ব আধা কাট হৈ যাব দৰমহা। Grade IV ৰ এখন municipalityত পাই আছে আজিৰ দিনটোত ৪৮৪৪৯.২০ টকা, আকৌ এতিয়া নতুনকৈ provincialised হ'লে পাব ২৬১৯৯.০০ টকা। ৪৮ হাজাৰৰ পৰা ২৬ হাজাৰ পাব। আৰু Assistant Engineer এজনে এতিয়া পাই আছে এখন municipalityত ১২৬৬৩০.৮০ টকা আৰু তেওঁ দৰমহা পাব ৭০৩১৩.০০ টকা। ১২৬ হাজাৰৰ পৰা ৭০ হাজাৰলৈ আহিব। এই যিটো দৰমহা কমি যাব এজন কাম কৰি থকা মানুহৰ দৰমহা কমি গলে যি দৰমহা লৈ আছে তেওঁৰ আধা দৰমহা যদি কমি যায় তেতিয়াহলে সেই পৰিয়ালটো কেনেকৈ চলিব সেই প্ৰশ্নটোৰ উত্তৰ ইয়াত মন্ত্ৰীয়ে দিব পৰা নাই।

**মাননীয় উপাধ্যক্ষ** ঃ আপুনি প্ৰস্তাৱটো উত্থাপন কৰিবনে ?

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ মই প্ৰস্তাৱটো উত্থাপন নকৰিলে উঠাই ললে মই গাদ্দাৰী কৰা হ'ব মানুহক। মই এই প্ৰস্তাৱটো উত্থাপন কৰিছো আৰু ভোট নোহোৱালৈকে মই এইটো উঠাই নলও। মানুহক এনেকুৱাকৈ ঠগে নেকি মানুহে ? চাকৰি কৰি থকা মানুহজনক আধা দৰমহা দি provincialised কৰিম বুলি কয়।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া প্ৰশ্নটো হ'ল যে মাননীয় সদস্য শ্ৰীঅখিল গগৈ ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰা হওঁক, যি সকল সদস্য/সদস্যা সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৱো 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে মাননীয় সদস্যৰ সংশোধনী প্ৰস্তাৱটো নাকচ কৰিলো ।

এতিয়া প্ৰশ্নটো হ'ল যে দফা নং ৪ গৃহীত কৰা হওঁক। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ৪ নং দফা বিধেয়ক খনৰ অংশ হ'ল।

এতিয়া ৫ নং দফাত দিয়া সংশোধনী কেইটাত মাননীয় সদস্য দেৱব্ৰত শইকীয়া আৰু অখিল গগৈ ডাঙৰীয়াই উত্থাপন কৰিবনে ?

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল** ঃ Withdraw কৰিব লাগিব কিন্তু মোৰ এটা আবেদন থাকিব, যিটো কোনো municipalityত বেলেগ বেলেগ দৰমহা লৈ থকা যিটো কথা জনাইছে আজি আঞ্চলিক পঞ্চায়ত গাঁও পঞ্চায়ত এইবিলাকৰ লগত Self-Government টো, কিন্তু বস্তুটো streamlining হৈ uniform ত চেলেৰী পাই আছে। গতিকে মই ভাৱো যে বিভিন্ন municipalityত যিবিলাক চেলাৰীত যিটো বৈসম্য হৈ আছে আজি municipalityত বেলেগে চেলাৰী পাই আছে, এই কথাটো বেছিদিন এলাও নকৰি গোটেই বস্তুটো streamlining কৰি পোষ্ট বোৰ provincialised কৰাৰ দিশত যাতে চৰকাৰে পদক্ষেপ লয় এইখিনি আশা ৰাখি মই Withdraw কৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ অখিল গগৈ ডাঙৰীয়া ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ উপাধ্যক্ষ ডাঙৰীয়া, ইয়াত যিটো কৈছে, ৫ নং দফাত কোৱা হৈছে যে For the purpose of the provincialisation of the service municipality employees under this Act. The Government shall create and sanction such number of Ex-Cadre post which shall be personal to the incumbent. This personal post shall stand abolished on the cessation

of services of the employees for any reason whatsoever including retirement, resignation or death. মানুহ জন যদি মৃত্যু হয় বা অৱসৰ লয় তেতিয়াহলে সেই পদটো নাইকিয়া হৈ যাব। এইটো পাৰ্চনেল। গতিকে আমি কৈছো যে নহয়, এইটো কৰিব নালাগে, cadre post which shall be governed by the rule of APSC. আমি কৈছো কেডাৰ পদ সৃষ্টি কৰিব লাগে যিটো এপিএচচি ৰ দ্বাৰা govern কৰা হয়। 'Stand abolished' শব্দাটো নাইকিয়া কৰি সেইটো 'continue' কৰিবলৈ দিছো আমি। Personal as well as Ex-cadre এইটো অকল কেদাৰ শব্দটো বহাব দিছো। আৰু 'not be impacted in any way' টো 'be increased' বুলি আমি শব্দটো দিবলৈ দিছো। আমি ইয়াৰ অৰ্থত এইটো কব বিচাৰিছো যে এজন মানুহৰ পদটো কৰিব কিন্তু পাছত মানুহ জন অৱসৰ লোৱাৰ পিছত সেই পদটো abolish হৈ যাব। সেইটো কেতিয়াও কোনো পধ্যেই গ্ৰহণযোগ্য হ'ব নোৱাৰে? গতিকে এইটো এটা আভুৱা ভৰা প্ৰস্তুত চলাই আছো। গতিকে সেইটো আমি মানি লব নোৱাৰো। ব্যক্তিগত ভাৱে কোনোৱে মানি লোৱা উচিত নহয়।

**माननीয় উপাধ্যক্ষ ঃ** যিহেতু প্ৰস্তাৱটো দেৱব্ৰত শইকীয়া ডাঙৰীৰ হৈ Withdraw কৰি লৈছে, এতিয়া অখিল গগৈৰ সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰা হওঁক। যি সকল সদস্য/সদস্যা সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৱো 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে মাননীয় সদস্যৰ সংশোধনী প্ৰস্তাৱটো নাকচ হল।

এতিয়া প্ৰশ্নটো হ'ল যে দফা নং ৫ গৃহীত কৰা হওঁক। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ৫ নং দফা বিধেয়ক খনৰ অংশ হ'ল।

এতিয়া ৬ নং দফাত যিহেতু মন্ত্ৰী মহোদয়ে কোৱাত আমিনুল ইছলাম ডাঙৰীয়ই মানি লৈছে।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো যে এইটো মানি লৈছে গতিকে প্ৰত্যাহাৰ কৰাত মোৰ কোনো আপত্তি নাই।

**মাননীয় উপাধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে মাননীয় সদস্য আমিনুল ইছলাম (জ্যেষ্ঠ)ৰ লগত তেখেতৰ সহযোগী সকলে সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰা হওঁক।

যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে সংশোধনীটো ৬ নং দফাৰ অংশ হ'ল।

এতিয়া প্ৰশ্নটো হ'ল যে সংশোধনী সহ দফা নং ৬ গৃহীত কৰা হওঁক। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে সংশোধনীসহ দফা নং ৬ বিধেয়ক খনৰ অংশ হ'ল।

৭ নং দফাৰ পৰা ১১ নং দফালৈ কোনো সংশোধনী প্ৰস্তাৱ নাই । প্ৰশ্নটো হ'ল ৭ নং দফাৰ পৰা ১১ নং দফালৈ দফা কেইটা বিধেয়কখনৰ অংশ হ'ব । যিসকলে সপক্ষে আছে কওক 'হয়', যিসকলে বিপক্ষে আছে কওঁক ' নহয়' । মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। ৭ নং দফাৰ পৰা ১১ নং দফা কেইটা বিধেয়কখনৰ অংশ হ'ব । ১২ নং দফাত মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগীসকলৰ সংশোধনী আছে আপোনালোকে উত্থাপন কৰিবনে ?

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল, (গোৱালপাৰা, পশ্চিম) ঃ** উপাধ্যক্ষ মহোদয়, মই উইড্ৰ' কৰিম যিহেতু কেইবাটাও এক্টত এনেকুৱাধৰণৰ প্ৰভিজন আছে তথাপিও মই মোৰ আশংকাখিনি কিন্তু ক'ম যে সাধাৰণতে এইটো Wrongly Interpreation হোৱাৰ ভয় থাকে গতিকে চৰকাৰে যাতে এই বস্তুটোত গুৰুত্ব দিয়ে ।

**মাননীয় উপাধ্যক্ষ ঃ** যিহেতু সংশোধনী প্ৰস্তাৱটো উঠাই লৈছে - প্ৰশ্নটো হ'ল যে দফা নং ১২ গৃহীত কৰা হওঁক - যি সকল সদস্য সদস্যাই সপক্ষে আছে কওক 'হয়', যিসকলে বিপক্ষে আছে কওঁক ' নহয়' । মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। ৭ নং দফাৰ পৰা ১১ নং দফা কেইটা বিধেয়কখনৰ অংশ হ'ব । ১৩ নং দফাৰ পৰা ১৫ নং দফালৈ কোনো সংশোধনী প্ৰস্তাৱ নাই । প্ৰশ্নটো হ'ল ১৩ নং দফাৰ পৰা ১৫ নং দফা কেইটা বিধেয়কখনৰ অংশ হ'ব । যিসকলে সপক্ষে আছে কওক 'হয়', যিসকলে বিপক্ষে আছে কওঁক ' নহয়' । মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। ১৩ নং দফাৰ পৰা ১৫ নং দফা কেইটা বিধেয়কখনৰ অংশ হ'ল ।

দফা নং ১, অধিনিয়ম সূত্ৰ , প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামত কোনো সংশোধনী নাই । প্ৰশ্নটো হ'ল যে, দফা নং ১ অধিনিয়ম সূত্ৰ , প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম আৰু অনুসূচীখন বিধেয়কখনৰ অংশ হ'ব ।

যি সকল সদস্য সদস্যা সপক্ষে আছে কওক 'হয়', যিসকলে বিপক্ষে আছে কওঁক ' নহয়' । মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ১ অধিনিয়ম সূত্ৰ , প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম আৰু অনুসূচীখন বিধেয়কখনৰ অংশ হ'ল । এতিয়া মই মাননীয় মন্ত্ৰীক বিধেয়কখন পাৰিতকৰণৰ বাবে প্ৰস্তাৱ কৰিলো । অনাৰেবল্ মিনিষ্টাৰ ।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ ইত্যাদি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ উত্থাপন কৰিছো যে, " দি আসাম মিউনিচিপাল এমপ্ল'ইজ প্ৰভিন্সিয়েলাইজেশ্যন বিল ২০২৫ পাৰিতকৰণৰ বাবে লোৱা হওঁক ।

**মাননীয় উপাধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল বিধেয়কখন পাৰিত কৰা হওঁক । যি সকল সদস্য সদস্যা সপক্ষে আছে কওঁক 'হয়', যিসকল বিপক্ষে আছে কওঁক ' নহয়' । মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত হ'ল ।

**সদন ০৭-০৩-২০২৫ তাৰিখে পুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল ।**

**(বিয়লি ৩ বাজি ৩ মিনিটত সদনৰ দিনটোৰ কাৰ্য্যসূচী সমাপ্ত হয় ।)**